# দক্ষিণ পাট

সপ্তচত্বাৰিংশত্তম প্ৰকাশ || ২০১৮-১৯ ইং বৰ্ষ



সম্পাদক

সমৰ জ্যোতি কলিতা

# সম্পাদনা সমিতি



ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া
উপদেষ্টা



এড্ৱাৰ্ড ষ্টেভী এন্ চাংমা
তত্ত্বাৱধায়ক



সুনীল তালুকদাৰ
শিক্ষক সদস্য



ড° নমিতা শৰ্মা
শিক্ষক সদস্যা



দেবেন্দ্ৰ শৰ্মা
শিক্ষক সদস্য



ড° জিলমিল বৰা
শিক্ষক সদস্যা



অসীম ৰঞ্জন শৰ্মা
শিক্ষক সদস্য



সমৰ জ্যোতি কলিতা
সম্পাদক



হীৰকজ্যোতি নাথ
সম্পাদনা সহযোগী



ভাৰ্গৱ কলিতা
সম্পাদনা সহযোগী



ধনমণি দাস
সম্পাদনা সহযোগী



মহেশ দাস
সম্পাদনা সহযোগী



তনুশ্ৰী চৌধুৰী
সম্পাদনা সহযোগী



ৰঞ্জন হাজৰিকা
সম্পাদনা সহযোগী



জুমনজ্যোতি দাস
চিত্ৰশিল্পী



নয়নজ্যোতি দাস
চিত্ৰশিল্পী

# দক্ষিণ পট

## দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

সপ্তচত্বাৰিংশত্তম সংখ্যা ■ ২০১৮-১৯ ইং বৰ্ষ

# DAKSHIN PAT

**An Annual Publication, Dakshin Kamrup College**

**Vol.- 47 : 2018-2019**

তত্ত্বাৱধায়ক

এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা

সম্পাদক

সমৰ জ্যোতি কলিতা




# দক্ষিণ পট

**৪৭ সংখ্যক প্ৰকাশ**
**২০১৮-২০১৯ ইং বৰ্ষ**

## প্ৰকাশৰ আঁৰত...


| | | |
|---|---|---|
| মুখ্য উপদেষ্টা | ঃ | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| তত্বাৱধায়ক | ঃ | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| সম্পাদক | ঃ | সমৰ জ্যোতি কলিতা |
| শিক্ষক সদস্য | ঃ | দেৱেন্দ্ৰ শৰ্মা |
| | ঃ | ড° নমিতা শৰ্মা |
| | ঃ | অসীম ৰঞ্জন শৰ্মা |
| | ঃ | সুনীল তালুকদাৰ |
| | ঃ | ড° জিলমিল বৰা |
| সম্পাদনা সহযোগী | ঃ | হীৰকজ্যোতি নাথ |
| | ঃ | ভাৰ্গৱ কলিতা |
| | ঃ | ধনমণি দাস |
| | ঃ | মহেশ দাস |
| | ঃ | তনুশ্ৰী চৌধুৰী |
| | ঃ | ৰঞ্জন হাজৰিকা |
| বেটুপাত অংকন আৰু স্কেচ্ছ্ | ঃ | ভূমনজ্যোতি দাস |
| স্কেচ্ছ্ আৰু অলংকৰণ | ঃ | নয়নজ্যোতি দাস |
| সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| মুদ্ৰণ | ঃ | শ্ৰীবিষ্ণু অফ্ছেট প্ৰেছ<br>মিৰ্জা-৭৮১১২৫<br>ই-মেইল ঃ bishnuoffsetmirza@gmail.com |


### প্ৰচ্ছদ চিন্তা

নদীমাতৃক ৰাজ্য অসমৰ ব্ৰহ্মপুত্ৰ, কলহী, বাথা, জগলীয়া, কাঁহিগঙ্গা, বটাহী, কালবোগ, দিমালী, পেটাভোকোলা, বকো, শিংৰা আদি নৈৰ পাৰে পাৰে গঢ় লৈ উঠা দক্ষিণ কামৰূপ অঞ্চলটোৰ ভৌগোলিক পৰিব্যাপ্তি অতি বিস্তৃত। প্ৰাচীন কালৰেপৰা এই অঞ্চলটোৱে বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী আৰু নানা ধৰ্মাৱলম্বী লোকৰ মিলনভূমি ৰূপে সমন্বয়ৰ বাৰ্তা বহন কৰি আহিছে। বিচিত্ৰ কলা-সংস্কৃতিৰ সমাহাৰে অঞ্চলটোক অসমৰ ভিতৰতেই জাকত-জিলিকা কৰি ৰাখিছে। অঞ্চলটোত বাস কৰা অধিকসংখ্যক লোকেই কৃষি আৰু মৎস্যবৃত্তিৰ লগত জড়িত। প্ৰাকৃতিক পৰিৱেশেৰে মনোৰম এই অঞ্চলটোক সম্প্ৰতি নগৰীকৰণেও স্পৰ্শ নকৰা নহয়। অবাধ ঔদ্যোগিকৰণে নমাই অনা প্ৰদূষণে অঞ্চলটোৰ পৰিৱেশত যেন কুঠাৰাঘাত কৰিছে। তথাপিও উজ্জ্বল অৰুণাভাই অঞ্চলটোক যেন পোহৰাই ৰাখিছে।

**বিঃদ্ৰঃ-** ■ এইবেলিৰ ৪৭ সংখ্যক ‘দক্ষিণ পট’ত প্ৰকাশিত লেখাসমূহ লেখা আহ্বানৰ বাবে জাননীযোগে দিয়া চৰ্তসমূহ মানি মৌলিকভাৱে ৰচনা কৰা বুলি ভাবিয়েই নিৰ্বাচন কৰা হৈছে। সেয়ে লেখাসমূহৰপৰা সৃষ্টি হোৱা যি কোনো বিতৰ্ক আৰু বিসংগতিৰ বাবে সম্পাদনা সমিতি দায়ী নহ’ব; সংশ্লিষ্ট লেখক-লেখিকাসকল দায়বদ্ধ হ’ব।

■ বিভিন্ন প্ৰবন্ধসমূহৰ স’তে সংযোজিত ফটোসমূহ ইণ্টাৰনেটৰপৰা সংগ্ৰহ কৰা হৈছে।

—সম্পাদক

# উৎসৰ্গা

"অন্তৰৰ জ্যোতিৰ গৌৰৱ মই নকৰোঁ
বাহিৰৰ এন্ধাৰেও মোক ভয় নুখুৱায়
মই জানো
মোৰ দৈনন্দিন মৃত্যু।"

—নৰকান্ত বৰুৱা



**উমেশ শৰ্মা**
অৱসৰপ্ৰাপ্ত অধ্যক্ষ



**দ্বীপেন বৈশ্য**
প্ৰাক্তন মুৰব্বী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ



**অৰুণ দাস**
প্ৰাক্তন মুৰব্বী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ



**লক্ষেশ্বৰ শৰ্মা**
অনাশিক্ষক কৰ্মচাৰী

এখেতসকলৰ পবিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধাৰে
'দক্ষিণ পট'ৰ এই সংখ্যাটি উচৰ্গা কৰিলোঁ।

—সম্পাদনা সমিতি
**দক্ষিণ পট**

# অশ্ৰু-অঞ্জলি



**টাবুৰাম টাইড**
বিশিষ্ট শিক্ষাবিদ, লেখক,
লোক-সংস্কৃতিৰ গৱেষক-পণ্ডিত



**পূৰবী বৰমুদৈ**
বিশিষ্ট ঔপন্যাসিক,
গল্পকাৰ



**সুষমা স্বৰাজ**
প্ৰাক্তন বৈদেশিক মন্ত্ৰী,
সুবক্তা



**ড° দিলীপ কুমাৰ দত্ত**
বিশিষ্ট গণিতজ্ঞ,
লেখক



**ৰত্ন ওজা**
'কলাৰত্ন', বিশিষ্ট নাট্যকাৰ,
সাহিত্যিক



**ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য**
সাহিত্যাচাৰ্য,
বিশিষ্ট ভাষাবিদ, গৱেষক



**ড° গোলোক চন্দ্ৰ গোস্বামী**
সাহিত্যাচাৰ্য,
বিশিষ্ট ভাষাবিদ, লেখক



**গিৰীশ কাৰ্ণাড**
প্ৰসিদ্ধ নাট্যকাৰ,
পৰিচালক, অভিনেতা

*লগতে*
*অসমৰ প্ৰাক্তন ডি.জি.পি.* ***খগেন শৰ্মা***
*বিশিষ্ট নৃতত্ত্ববিদ, প্ৰাক্তন উপাচাৰ্য* ***ড° অন্নদাচৰণ ভাগৱতী***
*পলাশবাৰী আৰ.বি. উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা* ***অপূৰ্ণা দাস কাকতি***
*আৰু*
*পলাশবাৰী ছোৱালী হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক, শিক্ষাবিদ* ***নৰেন্দ্ৰ চন্দ্ৰ কলিতা*** *প্ৰমুখ্যে*
*জ্ঞাতে-অজ্ঞাতে বিশ্বৰ বিভিন্ন প্ৰান্তত জীৱনবন্তি নিৰ্বাপিত হোৱা*
*মহান ব্যক্তিসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি*
*জ্ঞাপন কৰিলোঁ।*

—সম্পাদনা সমিতি
**দক্ষিণ পট**
সপ্তচত্বাৰিংশত্তম প্ৰকাশ

**সৰ্বানন্দ সোণোৱাল**



**মুখ্যমন্ত্ৰী, অসম**
**গুৱাহাটী**

সত্যমেৱ জয়তে

**দিছপুৰ**
**২১-১১-২০১৯**

# শুভেচ্ছাবাণী

মিৰ্জাৰ ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'দক্ষিণ পট'ৰ প্ৰকাশৰ বাবে যো-জা চলোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

সমাজ এখনক আলোকৰ বাটেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অপৰিসীম। শক্তিশালী সামাজিক স্তৰ নিৰূপণ আৰু বিকাশৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত শিক্ষাই সদায়ে শক্তিশালী পৰিকাঠামো নিৰ্মাণ কৰে। শিক্ষাই মানুহৰ বিবেকক স্পৰ্শ কৰি জ্ঞানৰ বাটেৰে আগুৱাই যোৱাৰ বাবে পৰিৱেশ নিৰ্মাণ কৰাৰ লগতে সৃজনীশীল চিন্তাধাৰাৰ উন্মেষত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহে বিদ্যাৰ্থীসকলক গুণগত শিক্ষা প্ৰদানেৰে প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ দিশত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে। মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ে ইয়াৰ জন্মলগ্নৰেপৰা শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে নিৰলস প্ৰয়াস চলাই অহাটো আশাপ্ৰদ দিশ। শিক্ষানুষ্ঠানৰ বাৰ্ষিক মুখপত্ৰ এখনে শিক্ষাৰ্থীসকলক জ্ঞান আহৰণৰ সুযোগ প্ৰদান কৰাৰ উপৰি বৌদ্ধিক চেতনাবোধ জাগ্ৰত কৰাৰ দিশত ইতিবাচক ভূমিকা গ্ৰহণ কৰে। দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনে শৈক্ষিক বাতাৱৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অধিক উৎকৰ্ষিত মনোভাবেৰে আগবঢ়াৰ দিশত সংশ্লিষ্ট সকলোকে অধিক প্ৰেৰণা যোগাব বুলি আশা কৰিলোঁ।

মই দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰাৰ লগতে মুখপত্ৰখনে সকলোৰেপৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

**(সৰ্বানন্দ সোণোৱাল)**

## হোমেন বৰগোহাঞি



# শুভেচ্ছাবাণী

ময়ো এদিন কলেজৰ ছাত্ৰ আছিলোঁ। কলেজৰ বছৰেকীয়া আলোচনীখনে সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনত কিমান সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলায়, সেই কথা মই নিজৰ ব্যক্তিগত অভিজ্ঞতাৰপৰাই জানো। বহুতো ছাত্ৰ-ছাত্ৰীয়ে কলেজৰ আলোচনীখনতে প্ৰথমবাৰৰ কাৰণে লেখক হিচাপে আত্মপ্ৰকাশ কৰে আৰু তেওঁলোকৰ মাজৰে কেইজনমান ছাত্ৰ-ছাত্ৰীৰ জীৱনত জ্ঞানৰ চৰ্চা বা সাহিত্যৰ সাধনাই এটা স্থায়ী ৰূপ লয়। দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'দক্ষিণ পট' আলোচনীখনো নিশ্চয় তাৰ ব্যতিক্ৰম নহয়। প্ৰায় পাঁচ হেজাৰ ছাত্ৰ-ছাত্ৰীৰে বিশাল ৰূপ ধাৰণ কৰা এই কলেজখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনতো 'দক্ষিণ পট'ৰ স্মৃতি আৰু প্ৰভাৱ দীৰ্ঘস্থায়ী হ'ব বুলি আশা কৰিব পাৰি। আলোচনীখনৰ উদ্দেশ্যে লিখা এই শুভেচ্ছাবাণীটোৰ জৰিয়তে মই কলেজৰ শিক্ষকমণ্ডলী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ সশ্ৰদ্ধ নমস্কাৰ জ্ঞাপন কৰিছোঁ লগতে কলেজখনৰ সৰ্বাংগীণ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিছোঁ।



(হোমেন বৰগোহাঞি)

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য
**Siddhartha Bhattacharya,** M.A., L.L.B.
**Cabinet Minister**
Department of Education
Guwahati Development Department
Department of Law and Justice
Government of Assam

सत्यमेव जयते

Block-D, 4th Floor
Assam Secretariat, Dispur
Guwahati-781006, Assam
Tel. No. : 0361-2237267
Mobile No. : 94350-10789
E-mail : siddharthabhatta@gmail.com
ministeredu26@gmail.com



# শুভেচ্ছাবাণী

পূৰ্বৰ দৰে এইবেলিও দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ **'দক্ষিণ পট'** প্ৰকাশৰ ব্যৱস্থা কৰা বুলি জানি সুখী হৈছোঁ। নামনি অসমৰ গুৰুত্বপূৰ্ণ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ মহাবিদ্যালয়ে মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। শিক্ষাৰ্থীসকলৰ মাজত সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক বিকাশ সাধনৰ বাবে দীৰ্ঘদিন ধৰি শিক্ষানুষ্ঠানখনে অহোপুৰুষাৰ্থ কৰি আহিছে।

মুখপত্ৰ 'দক্ষিণ পট'ত মহাবিদ্যালয়খনৰ ঐতিহ্য, ভূমিকা আৰু শিক্ষাৰ বিভিন্ন দিশ সুন্দৰ ৰূপত উপস্থাপন কৰা হ'ব বুলি আশা ৰাখিলোঁ।

(সিদ্ধাৰ্থ ভট্টাচাৰ্য্য)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
**Vice Chancellor**
Phone : +91-361-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
pjhandique@rediffmail.com



# MESSAGE

I am happy to learn that Dakshin Kamrup College, Mirza is going to publish its 47th issue of Annual College Magazine very soon. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

P. J. Handique

Date : 03-12-2019

**(P. J. Handique)**

**Address :** Gopinath Bardoloi Nagar
Jalukbari, Guwahati-781014
Assam : India

**Phone :** 0361 257 0412

**Web :** www.gauhati.ac.in

# অধ্যক্ষৰ একাষাৰ....



সৃষ্টিৰ সাধনাই সুন্দৰৰ বাট প্ৰশস্ত কৰে। এই সৃষ্টি যদি সাহিত্যৰ মাধ্যমেৰে হয়, তেন্তে সি সমাজ জীৱনত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। সাহিত্যৰ ভেটি হ'ল সমাজ। সমাজখনক বাদ দি কেতিয়াও সুস্থ আৰু উৎকৃষ্ট সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে।

মহাবিদ্যালয় পৰ্যায়ত সাহিত্য সাধনাৰ অন্যতম পথাৰ হ'ল— মহাবিদ্যালয় আলোচনী, প্ৰাচীৰ পত্ৰিকা, হাতেলিখা আলোচনী, বিভাগীয় বাৰ্তালোচনীসমূহৰ লগতে বিভিন্ন ধৰণৰ সাহিত্য প্ৰতিযোগিতাসমূহ। এইবোৰত সুস্থ মানসিকতাৰে অংশগ্ৰহণৰ যোগেদিও সাহিত্য চৰ্চাৰ ক্ষেত্ৰখন সঁজাল কৰি তুলিব পাৰি।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'দক্ষিণ পট'ৰ এক বিশেষ নাম আছে। অধ্যাপক-অধ্যাপিকা, অনাশিক্ষক কৰ্মচাৰীসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন লেখাসমূহে ইয়াত বিশেষকৈ স্থান পাই আহিছে। কিছুমান মৌলিক আৰু গৱেষণালব্ধ লেখাই পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছে আৰু সমাদৃতও হোৱা দেখা গৈছে।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক পৰিসীমা সামৰি এখন সুস্থ-সবল আৰু সৰ্বাংগীণ উন্নত আলোচনী প্ৰকাশ কৰাটো অতি কষ্টকৰ। কাৰণ, সাহিত্য হ'ল জাতিৰ দাপোণস্বৰূপ। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ জ্ঞানান্বেষণ একান্তই প্ৰয়োজন। ভাল গ্ৰন্থ অধ্যয়নেৰেহে বৌদ্ধিক চিন্তাৰ জগতখন উজ্বলাই তুলিব পাৰি। আশা ৰাখিছোঁ, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে তেনে বাটেৰে আগবাঢ়িব আৰু মহাবিদ্যালয়ৰ লগতে সমাজলৈ ইতিবাচক অৱিহণা আগবঢ়াবলৈ চেষ্টাৰ ত্ৰুটি নকৰিব।

এইবেলি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'দক্ষিণ পট'ৰ ৪৭ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱাত সুখী হৈছোঁ। আশা ৰাখিছোঁ এইবেলিও ইয়াত প্ৰকাশিত লেখাসমূহে পাঠকৰ মনোযোগ আকৰ্ষণ কৰিব। সকলোলৈকে মই মোৰ আন্তৰিকতা প্ৰকাশ কৰিলোঁ।

ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া
ভাৰপ্ৰাপ্ত অধ্যক্ষ
দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা

# অনুভৱত তত্ত্বাৱধায়কৰ একলম....



সৃজনী শক্তিৰে উদ্ভাসিত হয় সাহিত্য। বাস্তৱ জীৱনৰ চিত্ৰ সাহিত্যত প্ৰতিফলিত হয় আবেগ-অনুভূতি আৰু কল্পনাৰ সু-সমন্বয়ত। জীৱনৰ ৰং-ৰূপ-ৰহস্যৰ প্ৰকাশে লেখাসমূহক জীপাল কৰি তোলে, অৰ্থঘনত্ব প্ৰদান কৰে, পাঠকৰ মগজুত চিন্তাৰ খোৰাক যোগায়।

আত্মপ্ৰকাশৰ আকাংক্ষাৰে লেখকে সৃজনী সাহিত্যৰ মজিয়াত প্ৰৱেশ কৰে। বাস্তৱ অভিজ্ঞতাৰপৰা হোৱা আনুভূতিক প্ৰতিক্ৰিয়াক লেখাসমূহৰ মাজেৰে লেখকে পাঠকলৈ প্ৰেৰণ কৰে। পাঠকেও লেখকৰ আনুভূতিক প্ৰতিক্ৰিয়া আস্বাদন কৰি লোৱাৰ সুবিধা গ্ৰহণ কৰিব পাৰে বুদ্ধিনিষ্ঠ চিন্তা-চেতনাৰে।

মানুহ যিহেতু সামাজিক জীৱ, গতিকে পৰনিৰ্ভৰশীল। গতিকে পৰস্পৰৰ লগত সংযোগ স্থাপনৰ প্ৰয়াস আৰু লেখকে নিজক বিস্তৃতভাৱে আৰু বিশালভাৱে চাব খোজাৰ ফলতো সাহিত্য সৃষ্টিৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰে।

সৃষ্টিৰ প্ৰেৰণাৰ লগত অনুভৱৰ এক গভীৰ সম্পৰ্ক আছে। ভাবানুভূতিৰ লগত বিষয়ৰ, বিষয়ৰ লগত সাহিত্যৰ ৰূপৰ সম্পৰ্ক অবিচ্ছেদ্য। সাহিত্যৰ লগত বৌদ্ধিক মানসিকতাৰ কথাও জড়িত হৈ থাকে। সুস্থ মানসিকতাৰে সাহিত্য সৃষ্টি কৰিব নোৱাৰিলে পাঠকৰ মানসিকতাত বিৰূপ প্ৰভাৱ পৰাৰ সম্ভাৱনা থাকে। তেনে হ'লে সমাজতো ইয়াৰ কু-প্ৰভাৱ পৰিব। গতিকে সৃষ্টিশীল সাহিত্যই মানুহৰ (পাঠকৰ) হৃদয় আৰু বিবেকত সুস্থ চিন্তাৰ প্ৰতিফলন ঘটাব পাৰিলেহে একোটা জাতিৰ জাতীয় জীৱনত সি ইতিবাচক প্ৰভাৱ পেলাব পাৰে বুলি ক'ব পাৰি।

সাহিত্য চৰ্চাৰ অন্যতম কঠীয়াতলীস্বৰূপ হ'ল শিক্ষানুষ্ঠানসমূহৰপৰা প্ৰকাশিত মুখ্য মুখপত্ৰকে ধৰি অন্যান্য বাৰ্তালোচনীসমূহ। এইবোৰকে সৃষ্টিশীল সাহিত্য চৰ্চাৰ আদিক্ষেত্ৰ হিচাপে ধৰি লৈ ছাত্ৰ-ছাত্ৰীসকলে সৃষ্টিৰ ক্ষেত্ৰত আগবাঢ়ি গ'লে বৌদ্ধিক-মানসিকতাৰ উৎকৰ্ষ সাধন হ'ব বুলি আশা কৰিব পাৰি। তেনে কৰিলেহে ভাষা-সাহিত্য-সংস্কৃতিৰ লগতে সমাজৰ প্ৰতিও গধুৰ দায়িত্ব পালন কৰা হ'বগৈ। য'ত ব্যক্তি-সমাজ আৰু সংস্কৃতি সুৰক্ষিত হোৱাৰ পথ সু-প্ৰশস্ত হ'ব। কাৰণ লেখক মাত্ৰেই সামাজিকভাৱে দায়বদ্ধ।

সৃষ্টিৰ অদম্য হেঁপাহে মানুহৰ মন শক্তিশালী আৰু সুন্দৰ কৰি তোলে। সৃষ্টিবোৰ মানুহ আৰু সমাজৰ বাবে হ'লে প্ৰশংসনীয় হয়, কলা-শিল্পৰ ৰূপ পায়। এনেধৰণৰ সৃজনীশীল কামবোৰ ছাত্ৰাৱস্থাৰেপৰা কৰি গ'লেহে পাচলৈ পৰিপক্কতা লাভ কৰিব পাৰি।

এইবেলি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'দক্ষিণ পট'ৰ সপ্তচত্বাৰিংশত্তম প্ৰকাশটি উলিওৱাৰ দিহা কৰা হৈছে। এইক্ষেত্ৰত আমাক যিসকল লেখক-লেখিকাই উৎসাহ-উদ্দীপনাৰে ইতিবাচক সঁহাৰি জনালে, তেখেতসকললৈ মই এই সুযোগতে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেখেতসকলৰ মৌলিক চিন্তাধাৰা 'দক্ষিণ পট'ৰ বাবে অন্যতম যোগাত্মক দিশ হৈ ৰওক— তাৰেই কামনা কৰিলোঁ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে আমি ক্ষমাপ্ৰাৰ্থী।

শেষত আপোনালোকৰ গঠনমূলক দিহা-পৰামৰ্শ আমাৰ একান্তই কাম্য, যিবোৰ হ'ব— আমাৰ অনাগত দিনৰ বাবে আগবাঢ়ি যোৱাৰ প্ৰধান সমল।

ধন্যবাদ সহকাৰে—

এড্‌বাৰ্ড ষ্টেডী এন্ চাংমো

তত্ত্বাৱধায়ক

দক্ষিণ পট, সপ্তচত্বাৰিংশত্তম প্ৰকাশ

# সম্পাদকীয়



সাহিত্য সমাজৰ দাপোণস্বৰূপ। কোনো এটা জাতি বা কোনো এখন সমাজৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক দিশসমূহ সেই সময়ৰ সাহিত্যৰাজিৰ মাজত বিৰাজমান হৈ থাকে। মানুহ সৃষ্টিৰ সৰ্বশ্ৰেষ্ঠ প্ৰাণী। প্ৰত্যেক মানুহৰে আশা-আকাংক্ষা, আবেগ-অনুভূতি, চিন্তাশক্তি আছে। মানুহৰ এক সহজাত প্ৰবৃত্তি হ'ল— মানুহে যিদৰে আনক জানিব বিচাৰে, ঠিক তেনেদৰে নিজকো জনাব বিচাৰে। যাৰ ফলত সাহিত্যই মানুহৰ এই সহজাত প্ৰবৃত্তি প্ৰকাশৰ গতিপথ হিচাপে থিয় দিছে। তদুপৰি বাস্তৱ জগতত লাভ কৰা দুখ-যন্ত্ৰণা, নিৰাশা-হতাশাবোৰৰপৰা উপশম পাবলৈ সাহিত্যৰ মাজেৰে কল্পনা জগতত উটি-ভাহি সুখৰ সন্ধান বা কামনা-বাসনা পূৰ্ণ কৰিব বিচাৰে। এক কথাত ক'বলৈ গ'লে সাহিত্যক কেন্দ্ৰ কৰিয়েই একোটা জাতি গঢ়ি উঠে।

সাহিত্য হৈছে মানৱ সংস্কৃতিৰ ধাৰক-বাহক, ই মানৱৰ বিচিত্ৰ মনৰ বৈচিত্ৰ্যময় সৃষ্টিক সযতনে সংৰক্ষিত কৰি ৰাখে। আমাৰ অসমীয়া জাতিৰ এক নিৰ্দিষ্ট সাহিত্য আছে আৰু সেই সাহিত্যক আধাৰ হিচাপে লৈ অসমীয়া সমাজ বৰ্তমানলৈ ভাৰতবৰ্ষৰ বুকুত শক্তিশালীৰূপে বুকু ফিন্দাই থিয় দি আছে। কিন্তু বৰ্তমান মোৰ অনুভৱ হয় যে মানুহবোৰ যিমানে সভ্য, আধুনিক হৈ গৈ আছে, সিমানেই নিজৰ অস্তিত্ব, আচল ৰূপ, পৰিচয় সকলো হেৰুৱাই পেলাবলৈ গৈ আছে। ইয়াৰ মূল কাৰণ এটাই, সেইটো হ'ল— আধুনিক সমাজত নিজকে আৰু লগতে নিজৰ সন্তানক আধুনিক ৰূপত গঢ় দিবলৈ গৈ নিজৰ সাহিত্য, নিজৰ সংস্কৃতি সকলো জলাঞ্জলি দিয়া। ইয়াৰ জ্বলন্ত উদাহৰণ কেইটামান এনেধৰণৰ— বৰ্তমান কিবা হেনো 'HALLOWEEN DAY' পালন কৰে। আমাৰ কণ কণ শিশুসকলক 'HALLOWEEN DAY' পালন কৰিব শিকাই আছে, কিন্তু 'মহোহো' কি তাক সুধিলে উত্তৰ আহে— "কি বস্তু? আজিলৈ নাম শুনি পোৱা নাছিলো।" অৰ্থাৎ বৰ্তমান নৱ প্ৰজন্ম কোন দিশে গতি কৰিছে? পাশ্চাত্য সংস্কৃতি আমাৰ শিশুসকলক ঠিকেই শিকোৱা হৈ আছে, কিন্তু তাৰ সমান্তৰালভাৱে নিজৰ কলা-কৃষ্টি শিকোৱাৰ ব্যৱস্থা কিয় হোৱা নাই? এয়া আমাৰ বাবে এক ভয়াবহ সমস্যা হিচাপে পৰিগণিত হ'ব। কিন্তু তাৰ পিচতো সৃষ্টিশীল মহান সাহিত্যিকসকলৰ সু-দূৰদৃষ্টি আৰু অভিজ্ঞতা, অধ্যৱসায়, বৌদ্ধিক মানসিকতা আৰু পৰিমণ্ডল, জ্ঞান আৰু প্ৰজ্ঞানৰ লগতে নিৰবচ্ছিন্ন সাধনাই নৈৰাশ্যজনক অশুভ পৰিবেশৰপৰা সমাজখন সদায় উদ্ধাৰ কৰি আহিছে। তেনে ব্যক্তিৰ মহৎ লেখাসমূহে পাঠক সমাজক ইতিবাচক চিন্তাৰে দেশ-সমাজৰ হৈ কিবা এটা ভাল কৰাৰ বাবে উৎসাহিত কৰি আহিছে।

সৃষ্টি মানুহৰ অমল উৎস। সৃষ্টিৰ মাধুৰ্যই মানুহক অনাবিল আনন্দ প্ৰদান কৰে। সাহিত্য সৃষ্টিত যেনেকৈ সামাজিক দায়বদ্ধতা থাকে, ঠিক তেনেকৈ এই দায়িত্ববোধ পালন কৰিব পৰাটো সহজ কথা নহয়। সেয়েহে কেৱল সামাজিক দায়িত্ববোধ থাকিলেই নহ'ব, থাকিব লাগিব এক জীৱনবোধ আৰু তাৰ প্ৰতিফলন ঘটিব তেওঁৰ লেখাৰ বিষয়বস্তুত।

সু-সভ্যতাৰ ভেটি আৰু এটা জাতিৰ মেৰুদণ্ডস্বৰূপ শিক্ষাই এটা অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এক গুণগত, শৃংখলাবদ্ধ, উদ্দেশ্যধৰ্মী, বাস্তৱমুখী শিক্ষাৰ জৰিয়তে শিক্ষাৰ্থীৰ বৌদ্ধিক বিকাশ ঘটোৱা অসমৰ আগশাৰীৰ মহাবিদ্যালয়সমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত অৱস্থিত ঐতিহ্যমণ্ডিত দক্ষিণ কামৰূপ মহাবিদ্যালয় অন্যতম। সাহিত্যৰ ভাব যোগাই তুলিবলৈ আমাৰ প্ৰথম আধাৰভূমিই হ'ল বিদ্যালয় অথবা মহাবিদ্যালয়খন। সাহিত্য সৃষ্টিৰ বাবে এটা উৎকৃষ্ট পৰিবেশৰ প্ৰয়োজন; যিটো দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ চৌপাশে বিৰাজমান হৈ আছে। এই দক্ষিণ কামৰূপ মহাবিদ্যালয়ক নাহৰৰ দেশ হিচাপেও অভিহিত কৰে বহুজনে। মালিয়াটাৰ বুকুতে লাগি থকা এই নাহৰৰ দেশ বা দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ শিক্ষক সমাজৰ লগতে শিক্ষাৰ্থীসকলেও বৰ্তমান সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত উন্নতিৰ জখলা বগাবলৈ সক্ষম হৈছে। এই মহাবিদ্যালয়ত সৃষ্টিশীল সাহিত্য প্ৰকাশৰ বাবে বিভাগীয় আলোচনীসমূহৰ উপৰিও মহাবিদ্যালয়ৰ মুখপত্ৰ হিচাপে প্ৰতি বছৰে 'দক্ষিণ পট'-এ বিশেষ ধৰণৰ ভূমিকা পালন কৰি আহিছে। মহাবিদ্যালয়ৰ শৈক্ষিক দিশটো যিদৰে আগবাঢ়ি গৈ আছে, ঠিক তেনেদৰে সাহিত্য সৃষ্টিৰ সোঁতটো আগুৱাই লৈ যাবৰ বাবে আমি প্ৰত্যেকেই এটা সুস্থ পৰিবেশ গঢ়ি তুলিবৰ বাবে দায়বদ্ধ হ'ব লাগিব। পূৰ্বৱৰ্তী সময়ছোৱাত মহাবিদ্যালয়ৰ মুখ্য আলোচনী 'দক্ষিণ পট'-এ যিদৰে এক উৎকৃষ্ট সাহিত্য সৃষ্টিৰ যোগেদি সাহিত্যৰ ভঁৰাল চহকী কৰিছে, আশা কৰিছোঁ পৰৱৰ্তী সময়তো অধিক সমৃদ্ধিশালী হৈ 'দক্ষিণ পট' জিলিকি থাকে যেন।

ধন্যবাদ সহকাৰে—

**সমৰ জ্যোতি কলিতা**

সম্পাদক 'দক্ষিণ পট'

# আগচোতালত কৃতজ্ঞতাৰে...

## যিসকলৰ সু-চিন্তিত দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাই অনুপ্ৰেৰণা যোগালে—

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা,
পৰৱৰ্তী সময়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া।

তত্বাৱধায়ক এডৱাৰ্ড থৈতী এন্ চাংমা।

অধ্যাপক মানস প্ৰতিম বৰুৱা, সেৱেন্দ্ৰ শৰ্মা, অসীম ৰঞ্জন শৰ্মা, অনুজ কলিতা, ড° নমিতা শৰ্মা, মনোজ কুমাৰ দাস, ড° কনশ্ৰী দাস, ড° নৱজিৎ মজুমদাৰ, সুনীল তালুকদাৰ, কৰুণাকান্ত দাস, ড° দুৰ্লভ নাৰায়ণ সিংহ, মানবেন্দ্ৰ দাস, জয়ন্ত কুমাৰ বৈশ্য, ড° গাৰ্গী চক্ৰৱৰ্তী (ইংৰাজী বিভাগ), প্ৰশান্ত কলিতা, শ্ৰৱণ কুমাৰ দিহিদাৰ, ড° জিলমিল বৰা, ড° গাৰ্গী চক্ৰৱৰ্তী (উদ্ভিদ বিজ্ঞান বিভাগ), ড° কুমুদ ভাগৱতী, স্বৰূপজ্যোতি শৰ্মা প্ৰমুখ্যে মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকাবৃন্দ।

যতীন্দ্ৰ মেধি, অৰূপ কুমাৰ দাস, নয়নমণি কলিতা, বসন্ত কলিতা, চম্পক কুমাৰ, বকুল কলিতা, দীপ দাস, হীৰেণ ঠাকুৰীয়া প্ৰমুখ্যে অনাশিক্ষক কৰ্মচাৰীবৃন্দ।

মোৰ বন্ধু-বান্ধৱী— ভাৰ্গৱ, ধনমণি, লৱ দা, মানবেন্দ্ৰ, ৰঞ্জন, ৰাকেশ, ভূমন, নয়ন, ময়ুৰাক্ষি, সাগৰিকা, ডিম্পী, কংকণ, গৌৰৱ, মহেশ, পাৰ্থ, পূৰবী, চন্দ্ৰমা, অনামিকা, হীৰকজ্যোতি, পলাশ, ভাস্কৰ, নয়ন, অৰুণাভ, অমৰদ্বীপ, ৰাকেশ, কাবেৰী, পৱন, হিৰক, বিশ্ব, জিতুল, সঞ্জয়, চম্পক, নিকিতা, ভাগ্যশ্ৰী, নিতুৰাজ, অবিনাশ, মনোজ, ৰাহুল, অঞ্জন, হিৰক প্ৰমুখ্যে অন্যান্য শুভাকাংক্ষীসকল।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমূহ সম্মানীয় সদস্য, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাবৃন্দ, 'দক্ষিণ পট'ৰ লেখক-লেখিকা, উদ্ভিদ বিজ্ঞান বিভাগৰ সহপাঠীবৃন্দ, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শ্ৰীবিষ্ণু অফছেট প্ৰেছৰ স্বত্বাধিকাৰী প্ৰমুখ্যে কৰ্মচাৰীবৃন্দ।

এই আটাইৰে ওচৰত মই চিৰকৃতজ্ঞ; সকলোৰে মোৰ আন্তৰিক শলাগ আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদক
**দক্ষিণ পট**

# সূচীপত্ৰ

"ডিকেচিয়ানৰ হৃদয়ত অলেখ আশাৰ দাপোণ
দুচকুত ফুলে সোণাৰু-হালধীয়া সপোন...."

## চিন্তাশিল্প ঃ


| | | |
|---|---|---|
| ✧ অৰুণোদই ঐতিহ্যৰ এছোৱা | ধনমণি দাস | ১ |
| ✧ আমাজনীয়ান ৰেইন ফৰেষ্ট ঃ পৃথিবীৰ হাওঁফাওঁ | ইছাহক আলী | ৫ |
| ✧ সাম্প্ৰতিক সময়ত ম'বাইল নিৰ্ভৰশীলতা ঃ এক মুকলি আলোচনা | দীক্ষিতা কলিতা | ৯ |
| ✧ অসমীয়া ভাষাৰ পটভূমিত ছ'চিয়েল মিডিয়াৰ ভাষা (Facebook আৰু Whatsappৰ বিশেষ উল্লিখনসহ) | জোন কুমাৰ কলিতা | ১১ |
| ✧ জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকৰ চমু উপস্থাপন | পল্লৱী দাস | ১৪ |
| ✧ ৰাভাসকলৰ অন্যতম নৃত্য 'হানাঘোঁৱা' ঃ এটি আলোচনা | দুলুমণি ৰাভা | ১৬ |
| ✧ প্ৰাগৈতিহাসিক অসম আৰু ইয়াৰ সংস্কৃতি | লৱ চৌধুৰী | ১৭ |
| ✧ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত বিহুগীত | ড° নৰজিৎ মজুমদাৰ | ১৮ |
| ✧ ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ | লক্ষ্যধৰ দলৈ | ২০ |
| ✧ ভগৱান অদৃশ্যমান কিয়? | ভাগ্যশ্ৰী ঠাকুৰীয়া | ২২ |
| ✧ অসম ফুটবলৰ বৰ্ণময় ইতিহাস | সুদৰ্শন বড়ো | ২৪ |
| ✧ ড° মামণি ৰয়ছম গোস্বামী ঃ এক বিশাল ব্যক্তিত্ব | ভূপালী গোস্বামী | ২৬ |
| ✧ ছাত্ৰ সমাজত উচ্ছৃংখলতা | নিৰূপম দাস | ২৭ |
| ✧ সাম্প্ৰতিক সময়ত মহাপুৰুষ শংকৰদেৱৰ প্ৰাসংগিকতা | তনুশ্ৰী চৌধুৰী | ২৮ |
| ✧ অসমীয়া চলচ্চিত্ৰৰ উত্তৰণ আৰু জুবিন গাৰ্গৰ ছবি | মনিষা দাস | ২৯ |
| ✧ নাৰীশক্তি | কৃষ্ণাংগিনী দাস | ৩১ |
| ✧ দক্ষিণ কামৰূপ অঞ্চলৰ আদিবাসী সমাজৰ লোক-নৃত্য | নৱনিতা দাস | ৩৩ |


**মনৰ বতৰা বিচাৰি....**


✧ সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, পদ্মশ্ৰী নৃত্যাচাৰ্য শ্ৰীযুত যতীন গোস্বামী ছাৰৰ সৈতে আমাৰ এখন্তেক কথা-বতৰা ৩৫
✧ বীৰুবালা ৰাভা বাইদেউৰ সৈতে এখন্তেক ৩৮


## কথাশিল্প ঃ


| | | |
|---|---|---|
| ▮ প্ৰাপ্তি-অপ্ৰাপ্তিৰ সীমনাত | হীৰেন কলিতা | ৪১ |
| ▮ প্ৰত্যাশা | হিৰণ্য গোস্বামী | ৪৬ |
| ▮ পিতা-পুত্ৰ | দীপংকৰ দাস | ৪৯ |
| ▮ কদমতলৰ আইতা | জিংকী দাস | ৫১ |
| ▮ বাল্মীকি | সঞ্চিতা দাস | ৫৩ |
| ▮ মৰমে কান্দিছে | কুলদীপ কলিতা | ৫৫ |
| ▮ ইয়াত এখন নৈ আছিল | মৌচুমী বড়ো | ৫৭ |
| ▮ স্মৃতি ৰোমন্থন | বৰ্ষা মালী | ৫৮ |
| ▮ যাত্ৰাত মানৱতা | সমৰ পৰাণ দাস | ৫৯ |
| ▮ অশ্ৰুৰ বেদনা | তৃষ্ণা দেৱী | ৬০ |


## ছন্দশিল্প ঃ


| | | |
|---|---|---|
| ◗ চাইকেল | ভাস্কৰজিৎ নাথ | ৬১ |
| ◗ শাৰদীয় লেণ্ডস্কেপ্ | নিৰ্মালী ৰাভা | ৬২ |
| ◗ মই ধৰ্ষিতা | চুম্পি দাস | ৬৩ |
| ◗ এজাক বৰষুণ | তনয়া শৰ্মা | ৬৩ |
| ◗ তোমাৰ হাঁহি | বিকাশ দলৈ | ৬৪ |
| ◗ অভিমান | দিপাংকৰ সিংহ | ৬৪ |
| ◗ সম্বন্ধ | মানৱেন্দ্ৰ দাস | ৬৫ |
| ◗ ঐক্যৰ তীৰ্থ | কংকন দাস | ৬৫ |
| ◗ আধৰুৱা প্ৰেমৰ ছবি | ধীমান দাস | ৬৬ |
| ◗ নিলাজবোৰ | আলমিনা জেবিন | ৬৬ |
| ◗ সন্ত্ৰাসৰ কথাৰে... | পংকজ কুমাৰ | ৬৭ |
| ◗ অনুভৱত | বিদ্যুৎ পৱন ঠাকুৰীয়া | ৬৮ |
| ◗ শৰতৰ আগমন | পূজাশ্ৰী মহন্ত | ৬৮ |
| ◗ শিৰ | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা | ৬৯ |
| ◗ আশাৰ পম খেদি | ভাস্বতী মেধি | ৭০ |
| ◗ মামৰ | শ্বৱনম হাফিজ | ৭০ |

## ভিন্ন ছন্দ-ভিন্ন প্ৰসংগ ঃ


- ‘কা’ পুৰাণ — জয়ন্ত কুমাৰ বৈশ্য — ৭১
- অনুগল্প — ভাৰ্গৱ কলিতা — ৭২
- অন্য মন অন্য ধৰণ — পুষ্পাঞ্জলী বৰুৱা — ৭৩
- ক'টাৰ্ডৰ চিণ্ড্ৰম ঃ এক বিৰল মানসিক বিভ্ৰান্তি — স্নেহাশিস চৌধুৰী — ৭৪
- প্ৰাচীন ভাৰতৰ ঐতিহ্য আৰু বৰ্তমান — হীৰকজ্যোতি নাথ — ৭৬
- বৰ্তমান শিক্ষা ব্যৱস্থাক আমি কেনেদৰে গ্ৰহণ কৰিছোঁ — মানৱজ্যোতি দাস — ৭৭
- নিঃসংগতা আৰু তাৰ অনুভৱ — চয়নিকা কলিতা — ৭৮
- মুকলি চিঠিৰ ছলেৰে — অপৰ্ণা ঠাকুৰীয়া — ৭৯
- নাৰী শিক্ষা সম্পৰ্কে এক মন্তব্য — সংগীতা কলিতা — ৮০
- ৰূম নাম্বাৰ ফাইভৰপৰা — পৰিস্মিতা গোস্বামী — ৮১
- আন্তঃৰাষ্ট্ৰীয় যুৱ যোজনা শিবিৰ ঃ কিছু অভিজ্ঞতা — তুলুমণি শৰ্মা — ৮২
- **প্ৰাচীৰ পত্ৰিকাৰ সুবাস বুটলি** — ৮৫
- **বিভাগীয় প্ৰজ্ঞাৰ পম খেদি....** — ৮৮


## ENGLISH SECTION :


- North Eastern Dance Form– A Mean of Unity and Harmony — **Jaba Kalita** — ৮৯
- Letters from Kargil : The war through our soldiers’ eyes — **Madhusmita Kalita** — ৯৩
- Queen of Fruit GARCINIA (Benefits and Conservation Measures) — **Swagata Nath** — ৯৫
- Success in Life- What it depends on — **Bidipta Raj Baishya** — ৯৭
- Digital Banking in India — **Dr. Jonali Nath** — ৯৮
- Debating and Its Related Concepts — **Rimli Risha Pathak** — ১০১
- Remote Sensing and GIS : A tool for Restoration of Ecology — **Bharati Das** — ১০২
- Chetan Bhagat : an Indian author — **Ankita Nath** — ১০৪
- Never Quit — **Daisy Sarma** — ১০৬


## মহাবিদ্যালয়ৰ অন্তৰ চ'ৰা ঃ


- **দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা (২০১৮-২০১৯ ইং বৰ্ষ)** — ১০৭
- **মহাবিদ্যালয়ৰ প্ৰতীক (The Emblem of the College)** — ১০৮
- **অধ্যক্ষৰ আদৰণী ভাষণ** — ১০৯
- Annual Activity Report of N.S.S. Unit For the Year : 2018-2019 — ১১২
- **বিভাগীয় প্ৰতিবেদন** — ১১৪—১৩২
- PRINCIPAL AND TEACHING STAFF OF OUR COLLEGE — ১৩৩
- NON-TEACHING STAFF OF THE COLLEGE — ১৩৪
- BEARER/LAB. BEARER/GRADE IV — ১৩৪
- ACHIEVEMENTS OF D. K. COLLEGE, MIRZA — ১৩৫
- Students Securing Positions and Highest Marks in 2018-19 in our college — ১৩৭
- AWARD FOR ACADEMIC EXCELLENCE — ১৩৮
- আলোচনী সম্পাদক আৰু তত্বাৱধায়কসকল — ১৩৯
- অসম সংগীত — ১৪০


অৰুণোদই

৬ বচৰ। মোং সিবসাগৰ, জানুআৰি, ১৮৫১। নম্বৰ ১।

VOL. VI. SIBSAGOR, ASAM, JANUARY, 1851. NO. 1.

অষ্ট্ৰেলিয়াৰ বিবৰণ।

# অৰুণোদই ঐতিহ্যৰ এছোৱা

◆ ধনমণি দাস
স্নাতক ২য় ষাণ্মাসিক (কলা)

**০.০১** এটা জাতিৰ মূলাধাৰ হ'ল জাতিটোৰ ভাষা। ভাষাৰ জৰিয়তে জাতি এটাৰ আত্মপৰিচয় গঢ়ি উঠে। বিশ্বৰ অন্যান্য জাতিৰ দৰে অসমীয়া জাতিও ইতিমধ্যে বিশ্ব দৰবাৰত এটা সুসভ্য আৰু স্ব-পৰিচয়মূলক জাতি হিচাপে সু-প্ৰতিষ্ঠিত নিজৰ ভাষাটোৰ জৰিয়তে। অসমত জন্মলাভ কৰি বা অসমত আন ঠাইৰপৰা আহি থাকিবলৈ লোৱা প্ৰত্যেকজন মানুহেই পূৰ্বৰেপৰা অসমীয়া ভাষাক নিজৰ ভাষা বুলি গ্ৰহণ কৰি মাতৃভাষাৰ মান্যতা দি আহিছে। ইতিহাসে ঢুকি নোপোৱা সময়ৰেপৰা আধুনিকতাৰ সূৰ্য উদয় হোৱালৈ অসমীয়া ভাষাই প্ৰাচীন অসমৰপৰা আধুনিক অসমলৈ প্ৰচলনৰ বিস্তৃতি আৰু প্ৰসাৰতা লাভ কৰি এটা শৌৰ্য-বীৰ্য শক্তিশালী ভাষাৰূপে ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে। ইতিহাসবিদ তথা গৱেষকসকলৰপৰা এই কথা জনা যায় যে, অসমীয়া ভাষাৰ জন্মকাল হ'ল খ্ৰীষ্টীয় নৱম-দশম শতিকামানৰ মাজভাগ। জন্মলগ্নৰেপৰা উত্তৰণৰ বাবে নিৰন্তৰ বাট বুলি অহা অসমীয়া ভাষাই অনেক সংগ্ৰাম-সংঘাত তথা বিপ্লৱৰ মাজেদি এটা কণ্টকাকীৰ্ণ পথ অতিক্ৰমি আহি আজিৰ অৱস্থাত উপনীত হোৱা প্ৰক্ৰিয়াটো হেজাৰ বছৰৰ ক্ৰমপৰিণতিৰ ফল। ১৯২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্তমতে যেতিয়া অসম ৰাজ্য মানৰ হাতৰপৰা ইংৰাজ শাসনৰ হাতলৈ যায়, তেতিয়াই আৰম্ভ হয় অসমীয়া ভাষা-সাহিত্যৰ দুৰ্যোগকাল। এচাম কু-অভিসন্ধিকাৰী লোকৰ ষড়যন্ত্ৰৰ বাবে সেই সময়ত অসমীয়া ভাষা-সাহিত্যৰ লগতে অসমীয়া জাতিৰ জীৱনী শক্তিও ক্ৰমান্বয়ে ক্ষীণ হ'বলৈ ধৰে। বিলুপ্তিৰ গৰাহত পৰি মৃত্যুমুখলৈ যোৱাৰ এই যুগসন্ধিক্ষণতেই ব্ৰিটিছ চৰকাৰৰ বহতীয়া কেইজনমান বাঙালীৰ প্ৰৰোচনা, কু-চক্ৰান্তত ভোল গৈ ইংৰাজ প্ৰশাসনে ১৮৩৬ চনত অসমৰ কাৰ্যালয়, শিক্ষানুষ্ঠান আৰু চৰকাৰী কাম-কাজত অসমীয়া ভাষাৰ প্ৰচলন আঁতৰাই বাঙালী ভাষাৰ প্ৰচলন আৰম্ভ কৰিবলৈ ধৰে। এইদৰে আনৰ কথাত পতিয়ন গৈ ভুল সিদ্ধান্ত এটা প্ৰতিষ্ঠাৰে ব্ৰিটিছ চৰকাৰে কেৱল ভাষা-সাহিত্যৰ জগততে দুৰ্যোগ সৃষ্টি কৰাই নহয়, বৃহত্তৰ অসমীয়া জাতীয় জীৱনতো ঘনঘোৰ অন্ধকাৰ নমাই আনি সংকটেৰে জাতিটোক আচ্ছন্ন কৰি ৰাখিলে।

**১.০১** কিন্তু ৰাতি যিমানে জয়াল-ভয়াল নহওক কিয়, সূৰ্য উদয় হ'বই। এই আশাৰে হাত মেলি অপেক্ষাৰ বাটত অপেক্ষি আছিল অসমীয়া মানুহে। জাতীয় জীৱন আৰু ইয়াৰ মানসপুত্ৰস্বৰূপ মাতৃভাষাৰ এনে দুৰ্যোগপূৰ্ণ দুঃসময়তে ১৮৩৬ চনত সুদূৰ আমেৰিকাৰপৰা অসমত আহি উপস্থিত হোৱা ব্যাপ্টিষ্ট মিছনেৰীসকলে যেন জাতিৰ হৃত প্ৰাণশক্তিক পুনঃ সঞ্জীৱিত কৰাত মুখ্য হৰ্তা-কৰ্তাৰ ভূমিকা ল'লে। এই ক্ষেত্ৰত ধৰ্ম প্ৰচাৰৰ বাবে অহা মিছনেৰীসকলে এই কথা বুজি পাইছিল যে, কোনো এটা বিষয় অন্য ভাষাতকৈ মাতৃভাষাৰ মাধ্যমেদিহে অতি সহজে উপলব্ধি কৰিব পাৰি। সেয়েহে বাস্তৱ প্ৰয়োজনৰ তাড়নাত পৰি মিছনেৰীসকলে প্ৰথমে গুৰুত্ব দিছিল অসমীয়া ভাষা-শিক্ষা প্ৰচলনৰ দিশটোত। অসমৰ বিভিন্ন প্ৰান্তত ধৰ্ম প্ৰচাৰৰ বাবে বিভিন্ন ধৰ্ম সম্পৰ্কীয় পুথি-পাঁজি অসমীয়া ভাষাত ছপাই প্ৰকাশ কৰিছিল; স্থাপন কৰিছিল অসমীয়া মাধ্যমৰ বিদ্যালয় আৰু গঢ়ি তুলিছিল আধুনিক ছপাশাল। এনেদৰে শতৰুৰ হাতত হৃত হোৱা আমাৰ আপোন মাতৃভাষাই স্বকীয় অৱস্থা

প্ৰাপ্তিৰ পিনে আগবাঢ়িছিল একমাত্ৰ খ্ৰীষ্টীয়ান মিছনেৰীসকলৰ অসমীয়া ভাষাৰ প্ৰতি থকা এটা আত্মিক টানৰ বাবে। কেৱল পঢ়াশালি স্থাপন, পাঠ্যপুথি প্ৰণয়ন, ছপাশাল প্ৰতিষ্ঠাতে সীমাবদ্ধ নাথাকি মিছনেৰীসকলে যুঁজ দিছিল অসমীয়া ভাষাৰ পুনৰ প্ৰচলনৰ সংগ্ৰামখনত আৰু অৱশেষত জাতীয় জীৱনে বিচৰা ধৰণে তেওঁলোকে এই সংগ্ৰামত কৃতকাৰ্যতা লাভ কৰিছিল। এই সংগ্ৰামখনত মিছনেৰীসকলক দেহে-মনে-প্ৰাণে সৰ্বান্তকৰণে সহায় কৰিছিল অসমৰ একাংশ অখ্ৰীষ্টীয়ান জাতিপ্ৰেমী অসমীয়াই। এইদৰেই দেশী-বিদেশী অসমপ্ৰেমীসকলৰ আশাশুধীয়া আৰু অপ্ৰতিৰোধ্য প্ৰচেষ্টাৰ ফলস্বৰূপে ইংৰাজ চৰকাৰে শেষত তেওঁলোকে অসমত প্ৰয়োগ কৰা ভাষানীতিৰ পৰম্পৰাক সলনি কৰি ১৮৭৩ খ্ৰীষ্টাব্দত অসমীয়া ভাষাক ন্যায্য স্থান ঘূৰাই দিবলৈ সক্ষম হ'ল।

**১.০২** এইখিনিতে উল্লেখযোগ্য যে, মিছনেৰীসকলে অসমত বিভিন্ন ইতিবাচক ব্যৱস্থাৰে অসমীয়া ভাষা পুনৰ প্ৰচলনত যি ভূমিকা লৈছিল, তাৰদ্বাৰাই অসমীয়া সমাজ জীৱনত সৃষ্টি হৈছিল এটা নতুন যুগৰ; যি যুগৰ আলোকে অসমীয়া ভাষা-সাহিত্যৰ জগতত প্ৰৱেশ কৰি আধুনিকতাৰ ছাঁ-পোহৰ পেলাই আধুনিক চিন্তাৰ ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছিল আৰু যাৰ পৰিণতিস্বৰূপে অসমৰ প্ৰথমখন আলোচনী তথা সংবাদপত্ৰ 'অৰুণোদই'ৰ জন্ম হৈছিল। এয়া আছিল অসমীয়া জাতীয় জীৱন আৰু অসমীয়া ভাষা-সাহিত্যৰ জগতৰ ইতিহাসত এক বিৰল আৰু অভিনৱ আৰম্ভণি। প্ৰকৃতাৰ্থত শিৱসাগৰৰ দিখৌপাৰৰপৰা ১৮৪৬ চনৰ জানুৱাৰীত প্ৰকাশ পাবলৈ ধৰা অৰুণোদইয়ে ব্যাপ্টিষ্টসকলৰ ধৰ্ম, বিজ্ঞান, সাধাৰণ জ্ঞান আৰু নানান তৰহৰ খবৰ সমৃদ্ধ অনেক সংবাদ প্ৰকাশ কৰি অসমীয়া পাঠকৰ মানসিক দিগন্ত প্ৰসাৰিত কৰি দিছিল। অসমীয়া জাতিসত্তাৰ উত্তৰণত অৰুণোদই এই কাৰণেই এক অসামান্য অৱদান, কিয়নো যি সময়ত অসমত দূৰদৰ্শন অথবা ছ'চিয়েল মিডিয়াৰ প্ৰচলন হোৱাটো সম্ভৱপৰ নাছিল, সেই সময়তে অৰুণোদই সংবাদপত্ৰ আৰু আলোচনীয়ে মানুহৰ ঘৰে ঘৰে এক নতুন ধৰণৰ সংবাদ-সাহিত্যৰ যোগান ধৰি জকাইচুকীয়া অসমবাসীক বিশ্ব দৰ্শন কৰোৱাইছিল। প্ৰজ্ঞা আৰু প্ৰগতিশীল চিন্তাৰে সমাজখনক আলোকময় কৰি তুলিবৰ বাবে সৃষ্টি কৰিছিল এটা বৌদ্ধিক প্ৰজন্মৰ, উত্তৰণ ঘটাইছিল অসমীয়া ভাষা-সাহিত্যৰ। এনেদৰে অৰুণোদইয়ে আধুনিক অসমীয়া জাতীয় জীৱনৰ অভ্যুত্থানৰ স্বৰ্ণিল ক্ষণত এক যুগন্ধৰ ভূমিকা পালন কৰিলে। অৰুণোদইৰ সম্পাদনাত থকা কেইগৰাকীমান বিশিষ্ট খ্ৰীষ্টীয়ান লেখক হ'ল— ৰেভাৰেণ্ড ও. টি. কট্টাৰ, ড° নাথান ব্ৰাউন, ড° মাইল্‌চ ব্ৰন্সন. এ. এইচ. ডেনফোৰ্ড, এইচ. এম. হুইটিং। উল্লেখনীয় যে, ১৯৬১ চনত অৰুণোদই আলোচনীখনৰ নাম হেমচন্দ্ৰ বৰুৱাৰ অভিধান অনুসৰি 'অৰুণোদই'ৰপৰা 'অৰুণোদয়' কৰা হয়।

**১.০৩** অৰুণোদয় ঐতিহ্যৰ পটভূমি বিচাৰ কৰি চালে দেখা পোৱা যায় যে, আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠাত আমেৰিকান ব্যাপ্টিষ্ট মিছনেৰীসকলে প্ৰকাশ কৰা অৰুণোদয় কাকতখনৰ এটা চিৰস্মৰণীয় অৱদান আছে। মূলতঃ ভাষা-সাহিত্যৰ যুগসন্ধিক্ষণত কাকতখনে জন্মলাভ কৰি কিদৰে অসমীয়া ভাষা-সাহিত্য আৰু জাতিটোক প্ৰাণশক্তি প্ৰদান কৰিছিল, সেই কথা অনুসন্ধিৎসু মাত্ৰেই প্ৰতিজনে জানে। প্ৰকৃতাৰ্থত অসমীয়া জনসমাজত গৌৰৱোজ্জ্বল ইতিহাস সৃষ্টি কৰি জন্মলাভ কৰা অৰুণোদই আছিল এক নতুন বোধৰ, নতুন ভাবৰ উদয় ঘটোৱা এটা বৌদ্ধিক আন্দোলন। 'অৰুণ' মানে সূৰ্য আৰু 'উদয়' মানে উঠা। অৰ্থাৎ এই সময়ছোৱা আছিল সূৰ্য উঠাৰ দৰে অসমীয়া ভাষা-সাহিত্যৰো আধুনিক পৰিমণ্ডলটোৰ প্ৰাতঃকালৰ যুগ। এফালে যদি অৰুণোদয় সংবাদপত্ৰই প্ৰধানতঃ খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ আদৰ্শ আৰু লক্ষ্য আগত লৈ বিভিন্ন দেশৰ ধৰ্মনিৰপেক্ষ বাতৰিৰ প্ৰকাশেৰে আৰু ৰাষ্ট্ৰযন্ত্ৰ অথবা কোনো অপশক্তিৰদ্বাৰা পৃষ্ঠপোষকশূন্য হৈ সংবাদপত্ৰ ৰূপে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ অবিচল প্ৰহৰীসদৃশেৰে নিজৰ বস্তুনিষ্ঠ নিৰপেক্ষ চৰিত্ৰটো বজাই ৰাখিবলৈ সক্ষম হৈছিল, ঠিক তেনেদৰে আনফালে আকৌ পশ্চিমীয়া সাহিত্য-সংস্কৃতিৰ সোঁত এটা অসমীয়া সমাজ জীৱনত বোৱাই দি শৈক্ষিক আৰু বৌদ্ধিক মহলত পোন প্ৰথমবাৰৰ বাবে আধুনিক চিন্তা-দৰ্শনৰ বাট মুকলি কৰি অসমীয়া সাহিত্যৰ কাব্য, নাট, গদ্যত এটা স্থিৰ ৰূপ প্ৰদান কৰিছিল; সৃষ্টি কৰিছিল আধুনিক অসমীয়া ভাষা-সাহিত্যৰ এটা ধাৰাবাহিক যাত্ৰাৰ। অৰুণোদই ঐতিহ্য এই কাৰণেই মৰ্যাদাপূৰ্ণ আৰু স্মৰণীয় যে, অসমীয়া লোকক দেশ-বিদেশৰ জ্ঞান ভাণ্ডাৰৰ সম্ভেদ দি অসমীয়া লোকৰ মনক বহল-বিশাল জগত এখনৰ সৈতে পৰিচয় কৰি দিয়াৰ উপৰিও বাঙালী ভাষাৰ তীব্ৰ বিৰোধিতা কৰি অসমীয়া ভাষাৰ ন্যায্য স্থান প্ৰাপ্তিত পূৰ্ণ সহযোগ আগবঢ়াইছিল।

**১.০৪** অসমীয়া সাহিত্যৰ যুগ বিভাজনত পণ্ডিতসকলে আগবঢ়োৱা এটা গুৰুত্বপূৰ্ণ যুগ হৈছে অৰুণোদয় অথবা আধুনিক যুগ। ১৮৪৬ চনৰপৰা ১৮৮৯ চনৰ ভিতৰত যিখিনি সাহিত্যৰ ৰচনা হৈছিল, তাক অৰুণোদই যুগ নামেৰে অভিহিত কৰা হৈছে। দৰাচলতে অৰুণোদই প্ৰকাশ পোৱাৰ পূৰ্বে অসমীয়া সাহিত্যৰ প্ৰেক্ষাপটো আছিল খুবেই সীমিত পৰিসৰৰ। য'ত কেৱল ধৰ্ম বিষয়ক কথা, কাহিনী, আখ্যান, লোকবিশ্বাস, আধ্যাত্মিক, নীতিমূলক আদৰ্শৰ সোঁত এটাহে বৈ আছিল; কিন্তু অৰুণোদই প্ৰকাশ হোৱাৰ পিচৰেপৰা অসমীয়া সাহিত্যৰ প্ৰেক্ষাপটত নিত্য-নতুন আধুনিক চিন্তাই ভূমুকি মাৰি নতুনত্ব সাধিত কৰিবলৈ ধৰিলে আৰু এই যুগৰ সাহিত্যতেই সাহিত্যৰ বাস্তৱমুখী ধাৰা এটাৰ শুভাৰম্ভণি ঘটিলে। আধুনিক চিন্তা-চৰ্চাৰে সমৃদ্ধ এই যুগটোৰ মূলতঃ দুই শ্ৰেণীৰ লেখক আছিল— খ্ৰীষ্টীয়ান আৰু অখ্ৰীষ্টীয়ান আৰু এই দুই শ্ৰেণীৰ লেখকৰ কাপ-মৈলামৰ যোগেদিয়েই এই যুগৰ সাহিত্যৰাজিয়ে প্ৰসাৰতা লভিছিল। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে নানান তৰহৰ ধৰ্মমূলক গ্ৰন্থ প্ৰণয়ন কৰাৰ উপৰিও প্ৰথম অসমীয়া অভিধান, ব্যাকৰণ আৰু পঢ়াশলীয়া পুথি ৰচনাৰে অসমীয়া ভাষা-সাহিত্যৰ সেৱাত নিজকে আত্মোৎসৰ্গ কৰা কেইগৰাকীমান বিশিষ্ট খ্ৰীষ্টীয়ান শ্ৰেণীৰ লেখক হ'ল— ড° নাথান ব্ৰাউন, ড° মাইল্‌চ ব্ৰন্সন, ও. টি. কট্টাৰ, এলিজা ব্ৰাউন, ৰবিন্সন চাহাব, এ. কে. গাৰ্ণি আদি। আনহাতেদি ঠিক একেটা সময়তে খ্ৰীষ্টীয়ান লেখকৰ অনুপ্ৰেৰণা, উৎসাহত সাহিত্য চৰ্চা কৰিবলৈ আৰম্ভ কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ হকে লেখত ল'বলগীয়া

অৱদানৰ কৃতিত্ব বহন কৰা কেইগৰাকীমান মহান অসমীয়া অখ্ৰীষ্টীয়ান লেখক হ'ল— আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা আদি। নিম্নলিখিত স্থানত কিছু পৰিচয়জ্ঞাপক তথ্যৰে খ্ৰীষ্টীয়ান-অখ্ৰীষ্টীয়ান লেখকসকলৰ জীৱন বৃত্তান্ত আৰু সাহিত্যকৃতিৰ বিষয়ে চমু আলোচনা এটি আগবঢ়োৱা হ'ল—

**ড° নাথান ব্ৰাউন ঃ** ব্ৰিটিছ চৰকাৰৰ আমন্ত্ৰণক্ৰমে আমেৰিকা যুক্তৰাষ্ট্ৰৰপৰা মিছনেৰী কামত ১৮৩৬ চনত ড° নাথান ব্ৰাউনে সপৰিয়ালে অসমত আহি ভৰি দিয়েহি। বিভিন্ন ধৰণৰ পাৰিবাৰিক সমস্যা, ব্যক্তিগত অসুবিধাকো হেলাৰঙে নেওচি প্ৰায় পাঁচটা দশক অসমত থাকি অসমীয়া ভাষা-সাহিত্যৰ বাবে সৰ্বান্তকৰণে চিন্তা কৰা ড° ব্ৰাউন এগৰাকী প্ৰকৃত অসমপ্ৰেমী আছিল। আধুনিক অসমীয়া সাহিত্যৰ প্ৰাতঃকাল সৃষ্টিত এওঁৰ ভূমিকা স্মৰণীয়।

অসমীয়া সাহিত্যলৈ নাথান ব্ৰাউনৰ অৱদানৰ ভিতৰত বাইবেলৰ 'নিউটেষ্টামেণ্ট'ৰ অসমীয়া ভাঙনি (১৯৪৯) আৰু বাইবেলৰ মেথিউ লিউক (Methew Luke) মাৰ্ক আদি চাৰিটা খণ্ড ভাঙি 'খ্ৰীষ্টৰ বিৱৰণ আৰু শুভযাত্ৰা' (বাৰ্তা) নাম দি বেলেগ পুথি আকাৰে ১৮৫৪ চনত প্ৰকাশ কৰে। ১৮৪৮ চনত তেখেতৰ বিখ্যাত 'অসমীয়া ভাষাৰ ব্যাকৰণ' প্ৰকাশ হয়। তদুপৰি 'যোচেফৰ কাহিনী' আৰু 'যীশুখ্ৰীষ্টৰ জীৱনী'ৰ উপৰিও প্ৰথম আধুনিক অসমীয়া উপন্যাসৰ সোৱাদ দিয়ে 'যাত্ৰিকৰ যাত্ৰা' অনুবাদেৰে। পুৰণি পুথি সংগ্ৰহতো তেখেতৰ কৰ্মতৎপৰতা অনন্য। আনহাতে কাশীনাথ তামুলী ফুকনৰ অসম বুৰঞ্জী, চুতীয়া বুৰঞ্জী আৰু বকুল কায়স্থৰ গণিত ছপা কৰি উলিয়াইছিল তেখেতেই। উল্লেখনীয় যে, নাথান ব্ৰাউনৰ এই সাহিত্য চৰ্চাত বিশেষ প্ৰেৰণা যোগাইছিল তেখেতৰ পত্নী এলিজা ব্ৰাউনে। তেখেতে নিজাববীয়াকৈয়ে সৰু কিশোৰ-ল'ৰাৰ বাবে উপযোগীকৈ এখন 'সাধুৰ পুথি' আৰু 'গণনা পুথি' ৰচনা কৰিছিল। ইয়াৰদ্বাৰাই বুজিব পাৰি অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত নাথান ব্ৰাউন আৰু তেখেতৰ পত্নী এলিজা ব্ৰাউনৰ অৱদানৰ অনন্যতা কিমান।

**ড° মাইল্‌চ ব্ৰন্সন ঃ** আমেৰিকাৰ নিউয়ৰ্কত জন্ম হোৱা ড° মাইল্‌চ ব্ৰন্সন আছিল এগৰাকী অসমপ্ৰেমী অনা-অসমীয়া। খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যি ব্ৰন্সনে ১৮৩৭ চনত অসমত আহি উপস্থিত হয়। লগত আত্মীয়-কুটুম্ব আহে যদিও কেইবাদিনৰ পিচতে আটাইবোৰৰে মৃত্যু হয় অসমত; কিন্তু আত্মীয় বিয়োগৰ অগ্নিয়ে দহিব নোৱাৰা ব্ৰন্সনৰ স্থিতপ্ৰজ্ঞ হৃদয়খনে কোনো কাৰণতে নিৰাশ নহৈ আশাশুধীয়াভাৱে ধৰ্ম প্ৰচাৰ আৰু সাহিত্য ৰচনাৰ কামত লাগি থাকে।

প্ৰথম অসমীয়া অভিধান প্ৰণেতা হিচাপে ড° মাইল্‌চ ব্ৰন্সনৰ নাম অসমীয়া সাহিত্যৰ জগতত চিৰদিনলৈ অক্ষয় হৈ থাকিব। বাইবেলৰ অনুবাদৰ উপৰিও তেওঁৰ যুগান্তকাৰী অৱদান হ'ল 'অসমীয়া অভিধান'। এই অভিধানখন ১৮৬৭ খ্ৰীষ্টাব্দত ছপা হৈ ওলায়। উল্লেখ্য যে, ড° মাইল্‌চ ব্ৰন্সনৰ অভিধানখনেই প্ৰথম প্ৰকাশিত অভিধান আৰু ১৯০০ খ্ৰীষ্টাব্দ পৰ্যন্ত ইয়ে একমাত্ৰ ভাষাৰ পথ প্ৰদৰ্শক আছিল বুলি জনা যায়। অৱশ্যে 'হেমকোষ' ছপা হৈ ওলোৱাৰ পিচৰপৰা এইখন অপ্ৰচলিত হৈ পৰে। এনেদৰে ব্ৰন্সনে অসমীয়া ভাষা-সাহিত্যৰ এঢাপ উন্নতি সাধন কৰাৰ লগতে অসমীয়া ভাষাৰ পুনৰ প্ৰচলনৰ সংগ্ৰামত নিয়োজিত হৈ ইয়াৰ সপক্ষে অকাট্য যুক্তি দাঙি ধৰে।

**এ. কে. গাৰ্ণি ঃ** বহুকেইটা বছৰ অৰুণোদইৰ সম্পাদনাৰ ভাৰ গ্ৰহণ কৰি অসমীয়া ভাষা-সাহিত্য চৰ্চা কৰা এগৰাকী বিশিষ্ট খ্ৰীষ্টীয়ান লেখক হ'ল এ. কে. গাৰ্ণি। ১৮৭৪ চনত আমেৰিকাৰপৰা আহি শিৱসাগৰত খ্ৰীষ্টীয়ান ধৰ্মযাজক পদ গ্ৰহণ কৰে গাৰ্ণিয়ে। অন্যান্য বিদেশী মিছনেৰীৰ দৰে এগৰাকী সচেতন আদৰ্শ মিছনেৰী এ. কে. গাৰ্ণিয়ে অসমত বহুকেইটা বছৰ কটাই কেইবাখনো পুথি অসমীয়াতে ৰচনা কৰি থৈ যায়। ইয়াৰ ভিতৰত 'প্ৰাচীন নিয়ম', 'ৰুথ আৰু যোচেফৰ কাহিনী', 'কানি বেহেৰুৱাৰ কথা', 'এলোকেশী বেশ্যাৰ কথা' আৰু 'কামিনীকান্তৰ চৰিত্ৰ' বিশেষভাৱে উল্লেখযোগ্য। তদুপৰি তেখেতৰ পত্নী শ্ৰীমতী গাৰ্ণিয়ে অনুবাদ কৰা 'ফুলমণি আৰু কৰুণা'ৰ কাহিনীও লেখত ল'বলগীয়া পুথি। ১৯০৫ চনত তেওঁ 'দীপ্তি' নামে এখন মাহেকীয়া আলোচনীৰ ছয়টা সংখ্যাও প্ৰকাশ কৰিছিল।

**আনন্দৰাম ঢেকিয়াল ফুকন ঃ** অৰুণোদয় যুগৰ এগৰাকী উল্লেখযোগ্য অসমীয়া লেখক হ'ল আনন্দৰাম ঢেকিয়াল ফুকন। তেখেতৰ জন্ম ১৮২৯ খ্ৰীষ্টাব্দত আৰু মৃত্যু হয় ১৮৫৯ খ্ৰীষ্টাব্দত। দুৰ্ভাগ্যৰ কথা এয়ে যে, অসমীয়া ভাষাৰ স্বকীয়তাৰ সপক্ষে অকাট্য যুক্তি দাঙি ধৰা আৰু অসমৰ উন্নতিৰ কাৰণে সৰ্বান্তকৰণে, সৰ্বক্ষেত্ৰতে চিন্তা কৰা ফুকনৰ নিচেই কম বয়সতেই ডেৰকুৰি বছৰ পূৰ নৌহওঁতেই মৃত্যু হয়। মিছনেৰীসকলৰ প্ৰেৰণাত প্ৰেৰিত হৈ সাহিত্য ৰচনাৰ বাবে মনোনিৱেশ কৰা ফুকনৰ সাহিত্য জীৱনৰ অন্যতম চানেকী 'ইংলেণ্ডৰ বিৱৰণ' আৰু 'অসমীয়া ল'ৰাৰ মিত্ৰ' ক্ৰমে ১৮৪৭ আৰু ১৮৪৯ চনত অৰুণোদইত প্ৰকাশ পায়। 'ফুকন দেৱান কায়দা বন্দী' (১৮৪৯-৫০), 'সদৰ দেৱানী নিষ্পত্তি' (১৮৫০), 'আইন ও ব্যৱস্থা সংগ্ৰহ'— এই তিনিখন তেখেতৰদ্বাৰা ৰচিত আইন, শাসন আৰু নীতি সম্বন্ধীয় গ্ৰন্থ। তেখেতে ইংৰাজীত লিখা 'Observation on the Administration of the Provice of Assam', 'A Few Remarks on the Assamese Language and Vernacular Education in Assam' (১৮৫৪) প্ৰভৃতি গ্ৰন্থ দুখনতো অসমীয়া ভাষাৰ স্বতন্ত্ৰতা আৰু ঐতিহ্যৰ বিস্তৃত বিশ্লেষণ পোৱা যায়। এইবোৰৰ উপৰিও ঢেকিয়াল ফুকনে ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী দুখন অভিধান ৰচনা কৰিছিল। বিভিন্ন ধৰণৰ বিষয়, বিভিন্ন চিন্তাই স্থান পোৱা ফুকনদেৱৰ ৰচনাসমূহক এনেদৰে ভগাব পাৰি— নীতি-উপদেশমূলক, ইতিহাস সম্বন্ধীয়, ভূগোল সম্বন্ধীয় আৰু ঈশ্বৰ সম্বন্ধীয়। এনেদৰে খুব কম সময়ৰ ভিতৰতে অসমীয়া ভাষা-সাহিত্য তথা জাতিৰ উন্নতিৰ স্বাৰ্থত ফুকনদেৱে যিখিনি অৱদান আগবঢ়াই থৈ গ'ল, সি সদায় অবিস্মৰণীয় অৱদান হিচাপে জিলিকি থাকিব।

**হেমচন্দ্ৰ বৰুৱা ঃ** অসমীয়া সাহিত্য জগতত হেমচন্দ্ৰ বৰুৱাৰ অৱদান বহুমুখী। বহুজনৰ এক যুগৰ সাধনাৰ দৰে হেমচন্দ্ৰ বৰুৱাৰ সাধনা হৈছে চিৰকালৰ নজহা-নপমা অমৰ সাধনা। বৰুৱাদেৱে

ব্যক্তিগতভাৱে সমাজৰ অনাচাৰ-কপটতাৰ প্ৰতি তীব্ৰ বিৰোধমূলক স্থিতি এটা লৈছিল নিজ চিন্তাৰ যোগেদি। সমাজ সংস্কাৰৰ ওপৰত অধিক গুৰুত্ব দিয়া বৰুৱাদেৱে 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' আৰু 'কানীয়া কীৰ্তন' ৰচনা কৰি অসমীয়া সমাজৰ অধঃপতনৰ চিত্ৰ দাঙি ধৰাই নহয়, ইয়াৰ যোগেদি অসমীয়া সমাজখনৰ ব্যৱহাৰিক দোষ-ত্ৰুটি, আচাৰ-ব্যৱহাৰৰ অন্তৰালত থকা ব্যভিচাৰ, ভণ্ডামিৰ স্বৰূপ প্ৰকাশ কৰি সমাজলৈ একোটা শিক্ষণীয় বাৰ্তাও প্ৰেৰণ কৰিছে। তেখেতৰ এই দুখন পুথিত সৃষ্টিধৰ্মী ৰচনাৰো নিদৰ্শন পোৱা যায়। আদিপাঠ, পাঠমালা, অসমীয়া ব্যাকৰণ আৰু অসমীয়া পঢ়াশলীয়া অভিধান— এইকেইখন বৰুৱাদেৱে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ ৰচনা কৰিছে। 'স্বাস্থ্যৰক্ষাৰ নিয়ম' আৰু 'পাঠমালা' আদি ৰচনাৰ স্বীকৃতিস্বৰূপে তেখেতে ৰজাঘৰৰপৰা পুৰস্কৃত হৈছিল। উল্লেখযোগ্য যে, তেখেতৰ আত্মজীৱনীখনো অসমীয়া সাহিত্যৰ বিশিষ্ট সম্পদ। এইখনে সাহিত্য গদ্যৰ আদৰ্শ ৰক্ষা কৰাৰ উপৰিও সমকালীন সময়ৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন দিশত আলোক সঞ্চাৰক।

অসমীয়া ভাষাৰ সৰ্বদিশক সৰ্বাংগসুন্দৰ বৰ্ণবিন্যাস আৰু বাক্যবিন্যাসৰ এটা সু-সংগত স্থিতি প্ৰদান কৰাৰ উদ্দেশ্যে হেমচন্দ্ৰ বৰুৱাই ব্যক্তিগতভাৱে যিখিনি প্ৰচেষ্টা হাতত লৈছিল, সেয়া আছিল অসামান্য, অনন্য। তেখেতে 'পঢ়াশলীয়া অভিধান', 'সংক্ষিপ্ত হেমকোষ' আৰু 'হেমকোষ' নামেৰে তিনিখন অভিধান ৰচনা কৰিছিল যদিও ইয়াৰে 'সংক্ষিপ্ত হেমকোষ' এতিয়া পাবলৈ নাই; বাকী দুখনহে প্ৰাপ্ত অৱস্থাত আছে। 'হেমকোষ' হেমচন্দ্ৰ বৰুৱাৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ। অসমীয়া ভাষাৰ আখৰ-জোটনিৰ বিশৃংখলা আৰু ইয়াৰ অমাৰ্জিত ব্যৱহাৰৰ পৰিসমাপ্তি ঘটাইছে ইয়েই। কবিৰ ভাষাৰে হেমকোষৰ অনন্যতাৰ কথা আমি এনেদৰে পাওঁ—

"হেমৰ কোষেৰে ওখ দৌল বান্ধি
ভাষাৰ সাৰথি কৰি।
নুমাবলগীয়া অসমীয়াৰ নাম
ৰাখিলে জিলিকা কৰি।।"

ইয়াৰ উপৰিও সংবাদপত্ৰীয় সাহিত্যৰ উত্তৰণত হেমচন্দ্ৰ বৰুৱাৰ অৱদান বিশিষ্ট। অসমীয়াত লিখা পুথিসমূহৰ উপৰিও ইংৰাজীত লিখা 'Assamese Marriage System' (অসমীয়া বিবাহ পদ্ধতি) তেখেতৰ এখন সন্মানীয় পুথি। এনেদৰে ভাষা-সাহিত্যৰ উত্তৰণত বিশিষ্ট অৱদান আগবঢ়োৱা হেমচন্দ্ৰ বৰুৱা অৰুণোদই যুগৰ অখ্ৰীষ্টীয়ান লেখকৰ ভিতৰত এগৰাকী উচ্চ স্থানৰ লেখক।

**গুণাভিৰাম বৰুৱা ঃ** আধুনিক অসমীয়া নাট্য সাহিত্য ৰচনাৰ যি প্ৰয়াস প্ৰথমতে সৃষ্টি হ'ল, তাৰ মূলতে আছিল গুণাভিৰাম বৰুৱা। ঊনবিংশ শতিকাৰ শেষৰ কালছোৱাত অসমীয়া ভাষা-সাহিত্যৰ মূল নেতৃত্ব বহনকাৰী এজন বিশিষ্ট অসমীয়া অখ্ৰীষ্টীয়ান লেখক হ'ল গুণাভিৰাম বৰুৱা। বৰুৱাদেৱৰ সাহিত্যিক জীৱনৰ প্ৰথম প্ৰচেষ্টা ঘটিছিল 'ৰাম-নৱমী'ৰ জৰিয়তে। এই নাটখনি ১৮৫৭ চনত ৰচনা কৰা হৈছিল। পাশ্চাত্য চিন্তা তথা কলা-কৌশলৰ জৰিয়তে আধুনিক অসমীয়া নাট্য সাহিত্যৰ জগত সমৃদ্ধ কৰে এই 'ৰাম-নৱমী' নাটকে। তেখেতে ১৮৮০ চনত 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন চৰিত' আৰু ১৮৮৪ চনত প্ৰসিদ্ধ 'অসম বুৰঞ্জী' ৰচনা কৰে। আনন্দৰাম ঢেকিয়াল ফুকনৰ বৈচিত্ৰ্যময় জীৱনক বৰ্ণাঢ্য কথাৰে লিপিবদ্ধ ৰূপ দি জনসমাজলৈ তেখেতৰ জীৱন-দৰ্শন, জীৱন-জিজ্ঞাসাৰ প্ৰবাহ প্ৰবাহিত কৰা আৰু প্ৰাচীন অসমৰপৰা ব্ৰিটিছ শাসিত আধুনিক অসমলৈ এটা সুদীৰ্ঘ পৰিক্ৰমাৰে অতিবাহিত অসংখ্য দিনৰ ৰাজনৈতিক, অৰ্থনৈতিক, ধাৰ্মিক, সাংস্কৃতিক পৰিৱেশক নিৰপেক্ষ ঐতিহাসিক বিচাৰেৰে আৰু আধুনিক বৈজ্ঞানিক দৃষ্টিভংগী বৰ্ণনাত্মক কৰি তোলাই এই গ্ৰন্থ দুখনৰ প্ৰধান বিষয়। 'জোনাকী'ৰ পাতত কেইবাটাও বুৰঞ্জীমূলক প্ৰবন্ধ লিখাৰ উপৰিও নিভাঁজ হাস্যৰস আৰু কৌতুকপূৰ্ণ 'কঠিন শব্দৰ ৰহস্য' পুথিও তেখেতৰ বৌদ্ধিক পাৰদৰ্শিতাৰ অন্যতম কীৰ্তি। তদুপৰি 'আসাম বন্ধু'ৰ সম্পাদনাৰ যোগেদিও অসমীয়া ভাষা-সাহিত্যৰ ক্ষেত্ৰত এক ঐতিহাসিক ভূমিকা পালন কৰি থৈ গৈছে তেখেতে। 'গুৰুদত্ত' ছদ্মনামেৰে লিখা অনেকখিনি কবিতাই কাব্যিক উৎকৃষ্টতাৰ নিদৰ্শন দাঙি ধৰাৰ লগতে তেখেতৰ কবিত্ব প্ৰতিভাৰো জলজল-পটপট চানেকী এটা বহন কৰিছে। এনেদৰে অনেক সাহিত্য সম্ভাৰেৰে গুণাভিৰাম বৰুৱাই নিজৰ পৰিচয় অক্ষুণ্ণ ৰাখিছে এগৰাকী কৃতী সাহিত্যিকৰূপে। অসমীয়া সাহিত্য আৰু ভাষাৰ পৃথিৱীত গুণাভিৰাম বৰুৱাৰ অৱদানক কস্মিনকালেও পাহৰাৰ অৱকাশ নাই।

**১.০৫** এনেদৰে আলোচনা কৰিলে দেখা পোৱা যায় যে, অসমীয়া জাতীয় জীৱনৰ এটা ঐতিহাসিক স্বাভিমান সৃষ্টি কৰি থৈ যোৱা এই বিশিষ্ট খ্ৰীষ্টীয়ান-অখ্ৰীষ্টীয়ান লেখকসকলৰ আটাইখিনি সাহিত্যৰে এটা বিশেষ মূল্য আছে, মূল্য আছে অৰুণোদই কাকতৰো। অসমীয়া সাহিত্যৰ বিস্তাৰ যুগৰ বিকাশ, সমৃদ্ধি আৰু উন্নয়নত এইকেইগৰাকী লেখকৰ সাহিত্য প্ৰতিভাৰ অৱদান সঁচাকৈয়ে মানিবলগীয়া। উল্লেখ্য, উপৰোক্ত বৰ্ণনাৰ যোগেদি দাঙি ধৰা সাহিত্যখিনিৰ বাহিৰেও এই যুগত অনেক খ্ৰীষ্টীয়ান-অখ্ৰীষ্টীয়ান লেখকে সাহিত্য প্ৰতিভাৰে নিজৰ নিজৰ স্থান নিৰ্মাণ কৰিছিল। উদাহৰণস্বৰূপে খ্ৰীষ্টীয়ান শ্ৰেণীৰ শ্ৰীমতী আৰ. আৰ. ৱাৰ্ড, শ্ৰীমতী কট্টাৰ, ও. টি. কট্টাৰ, ডেনফোৰ্ড, ক্লাৰ্ক, ৱাৰ্ড, নিধিৰাম ফাৰৱেল আৰু অখ্ৰীষ্টীয়ান শ্ৰেণীৰ মাইকেল মধুসূদন দত্ত, লম্বোদৰ বৰা, ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস আদি। এই আটাইবোৰ লেখক-লেখিকাৰ নজহা-নপমা অৱদানেৰে অসমীয়া ভাষা-সাহিত্য আজিও জ্যোতিষ্মান হৈ আছে। ইয়াৰ উপৰিও আটাইতকৈ ডাঙৰ কথা এয়ে যে, এই যুগৰ লেখক-লেখিকাসকলক অনুকৰণ কৰিয়েই পৰৱৰ্তী সময়ৰ প্ৰজন্মই সাহিত্য ৰচনাত প্ৰবৃত্ত হৈছিল। 'অৰুণোদই' যুগৰ এই সমস্ত সাহিত্যৰাজি অসমীয়া সাহিত্যৰ এক মাইলৰ খুঁটিস্বৰূপ। ■

**প্ৰসংগ গ্ৰন্থ ঃ** (১) শৰ্মা, সত্যেন্দ্ৰনাথ ঃ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' (সৌমাৰ প্ৰকাশ), ২০১১ চন। (২) বায়ন, ভৱজিৎ ঃ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (প্ৰথম খণ্ড), ২০১৫ চন।



# আমাজনীয়ান ৰেইন ফৰেষ্ট পৃথিৱীৰ হাওঁফাওঁ

◆ ইছাহক আলী

সহকাৰী অধ্যাপক, ভূগোল বিভাগ

ৰেইন ফৰেষ্ট বা বৃষ্টি অৰণ্য বুলিলে আমি সেমেকা জলবায়ুত থকা বৰ্ষাসিক্ত বিস্তীৰ্ণ অৰণ্যভূমিকে বুজোঁ। বৃষ্টি অৰণ্যত আচলতে বৰষুণ, উত্তাপ আৰু আৰ্দ্ৰতাৰ পৰিমাণ অধিক। এইবোৰ কাৰকৰ আধিক্যৰ বাবেই অৰণ্য অঞ্চল ঘন হাবিৰে ভৰি পৰে। সূৰ্যৰ পোহৰে গছ-গছনিবোৰৰ ওপৰভাগৰ ডাঠ তৰপটো ভেদ কৰি আহিব নোৱাৰে বাবে তলিখন আন্ধাৰ হৈয়ে থাকে। গছ-গছনিবোৰৰ বৃদ্ধি যথেষ্ট পৰিমাণে হয়। হাবিবোৰ ইমানেই ডাঠ আৰু নানা প্ৰকাৰৰ লতাৰে এনেভাৰে আবৃত হৈ থাকে যে ইয়াৰ ভিতৰভাগত সোমোৱাই প্ৰায় অসম্ভৱ। এটা সময়ত মানুহৰ মাজত প্ৰচলিত বিশ্বাস আছিল যে, বৃষ্টি অৰণ্যৰ ভিতৰভাগত সোমোৱাটো প্ৰায় অসম্ভৱ কথা। এনে ধাৰণাৰ বশৱৰ্তী হৈয়েই আফ্ৰিকা মহাদেশৰ অভ্যন্তৰভাগ সিদিনালৈকে উদ্‌ঘাটন নোহোৱাকৈ আছিল— যাৰ বাবে আফ্ৰিকাক অন্ধকাৰ মহাদেশ বুলি বিশ্ববাসীয়ে জানিব পাৰিছিল। ৰেইন ফৰেষ্ট শব্দটো ১৮৯৮ চনত এ. এফ. ডব্লিউ. স্কিমপাৰে পোন প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল। তেওঁৰ মতে— 'Evergreen hygrophilous in Character, at least 30 m. high, but usually much taller, rich in thick-stemmed lianas and in woody as well as herbaceous epiphytes.'

আমাজান নদীৰ বৃহৎ নদী অৱবাহিকাক পৃথিৱীৰ বৃহত্তম নদী অৱবাহিকা বুলি কোৱা হয় আৰু ইয়াৰ আয়তন হৈছে ২,৭০০,০০০ বৰ্গমাইল। আমেৰিকা যুক্তৰাষ্ট্ৰতকৈও আমাজান অৱবাহিকা ডাঙৰ আৰু ই দক্ষিণ আমেৰিকা মহাদেশৰ তিনিভাগৰ এভাগতকৈও অধিক অংশ জুৰি আছে। আমাজান নদীত ২০০ খন উপনদী, শাখা নদীৰ পানী আহি মিলিছে।

আমাজান অৱবাহিকা গোটেই বছৰ ধৰি হোৱা প্ৰচুৰ বৰষুণ আৰু যথেষ্ট উত্তাপৰ বাবে অগাধ অৰণ্যৰে ভৰি থাকে। হাবিবিলাক ইমান ডাঠ আৰু নানা প্ৰকাৰৰ লতাৰে এনেভাৰে আবৃত যে, বগাই বা উৰি যাব নোৱাৰিলে এইবিলাকৰ ভিতৰ সোমোৱা প্ৰায় অসম্ভৱ। আনকি সূৰ্যৰ পোহৰো এই অঞ্চলৰ ভিতৰ সোমাব নোৱাৰে বাবে গছবিলাক পোহৰ আৰু বতাহ পাবৰ বাবে ওপৰলৈ বাঢ়ি যায় আৰু

দীঘল হয়। সকলো গছৰে অসংখ্য শাখা-প্ৰশাখা আৰু ডাঙৰ ডাঙৰ পাত। এইবিলাকে ওপৰখন ছাটি ধৰি থাকে বাবে তলখন অন্ধকাৰময় হৈ থাকে। গছৰ পাতবিলাকত সৰু সৰু অসংখ্য বিন্ধা আছে। এই বিন্ধাবোৰত বৰষুণৰ পানী সঞ্চিত হৈ থাকি পাচত বাষ্পাকাৰে বাহিৰ হৈ পৰিচলন বৃষ্টি ঘটায়। গোটেই বছৰতে এই অঞ্চলৰ গছবিলাকৰ পাত ওলায়, ফুল ফুলে আৰু ফল হয়। গছবিলাকৰ বৃদ্ধি ইমান বেছি যে, কোনো অঞ্চল পৰিষ্কাৰ কৰিলেও অতি সোনকালে পুনৰ অৰণ্যৰে ভৰি পৰে। আমাজান নদীৰ দুয়োপাৰে বিয়পি থকা এনে অৰণ্যকে ‘ছেলভা’ বোলা হয়।

আমাজান নদী অৱবাহিকাৰ সুকীয়া আৰু ভিন্ন বৈশিষ্ট্যৰে পৰিপূৰ্ণ উদ্ভিদকুলেই পৃথিৱীত আটাইতকৈ সমৃদ্ধ। ইয়াৰ উদ্ভিদবোৰৰ সুকীয়া গোট আৰু নিজা নিজা প্ৰাকৃতিক বিশেষত্ব আছে। সেইবাবে তাৰ প্ৰাকৃতিক পৰিৱেশো ভিন্ন।

আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ অঞ্চলটোৱে হৈছে ‘আমাজনীয় বৃষ্টি অৰণ্য’ বা ‘ছেলভা’। এই বৃষ্টি অৰণ্যই হৈছে পৃথিৱীৰ অন্যতম অনন্য সীমাহীন দৃশ্যৰে পৰিপূৰ্ণ উদ্ভিদকুলৰ আৱাসভূমি। ই ২০০ মাইল জুৰি আটলাণ্টিক মহাসাগৰৰ উপকূলৰপৰা ১২০০ মাইল বহলকৈ এণ্ডিজ পৰ্বতমালাৰ পাদদেশৰ নিম্নভূমিলৈ বিস্তৃত হৈ আছে। এই অৰণ্য অঞ্চল কেৱল কেম্পছ বা ঘাঁহনি অঞ্চলতে বাধাপ্ৰাপ্ত হৈছে।

এই অৰণ্য অঞ্চলৰ বিশালতা আৰু সুদীৰ্ঘ বাটজুৰি থকা ধাৰাবাহিকাৰ ভৌগোলিক সীমাৰেখাক আৱৰি ৰাখিছে। এই অঞ্চলৰ উচ্চ হাৰৰ বৰষুণ, উচ্চ হাৰৰ আৰ্দ্ৰতা আৰু উচ্চ হাৰৰ উত্তাপৰ পৰিৱেশত মানুহৰ চিন অস্পষ্ট। ইয়াৰ হাবিবোৰ নিজে নিজেই একো একোখন উদ্ভিদৰ মিউজিয়াম। সেইবাবে উদ্ভিদ বিজ্ঞানীসকলে আমাজনীয় বৃষ্টি অৰণ্যক পৃথিৱীৰ প্ৰাচীনতম উদ্ভিদকুলৰ গঠন বুলি বিশ্বাস কৰে। সম্ভৱতঃ এই উদ্ভিদকুল টাৰচিয়াৰী যুগৰপৰাই অপৰিৱৰ্তিতভাৱেই আছে।

আমাজনীয় অৰণ্যৰ লক্ষণীয় বৈশিষ্ট্য হৈছে— যি কোনো গছৰ প্ৰজাতিৰ বিশুদ্ধতাৰ অভাৱ, বৃহৎ থূপত প্ৰকাণ্ড গছ, গছবোৰৰ উলম্বিক গতি, নানা প্ৰকাৰৰ গছ, বিশৃংখলতাৰে জোঁট বান্ধি থকা গছ-গছনি, ঋতুভেদে পাত সলনি, ফুলৰ সজ্জিতকৰণৰ অভাৱ, একেবাৰে তাকৰীয়া কোমল কাঠৰ পয়োভৰ, গছবোৰৰ বেছিভাগেই ঢোকা দিয়া শিপাৰে আশ্ৰিত, হাবিৰ তলীৰ গছৰ ডালৰ দীৰ্ঘ দূৰত্ব আৰু তুলনামূলকভাৱে গছৰ বাকলিবোৰৰ পাতলীয়া ৰং আদিয়ে ইয়াৰ হাবিৰ চকুতলগা বৈশিষ্ট্য।

আমাজনীয় বৃষ্টি অৰণ্যত উদ্ভিদৰ জোপোহা গছ (Palm), জেতুকা জাতীয় গছ (Myrtle), লতা (Laurels), কাঁইটীয়া জোপোহা গছ (Acacias), Bignonias, Cedrelas, Cecropias, Bombacaceal, Brazil-nets purple-heart গোলাপ ফুল, ৰবৰ গছ, ডিমৰু, আধা ডজনতকৈও অধিক আন প্ৰকৃতিৰ উদ্ভিদ আদি আমাজনীয় বৃষ্টি অৰণ্যত জন্মে। এটা সময়ত আধা বৰ্গমাইলৰ ভিতৰত উদ্ভিদ বিজ্ঞানী লুইছ আগাচিজে ১১৭ বিধ উদ্ভিদৰ হিচাপ কৰিব পাৰিছিল। পৰ্বতীয়া ঢালবোৰত ঢেঁকীয়াজাতীয় উদ্ভিদৰ বিভিন্ন প্ৰকাৰ দেখা যায়। এই অঞ্চলত বিস্তৃতভাৱে উচ্চ আৰ্থিক মূল্যৰ ছেঁইজাতীয় উদ্ভিদ পোৱা যায়।

আকাশৰপৰা লক্ষ্য কৰিলে আমাজনীয় বৃষ্টি অৰণ্যক ধৰাপৃষ্ঠত ধাৰাবাহিকভাৱে বিস্তৃত হৈ থকা ঠিক প্ৰকাণ্ড আকৃতিৰ এখন কোমল দলিচা পাৰি থোৱা যেন দেখি। ইয়াক প্ৰায় সমান আকাৰত দেখা যায়। ইয়াত প্ৰায় আঠ হেজাৰবিধ উদ্ভিদ ইমান ওচৰা-ওচৰিকৈ জন্মিছে যে, ইয়াত প্ৰচুৰ পৰিমাণে থকা পাতৰ থোপাবোৰে এই অৰণ্যভূমিক ৰাজমুকুট পিন্ধাই চন্দ্ৰতাপ তৰাৰ দৰে থোৱা যেন দেখি।

এই অঞ্চলৰ ভাৰ্জিয়া অৰণ্যই প্ৰাচীনতম অৰণ্য, যাৰ বাবে আমাজানৰ ভ্ৰমণকাৰীসকলে আদিতে পানীৰ উৎস বিচাৰি যথেষ্ট বাধাৰ সন্মুখীন হৈছিল। ভ্ৰমণকাৰীসকলে আমাজানত থকা ডাঠ হাবিক ‘A sea of vegetation’ বুলি আখ্যা দিছিল। ইয়াৰ অৰণ্যৰ প্লাৱনভূমিত ‘বগা আৰু কোমল’ কাঠৰ প্ৰাধান্য দেখা যায়। এইবোৰৰ ভিতৰত ‘Para’ ৰবৰৰ গছ প্ৰসিদ্ধ। আন এবিধ গছ হৈছে ছুমাউমা (Sumauma) বা কাপোক (Kapok)। এইবোৰ গছৰ ডালবোৰ ডাঠ আৰু বগা ৰঙৰ। গছবোৰ ওখ হয় বাবে এইবোৰক ‘Queen of Vargea’ বোলা হয়। উচ্চ আমাজনীয় আৰু উপনদী অঞ্চলত ভাৰ্জিয়াৰ বৃহৎ অঞ্চলজুৰি ওখ ওখ বেতগছ আৰু কানা ব্ৰাভা (Cana Brava) জাতীয় গছেৰে পৰিপূৰ্ণ হৈ আছে। নদীবোৰৰ নিম্নভাগত আৰু মাৰাজ’ দ্বীপত লিলি আদি উদ্ভিদ দেখা যায়। অগভীৰ বন্ধ পানীত প্ৰকাণ্ড আকৃতিৰ ৰাটাৰ লিলিও জন্মে। বানপানী দীৰ্ঘদিন হৈ থকা ভাৰ্জিয়াৰ নিম্ন অঞ্চলত ক্ৰান্তীয় কেম্পোছ তৃণভূমি দেখা যায়। Black Water নদীত বগাব পৰা লিয়ানাছ উদ্ভিদ জন্মে।

আমাজান অৰণ্য ফুলৰ বাবে বিখ্যাত। এই অৰণ্যভূমিয়ে চিনকোনা গছৰ বাসভূমি। পূবৰ এণ্ডিজ পৰ্বতৰ সীমালৈ চিনকোনা পোৱা যায়। অৱশ্যে মধ্য অক্ষাংশৰ উদ্ভিদৰ লগত এই অঞ্চলৰ উদ্ভিদৰ পাৰ্থক্য আছে।

আমাজান অৰণ্যৰ কিছুমান উদ্ভিদৰ যথেষ্ট আৰ্থিক মূল্য আছে। কুইনাইন, ককোৱা (ককোৱাৰপৰা চক্‌লেট তৈয়াৰ কৰা হয়), কাছাভা, ধঁপাতৰ সুগন্ধ তৈয়াৰ, মাখন-ঘিউত ৰং দিব পৰা উদ্ভিদ, মধুৰিআম, ক’কেইন তৈয়াৰ কৰা কক’ আৰু উচ্চ ভূমিত বগা ৰঙৰ আলু আদি বিভিন্ন ধৰণৰ আচৰিত আচৰিত উদ্ভিদৰ ই হৈছে জন্মভূমি।

আমাজান বৃষ্টি অৰণ্যৰ মধ্য আৰু নিম্ন অংশত থকা বাৰেবৰণীয়া উদ্ভিদবোৰক মানুহে সম্পূৰ্ণভাৱে চিনি উলিয়াব পৰা নাছিল। উৰাজাহাজৰ আগমনৰ বাবেহে এই উদ্ভিদবোৰক ভালদৰে চিনিব পৰা হ’ল। আমাজানৰ পানীৰ নাটনি থকা অঞ্চলবোৰত তালজাতীয় গছ, চামৰাৰ দৰে টান পাত আৰু খৰাং প্ৰতিৰোধ কৰিব পৰা কেইস্বাজাতীয় গছ পোৱা যায়। নিম্ন আমাজানৰ মাটিত থকা প্ৰাকৃতিক আৰু ৰাসায়নিক গুণে উদ্ভিদৰ ওপৰত প্ৰভাৱ পেলায়। ৰায়’ব্ৰেংকো, আমপা প্ৰভিন্স, আমাজান মোহনাৰ উত্তৰ আৰু মাৰাজ’ দ্বীপত কেম্পোছ উদ্ভিদৰ বিস্তৃত অঞ্চল দেখা যায়।

আমাজান বৃষ্টি অৰণ্যত উদ্ভিদৰ প্ৰাচুৰ্যৰ বাবে জীৱ-জন্তুৰ সংখ্যাও অধিক। জীৱ-জন্তুবোৰ উৎপত্তি আৰু প্ৰকৃতিৰ ফালৰপৰা সমগ্ৰ বিশ্বতেই উল্লেখযোগ্য। পৃথিৱীৰ আন অঞ্চলতকৈ ইয়াত গছৰ ওপৰত বাস কৰা স্তন্যপায়ী প্ৰাণীৰ সংখ্যাই অধিক। যি কোনো সাধাৰণ পৰিৱেশত সিহঁতৰ কোনেও অপ্ৰত্যাশিতভাৱে মানুহক আক্ৰমণ নকৰে। প্ৰায় আটাইবোৰ বান্দৰেই গছৰ ওপৰতেই জীৱন কটায়। ইহঁতক ৩,০০০ ফুট উচ্চতাৰ তলত দেখা যায়। ৰেড হাউলাৰবোৰে ৰাতিপুৱাৰপৰা গধূলিলৈ শিয়াল-কুকুৰৰ দৰে বিকট চিঞৰ মাৰি গহীন অৰণ্যত থাকে। আন প্ৰাণীবোৰৰ ভিতৰত মকৰা, ৰাতি ফুৰা জীৱ-জন্তু, নোমৰ থোপা থকা ছাকি বান্দৰ, মাৰমোছেট আৰু টিটি নামৰ সৰু বান্দৰৰ প্ৰজাতি আৰু কেৰ্কেটুৱাজাতীয় বান্দৰ ইয়াত পোৱা যায়। নেজ নথকা সুন্দৰ ৰঙৰ কেতবোৰ জন্তুও দেখা যায়। এই আটাইবোৰ প্ৰাণীকে ইয়াত থকা আদিম অধিবাসীবোৰে চিকাৰ কৰি ভক্ষণ কৰে। জাগুৱৰ, পিউমা আৰু অচেলট আদি ডাঙৰ জাতৰ বনমেকুৰীও ইয়াত পোৱা যায়।

আমাজনীয় হাবিত চোকা দাঁত থকা জন্তুও প্ৰচুৰ আছে। নদীৰ পাৰবোৰত পৃথিৱীৰ ভিতৰত বৃহৎ চোকা দাঁত থকা কেপিবাৰা নামৰ জন্তুবিধ বাস কৰে। ইয়াৰ দীঘ চাৰি ফুট আৰু ওজন পঞ্চাশ কিলোগ্ৰাম। এনেধৰণৰ আনবোৰ প্ৰাণী হৈছে— পাকা, কুটিয়া, স্পাইনিৰেট, টৰ', কেইবাবিধো কেৰ্কেটুৱা, এন্দুৰ, নিগনি, দুবিধ কেটেলা পহু আদিয়ে প্ৰধান। পাকাৰ মাংস অতি উচ্চ মূল্যৰ। কেপিবাৰাৰ মাংসও খোৱা হয়। নদীৰ পাৰত বাস কৰা আন এটা বৃহৎ জন্তু হৈছে আণ্টা।

টাটু নামৰ ঘোঁৰা পোৱালিৰ পাঁচবিধ প্ৰজাতি, দুবিধ ভালুক আৰু ঘাঁহনি অঞ্চলত চাৰিটা প্ৰজাতিৰ হৰিণ পোৱা যায়। এই জন্তুবোৰৰপৰা হেজাৰ হেজাৰ ছাল ৰপ্তানি কৰা হয়। অপ'ছামছৰ তিনিটা প্ৰজাতিও পোৱা যায়। নিশাৰ আকাশত কেবানিযুত বাদুলী আৰু ভয়ানক তেজ খোৱা বাদুলী জাক পাতি পাতি আহাৰৰ সন্ধান কৰি ফুৰে। এই বাদুলীবোৰ হাবিত ভ্ৰমণ কৰা লোকৰ বাবে অতি বিপজ্জনক। ইয়াৰ হ্ৰদবোৰৰ পানীত গাহৰিৰ মঙহৰ দৰে সোৱাদ লগা মানাটিবোৰ পোৱা যায়। ইহঁতৰ মুখ আৰু চকু গৰুৰ দৰে।

আমাজান অৰণ্য অঞ্চলটো চৰাইৰ বাবেও প্ৰসিদ্ধ। এইবোৰৰ ভিতৰত শগুণ, ভাটৌ, আমেৰিকান ভাটৌ, কেৰ্কেটুৱা, কপৌৰ কেইবাটাও প্ৰজাতি, শেন, ঈগল, কাঠখুলা, কৰীঅ'ছ, হুইপুৰ উইল নামৰ ছাগলীৰ তেজ শোহা চৰাই, গুৱান নামৰ মনোমোহা চৰাই, হটজিনছ চৰাই, পাৰাকিটছ আৰু বিভিন্ন জলচৰাই ইয়াৰ হাবিত পোৱা যায়।

আমাজানবাসীয়ে নদীত থকা কাছকেই মুখ্য আহাৰ হিচাপে ব্যৱহাৰ কৰে। আদিতে প্ৰতি বছৰে কাছৰ হেজাৰ হেজাৰ কণী নদীৰ বালিচৰবোৰৰপৰা গোটোৱা হৈছিল। বৰ্তমান ইয়াৰ সংখ্যা কমি গৈছে। জলাহ, হ্ৰদ, নিজৰাবোৰত অলপ-অচৰপ কে'মেন পোৱা যায়। ইয়াত বিভিন্ন প্ৰকাৰৰ জেঠীও পোৱা যায়। বিষাক্ত শ্ৰেণীৰ সাপো আছে। ওঠৰৰপৰা বিশ ফুট দীঘল কনষ্ট্ৰিকটৰ্'ছ নামৰ মাৰাত্মক বিষাক্ত সাপো আছে।

ইয়াৰ নদীবোৰত পাঁচশৰপৰা দুহেজাৰবিধ মাছ পোৱা যায়। ইয়াৰ ভিতৰত পাঁচফুট দৈৰ্ঘ্যৰ পিৰাৰুকু মাছ প্ৰধান। এইবিধ মাছৰ বাকলিৰপৰা কৃত্ৰিম ফুল তৈয়াৰ কৰা হয়। বেছিভাগ নদীত মঙহ খোৱা পিৰানহা নামৰ ক্ষুদ্ৰ মাছবিধো পোৱা যায়। পিৰানহা থকা পানীত জীয়া মানুহ এজনক ভৰিত ৰছীৰে বান্ধি পেলাই দি কেইমিনিটমান পাচত ৰছীৰে মানুহজনক টানি পানীৰপৰা উঠাই আনিলে মানুহজনৰ জঁকাটোহে উঠি আহিব। মঙহবোৰ পিৰানহা মাছে নিমিষতে খাই পেলায়।

আমাজান অৰণ্যত থকা কীট-পতংগৰ বৈশিষ্ট্যই বেলেগ। ৰাতিয়ে-দিনে অগণন পৰুৱাৰ লানি দেখা যায়। কিছুমানে মাটিত, কিছুমানে গছত বাস কৰে। ক'লা পৰুৱা, বগা পৰুৱাবোৰে কাঠৰ ক্ষতিসাধন কৰে। হালধীয়া, ৰঙা, সেউজীয়া পোহৰ দিয়া জোনাকী পৰুৱাবোৰে মনোৰম দৃশ্যৰ সৃষ্টি কৰে। এই অৰণ্য হৈছে বিভিন্ন কীট-পতংগৰ নৰকভূমি। অসংখ্য মৌ-মাখি, কোদোবৰল, ছেট্ছি মাখি, ভেকুলী, বৃশ্চিক, জোক আদিও পোৱা যায়। পাঁচ-ছয় ইঞ্চি দীঘল গুবৰুৱাও আছে। জিলীৰ অসংখ্য মাতে অঞ্চলটোত হুইচেল বজোৱাৰ দৰে শব্দ কৰি থাকে। কেৰেলুৱা, ৰঙা ৰঙৰ উৰহ, প্ৰকাণ্ড মকৰা, চগা আৰু শ শ বিধৰ বিভিন্ন ৰঙৰ পখিলাও পোৱা যায়।

মুঠতে আমাজান বৃষ্টি অৰণ্যক অসংখ্য বিৰল উদ্ভিদ আৰু জীৱ-জন্তুৰ গৃহভূমি বুলি কোৱা হয়। এনে ধৰণৰ উদ্ভিদ আৰু জীৱ-জন্তু পৃথিৱীৰ ক'তো পাবলৈ নাই। সেইবাবে বৰ্তমান পৃথিৱীৰ বহুতো নদী বিজ্ঞানীয়ে প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰি এই অঞ্চলটোৰ বৃহৎ আকাৰত আধুনিক ধৰণে উন্নতি হোৱাটো নিবিচাৰে।

**কিয় বাৰু আমাজনীয়ান ৰেইন ফৰেষ্টখন ইমান গুৰুত্বপূৰ্ণ ঃ**

(১) আমাজনীয়ান ৰেইন ফৰেষ্টখন হৈছে পৃথিৱীৰ বৃহত্তম ৰেইন ফৰেষ্ট। কাৰ্বন-ডাই-অক্সাইড শুহি লোৱা আৰু অক্সিজেন উৎপাদন কৰিব পৰা ভূমিকাৰ বাবে ইয়াক পৃথিৱীৰ হাওঁফাওঁ বুলি প্ৰায়ে কোৱা হয়। আমাজনীয়ান ৰেইন ফৰেষ্টখনে পৃথিৱীৰ শতকৰা ২০ ভাগ অক্সিজেন উৎপাদন কৰে।

(২) আমাজনীয়ান ৰেইন ফৰেষ্টত থকা ঘন অৰণ্যৰ গছ-গছনিবোৰক Rain Making Power থকা বুলি গণ্য কৰা হয়। ইয়াৰ ডাঠ বা ঘন অৰণ্যৰ গছ-গছনিবোৰে প্ৰচুৰ বৰষুণ দিব পৰা মেঘ অথবা জলকণাৰ সৃষ্টি কৰিব পাৰে বুলি ভবা হয়।

(৩) কেইবাশ বা কেইবা হাজাৰ বছৰ ধৰি ইয়াত থকা কোটি কোটি গছে কাৰ্বন ধৰি ৰাখিছে।

(৪) কোটি কোটি গছত থকা পাতবোৰে প্ৰচুৰ পৰিমাণে কাৰ্বন-ডাই-অক্সাইড গেছ শুহি লৈ বায়ুমণ্ডলত অক্সিজেন ওভতাই পঠিয়ায়। এনে প্ৰক্ৰিয়াৰ বাবে গোলকীয় উত্তাপীকৰণৰ বেগ ধীৰ হোৱাত সহায় হৈছে।

(৫) সমগ্ৰ দক্ষিণ আমেৰিকাতে (মুঠ ১২ খন ৰাষ্ট্ৰ) ব্ৰাজিল, চুৰিনাম, গায়েনা, ভেনিজুৱেলা, কলম্বিয়া, পেৰু, ইকুৱেদৰ, বলিভিয়া, চিলি, আৰ্জেণ্টিনা, উৰুগুৱে, পাৰাগুৱে আৰু ফ্ৰেন্স উপনিৱেশ ফ্ৰেন্স

গায়েনা। ৰেইন ফৰেষ্টখনে বৰষুণৰ সৃষ্টি কৰি কৃষিকাৰ্য কৰাত সহায় কৰিছে। ৰেইন ফৰেষ্টখনৰ বাবেই নিযুত নিযুত উদ্ভিদ, জীৱ-জন্তু আৰু মানুহৰ বাসস্থান সম্ভৱ হৈ উঠিছে।

(৬) আমাজনীয়ান ৰেইন ফৰেষ্টত যেতিয়া বনজুই বিয়পি যায়, তেতিয়া কাৰ্বন-ডাই-অক্সাইডৰ ৰূপত বায়ুমণ্ডলত কাৰ্বন এৰি দিয়ে; যাৰ বাবে বায়ুমণ্ডলত কাৰ্বন লেভেলৰ পৰিমাণ বাঢ়ি যায়।

(৭) ৰেইন ফৰেষ্টখনক লৈ বিজ্ঞানীসকলে অনুমান কৰিছে যে, মানৱ জাতিয়ে এটি ভাৰসাম্যহীন অৱস্থালৈ গতি কৰিছে। কাৰণ আমাজনীয়ান ৰেইন ফৰেষ্টখনে আৰু দীৰ্ঘদিনলৈ প্ৰচুৰ কাৰ্বন শুহি ল'ব নোৱাৰা হ'ব আৰু ইয়াক জমা কৰি ৰাখিবও নোৱাৰা হ'ব। ইয়াৰ অৰ্থ এইটোৱে হ'ব যে, এই প্ৰচুৰ পৰিমাণৰ কাৰ্বনবোৰ ক'ত যাব? নিশ্চয় এইবোৰ বায়ুমণ্ডললৈ গৈয়ে জমা হ'ব। তেনেহ'লে ইয়াৰ ফলত পৃথিৱীৰ জলবায়ু পৰিৱৰ্তনৰ ফালে ধাৱমান হ'ব আৰু ই এটা ভয়ংকৰ দুৰ্যোগ নমাই আনিবলৈ সক্ষম হ'ব। ইয়াৰপৰা পৰিত্ৰাণৰ এটায়ে উপায় আছে— সমগ্ৰ দক্ষিণ আমেৰিকাৰ জনসাধাৰণৰ উপৰিও আমাৰ ধৰাখনৰ অন্য প্ৰান্তৰ বাসিন্দাসকলেও পদক্ষেপ ল'ব লাগিব সমগ্ৰ আমাজনীয়ান ৰেইন ফৰেষ্টখনক কোটি কোটি গছ-গছনিৰে আৱৰি ৰাখিবলৈ। তেতিয়াহে পৃথিৱীৰ হাওঁফাওঁ কাৰ্যক্ষম হৈ থাকিব পাৰিব। আমাজান অৱবাহিকাই ৭,০০০,০০০ বৰ্গ কিঃমিঃ আৱৰি আছে। ইয়াৰে ৫,৫০০,০০০ বৰ্গ কিঃমিঃ ৰেইন ফৰেষ্টে আৱৰি আছে।

**আমাজান নামৰ উৎপত্তি ঃ**

(১) এটি বিশ্বাস মতে ইতিহাসবিদসকলে বিশ্বাস কৰে যে, টাপুয়াছসকলৰ সৈতে হোৱা যুদ্ধত অৰেলানা ধৰা পৰে। টাপুয়াছ স্বেচ্ছাসেৱকসকল পুৰুষ আৰু মহিলাৰে গঠিত। যুদ্ধত পুৰুষসকলে ঘাঁহনিৰ চোলা পিন্ধিছিল আৰু সিহঁতৰ চুলি দীঘল আছিল। এই যুদ্ধৰ পিচত অৰেলানাই ভাবিছিল, প্ৰাচীন গ্ৰীক ৰূপকথাৰ সাহসী মহিলা যোদ্ধা আমাজানছৰপৰাই এই নামটো আহিছে। গ্ৰীক আৰু আমাজানসকলে যুদ্ধ-বিগ্ৰহত সদায়ে ধুনীয়া, সাহসী, শক্তিশালী আৰু উদং বুকুৰ মহিলা যোদ্ধাসকলকহে অতি ধুনীয়াকৈ চিত্ৰিত কৰে।

(২) প্ৰায় ১৫০০ চন মানত আমাজান নদীখনক স্পেইন দেশীয় আক্ৰমণকাৰীসকলে Rio Santa Maria de La Mar Dulce বুলি কৈছিল। Mar Dulceৰ অৰ্থ হৈছে— 'Freshwater Sea', পিচলৈ আমাজান বুলি কৈছিল। কাৰণ খিলঞ্জীয়া অধিবাসীসকলৰ Tupi বা Guarani ভাষাৰপৰা এই শব্দটো অহা বুলি ভবা হয়, যেতিয়া ইয়াক পতুৰ্গীজ ভাষালৈ অনুবাদ কৰা হয়। শব্দটো Amassona বুলি জনা যায়। যাৰ অৰ্থ Boat-Breaker। Boat-Breaker শব্দটোৰদ্বাৰা স্থানীয় হাইড্ৰ'ফলিক উদ্ভিদৰ শক্তিশালী আৰু জটিল শিপা পদ্ধতিক বুজোৱা হয়।

**আমাজান ৰেইন ফৰেষ্টৰ কেইটিমান উল্লেখযোগ্য তথ্য ঃ**

(১) বিজ্ঞানীসকলে আমাজান ৰেইন ফৰেষ্টখন আনুমানিক ৫৫ নিযুত বছৰ প্ৰাচীন বুলি ঠাৱৰ কৰিছে। ইয়োচিন যুগৰপৰা ইয়াৰ অস্তিত্ব পোৱা যায়।



(২) আমাজান ৰেইন ফৰেষ্টত ৪০,০০০ বিধ উদ্ভিদ, ৪৩০ বিধ স্তন্যপায়ী প্ৰাণী, ৩০০ প্ৰকাৰৰ সৰীসৃপ, ১৮০০ প্ৰজাতিতকৈও অধিক পখিলা আৰু বৃহৎ পৰিমাণৰ আশ্চৰ্যকৰ কীট-পতংগ পোৱা যায়।

(৩) পৃথিৱীৰ মুঠ চৰাইৰ এক-তৃতীয়াংশ চৰাই আমাজান ৰেইন ফৰেষ্টত দেখা যায়।

(৪) ৰেইন ফৰেষ্টখনৰ চৰাইবোৰৰ বিখ্যাত প্ৰতীক বুলি ভবা চৰাইটো হৈছে— উজ্জ্বল ৰঙৰ ধুনীয়া পাখিৰ ডাঙৰ ঠোঁটৰ ধনেশ পক্ষীৰ এজাতি চৰাই। ইয়াক Toucan বুলিও কয়।

(৫) আমাজান ৰেইন ফৰেষ্টখন ৩ নিযুত খিলঞ্জীয়া আমাজনীয়ান লোকৰ গৃহভূমি। ইয়াত ৩০০ প্ৰকাৰ জনজাতিৰ লোক বাস কৰে। এইসকল লোকে ১৭০ টা বিভিন্ন প্ৰকাৰৰ ভাষা কয়।

(৬) আমাজান ৰেইন ফৰেষ্টত বছৰি ২৪০ ছেণ্টিমিটাৰতকৈও সৰহ পৰিমাণৰ বৰষুণ হয়। ইয়াৰে শতকৰা ৫০ ভাগ পানী বাষ্পীভৱনৰদ্বাৰা জলচক্ৰাকাৰে বায়ুমণ্ডললৈ উভতি যায়।

(৭) সমগ্ৰ ইউৰোপ মহাদেশৰ জলভাগত পোৱা মাছৰ প্ৰজাতিতকৈও অধিক মাছৰ প্ৰজাতি ৰেইন ফৰেষ্টখনত পোৱা যায়। 'আৰাপাইমা' নামৰ পৃথিৱীৰ বৃহত্তম মাছবিধো ইয়াত পোৱা যায়।

(৮) কাওগাৰ (Cougar), নাহৰফুটুকী বাঘ (Jaguar) বা আনাকোণ্ডা (Anaconda) আদি প্ৰাণীবোৰ ইমানেই হিংস্ৰ যে, য'তে-ত'তে মানুহক ইহঁতে আক্ৰমণ কৰে।

(৯) আমাজান ৰেইন ফৰেষ্টখন হৈছে তৃণভোজী প্ৰাণীবোৰৰ পোহনীয়া স্থান। এই জাতীয় পশুপালকসকলে ৰেইন ফৰেষ্টখনৰ শতকৰা ৭০ ভাগ নিৰ্বননিকৰণ কৰিছে।

(১০) আমাজান ৰেইন ফৰেষ্টখনে আটলাণ্টিক মহাসাগৰৰ সিটো পাৰে থকা চাহাৰা মৰুভূমিৰপৰা প্ৰচুৰ পৰিমাণে ধূলি লাভ কৰে। ধূলিবোৰ ইয়াৰ মাটিত মিহলি হয়।

(১১) প্ৰচুৰ বৰষুণ আৰু বানৰ পানীয়ে ইয়াৰ ধূলি-বালিবোৰ ধুৱাই, উটুৱাই লৈ যায়। ৰেইন ফৰেষ্টৰ মাটিৰ বিস্তৰ ক্ষতি হয়। এই ক্ষতিৰ শতকৰা ৫৬ ভাগ আকৌ উত্তৰ চাদৰ চাহাৰা মৰুভূমিৰ ধূলিৰদ্বাৰা পূৰণ হয়। প্ৰায় ৫০ নিযুত টন ধূলি-বালি বিশাল আটলাণ্টিক মহাসাগৰ পাৰ হৈ উৰি আহি ৰেইন ফৰেষ্টখনত জমা হয়।

(১২) প্ৰায় ১১,২০০ বছৰ আগতে আমাজান ৰেইন ফৰেষ্টত পোন প্ৰথমবাৰৰ বাবে মানুহৰ বসতি গঢ়ি উঠে।■

# সাম্প্ৰতিক সময়ত ম'বাইল নিৰ্ভৰশীলতা এক মুকলি আলোচনা

◆ দীক্ষিতা কলিতা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

I finally realized it. People are prisoners of their phones. That's why they are called cellphones.

বৰ্তমান আধুনিক জীৱনশৈলীৰ অভিশাপস্বৰূপ হৈছে ম'বাইল নিৰ্ভৰশীলতা। বৰ্তমান আধুনিক যুগৰ প্ৰেক্ষাপটত এই সমস্যাই তীব্ৰ ৰূপত আত্মপ্ৰকাশ কৰি আহিছে।

হাতত থকা ম'বাইলটো ব্যৱহাৰ নকৰাকৈ আপুনি কিমান সময় থাকিব পাৰে? আপুনি আপোনাৰ প্ৰিয় কাকত বা আলোচনী বা ছিৰিয়েলখন ম'বাইলতেই চায় নেকি?

ম'বাইল নিৰ্ভৰশীলতা আধুনিক মানৱৰ জীৱনশৈলীত সবাতোকৈ প্ৰভাৱ পেলোৱা কাৰকবোৰৰ ভিতৰত অন্যতম প্ৰধান কাৰক। বিশ্বজুৰি বিভিন্ন সময়ত বিভিন্ন সংস্থাই চলোৱা সমীক্ষাত ম'বাইল নিৰ্ভৰশীলতা বৃদ্ধি পোৱাৰ তথ্য প্ৰকাশ কৰিছে। প্ৰযুক্তিৰ অভাৱনীয় বিকাশে যিদৰে আমাৰ বাবে আশীৰ্বাদ কঢ়িয়াই আনিছে, সেইদৰে অভিশাপো কঢ়িয়াই আনিছে। ম'বাইল ফোন নিৰ্ভৰশীলতা বা ম'বাইল ফোনৰ নিচা প্ৰযুক্তিগত উৎকৰ্ষতাৰপৰা সৃষ্টি হোৱা এক অভিশাপ। এই সমস্যাই ব্যৱহাৰকাৰীৰ মনত উদ্বিগ্নতা, হতাশগ্ৰস্ততা, অকলশৰীয়া, বিভ্ৰান্তি আদি বিভিন্ন মনোভাবৰ সৃষ্টি কৰে বুলি বিভিন্ন গৱেষণা আৰু সমীক্ষাৰপৰা ধৰা পৰিছে। বৰ্তমান ম'বাইল গেমবোৰৰ বাহিৰেও ফেচবুক, টুইটাৰ, ইউটিউব, হোৱাট্‌ছএপ আদিৰ দৰে মাধ্যমৰ বহুল ব্যৱহাৰে এই প্ৰত্যাহ্বান অধিক তীব্ৰতৰ কৰি তুলিছে।

ম'বাইল নিৰ্ভৰশীলতাই সৃষ্টি কৰা ৰোগৰ লক্ষণসমূহ অৱশ্যে মাদক দ্ৰব্যৰ ব্যৱহাৰে সৃষ্টি কৰা ৰোগৰ লক্ষণসমূহতকৈ পৃথক। মাদক দ্ৰব্যৰ ব্যৱহাৰে সৃষ্টি কৰা ৰোগ ব্যক্তিৰ দৈনন্দিন জীৱনশৈলী, ব্যৱহাৰত প্ৰকাশ পোৱাৰ বিপৰীতে ম'বাইল নিৰ্ভৰশীলতাই সৃষ্টি কৰা ৰোগ সহজে চকুত নপৰিবও পাৰে। এই ৰোগক 'নিৰ্ভৰশীল লক্ষণ' বুলি অভিহিত কৰা হয়। ১৯৬৪ চনত বিশ্ব স্বাস্থ্য সংস্থাই প্ৰথমবাৰৰ বাবে এই সংজ্ঞাৰ ব্যৱহাৰ কৰিছিল




আৰু ইয়াক 'আচৰণজনিত নিচা' বুলি শ্ৰেণীভুক্ত কৰিছিল।

এক সমীক্ষাত প্ৰকাশ পোৱা তথ্য অনুসৰি ৭০ শতাংশ ম'বাইল ব্যৱহাৰকাৰীয়েই শোৱাৰ সময়ত ম'বাইল কাষত লৈ শোৱে। ৩৫ শতাংশ ব্যৱহাৰকাৰীয়ে শুই উঠিয়েই প্ৰথমে নিজৰ ম'বাইলটোলৈ হাত মেলে। ১৮-২৪ বছৰীয়া বয়সৰ ম'বাইল ব্যৱহাৰকাৰী কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ ৪৪ শতাংশই হাতত ম'বাইল লৈয়ে টোপনি যায়।

কিন্তু ম'বাইল নিৰ্ভৰশীলতা ৰোগৰ লক্ষণ কেনেকৈ ঠাৱৰ কৰিব পাৰি? **টেক্সাছৰ বেইলৰ বিশ্ববিদ্যালয়ৰ হানকামেৰ স্কুল অব বিজিনেছৰ অধ্যাপক জেমছ্ ৰবাৰ্টে এই ৰোগৰ ছয়টা প্ৰাথমিক লক্ষণ চিহ্নিত কৰিছে।** তলত উল্লেখ কৰা হ'ল—

(১) টোপনিৰপৰা সাৰ পাই উঠিয়েই নিজৰ ম'বাইলটো বিচৰা।

(২) যেতিয়াই একো কৰিবলগীয়া নাথাকে বা আমনি লাগে, বেলেগ একো নকৰি ম'বাইলটো লৈ ব্যস্ত হৈ পৰা।

(৩) যেতিয়াই নিজৰ ম'বাইল ফোনটো দেখা নাপায়, তেতিয়াই উৎকণ্ঠিত হৈ পৰা।

(৪) আন লোকে যেতিয়া ম'বাইল ফোনটো বেছিকৈ ব্যৱহাৰ কৰিছে বুলি সকীয়াই দিবলগীয়া হয়।

(৫) যেতিয়া ম'বাইল ফোনত ব্যৱহাৰকাৰীয়ে অধিক সময় দিব ধৰে।

(৬) ম'বাইল ফোনৰ ব্যৱহাৰৰপৰা আঁতৰি আহিবলৈ কঠিন হৈ পৰে।

এতিয়া প্ৰশ্ন হ'ল— এই ৰোগৰ কাৰণবোৰ কি হ'ব পাৰে? এই ৰোগত কিশোৰ-কিশোৰীসকল আক্ৰান্ত হোৱাৰ উপৰিও প্ৰাপ্তবয়স্ক লোকসকলো আক্ৰান্ত হোৱা পৰিলক্ষিত হোৱা দেখা যায়।

এই ৰোগৰ কাৰণসমূহ জনাৰ আগতে 'Dopamine' শব্দটোৰ বিষয়ে জানি লোৱাটো সমীচীন হ'ব। এই **Dopamine হৈছে আমাৰ মগজুত থকা 'ভাল লগা অনুভৱ' বা 'সুখানুভূতি'ৰ সৃষ্টি কৰা এক ৰসায়ন (Dopamine is a motivational alcohol)**। আমাৰ মগজুত ই নিঃসৃত হৈ আমাক ভাল লগা, সুখী অনুভৱ কৰা বা উৎসাহিত কৰি তোলাত সহায় কৰে। যেতিয়া আমি কোনো এটা কাম আশা কৰা ধৰণে সম্পূৰ্ণ কৰি তুলিব পাৰোঁ, তেতিয়া আমাৰ আনন্দ লাগে, সন্তুষ্টি অনুভৱ কৰোঁ। এয়া Dopamineৰ বাবেই সম্ভৱ হৈ পৰে। Dopamine-এ আমাৰ উপহাৰপ্ৰত্যাশী আচৰণ গঠন কৰাৰ লগতে সুখাদ্য গ্ৰহণ, মাদক দ্ৰব্য ব্যৱহাৰ আৰু কেতিয়াবা ইণ্টাৰনেট আদি ব্যৱহাৰৰ মাজেদি সুখ অনুভৱ কৰিবলৈ সহায় কৰে। Dopamineৰ সহায় নাপালে হয়তো আমি এলেহুৱা আৰু একো কাম কৰিবলৈ মন নোযোৱা হৈ এনেয়ে বহি থাকিলোঁহেঁতেন।

মগজুত সুখানুভূতি সৃষ্টিকাৰী এই Dopamine-এ তেনেহ'লে ম'বাইল নিৰ্ভৰশীলতাৰ দৰে এক ৰোগ সৃষ্টিত কেনেকৈ অৰিহণা যোগায়? বিশেষজ্ঞসকলে এই ক্ষেত্ৰত তিনিটা কাৰকৰ কথা উল্লেখ কৰিছে—

(১) **Reward of the Hunt :** আমি যেতিয়াই নিজৰ ম'বাইলটোলৈ চাওঁ, তেতিয়াই কিবা এক নতুন অভিজ্ঞতা বা তথ্য লাভৰ আশা কৰোঁ। বন্ধুসকলৰপৰা ষ্টেটাছ্ আপডেট আশা কৰা, নতুন মেছেজ আদিয়ে আমাৰ মগজুত Dopamineৰ স্তৰ বৃদ্ধি কৰাত সহায় কৰে আৰু আমি আশা কৰা ধৰণে কিবা পালে এক মানসিক সন্তুষ্টি লাভত সহায় কৰে।

(২) **Reward of Self :** আমি স্বীকাৰ কৰিবই লাগিব যে মানৱ জাতিয়েই একমাত্ৰ জীৱ, যি প্ৰশংসা আৰু স্বীকৃতি পাবলৈ আশা কৰে। আমি যেতিয়াই Social Mediaত কোনো লেখা বা ফটো Upload কৰোঁ, তেতিয়াই কোনে কি Comment বা কিমানে Like কৰিছে, সেয়া চাবলৈ আমি ঘনে ঘনে ম'বাইল চাওঁ। Dopamine-এ সৃষ্টি কৰা সুখানুভূতিৰ বাবেই আমাৰ সঘনাই ম'বাইল চোৱাটো এক অভ্যাসত পৰিণত হয়গৈ।

(৩) **Reward of the Tribe ঃ** মানুহ হিচাপে আমি অকলশৰীয়া হ'ব নিবিচাৰোঁ আৰু সদায়েই এক বৃহৎ পৰিয়ালৰ সদস্য হ'ব বিচাৰোঁ। Social Media আৰু ম'বাইল ফোনটোৱে আমাৰ এক আকাংক্ষাক আন এক মাত্ৰা প্ৰদান কৰিছে। ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰাৰ দৰাচলতে এয়া এক কাৰণ বুলি ক'ব পাৰি। আমাৰ ষ্টেটাচ্ Like কৰিলে, Comment কৰিলে, শ্বেয়াৰ কৰিলে আমি আপ্লুত হৈ পৰোঁ আৰু আমাৰ মগজুৰ Dopamineৰ স্তৰ বাঢ়ি গৈ থাকে আৰু এই সুখানুভূতিৰ বাবেই আমি ঘনে ঘনে ম'বাইলত চকু ফুৰাওঁ আৰু অৱশেষত ই আমাৰ এক এৰাব নোৱাৰা অভ্যাসত পৰিণত হয়। এই অভ্যাসেই 'ম'বাইল নিৰ্ভৰশীলতা' ৰোগৰ সৃষ্টি কৰে।

ম'বাইল নিৰ্ভৰশীলতা ৰোগে আমাৰ ব্যক্তিগত আৰু ব্যৱহাৰিক জীৱনত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। ম'বাইল নিৰ্ভৰশীলতাই সৃষ্টি কৰা ৰোগ কিছুমান হৈছে—

(১) ৰাজহাড় আৰু ডিঙিৰ সমস্যা।

(২) উৎকণ্ঠা, উদ্বিগ্নতা আৰু হতাশা।

(৩) স্বাস্থ্যজনিত সমস্যা।

(৪) অনিয়মিত টোপনি।

(৫) সামাজিক সমস্যা।

(৬) সৃষ্টিশীলতা হ্ৰাস।

(৭) চকু আৰু কাণৰ সমস্যা।

ম'বাইল নিৰ্ভৰশীলতা হৈছে অভ্যাসগত ৰোগহে। গতিকে ইয়াক কিছু যত্ন কৰিলেই দূৰ কৰিব পাৰি। স্মাৰ্টফোনবোৰ নিশ্চয়কৈ স্মাৰ্ট আৰু এইবোৰক আমাৰ জীৱনশৈলী সহজ কৰিবৰ বাবে আৱিষ্কাৰ কৰা হৈছে। গতিকে আপুনি বা আমি স্মাৰ্টফোনবোৰতকৈ অধিক স্মাৰ্ট হ'ব লাগিব; যাতে আমি নিয়ন্ত্ৰণ কৰিব পাৰোঁ স্মাৰ্টফোনবোৰক।

গতিকে সামৰণিত আমি ক'ব পাৰোঁ যে— *"Don't let your mobile phones be your master. Make it your servant."* ■

# অসমীয়া ভাষাৰ পটভূমিত ছ'চিয়েল মিডিয়াৰ ভাষা

## (Facebook আৰু Whatsappৰ বিশেষ উল্লিখনসহ)

◆ জোন কুমাৰ কলিতা
অংশকালীন অধ্যাপক, অসমীয়া বিভাগ

**প্ৰস্তাৱনা ঃ** সাম্প্ৰতিক সময়ত জনপ্ৰিয়তাৰ শীৰ্ষত আৰোহণ কৰা বিষয়বিধেই হ'ল ছ'চিয়েল মিডিয়া। ই এনে এবিধ প্ৰযুক্তি— যাৰ সহায়ত তথ্য, ধাৰণা, জীৱন সম্বন্ধে বিভিন্ন যোগাযোগ সাধন কৰিব পাৰি। এই মাধ্যমৰ সহায়ত ইণ্টাৰনেট, ফটো, ভিডিঅ', আপলোড, ডাটা কানেকচন ইত্যাদি কৰিব পাৰি। এই মিডিয়াৰ প্ৰযুক্তি সাধাৰণতে Desktop অথবা Laptopত জড়িত থাকে। অৱশ্যে Smartphone অথবা Tabletsৰ সহায়তো এই কাৰ্য সম্পন্ন কৰিব পাৰি। ই হৈছে এবিধ Electronic মাধ্যম। এই মাধ্যমৰ যোগেৰে বিভিন্নজনে সহযোগিতা কৰিব পাৰে। তাৰ লগে লগে যি কোনো বস্তু প্ৰেৰণ, আলোচনা, সহযোগিতা, পুনঃ নতুনকৰণ Onlineৰ যোগেৰে কৰিব পাৰে। আনহাতে ছ'চিয়েল মিডিয়াৰ লগত জড়িত থকা অন্য এটা বিষয় হৈছে Paper based media। এই বিষয়ত আলোচনী, বাতৰি কাকত, T.V. Broadcasting, Radio Broadcasting ইত্যাদিক সামৰিব পাৰি। সামূহিক দৃষ্টিৰে চালে Online অথবা Offline দুয়োটা মাধ্যমকেই এই বিষয়ে সামৰি লয়। ১৯৭৯ত Tom Truscott আৰু Jim Ellis নামৰ বিখ্যাত ব্যক্তি দুগৰাকীয়ে Social Mediaৰ সৃষ্টি কৰে।

**বিষয়বস্তু ঃ** ছ'চিয়েল মিডিয়াই প্ৰধানভাৱে ১৩ প্ৰকাৰ বিষয়ক সামৰি লয়। সেইবোৰ হৈছে— (১) Blogs, (২) Business Networks, (৩) Collaborative Projects, (৪) Enterprise Social Networks, (৫) Forums, (৬) Micro Social Networks, (৭) Photo Sharing, (৮) Products, (৯) Social Bookmarking, (১০) Social Gaming, (১১) Social Networks, (১২) Video Sharing, (১৩) Virtual Words।

এই বিষয়ৰ ভিতৰত সামৰি লোৱা Website কিছুমান হৈছে— Facebook, Messanger, Whatsapp, Youtube, Twitter, Weibo, Instagram, Tumblen, Telegraph, Reddit, Baidu Tieba, Viben ইত্যাদি।

**ব্যৱহাৰ হোৱা ক্ষেত্ৰ ঃ** ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰ ভিন্ ভিন্ ক্ষেত্ৰত হ'ব পাৰে। প্ৰত্যেকৰে ব্যৱহাৰ কৰাৰ পদ্ধতিও বেলেগ বেলেগ। নিজা নিজা উদ্দেশ্যত ইয়াৰ ব্যৱহাৰ হ'ব পাৰে; যেনে—

১। চৰকাৰী কাৰ্যাৱলীত ইয়াৰ ব্যৱহাৰ হ'ব পাৰে;
২। ব্যৱসায়িক কাম-কাজত;
৩। ৰাজনৈতিক বিভিন্ন কাৰ্যাৱলীত;
৪। কোৰ্ট-কাছাৰীৰ বিভিন্ন কাৰ্যাৱলীত;
৫। বিজ্ঞানৰ কাৰ্যাৱলীত;
৬। বিভিন্ন আইন সম্বন্ধীয় উদ্দেশ্যত;
৭। ব্যক্তিগত বিভিন্ন কাৰ্যাৱলীত।



Figure 18: Attacker Sends a Message in the group to chosen victim only.

Figure 19: Victim receives the message and thinks that everybody in the group received that message too.

Figure 20: A regular group member doesn't receive the initial message sent by the Attacker.

এই মাধ্যমৰ দুটা উল্লেখযোগ্য বিষয় হ'ল— Whatsapp আৰু Facebook। উভয় বিষয়ে ব্যক্তিগত স্বাৰ্থত বেছিকৈ ব্যৱহাৰ হোৱা দেখা যায়। যদিওবা সামূহিক কাৰ্যাৱলী অথবা অন্যান্য কাৰ্যাৱলীত ইয়াৰ প্ৰয়োগ আছে, তথাপি দুয়োটাৰ লগত ব্যক্তিস্বাৰ্থ বেছিকৈ জড়িত হৈ থাকে। Facebook হৈছে American online social media and social networking। ইয়াৰ সৃষ্টিকৰ্তা Mark Zuckerberg, Andrew Mc collum, Dustin Moskovitz, Chris Hughes, Harv and college student, Eduando Savenin। ইয়াৰ সৃষ্টি হৈছে ২০০৮ চনৰ ৪ ফেব্ৰুৱাৰীত। আনহাতে Whatsappৰ সৃষ্টি ২০০৯ চনৰ ২৪ ফেব্ৰুৱাৰীত হৈছে। ইয়াৰ হোতা হিচাপে Jan Koum আৰু Brian Actonৰ নাম ল'ব পাৰি। ই হৈছে বাৰ্তা আদান-প্ৰদান কৰা মাধ্যম আৰু Online যোগে Video কৰিব পৰা সামগ্ৰী।

**ছ'চিয়েল মিডিয়াৰ ভাষা ঃ** Facebook আৰু Whatsapp উভয়তে ব্যৱহাৰ হোৱা ভাষাশৈলী মন কৰিবলগীয়া। বৰ্তমান সময়ত উভয় মাধ্যমত কথা-বাৰ্তাৰ আদান-প্ৰদান কৰাৰ ফলশ্ৰুতিত নতুন নতুন ভাষাশৈলীয়ে দেখা দিছে। মূল ভাষাটোৰ অপব্যৱহাৰ, কোনো কোনো ক্ষেত্ৰত ভুল ব্যৱহাৰেও গা কৰি উঠিছে। যি কি নহওক, আধুনিক সময়ছোৱাত ব্যৱহৃত হোৱা এই দুবিধ ছ'চিয়েল মিডিয়াই অসমীয়া ভাষাকো সামৰি লৈছে আৰু চুই গৈছে। সাধাৰণতে Facebook বা Whatsappত 'English Word'ত 'English Language'ত লিখা ভাষাটো এই আলোচনাত সামৰি লোৱা হোৱা নাই। অকল 'English Word' কিন্তু ভাষাটো অসমীয়া; সেই দিশটোৰ ওপৰতহে আলোকপাত কৰা হৈছে। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই Whatsapp আৰু Facebookত ব্যৱহাৰ কৰা ভাষাশৈলীক বিচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে।

### ১। ধ্বনিৰ লোপ (Elision of phone) ঃ

Facebook আৰু Whatsappত সঘনে মূল শব্দৰ ধ্বনিৰ লোপ হোৱা দেখা যায়। খৰতকীয়া আৰু চুটি কৰিবৰ কাৰণে মূল শব্দটো চুটি কৰি ব্যৱহাৰ কৰা দেখা যায়। যাৰ ফলশ্ৰুতিত মূল শব্দটোৰ ধ্বনিৰ লোপ হয়। মূল শব্দটোৰ ধ্বনিৰ পৰিৱৰ্তন হয় যদিও তাৰ অৰ্থৰ সাল-সলনি হোৱা বুলি ধৰিব নোৱাৰি; যেনে—

| মূল শব্দ | Whatsapp+Facebookৰ ভাষা |
|---|---|
| Mai (মই) | Mi |
| Vãt (ভাত) | Vt |
| Sorry (ছ'ৰি) | Sry |
| Nãpãbã (নাপাবা) | Npba |
| Jãba (যাব) | Jb |
| Tomãk (তোমাক) | Tumk |
| Lagar (লগৰ) | Logr |
| Pãtiba (পাতিব) | Patb |
| Lãge (লাগে) | Lge |
| Dim (দিম) | Dm |
| Love (লাভ) | Lv |
| Lãgise (লাগিছে) | Lagse |
| Morning (মৰ্ণিং) | Morng |
| Haba (হ'ব) | Hb |
| Fãle (ফালে) | Fle |
| Mor (মোৰ) | Mr |
| Pãiso (পাইছোঁ) | Psu |
| Class (ক্লাছ) | Cls |
| Neki (নেকি) | Nki |
| Agar (আগৰ) | Agr |
| Phone (ফোন) | Phn |
| Kot (ক'ত) | Kt |
| Tomãr (তোমাৰ) | Tumr |
| Tor (তোৰ) | Tr |

### ২। চমুকৰণৰ প্ৰতি আসক্তি ঃ

এই মাধ্যমত মূল শব্দবোৰ প্ৰায়ে চমু কৰি ব্যৱহাৰ কৰা দেখা যায়। দীঘলীয়া শব্দবোৰ চমু কৰাৰ প্ৰতি বিশেষ আগ্ৰহ। অৱশ্যে কম সময়তে বেছি কথা লিখিবৰ বাবে এই পদ্ধতি অৱলম্বন কৰা দেখা যায়। যাৰ ফলশ্ৰুতিত মূল শব্দটোৰ অপব্যৱহাৰ হয় আৰু কোনো কোনো ক্ষেত্ৰত মূল শব্দটো পাহৰি যোৱা যায়; যেনে—

| মূল শব্দ | Whatsapp+Facebookৰ ভাষা |
|---|---|
| Morning | Mng/Mrng |
| Good | Gd |
| Night | Nyt/Nt |
| Dream | Drm |
| Okey | ok/k |
| Sorry | Sry |
| Thank You | Thq |
| You | U |
| Good Night | GN |
| Ajirto (আজিৰটো) | Ajr2 |
| Kailorto (কাইলৈৰটো) | Kalir2 |
| Maito (মইতো) | Moi2 |
| Aito (এইটো) | Ei2 |
| Jibanto (জীৱনটো) | Jibn2 |
| Hai (হয়) | Um/U/M/Hm |
| Kaba (ক'ব) | Kb |
| Diba (দিব) | Db |
| Nãjãno (নাজানো) | Njnu |
| Beleg (বেলেগ) | Blg |

| | |
|---|---|
| Lagat (লগত) | Lgt |
| Nāpāw (নাপাওঁ) | Npw |
| Guwahati (গুৱাহাটী) | Ghy |
| Picture (পিক্চাৰ) | Pic |
| Nahale (নহ'লে) | Nhle |
| Nākhāw (নাখাওঁ) | Nkhw |
| Māstar (মাষ্টৰ) | Mstr |
| Haba (হ'ব) | Hb |
| Nijak (নিজক) | Njk |
| Kārane (কাৰণে) | Krne |

**৩। নতুন শব্দৰ ব্যৱহাৰ ঃ**

এই মাধ্যমৰ যোগেৰে কেতবোৰ নতুন নতুন শব্দৰ আৱিৰ্ভাৱ হৈছে। যিবোৰ শব্দ সাধাৰণ কথা-বাৰ্তাত প্ৰয়োগ কৰা নহয় অথবা সামাজিক কাম-কাজ, আনুষ্ঠানিক কাম-কাজ আদিত ব্যৱহাৰ কৰা নহয়। এই শব্দবোৰ নিজাকৈ সৃষ্টি কৰা শব্দ; যেনে—

**(ক) ধুনীয়া বুজাবলৈ ঃ**

ধুনীয়া অৰ্থ প্ৰকাশ কৰিবলৈ কেতবোৰ শব্দ প্ৰয়োগ কৰা দেখা যায়— (1) Rão Rão, (2) Cuty, (3) Superb, (4) Mjja, (5) Chalia, (6) Eh mjja, (7) Wow, (8) Guli, (9) Chal lgse, (10) Hvy, (11) Jui.

**(খ) নতুন সৃষ্ট সানমিহলি শব্দ ঃ**

নতুনকৈ সৃষ্টি কৰি লোৱা কিছুমান শব্দ যিবোৰ এই মাধ্যমত ব্যৱহাৰ হয়। ব্যক্তিভেদে প্ৰয়োগ প্ৰণালী ভিন্ন; যেনে—

| | |
|---|---|
| 1. Fal2 | Fāltu |
| 2. Ei2 | Eito |
| 3. Kun2 | Konto |
| 4. Ajir2 | Ajirto |
| 5. Mur2 | Murto |
| 6. Ji2 | Jito |
| 7. Lora2 | Lorājan/Lorāto |
| 8. Poisa2 | Paisāto |
| 9. Bos2 | Bastu |
| 10. Mon2 | Manto |
| 11. Fida | Fidā |
| 12. Like | Like |
| 13. Chat | Chāt |
| 14. Tage | Tage |
| 15. Status | Status |
| 16. Dp | Desktop Profile |
| 17. 6mile | Six mile |
| 18. Screen Shot | Screen Shot |
| 19. Add | Addition |
| 20. Time line | Time line |
| 21. Confirm | Confirm |
| 22. Upload | Upload |

**৪। শব্দ ব্যৱহাৰ নকৰি Emojiৰ ব্যৱহাৰ ঃ**

কেতিয়াবা কেতিয়াবা কথাৰ মাজতে Emojiৰ ব্যৱহাৰো লক্ষণীয়। কথা নকৈ Emojiৰ প্ৰয়োগ কৰে; যেনে—

১। বহুত ভাল লগা বুজাবলৈ— Smilling Face with Heart Eyes
২। সাধাৰণ সঁহাৰি জনাবলৈ— Smilling Face
৩। লোভনীয় খাদ্য দেখিলে— Face Savoring Food
৪। লাজ লগা অথবা খুহুতীয়া কথাৰ বাবে— Winking Face with Tongue
৫। লাজ পোৱা অৰ্থত— Face with hand over mouth
৬। ভবা অৰ্থত— Hugging Face
৭। মৰমেৰে লোৱা অৰ্থত— Hugging Face
৮। অত্যন্ত খং উঠা কাৰ্যত— Angry Face
৯। ধুনীয়া অৰ্থত— Ok Hand
১০। মৰমলগা বুজাবলৈ— Kiss Mark
১১। জয়লাভ বুজাবলৈ— Victory Hand

**৫। মৰম বুজোৱা শব্দৰ মুক্ত ব্যৱহাৰ ঃ**

মৰম বুজাবলৈ যিবোৰ শব্দ কিছুমান সীমিত ব্যক্তিৰ মাজত আবদ্ধ থাকিব লাগিছিল, সেইবোৰ মুক্ত ৰূপত ব্যৱহাৰ হ'বলৈ ধৰিছে। এই মাধ্যমত আৰু বেছি মুক্ত হৈ পৰিল। বন্ধু-বান্ধৱী বা সাধাৰণ মানুহৰ মাজতো এনেবোৰ মাধ্যমত এইবোৰ শব্দ ব্যৱহৃত হৈ পৰিল; যেনে— Love you, Love you too, Jããn, Dehã, Jãnu, My heart, Sweet heart, Ummãh, Jãneman, Ohh, Kalija, Miss you, Darling ইত্যাদি।

**সামৰণি ঃ**

ছ'চিয়েল মিডিয়াৰ ভাষাই প্ৰত্যেককে চুই গৈছে। নতুন নতুন শব্দ ব্যৱহাৰ কৰি মূল ভাষাটো পাহৰিব আৰম্ভ কৰিছে। সকলো লোকৰ ক্ষেত্ৰত এই কাৰ্য নহ'লেও প্ৰায় মানুহৰ ক্ষেত্ৰতে এনে হৈছে। ছ'চিয়েল মিডিয়াৰ ভাল-বেয়া দুয়োটা দিশেই আছে। ভাল দিশটো আদৰি লৈ বেয়াটো আঁতৰাই ৰখাটোহে প্ৰকৃত মানৱতাৰ কাম। আধুনিক প্ৰযুক্তিবিদ্যাৰ দিনত আমি এইবোৰ গ্ৰহণ কৰা উচিত; কিন্তু ভুল অনুকৰণ কৰা অথবা ভুল ব্যৱহাৰ কৰাটো আমাৰ লক্ষ্য নহয়। নতুন নতুন প্ৰযুক্তিয়ে আমাক উচ্চ শিখৰলৈ লৈ যাব, যদিহে তাৰ শুদ্ধ প্ৰয়োগ কৰা হয়। ■

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' নাটকৰ চমু উপস্থাপন

◆ পল্লৱী দাস

স্নাতকোত্তৰ ১ম যাণ্মাসিক (কলা)



প্ৰতিজন অসমীয়াৰ হৃদয়ে হৃদয়ে অমৰ হৈ জীয়াই থকা কেইগৰাকীমান মহান ব্যক্তিৰ ভিতৰত জ্যোতিপ্ৰসাদ আগৰৱালা অন্যতম। অসমীয়া সাহিত্য-সংস্কৃতিক এক স্বকীয় মাত্ৰা প্ৰদান কৰিবলৈ দেহে-কেহে সংগ্ৰাম কৰা জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ জন্ম হয় ১৯০৩ চনৰ ১৭ জুন তাৰিখে ডিব্ৰুগড় জিলাৰ তামোলবাৰী চাহ বাগিচাত। জ্যোতিপ্ৰসাদ আছিল একেধাৰে কবি, সাহিত্যিক, গল্পকাৰ, নাট্যকাৰ, সংগীতজ্ঞ, চলচ্চিত্ৰ নিৰ্মাতা লগতে আছিল এজন বিপ্লৱী।

নাট্যকাৰ ৰূপে আগৰৱালাদেৱে খ্যাতি লাভ কৰে 'শোণিত কুঁৱৰী' নাটকৰ মাজেৰে। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ নাটক প্ৰধানতঃ ৯ খন। তেখেতৰ আটাইবোৰ নাটকৰ ভিতৰত অন্যতম সৃষ্টি হ'ল 'ৰূপালীম'। 'ৰূপালীম' প্ৰধানতঃ এখন কাল্পনিক নাটক। এই নাটকখন তেখেতৰ তৃতীয় সৃষ্টি। ১৯৩৬ চনত এই নাটকখন লিখাৰ পিচত ১৯৩৭ চনত প্ৰথম তেজপুৰৰ বাণ ৰংগমঞ্চত নাটকখন অভিনয় কৰা হয়। নাটকখন সাতটা অংকৰে গঠিত। নাটকখনৰ পাতনিতে নাট্যকাৰ আগৰৱালাদেৱে এযাৰ অতি মূল্যৱান কথা কৈছে— "ৰূপালীম নাটকত আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে।"

জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'ৰূপালীম' এখন অতি সুন্দৰ কল্পনাপ্ৰৱণ ৰোমাণ্টিক নাটক। কাব্যিকতাৰ প্ৰাচুৰ্যই নাটকখনক এক স্বকীয় ৰূপ প্ৰদান কৰিছে। কাল্পনিক নাটকৰ আটাইবোৰ বৈশিষ্ট্য স্থান-কাল-পাত্ৰ ভেদে নাট্যকাৰ আগৰৱালাদেৱে নাটকখনত উপস্থাপন কৰিছে; যাৰ বাবে ৰূপালীম হৈ পৰিছে এখন শ্ৰেষ্ঠ নাটক। নাটকীয় কলা-কৌশল, মঞ্চ নিৰ্দেশনা, কাহিনী উপস্থাপন, চৰিত্ৰ সৃষ্টি, সংলাপৰ প্ৰাচুৰ্য, পৰিৱেশ সৃষ্টি— এই আটাইবোৰ

নাটকখনৰ প্ৰতিটো সংলাপেই প্ৰাণস্পৰ্শী। প্ৰতিনায়ক মণিমুগ্ধই ৰূপালীমক হৰণ কৰি আনি নিজৰ শোৱনি কোঠাত ৰাখি ৰূপালীমক উদ্দেশ্য কৰি কোৱা এটা সংলাপ অতি মনোগ্ৰাহী— "তুমি মোৰ হাতৰ মুঠিত। মই তোমাক যি ইচ্ছা তাকে কৰিব পাৰোঁ। ৰূপালীম! তোমাৰ ইচ্ছাৰ বিৰুদ্ধে মণিমুগ্ধই একো নকৰে।"

দিশেৰে 'ৰূপালীম' জ্যোতিপ্ৰসাদ আগৰৱালাৰ এখন উৎকৃষ্ট নাটক। নাটকখনৰ সমান্তৰালভাৱে ঠায়ে ঠায়ে গীতৰ মাধুৰ্যই সোণত সুৱগা চৰাইছে। নাটকখনত দৃশ্যমান হোৱা আগৰৱালাদেৰৰ এটি জনপ্ৰিয় গীত হ'ল—

অ' সখী আজি যৌৱন বন জুৰি
বন-বসন্ত মুঞ্জৰি
পাতে বৰণৰে মেলা,
হাঁহা সখী মোৰ হাঁহা সখী মোৰ
হাঁহিৰে ফাকু খেলা।

'ৰূপালীম' নাটকৰ কাহিনী আৰম্ভ হৈছে এটি পৰ্বতীয়া সভ্য বৌদ্ধ জনজাতিক লৈ। নাম ৰূকমী। ৰূকমী জাতিৰ সভ্যতা অসমৰ মণিপুৰৰ লগত ৰিজাব পাৰি। কাহিনীৰ আৰম্ভণিতে নাট্যকাৰে এখন সুন্দৰ প্ৰাকৃতিক চিত্ৰ নাটকখনত অৱতাৰণা কৰিছে। নাটকখনত মুখ্য-গৌণ আদি কৰি কেইবাটাও চৰিত্ৰ আছে। আটাইবোৰ চৰিত্ৰয়ে স্বকীয় বৈশিষ্ট্যৰে মহিমামণ্ডিত। নাটকখনৰ প্ৰধান নায়িকা ৰূপালীম। ৰূপালীম চৰিত্ৰৰ নামেৰে নাটকখন নামকৰণ কৰা হৈছে। ৰূপালীম এজনী সহজ-সৰল ৰূকমী গাভৰু। নাট্যকাৰে উল্লেখ কৰিছে ৰূপালীম বসন্তৰ কুঁহিপাতৰ দৰে কুমলীয়া দীপলিপ ৰূকমী ছোৱালী। নাট্যকাৰ আগৰৱালাদেৱে পৃথিৱীৰ সমস্ত সৌন্দৰ্যৰে ৰূপালীমক নাটকখনত অংকিত কৰিছে। যাৰ বাবে ৰূপালীম হৈ পৰিছে সৌন্দৰ্যৰ আকৰস্বৰূপ। আনহাতে নাটকখনৰ নায়ক হৈছে মায়াব। যাৰ বৰ্ণনা নাটকৰ আৰম্ভণিতে নাট্যকাৰে দাঙি ধৰিছে এনেদৰে— "মায়াব এটা বলিষ্ঠ পীত বৰণীয়া, কুৰি বছৰীয়া, দেখিলে মোহলগা, চিত্ৰ-বিচিত্ৰ কাপোৰ পিন্ধা গাঁৱলীয়া ৰূকমী ডেকা।" নাটকখনত নাট্যকাৰে ৰূপালীম আৰু মায়াবৰ নিভাঁজ, অভিমানী প্ৰেমৰ স্বৰূপ অতি সাৰ্থকতাৰে দাঙি ধৰিছে। যাৰ বাবে ৰূপালীমে কঠোৰ সংঘাতৰ সন্মুখীন হোৱা সত্বেও প্ৰেমিক মায়াবক পাহৰা নাই, সেই কথা নাটকৰ মাজত প্ৰকাশ পোৱা এটি সংলাপৰপৰা জানিব পাৰি। নাটকৰ প্ৰতিনায়ক মণিমুগ্ধই ৰূপালীমক হৰণ কৰি আনি মায়াবক কিমান ভালপোৱা বুলি প্ৰশ্ন কৰাত ৰূপালীমে নিৰ্ভয়ে উত্তৰ দিছিল— "খুউব ভালপাওঁ। গছত যিমান ফুল আছে, ডালত যিমান পাত আছে, নৈত যিমান পানী আছে, শূইনত যিমান বতাহ আছে, নিশাৰ আকাশত যিমান তৰা আছে— তিমান।"

নাটকখনৰ প্ৰতিটো সংলাপেই প্ৰাণস্পৰ্শী। প্ৰতিনায়ক মণিমুগ্ধই ৰূপালীমক হৰণ কৰি আনি নিজৰ শোৱনি কোঠাত ৰাখি ৰূপালীমক উদ্দেশ্য কৰি কোৱা এটা সংলাপ অতি মনোগ্ৰাহী— "তুমি মোৰ হাতৰ মুঠিত। মই তোমাক যি ইচ্ছা তাকে কৰিব পাৰোঁ। ৰূপালীম! তোমাৰ ইচ্ছাৰ বিৰুদ্ধে মণিমুগ্ধই একো নকৰে।"

ঠায়ে ঠায়ে কাব্যগন্ধী বৰ্ণনাই নাটকখন ৰমণীয় কৰি তুলিছে। তেনে এটা কাব্যগন্ধী সংলাপ হ'ল— "সৌৱা নীলাকাশৰপৰা নিজৰি তৰাৰ হীৰাফুলীয়া পোহৰবোৰ আহিছে— জোনৰ জোনাকে য'ত জোনোৱালী সপোনৰ ৰাজ্য পাতিছে— তালৈ আমি দুয়ো ওলাই যাওঁ ব'লা! তুমি মোৰ কোলাত বহি তোমাৰ বুকুৰ মৰমৰ কথা ক'বা! মই কাণ পাতি শুনিম মিলনপিয়াসী বুকুৰ কম্পন ৰূপালীম।"

তদুপৰি ৰূপালীম নাটকৰ প্ৰতিনায়িকা ইতিভেন নাট্যকাৰৰ এটি জটিল সৃষ্টি। ইতিভেন চৰিত্ৰৰ মাজত অতি সাহসী, দুৰ্দান্ত, কৌশলী, প্ৰতিজ্ঞাপৰায়ণী, জেদী, বীৰ্যতা লুকাই আছে।

আটাইবোৰ দিশৰপৰা জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ 'ৰূপালীম' এখন উৎকৃষ্ট নাটক। ৰূপালীম নাটকৰ ঘটনাৰ বৈচিত্ৰ্য আৰু ক্ৰিয়াশীলতাই নাট্যবস্তুক সজীৱতা প্ৰদান কৰিছে। নাটকখনৰ মাজত নিভাঁজ প্ৰেম, গভীৰ জাতীয়তাবোধ, দেশপ্ৰেম, ত্যাগ, সৌন্দৰ্য, শব্দচয়ন, নিপুণতা আদিৰ সাৰ্থক প্ৰয়োগ ঘটিছে। সেয়ে আমি ক'ব পাৰোঁ— 'ৰূপালীম' জ্যোতিপ্ৰসাদ আগৰৱালাৰ শ্ৰেষ্ঠ কৃতি। ■

**সহায়ক গ্ৰন্থ ঃ** 'ৰূপালীম' নাটক, জ্যোতিপ্ৰসাদ আগৰৱালা।



◆ দুলুমণি ৰাভা
স্নাতকোত্তৰ ৩য় ষাণ্মাসিক (কলা)

# ৰাভাসকলৰ অন্যতম নৃত্য ‘হানাঘোঁৰা’ ঃ এটি আলোচনা

অসম বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি। সেই জাতি-জনজাতিবোৰৰ ভিতৰত অন্যতম লেখত ল'বলগীয়া জনজাতি হ'ল ৰাভাসকল। অইন জাতি-জনজাতিৰ দৰে ৰাভাসকলো কৃষ্টি-সংস্কৃতিৰ ক্ষেত্ৰত চহকী। তাৰ ভিতৰত ৰাভাসকলৰ অন্যতম কলাসুলভ ধৰ্মীয় কৃষ্টি হানাঘোঁৰা নৃত্য। প্ৰবহমান বৰলুইত তথা ভুল্লুংভুখৰ সদৃশ জ্যোতিষ্মান অসমীয়া সংস্কৃতিৰ এপাহ সুকোমল পাপৰি।

ৰাভাসকলৰ এটা থালক হানা বুলি কয়। হানা ৰাভাসকলে পোন প্ৰথমতে নচুওৱা এই ঘোঁৰা নাচকে হানাঘোঁৰা নৃত্য বোলে। অইন অইন বসন্ত উৎসৱৰ দৰেই ‘হানাঘোঁৰা’ উৎসৱ হানা ৰাভাসকলে পালন কৰা এটা বসন্ত উৎসৱ। মানুহৰ মুখে মুখে হানাঘোঁৰাৰ জন্মকাহিনী সম্পৰ্কে বিভিন্ন ধৰণে শুনিবলৈ পোৱা যায়। কিংবদন্তি মতে দক্ষ যজ্ঞত সতীয়ে দেহত্যাগ কৰাত ভাৱাক্ৰান্ত দগ্ধ হৃদয়েৰে সদাশিৱে সতীৰ দেহ কান্ধত লৈ দেশ-দেশান্তৰ ভ্ৰমণ কৰিছিল। নাৰায়ণে চক্ৰৰে সতীৰ দেহ খণ্ড খণ্ডকৈ কাটি দিছিল। য'তেই দেহৰ অংশ পৰিছিল, কালক্ৰমত তাতেই একোখন তীৰ্থস্থান গঢ়ি উঠিছিল। সতীৰ দেহ নাইকিয়া হোৱাৰ পিচত শ্ৰান্ত-ক্লান্ত ভোলানাথ গৈ গৈ এখন জনজাতীয় গাঁৱত ওলালগৈ। তাতেই লগে-ভাগে লাওপানী খাই ৰং-ৰহইচ কৰি নাচিবলৈ ধৰিলে। এনেতে কালী গোসাঁনীয়ে ক'লা ঘোঁৰাত উঠি আহি তাতেই শিৱৰ লগ লয়। কালী গোসাঁনীয়েও ঘোঁৰা সহিতে নৃত্য কৰিব ধৰিলে। এই ঘোঁৰা নাচৰপৰাই হানাঘোঁৰা নাচৰ উৎপত্তি হ'ল বুলি জনশ্ৰুতিয়ে কয়।

বহাগ বিহুৰ সময়ত কাঠ আৰু বাঁহেৰে ইয়াৰ জুমুঠিটো তৈয়াৰ কৰি ক'লা আৰু বগা কাপোৰেৰে মেৰিয়াই লৈ আকৰ্ষণীয় কৰি সজাই লোৱা হয়। নামত যদিও হানাঘোঁৰা, ইয়াৰ মূৰটো কিন্তু ঘোঁৰাৰ দৰে নহৈ ছাগলীৰ দৰেহে দুটা শিং থকা। শিং দুটাৰ আগত দুটা মুৰ্গীৰ কণী সী দিয়া হয় আৰু মূৰত তেল-সেন্দূৰ পিন্ধাই দেখাত ভয়লগা আকৃতি দিয়া হয়। ঘোঁৰা নচুওৱা মানুহজনে মাজত সোমাই লৈ ইয়াক দাঙি লৈ নাচি ফুৰে। ঘোঁৰাটোৰ কাষে কাষে দুজন ঢাল-তৰোৱাল লোৱা মানুহে যুদ্ধৰ ভংগিত নৃত্য কৰে। নাচৰ অন্যতম সামগ্ৰীসমূহ হ'ল— শিঙা, ঢোল, ডুগুৰি, তাল আৰু বাঁহী। যুদ্ধৰ সংকেত দিয়া শিঙা বজাই নৃত্য আৰম্ভ কৰে। গা ৰাই-জাই কৰা সুৰেৰে গোৱা গীতবোৰৰ ছেৰে ছেৰে বীৰ ৰস আৰু শৃংগাৰ ৰস মিহলি গীত গাই, সুৰা আৰু গাহৰি মাংস খাই পুৰুষ-মহিলা সকলোৱে আনন্দ কৰে। আচলতে বহাগ বিহুত এনেদৰে তেওঁলোকে উপভোগ কৰে। বহাগ বিহুৰ সাতবিহুলৈকে গাঁৱে গাঁৱে, ঘৰে ঘৰে এই হানাঘোঁৰা ফুৰে আৰু গাঁৱৰ মানুহক অপায়-অমংগলৰপৰা ৰক্ষা পাবলৈ কামনা কৰে।

বহাগ বিহুৰ উপৰিও ‘লাঙামাৰা’ পূজাত এই হানাঘোঁৰাৰ পূজা কৰা হয় আৰু নৃত্য-গীত প্ৰদৰ্শন কৰা হয়। হানাঘোঁৰা পূজিবলৈ ধূপ-ধুনা বা মাহ-প্ৰসাদ ব্যৱহাৰ কৰা নহয়। ইয়াৰ পূজাৰ সামগ্ৰী হ'ল— পিঠাগুড়ি, তেল-সেন্দূৰ, মুৰ্গীৰ কণী আৰু সুৰা। এই পূজাৰ অপৰিহাৰ্য অংগ সুৰা বা ৰহি। ডাঙৰকৈ পূজা পাতিলে গাহৰিও বলি দিয়া হয়।

অতি পৰিতাপৰ কথা যে, আদিতে ৰাভাসকলে প্ৰতিখন গাঁৱতে এই পূজা পাতি উৎসৱ পালন কৰিছিল যদিও বৰ্তমান কামৰূপ জিলাৰ বকোৰ ওচৰৰ পাঠেলীপাৰা আৰু বেলপাৰা গাঁৱতহে পূজা কৰা দেখা যায়। আচলতে ক্ৰমান্বয়ে হানাঘোঁৰা নৃত্য বিলুপ্তিৰ পথত আগবাঢ়িছে। এয়া কিন্তু আমাৰ সমাজ-সংস্কৃতিৰ কাৰণে দুঃখবৰ। ■

# প্ৰাগৈতিহাসিক অসম আৰু ইয়াৰ সংস্কৃতি

◆ লৰ চৌধুৰী
স্নাতকোত্তৰ ৩য় ষাণ্মাসিক, অসমীয়া বিভাগ

পুৰণি অসম পৰিভাষাটোৱে তাহানিৰ প্ৰাগজ্যোতিষ, কামৰূপ আদিক সূচায়। ঐতিহাসিক যুগত প্ৰাগজ্যোতিষ বা কামৰূপে ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্য— মিজোৰাম, মেঘালয়, মণিপুৰ, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, নাগালেণ্ড আৰু অসমক সূচাইছিল। খ্ৰীষ্টাব্দ দশম শতিকাত ৰচিত বুলি অনুমান কৰা কালিকা পুৰাণত প্ৰাগজ্যোতিষ বা কামৰূপৰ ভৌগোলিক পৰিসীমাৰ আভাস এনেদৰে পোৱা যায়—

"বহুৰোকা নদী কৰতোয়া প্ৰদক্ষিণে।
উত্তৰ স্ত্ৰাৱনী চাস্তে তাৎপূৰ্বং কামৰূপকম্।।"

অৰ্থাৎ বহুৰোকা নামে উত্তৰ স্ত্ৰাৱনীয়ে যি স্থানত প্ৰদক্ষিণ কৰি আছে, সেই ভূ-খণ্ডৰ নামেই কামৰূপ। যদিও প্ৰাচীন কালত অসম বা কামৰূপে ভাৰতবৰ্ষৰ সাতখন ৰাজ্যক সামৰিছিল; কিন্তু ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক কাৰণত বৰ্তমান ইয়াৰ পৰিসৰ কিছু সংকীৰ্ণ হৈ পৰিছে।

ভাৰতবৰ্ষৰ উত্তৰ-পূব সীমান্তত অৱস্থিত অসম বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি। ঐতিহ্য বাহক বিশাল বুঢ়ালুইতৰ দুয়োপাৰে ধুবুৰীৰপৰা শদিয়ালৈ শস্য শ্যামলা চিৰ চেনেহী অসমী আইৰ শীতল বুকুত অতি প্ৰাচীন কালৰপৰাই বাস কৰি অহা বিভিন্ন নৃ-গোষ্ঠীৰ সুকীয়া সুকীয়া ভাষা, কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি ইত্যাদিৰ সংমিশ্ৰণ ঘটি অসমীয়া সংস্কৃতিৰ সৃষ্টি হৈছিল।

সাধাৰণ অৰ্থত সংস্কৃতি বুলিলে নাচ-গান, কলা-কৃষ্টি, আচাৰ-ব্যৱহাৰ আদিকে বুজায় যদিও সংস্কৃতি শব্দটোৰ ধাৰণা যথেষ্ট বহল আৰু বিস্তৃত। নৃ-তত্ত্ববিদ বানেট টাইলাৰৰ মতে— "সমাজৰ সদস্যৰূপে আহৰণ কৰা জ্ঞান-বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্য অন্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।"

অতি প্ৰাচীন কালত বৰ্মন বংশ, শালস্তম্ভ বংশ, পাল বংশ আদিৰ ৰজাই অসমত ৰাজত্ব কৰিছিল। তেওঁলোকৰ দিনৰপৰাই অসমত বিভিন্ন নৃ-গোষ্ঠীৰ সংমিশ্ৰিত সংস্কৃতিয়ে গা কৰি আছে। তাহানিৰ কামৰূপ তথা প্ৰাগজ্যোতিষপুৰৰ ৰজাসকলৰ শাসনকালত তেওঁলোকৰ ভাষা-সাহিত্য, ৰীতি-নীতি, ধৰ্মীয়, ৰাজনৈতিক আদি দিশত অন্য নৃ-গোষ্ঠীৰ প্ৰভাৱ পৰি সংস্কৃতিয়ে এটা সামাজিক ৰূপ লৈছিল। প্ৰাচীন কালত সংস্কৃতি বুলিলে প্ৰধানতঃ 'কৈৰাতজ ধৰ্মমতঃ'ৰ কথা বুজোঁ। কিৰাতসকলৰ ধৰ্ম আৰু সংস্কৃতিৰদ্বাৰা আৰ্যসকল প্ৰভাৱান্বিত হৈছিল। সেই সময়ছোৱাত কিৰাত সংস্কৃতিৰ পয়োভৰ চলি থাকোঁতে আৰ্য লোকসকল প্ৰব্ৰজিত হৈছিল আৰু বৈদিক সংস্কৃতি আৰু কিৰাত সংস্কৃতিৰ প্ৰভাৱৰ পৰিণতিত এটা নতুন সংস্কৃতিৰ প্ৰভাৱ জন্ম হ'ল; যাৰ নাম কৈৰাতজ সংস্কৃতি।

আনুমানিক ঐতিহাসিক যুগটোক যদি বৰ্মন বংশৰ প্ৰথমজন ৰজা পুষ্যবৰ্মাৰ ৰাজত্বৰ আৰম্ভণি বুলি ধৰা হয়, তেনেহ'লে সেই সময়ৰপৰাই আমি অসমীয়া মানুহৰ ইতিহাসৰ প্ৰথম ঐতিহাসিক যুগৰ আৰম্ভণি ঘটা বুলি ক'ব পাৰোঁ। প্ৰাগৈতিহাসিক যুগৰ এই সময়ছোৱা ধৰা হয় পঞ্চদশ শতিকাৰপৰা দ্বাদশ শতিকালৈ। এই সময়ছোৱাত অসমৰ ৰাজনৈতিক, সামাজিক, ধৰ্মীয়, ভাষা আদি দিশত ৰজা-মহাৰজাসকলৰ ভূমিকা যথেষ্ট আছিল। পঞ্চম শতিকামানতে কামৰূপৰ লগত আৰ্যভাষা, আৰ্যভাষী আৰু অন্য সংস্কৃতিৰ সম্পৰ্ক স্থাপিত হৈছিল যদিও বৰ্মন বংশৰ যুগতহে এই সম্পৰ্ক সুদৃঢ় হৈ পৰে। প্ৰাচীন কালত মানুহে কথাবোৰ মনত ৰাখিবৰ বাবে গছত দাগ নতুবা ৰছীত গাঁথি, নহ'লে তামৰ ফলি বা শিল কাটি তাত কিছুমান চিহ্ন আঁকিছিল, যাৰ জৰিয়তে তাহানিৰ সেই অসমখনৰ সংস্কৃতি তথা প্ৰাগৈতিহাসিক অসমৰ ইতিহাসৰ বিষয়ে জানিব পৰা গৈছে। বৰ্তমান উদ্ধাৰ হোৱা শিলালিপি, তাম্ৰশাসন, স্থাপত্য-ভাস্কৰ্য আদিয়ে প্ৰাগৈতিহাসিক যুগৰ অসমখনৰ এটা সুন্দৰ চিত্ৰ প্ৰকাশ কৰা দেখিবলৈ পোৱা যায়।

লিপিক সমাজৰ দাপোণ বোলা হয়। লিপি এখনে সমসাময়িক সমাজ, সংস্কৃতি, ভাষা, ধৰ্ম আদিৰ বিষয়ে জনাত সহায় কৰে। অৰ্থাৎ প্ৰাগৈতিহাসিক যুগত উদ্ধাৰ হোৱা বিভিন্ন শিলালিপি, তাম্ৰশাসন আদিৰপৰা সমসাময়িক সময়ছোৱাৰ ধৰ্মীয়, সামাজিক, ৰাজনৈতিক আদি বিভিন্ন দিশৰ আভাস পোৱা যায়; যেনে— পঞ্চম শতিকাৰ বুলি ঠাৱৰ কৰা 'নগাজৰী গাঁও প্ৰস্তৰ খণ্ড লিপি'খন সংস্কৃত ভাষাত ৰচনা কৰা অৰ্থাৎ ইয়াৰপৰা অনুমান কৰিব পাৰি যে, খ্ৰীষ্টাব্দ পঞ্চম শতিকাত অসমত সংস্কৃত ভাষাইহে প্ৰাধান্য লাভ কৰিছিল। ইয়াৰ উপৰিও সুৰেন্দ্ৰ বৰ্মাৰ 'উমাচল শিলালিপি'তো গুহা, মন্দিৰ আদি নিৰ্মাণৰ বাবে শিলৰ ব্যৱহাৰ কৰা তথা ভাস্কৰবৰ্মাৰ 'ডুবি তাম্ৰশাসন'ত সেই সময়ত অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচলনৰ কথাৰ উমান পাব পাৰোঁ।

লিপিসমূহৰ দৰে প্ৰাগৈতিহাসিক যুগৰ সংস্কৃতি উদ্ধাৰৰ আন এটা উল্লেখযোগ্য দিশ হ'ল স্থাপত্য-ভাস্কৰ্য। প্ৰাচীন কালত সৃষ্টি হোৱা বিভিন্ন স্থাপত্য আৰু সেই স্থাপত্যবোৰৰ গাত খোদিত কৰা বিভিন্ন নক্সা, মূৰ্তি অৰ্থাৎ ভাস্কৰ্যবোৰে সেই সময়ৰ ধৰ্মীয় তথা আন আন সংস্কৃতিৰ আভাস দিয়ে। ✦

**উৎস গ্ৰন্থ ঃ** ড° নবীন চন্দ্ৰ শৰ্মা ঃ অসমৰ সাংস্কৃতিক ইতিহাস (দ্বিতীয় খণ্ড)

# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসত বিহুগীত

✧ ড° নৰজিৎ মজুমদাৰ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

**সা**হিত্য সমাজৰ দাপোণ। সমাজৰ প্ৰাণ হৈছে সংস্কৃতি। সেয়েহে নিঃসন্দেহে ক'ব পাৰি, সংস্কৃতিৰ সৈতে সাহিত্যৰ থাকে এক নিগূঢ় সম্পৰ্ক। সময়ৰ সোঁতত সমাজ পৰিৱৰ্তন হোৱাৰ দৰে, মানুহৰ চিন্তাধাৰাত নতুনত্বৰ সঞ্চাৰ হোৱাৰ দৰে, সংস্কৃতিৰো ভিন্ন ৰূপৰ সাল-সলনি হোৱা দেখা যায়। কালৰ সোঁতত অতীত হোৱা সংস্কৃতিৰ ভিন্ন ৰূপক জীয়াই ৰাখিব পৰা যায় সাহিত্যৰ মাধ্যমেৰে। 'ৰামায়ণ', 'মহাভাৰত'ৰ দৰে প্ৰাচীন গ্ৰন্থৰাজিতো জীৱন্ত হৈ থকা দেখা যায় সমসাময়িক সময়ছোৱাৰ ভালেমান সাংস্কৃতিক দিশ।

লোক-সাংস্কৃতিক সমলৰাজিক বিষয়বস্তুৰ পৰিপূৰক হিচাপে উপস্থাপন কৰিব পৰাটো এগৰাকী দক্ষ সাহিত্যিকৰ পৰিচায়ক। অসমীয়া সাহিত্য জগতৰ তেনে এগৰাকী সাহিত্যিক হৈছে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। তেখেতৰ উপন্যাসসমূহৰ মাজত এই দিশটো প্ৰোজ্জ্বল হৈ আছে। প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী অসমীয়া সাহিত্যিক তথা প্ৰথম সাহিত্য অকাডেমি বিজয়ী অসমীয়া ঔপন্যাসিক হিচাপে সমাদৃত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসসমূহে অসমীয়া সাহিত্য জগতত এক বিশেষ স্থান অধিকাৰ কৰি আছে। সৰহসংখ্যক উপন্যাসৰে পটভূমি ৰাজনৈতিক ক্ষেত্ৰখনৰপৰা গ্ৰহণ কৰিছে যদিও উপন্যাসৰ বিষয়বস্তু সজাবলৈ যাওঁতে ভালেমান সময়ত অসমীয়া লোক-সংস্কৃতিৰ বৈচিত্ৰ্যপূৰ্ণ সমলৰাজিৰ ওচৰ চপা দেখা যায়। কুৰিখনতকৈ অধিক উপন্যাস ৰচনা কৰা এইগৰাকী ঔপন্যাসিকৰ উপন্যাসত অসমীয়া লোক-সংস্কৃতিৰ অন্যতম উপাদান বিহুগীতে কেনেদৰে স্থান লাভ কৰিছে, সেই সম্পৰ্কীয় এটি আলোচনাৰ নিশ্চিতভাৱে প্ৰাসংগিকতা আছে।

উৎসৱ-অনুষ্ঠানমূলক লোকগীতৰ ভিতৰত বিহুগীতৰ ভূমিকা অতি তাৎপৰ্যপূৰ্ণ। অসমৰ বসন্ত উৎসৱ বহাগ বিহুৰ সময়ত ঘাইকৈ হুঁচৰি গীতৰ লগতে বিহুগীত গোৱাৰ নিয়ম আছে। এই গীতসমূহ প্ৰধানকৈ বহাগ বিহুৰ সময়তহে গোৱা হয় যদিও অসমীয়া সমাজ জীৱনৰ লগত এই গীতসমূহ ইমান গভীৰভাৱে সংপৃক্ত হৈ আছে যে, যি কোনো সময়তে অসমীয়া মানুহৰ মুখত এই গীতবোৰ শুনা যায়। কেতিয়াবা ইজনে আনজনক জোকাবৰ বাবেও বিহুগীতৰ ফাকিসমূহ ব্যৱহাৰ কৰা দেখা যায়। ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসখনতো গাৰো গাঁৱৰ নোক্‌মাত গ্ৰেপ্তাৰৰ পিচৰ সময়ছোৱাত ৰূপনাৰায়ণ আৰু ডিমিৰ কথোপকথনৰ মাজতে কথাৰ প্ৰসংগত জয়ৰামে সোধা এটা প্ৰশ্নৰ উত্তৰত ডিমিয়ে বিহুগীতৰ ফাকি এটিৰে প্ৰত্যুত্তৰ দিছিল—

হিয়াত মোৰ বান্ধিছোঁ তোমালৈ হাবিয়াস
কঁকালত বান্ধিছোঁ বল।
ভৰিতে বান্ধিছোঁ ভোমোৰাৰ ডেউকাখন
ভাইগত বান্ধিছোঁ ফল। (পৃষ্ঠা-২০২)

ডিমিৰ বক্তব্য শুনাৰ পিচতে জয়ৰামেও আপোন পাহৰা হৈ গাইছিল—

ৰৈনো ৰৈ ধেমালি কৰিম
জীয়াই থাকোঁ মানে ধেমালি কৰিম
মৰিলে কাহানি কৰিম। (পৃ-২০২)

প্ৰথম বিহুগীতফাকিত 'হিয়াত হাবিয়াস বান্ধা', 'ভাগ্যত ফল বান্ধা' আদিৰ মাজেৰে যদিও ডিমিৰ ধনপুৰৰ প্ৰতি থকা মৰমৰ কথা বুজাব বিচৰা হৈছে, তথাপি ইয়াৰ জৰিয়তে উপন্যাসখনৰ কাহিনীবস্তুৰ নিহিতাৰ্থ অৰ্থৰ অভাৱো যে প্ৰকাশ পাইছে, সেই কথা আমি স্বীকাৰ কৰিব নোৱাৰোঁ। হিয়াত হাবিয়াস বান্ধি, ভাগ্যত ফল বান্ধি ব্ৰিটিছৰ বিৰুদ্ধে ভাৰতবাসীয়ে সমৰাভিযানৰ বাবে চলোৱা প্ৰস্তুতিৰ যেন ইংগিত এয়া। দ্বিতীয়ফাকি বিহুগীতৰ মাজেৰে আন্দোলনকাৰীসকলৰ জীৱনৰ অনিশ্চয়তাই যেন প্ৰকাশ লাভ কৰিছে। বিষয়বস্তুৰ পৰিপূৰক হিচাপে ব্যৱহৃত হোৱাত বিহুগীত দুফাকিৰ প্ৰয়োজন স্বীকাৰ নকৰি নোৱাৰি।

'আই' উপন্যাসখনত বাছাই ৰজতক কুল এৰি নুমলীক বিয়া কৰাব পাৰিবনে বুলি যেতিয়া সুধিছিল, সেই প্ৰশ্নৰ উত্তৰ ৰজতে

লোক-সাংস্কৃতিক সমলৰাজিক বিষয়বস্তুৰ পৰিপূৰক হিচাপে উপস্থাপন কৰিব পৰাটো এগৰাকী দক্ষ সাহিত্যিকৰ পৰিচায়ক। অসমীয়া সাহিত্য জগতৰ তেনে এগৰাকী সাহিত্যিক হৈছে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য। তেখেতৰ উপন্যাসসমূহৰ মাজত এই দিশটো প্ৰোজ্জ্বল হৈ আছে। প্ৰথম জ্ঞানপীঠ বঁটা বিজয়ী অসমীয়া সাহিত্যিক তথা প্ৰথম সাহিত্য অকাডেমি বিজয়ী অসমীয়া ঔপন্যাসিক হিচাপে সমাদৃত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসসমূহে অসমীয়া সাহিত্য জগতত এক বিশেষ স্থান অধিকাৰ কৰি আছে।

বিহুগীতৰ ফাকি এটিৰে দিছিল— "তোৰো মনে গ'লে মোৰো মনে গ'লে কি কৰিব কলিতাৰ কুলে।" (পৃ.-৫৪)

গৰু বিহুৰ আগদিনাখন বাছাই বাপুকণৰপৰা ন-পঘা আনিবলৈ যোৱাৰ সময়ত নুমলীয়ে হোলাৰ ন-পানীত কাপোৰ ধুই থাকোঁতে বিহুগীত গোৱা প্ৰত্যক্ষ কৰিছিল—

ঘৰতো নবহে মনে সমনীয়া
পথাৰত নবহে মন।
কমোৰা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।।
আজি বোলে উৰুকা কালি বোলে উৰুকা
নাহৰ ফুল ফুলিবৰ বতৰ।
ৰংপুৰ নগৰত ঢোলৰ মাত শুনিলোঁ
গছকত ভাঙিলোঁ যঁতৰ।। (পৃ.-৫৬)

ইয়াৰ পিচতে নুমলীয়ে পুনৰ বিষাদগ্ৰস্ত পিৰীতিৰ গীত এফাকি গাইছে—

কাউৰী শতৰু মুগাকৈ চুঙীয়া
পৰিব নিদিয়ে ডালত।
আমাৰ শতৰু আইনো বোপাই ঐ
ফুৰিব নিদিয়ে গাঁৱত।। (পৃ.-৫৬)

নুমলীয়ে এনেকৈ বিষাদগ্ৰস্ত গান গোৱাৰ কাৰণ জানো বুলি বাছাই যেতিয়া ক'লে, নুমলীয়ে ভিৰাই বাছাক খেদি আহিল আৰু বাছাই তাইক জোকাবৰ উদ্দেশ্যে নিজেও এফাকি গীত গালে—

তোৰো মনে খালে মোৰো মনে খালে
কি কৰিব কলিতাৰ কুলে। (পৃ.-৫৬)

উপন্যাসখনৰ আৰম্ভণিত থকা এই গীতকেইফাকিৰ মাজেৰে চৰিত্ৰৰ মনৰ ভাব, বেদনা আৰু আকাংক্ষা প্ৰকাশিত হৈছে। ডেকা-গাভৰুৰ মনৰ বাস্তৱ স্বৰূপ উন্মোচন কৰিবলৈ ইয়াতকৈ উৎকৃষ্ট উপায় আন একো হ'ব নোৱাৰে। শেষৰ গীতফাকিয়ে মনৰ আৱেদন সামাজিক বান্ধোনতকৈ যে ঊৰ্ধ্বত, তাকেই প্ৰতিপন্ন কৰে।

'প্ৰতিপদ' উপন্যাসখনত বৰুৱা, বৰুৱানী আৰু বিভূতিয়ে সন্ধিয়াৰ সময়ত বাপুছাং গাঁৱৰপৰা ভাহি অহা বিহুৰ সুৰ শুনিবলৈ পাইছে—

ইফালে টকাৰ মাত সিফালে টকাৰ মাত
মাজত শোলেংগুৰি সুঁতি।
টকাৰ মাত শুনি বাঢ়িল চতিয়নী
পুলিয়ে ধৰিলে গুটি।। (পৃ.-১৭৩)

প্ৰথম গীতটোৰ অন্ত পৰাত নামতীয়ে আকৌ এটা গীত জুৰিছে—

কোম্পানীৰ চাকৰি কৰিছোঁ লাহৰী
খাবলৈ নোজোৰে ভাতে।
তোমাক আনিম বুলি বাটে চাই থাকোঁতে
যৌৱন মলঙি গ'লে।। (পৃ.-১৭৩)

ঢোলৰ ছেও আৰু গীতৰ লহৰ ক্ৰমাৎ বাঢ়ি যাবলৈ ধৰিলে—

হাত মেলি হালধি ঘঁহিবি মালতী
চুলি মেলি ঘঁহিবি তেল।
চাৰি আলিৰ মূৰলৈ আহিবি লাহৰী
দেশৰ ডেকা ল'ৰাৰ মেল।।
কোম্পানীৰ তেল-কল মাহ দিন চলা নাই
খাদৰ তেল তুলিব কোনে?
বাৰ হেজাৰ মনিচৰ আলৈ-আথানি
পেটৰ ভোক পূৰাব কোনে? (পৃ.-১৭৪)

ওপৰোক্ত বিহুগীতকেইফাকিৰ সংযোজনে উপন্যাসখনৰ বিষয়বস্তুত বিহুৰ পৰিৱেশ এটিৰ সৃষ্টি কৰাৰ লগতে সমসাময়িক সময়ছোৱাত কোম্পানীত কাম কৰা বনুৱাসকলৰ আৰ্থ-সামাজিক স্থিতিটোও দাঙি ধৰিছে। নামত কোম্পানীত চাকৰি কৰিছিল যদিও বনুৱাসকলৰ খাবলৈ নুজুৰিছিল। এই সমস্যাটোক লৈ ডেকা-গাভৰুসকলৰ মাজত চৰ্চা হৈছিল আৰু ইয়াৰ লগতে ডেকা ল'ৰাসকলৰ ভৱিষ্যৎ অন্ধকাৰলৈ গৈ থকা প্ৰতিচ্ছবিও গীতকেইফাকিৰ মাজত স্পষ্ট হৈছে।

'শৰত কোঁৱৰ' উপন্যাসখনত শৰত কোঁৱৰৰ ফুলনিবাৰীত স্বৰ্গৰপৰা নামি অহা দেৱকন্যাসকলে ফুল ছিঙি উভতি যোৱাৰ পিচত শৰত কোঁৱৰে এফাকি নাম বাঁহীত বজোৱাৰ উল্লেখ আছে—

গাই ধুই উঠিলোঁ দেউতাক সুধিলোঁ
কি ফুল পিন্ধিব পায়।
সেউতী নিপিন্ধো মালতী নিপিন্ধো
পিন্ধো মই খৰিকাজাঁই।। (পৃ.-২৮)

উপন্যাসখনৰ বিষয়বস্তুৰ লগত সামঞ্জস্য ৰাখি প্ৰয়োগ কৰা এইফাকি বিহুগীতে উপন্যাসখনৰ কাহিনীবস্তুৰ সৌন্দৰ্য বৰ্ধন কৰাত সহায় কৰিছে। ইয়াৰ জৰিয়তে নাৰীৰ ফুলৰ প্ৰতি থকা সহজাত টানেও প্ৰকাশ লাভ কৰিছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰাজিত আলোচিত হোৱা ওপৰোক্ত অধ্যয়নে ঔপন্যাসিকগৰাকীৰ সাহিত্য প্ৰতিভাৰ অন্য এটি দিশ পোহৰলৈ আনিছে। উপন্যাসৰ মাজত প্ৰকাশ পোৱা বিহুগীতৰ উল্লেখে উপন্যাসৰ বিষয়বস্তুক বাস্তৱসন্মতভাৱে উপস্থাপন কৰাত সহায় কৰিছে। আলোচনাটিৰ মাধ্যমেৰে উপন্যাসৰ বিষয়বস্তু প্ৰকাশৰ মাধ্যম যে বিহুগীত হ'ব পাৰে, তাৰো আভাস পাব পাৰি। ৰাজনৈতিক পটভূমিত ৰচনা কৰা উপন্যাসকেইখনতো বিহুগীতে নিজস্ব শৈলীৰে সাৱলীলভাৱে উপন্যাসৰ বিষয়বস্তুৰ মাজত প্ৰকাশ লাভ কৰিছে। এনে ধৰণৰ বিশ্লেষণে সাহিত্যিকগৰাকীৰ নিজস্ব কৃষ্টি-সংস্কৃতিৰ প্ৰতি থকা আত্মিক টানকেই উপলব্ধি কৰোৱাত সহায় কৰে। ■

**গ্ৰন্থপঞ্জী** ঃ (১) ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ ঃ *আই,* গুৱাহাটী, এল.বি.এছ. পাব্লিকেশ্যন, ১৯৮৩। (২) ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ ঃ *প্ৰতিপদ,* গুৱাহাটী, বনলতা, ২০০৭। (৩) ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ ঃ *মৃত্যুঞ্জয়,* গুৱাহাটী, সাহিত্য প্ৰকাশ, ২০০৫। (৪) ভট্টাচাৰ্য, বীৰেন্দ্ৰ কুমাৰ ঃ *শৰত কোঁৱৰ,* বৰপেটা, পূৰ্বাঞ্চল প্ৰকাশন ১৯৭৮।



# ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ

◆ **লক্ষ্যধৰ দলৈ**
স্নাতক ৫ম ষাণ্মাসিক (কলা)

**ভা**ৰতবৰ্ষ বিশ্বৰ এখন ধুনীয়া দেশ। মাটিকালিৰ আকাৰ অনুসৰি ই বিশ্বৰ সপ্তম স্থান লাভ কৰিছে। আনহাতে জনসংখ্যাৰ ফালৰপৰা দ্বিতীয় স্থান লাভ কৰিছে। বিভিন্ন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ এই ভাৰতবৰ্ষ এতিয়াও উন্নয়নশীল ৰাষ্ট্ৰ হিচাপেই পৰিগণিত হৈ আছে। এতিয়া এটা প্ৰশ্ন উত্থাপন হ'ব পাৰে। প্ৰশ্নটো এনেধৰণৰ— ভাৰতবৰ্ষ বহু প্ৰাকৃতিক সম্পদৰ অধিকাৰী হৈয়ো কিয় এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব পৰা নাই? ইয়াৰ উত্তৰ দিবলৈ বহু অধ্যয়নৰ প্ৰয়োজন আৰু ভাৰতবৰ্ষৰ ইতিহাস জনাটোও অতি গুৰুত্বপূৰ্ণ বিষয়। যদি আমি ভাৰতবৰ্ষৰ ইতিহাস চাওঁ, তেন্তে এইটো অনুমান হ'ব যে, এসময়ত ভাৰতবৰ্ষ বিশ্বৰ এখন অতি চহকী দেশ আছিল। এইটো কোৱাৰ কাৰণ হ'ল— যদি ভাৰতবৰ্ষ চহকী নাছিল, তেনেহ'লে কিয় বাবৰে ভাৰতবৰ্ষক পাঁচবাৰ আক্ৰমণ কৰিছিল? কিয় ফৰাচী, পৰ্তুগীজ, ৰোমান, ইংৰাজ আদি জাতিয়ে এই দেশলৈ বেহা-বেপাৰ কৰিবলৈ আহিছিল? কিয় ব্ৰিটিছে ভাৰতবৰ্ষত প্ৰায় দুশ বছৰ খোপনি পুতিছিল? নিশ্চয় সেই সময়ছোৱাত ভাৰতবৰ্ষ এখন চহকী দেশ আছিল।

এতিয়া বাৰু ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব পাৰিবনে? নিশ্চয় সকলো ভাৰতীয়ৰ উত্তৰ এটাই হ'ব যে, ভাৰতবৰ্ষ এটা সময়ত এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব। ঠিক সেইদৰে মই এজন ভাৰতীয় নাগৰিক হিচাপে ভাৰতবৰ্ষ অতি সোনকালে এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হোৱাটো বিচাৰোঁ। ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'বলৈ হ'লে তলত উল্লেখ কৰা কাৰকসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। তলত কাৰকসমূহ চমুকৈ বৰ্ণনা কৰা হ'ল—

**(১) জনসংখ্যা নিয়ন্ত্ৰণ ঃ** আগতে উল্লেখ কৰা হৈছে যে, জনসংখ্যাৰ ফালৰপৰা ভাৰতবৰ্ষই দ্বিতীয় স্থান লাভ কৰিছে। আমি জানো যে, সকলো সমস্যাৰ মূল হৈছে অত্যধিক জনসংখ্যা বৃদ্ধি। অৰ্থনৈতিক অনগ্ৰসৰতাৰ মূল কাৰণটোও হ'ল অত্যধিক জনসংখ্যা বৃদ্ধি। আমি এইটোও জানো যে, অৰ্থনৈতিক অনগ্ৰসৰতা হৈছে অনুন্নত বা উন্নয়নশীল ৰাষ্ট্ৰৰ প্ৰধান বৈশিষ্ট্য। গতিকে ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰিবলৈ হ'লে ইয়াৰ জনসংখ্যা নিয়ন্ত্ৰণ কৰাটো অতি আৱশ্যক। জনসংখ্যা নিয়ন্ত্ৰণ কৰাৰ বাবে তলত উল্লেখ কৰা পৰামৰ্শসমূহৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব—

(ক) ভাৰত চৰকাৰে এনেকুৱা এখন আঁচনি গ্ৰহণ কৰিব লাগে, য'ত ভাৰতবৰ্ষৰ প্ৰতিটো পৰিয়ালত দুটাকৈ সন্তান থাকিব। যদি কোনো পৰিয়ালে দুটাতকৈ অধিক সন্তান জন্ম দিয়ে, তেতিয়া ভাৰত চৰকাৰে সেই পৰিয়ালৰ ওপৰত শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগিব।

(খ) কৈশোৰ কালৰপৰা ল'ৰা-ছোৱালীৰ মাজত সচেতনতা বৃদ্ধিৰ বাবে যৌন শিক্ষাৰ গুৰুত্ব সম্পৰ্কে পাঠ্যপুথিত অন্তৰ্ভুক্ত কৰিব লাগিব।

(গ) জনসংখ্যা বৃদ্ধিৰ ফলত হ'ব পৰা সমস্যাসমূহ সমাজৰ সকলো লোকৰ আগত অৱগত কৰি জনসচেতনতা বৃদ্ধি কৰিব লাগিব।

**(২) কৃষিকাৰ্যৰ উন্নয়ন ঃ** ভাৰতবৰ্ষ এখন কৃষিপ্ৰধান দেশ। গতিকে ভাৰতবৰ্ষৰ উন্নয়ন হ'বলৈ হ'লে কৃষিকাৰ্যৰ উন্নয়ন সাধন হোৱাটো নিতান্তই প্ৰয়োজন। সেয়েহে ভাৰত চৰকাৰে কৃষিকাৰ্যৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। ভাৰত চৰকাৰে কৃষিকাৰ্যৰ উন্নয়নৰ বাবে ল'বলগা কাৰ্যসমূহ তলত উল্লেখ কৰা হ'ল—

(ক) কৃষিকাৰ্যত আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা।

(খ) কৃষকসকলক বিভিন্ন আঁচনিৰ অন্তৰ্ভুক্ত কৰি খেতি কৰিবলৈ আগ্ৰহী কৰি তোলা।

(গ) খেতিপথাৰত জনসিঞ্চনৰ ব্যৱস্থা কৰাত চৰকাৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

**(৩) উদ্যোগ খণ্ডৰ বিকাশ ঃ** বিশ্বৰ উন্নত ৰাষ্ট্ৰবোৰ উদ্যোগপ্ৰধান ৰাষ্ট্ৰ। গতিকে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'বলৈ হ'লে ভাৰত চৰকাৰে উদ্যোগ খণ্ডৰ বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। কাৰণ উদ্যোগ খণ্ডৰ বিকাশে দেশ এখনৰ অৰ্থনৈতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে ভাৰত চৰকাৰে উদ্যোগ খণ্ডৰ বিকাশৰ বাবে বিভিন্ন আঁচনি প্ৰস্তুত কৰিব লাগিব।

**(৪) সেৱাখণ্ডৰ বিকাশ ঃ** ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'বলৈ হ'লে সেৱাখণ্ডৰ উন্নয়ন হোৱাটো নিতান্তই প্ৰয়োজন। সেৱাখণ্ডৰ উন্নয়ন হ'লেহে ৰাষ্ট্ৰ এখনৰ সৰ্বাংগীণ উন্নয়ন হোৱাটো পৰিলক্ষিত হয়। সেৱাখণ্ডৰ অন্তৰ্ভুক্ত কাৰ্যসমূহ হ'ল— পৰিবহণ, যোগাযোগ, শিক্ষা, স্বাস্থ্য আদি। এই কাৰ্যসমূহৰ উন্নয়ন সাধন হ'লেহে দেশ এখন অৰ্থনৈতিকভাৱে লাভৱান হোৱা দেখা যায়।

**(৫) কৰ্মসংস্থাপনৰ সংখ্যা বৃদ্ধি ঃ** ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'বলৈ হ'লে ভাৰত চৰকাৰে কৰ্মসংস্থাপনৰ বা নিয়োগৰ সংখ্যা বৃদ্ধি কৰিব লাগিব। যদি ভাৰত চৰকাৰে নিয়োগ বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান নকৰে, তেতিয়া ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হোৱাটো আকাশত চাং পতাৰ দৰে হ'ব। গতিকে ভাৰত চৰকাৰে নিয়োগ বৃদ্ধি কৰাৰ উদ্দেশ্যে বিভিন্ন আঁচনি প্ৰস্তুত কৰিব লাগিব। নিয়োগৰ সংখ্যা বৃদ্ধি হ'লেহে নিবনুৱা, দৰিদ্ৰতা আদি সমস্যাবোৰ কমি আহিব। এই সমস্যাবোৰ নাইকিয়া হ'লেহে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব পাৰিব।

**(৬) দৰিদ্ৰতা হ্ৰাসকৰণ ঃ** ভাৰতবৰ্ষৰ এটা প্ৰধান সমস্যা হৈছে দৰিদ্ৰতা। দৰিদ্ৰতা হৈছে ভাৰতবৰ্ষৰ অৰ্থনীতিৰ উন্নয়নৰ আন এক হেঙাৰস্বৰূপ। ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'বলৈ হ'লে দৰিদ্ৰতাৰ দৰে ভয়াবহ সমস্যাবোৰ নাইকিয়া হ'ব লাগিব। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে উপযুক্ত আঁচনি গ্ৰহণ কৰি দৰিদ্ৰতা দূৰীকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। তেতিয়াহে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব পাৰিব। দৰিদ্ৰতা নিৰ্মূলকৰণৰ বাবে ভাৰত চৰকাৰে গ্ৰহণ কৰিবলগা কাৰ্যসমূহ হৈছে—

(ক) ভাৰত চৰকাৰে দৰিদ্ৰ লোকসকলৰ বাবে থকাৰ ব্যৱস্থা কৰি দিব লাগিব।

(খ) ভাৰত চৰকাৰে দৰিদ্ৰ লোকসকলৰ বাবে খোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(গ) দৰিদ্ৰ লোকসকলৰ বাবে কৰ্মসংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

**(৭) দুৰ্নীতি দূৰীকৰণ ঃ** দুৰ্নীতি হৈছে ভাৰতীয় অৰ্থনীতিৰ উন্নয়নৰ আন এক হেঙাৰস্বৰূপ। যেতিয়ালৈকে ভাৰতবৰ্ষত দুৰ্নীতি বিৰাজ হৈ থাকিব, তেতিয়ালৈকে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব নোৱাৰিব। গতিকে দুৰ্নীতি দূৰ হ'লেহে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব পাৰিব। সেয়েহে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্যিক চৰকাৰে দুৰ্নীতি দূৰীকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

**(৮) অন্ধবিশ্বাসৰ অৱসান ঃ** অন্ধবিশ্বাস হৈছে ভাৰতীয় অৰ্থনীতিৰ আন এক প্ৰধান হেঙাৰস্বৰূপ। ভাৰতবৰ্ষত এতিয়াও বিভিন্ন ঠাইত অন্ধবিশ্বাস বিৰাজমান হৈ আছে। যাৰ ফলত ডাইনী হত্যা, নৰবলি, পশুবলি আদিৰ দৰে জঘন্য কাৰ্যবোৰ চলি আছে। যেতিয়ালৈকে এই জঘন্য কাৰ্যবোৰ চলি থাকিব, তেতিয়ালৈকে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব নোৱাৰিব। সেয়েহে এই জঘন্য কাৰ্যবোৰৰ বিৰুদ্ধে চৰকাৰে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। যাতে সমাজত এনে জঘন্য ঘটনাবোৰ নঘটে, তাৰ বাবে চৰকাৰে জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি কৰিব লাগিব। সেয়েহে চৰকাৰে অন্ধবিশ্বাস দূৰীকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব। তেতিয়াহে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব পাৰিব।

**(৯) আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সু-সম্পৰ্ক গঢ়ি তোলা ঃ** ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'বলৈ হ'লে ই আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সু-সম্পৰ্ক গঢ়ি তোলাটো নিতান্তই প্ৰয়োজন। সেয়েহে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে ওচৰ-চুবুৰীয়া ৰাষ্ট্ৰসমূহৰ সৈতে এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰাটো উচিত। ইয়াৰোপৰি এছিয়া, ইউৰোপ, আফ্ৰিকা, উত্তৰ আমেৰিকা, দক্ষিণ আমেৰিকা আৰু অষ্ট্ৰেলিয়া মহাদেশৰ প্ৰায়ভাগ ৰাষ্ট্ৰৰ সৈতে ভাল সম্পৰ্ক গঢ় দিয়াৰ বাবে চেষ্টা কৰিব লাগিব। ৰাষ্ট্ৰসংঘ, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থা আদি আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ সৈতেও এক সু-সম্পৰ্ক গঢ় দিয়াৰ বাবে চেষ্টা কৰা উচিত। তেতিয়াহে ভাৰত এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব পাৰিব, যেতিয়া ভাৰত চৰকাৰে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত সু-সম্পৰ্ক গঢ়ি তোলাত সফল হ'ব।

**(১০) আইন-শৃংখলা বজাই ৰখা ঃ** ভাৰতীয় অৰ্থনীতিৰ উন্নয়নত আইন-শৃংখলাই পৰোক্ষভাৱে প্ৰভাৱ পেলাই আহিছে। যদি ভাৰত চৰকাৰে আইন-শৃংখলা অটুট ৰখাৰ বাবে বিভিন্ন আঁচনি প্ৰস্তুত কৰে, তেন্তে ভাৰতবৰ্ষই অতি কম সময়ৰ ভিতৰত উন্নয়নৰ পথত অগ্ৰসৰ হ'ব পাৰিব বুলি আশা কৰিব পাৰি। কাৰণ আইন-শৃংখলাই দেশৰ শান্তি অটুট ৰখাত সহায় কৰে। গতিকে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'বলৈ হ'লে ভাৰত চৰকাৰে আইন-শৃংখলা বজাই ৰখাটো অতি গুৰুত্বপূৰ্ণ।

ওপৰোক্ত কাৰকসমূহৰ ওপৰত যেতিয়া ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে গুৰুত্ব প্ৰদান কৰিব, তেতিয়া ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হোৱাটো এশ শতাংশই সঁচা। ইয়াৰ উপৰিও ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ কৰাৰ বাবে আমি সকলোৰে গুৰুত্বসহকাৰে নিজৰ নিজৰ কাৰ্য ৰূপায়ণ কৰিব লাগিব আৰু আমি আমাৰ মাজত একতাৰ সৃষ্টি কৰি জনসচেতনতা বৃদ্ধি কৰিব লাগিব। তেতিয়াহে ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰলৈ ৰূপান্তৰ হ'ব।■

*"The human mind has great possibility to dig deeper and deeper into scientific and technological discoveries. On the other hand one must admit that the mind is very limited. The human mind, science and technology can never fully understand the immensity of God."*

# ভগৱান অদৃশ্যমান কিয়?

◆ ভাগ্যশ্ৰী ঠাকুৰীয়া
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (বিজ্ঞান)

**ভা**ৰতবৰ্ষ এনে এখন দেশ, যিখন দেশ আধ্যাত্মিক শিক্ষাৰে মহিমামণ্ডিত। বিশ্বৰ ভিতৰতেই এনে দেশৰ কাহিনী বোধকৰোঁ বিৰল— য'ত ভগৱানৰ কথা চৰ্চা হয়, য'ত শিক্ষা-সমাজতত্ত্ব তথা বিজ্ঞানৰ অগ্ৰগতি ভগৱান চৰ্চাৰ মাজেৰে আগবাঢ়ে। ধৰ্মৰ সৈতে সহাৱস্থান কৰা সমাজ বিজ্ঞানৰ ধাৰাৰে আহি আমি আজি বিজ্ঞানৰ যুগত ভৰি দিছোঁহি। সেই ভাবধাৰাকে লৈ আমি বেদ-উপনিষদৰপৰা আইনষ্টাইনৰ দৰে বিশিষ্ট বিজ্ঞানীসকলৰ কথা চৰ্চাৰ মাজলৈ আনিব পৰা হৈছোঁ। এফালে ভগৱান আৰু আনফালে বিজ্ঞান। কি যে চমৎকাৰ!

বিখ্যাত বিজ্ঞানী আইনষ্টাইনে ভগৱানৰ বিষয়ে ক'বগৈ গৈ কৈছে যে— "I want to know God created this world. I am not interested in this or that phenomenon, in the spectrum of this or that element. I want to know his thoughts, the rest are details." আচলতে আমি একদৰ্শিতাৰে জানো এই বিশ্ব ভগৱানে কিদৰে সৃষ্টি কৰিছিল। কিন্তু এই দৃশ্যমান জগতখনৰ বাহ্যিক অৱয়ৱ বা তাৰ উপাদান কি, উপাদানসমূহৰ আকাৰ কি জানিবলৈ আগ্ৰহী নহয়। আমি ভগৱানকেন্দ্ৰিক চিন্তাধাৰাক বিশ্বাস কৰিলেও আচলতে বিশ্ব-ব্ৰহ্মাণ্ডখন কিদৰে সৃষ্টি হৈছিল, সেই বাস্তৱ সত্যক বিশ্লেষণ কৰাটো সময় উপযোগী কথা।

'ভগৱান' শব্দটোৰ অৰ্থই হৈছে অদৃশ্যমান; কিন্তু তথাপিও ভগৱান বুলি আমি নামানিলেও আমাৰ কেতবোৰ চিন্তাধাৰাই ভগৱানক যে বিশ্বাস কৰোঁ, তাৰ প্ৰমাণ দিব বিচাৰে। বিখ্যাত বিজ্ঞানী ষ্টিফেন হকিঙে এঠাইত এই বিষয়ে ক'বলৈ গৈ কৈছে যে— "May be it is not possible to formulate the theory of the universe in a finite number of statements..... We and our models, are both part of the universe we are describing. Thus a physical theory is self– referencing like Godel's Theorem. One might, therefor, expect it to be either inconsistent, or incomplete. The theories we have so far, are both inconsistent, and incomplete....."

সম্ভৱতঃ আমাৰ মাজত পূৰ্বৰপৰাই প্ৰচলিত বিশ্বাসৰ অধিক গাঢ় শব্দটোৰেই হৈছে ভগৱান থকা বোলা কথাটো। কিন্তু আজিও বিজ্ঞানসন্মতভাৱে ভগৱানক চিনাক্ত কৰিব নোৱাৰা বিষয়টো বিস্ময়কৰ। ভগৱান বিশ্বাস কৰাটো অন্ধবিশ্বাস বুলি ক'লেও কিন্তু প্ৰায় লোকেই বিশ্বত এজন অদৃশ্যমান লোক বা অদৃশ্য শক্তি আছে বুলি ক'ব বিচাৰে পাকে-প্ৰকাৰান্তৰে। এনে কিয় হয়?

ভাব হয়— এটা ঘটনা-পৰিঘটনাৰ পাচতেই এই পৃথিৱীখনৰ সৃষ্টি হয়। সৃষ্টি হয় সৌৰজগত। সৃষ্টি হয় জীৱকুল। এইবোৰ অদৃশ্য শক্তিৰদ্বাৰা উদ্ভৱ বুলি বিশ্বাস কৰা হয়। আচলতে এই কথাবোৰ প্ৰকাৰান্তৰে অন্ধবিশ্বাস বা উত্তৰবিহীন বিজ্ঞান বুলি ক'লেও কিন্তু এটা কথা ক'বই লাগিব যে, ধৰ্মৰ পাচে পাচেই বিজ্ঞানৰ জয়যাত্ৰা বোলা কথাটো।

আমি এনেকৈ ভাবিব পাৰোঁ নেকি যে, সমাজত ধৰ্মৰ উদ্ভৱ নোহোৱা হ'লে বিজ্ঞানৰ কথা নাহিলহেঁতেন? ধৰ্ম তথা বিশ্বাসক অনুকৰণ কৰিয়েই বিজ্ঞানে গতি কৰে বিশ্বাসৰ আদিসত্য উদ্‌ঘাটন কৰিবলৈ। স্বামী বিবেকানন্দই আকৌ ধৰ্মক বিজ্ঞান চৰ্চাৰ মাজেৰে আগুৱাই নিছিল। সমাজতত্ত্বক বিজ্ঞানৰ প্ৰভাৱৰপৰা আঁতৰাই নাৰাখি তেওঁ যুক্তিসংগত

তথা ভাবগধুৰ দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব বিচাৰিছিল। বিশেষকৈ তেওঁ ধৰ্মক দোহাই দি সেয়া অন্ধবিশ্বাস বুলি নকৈ তাক মানুহৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পদ্ধতিগত ফচল বুলি উল্লেখ কৰি বৈজ্ঞানিক বিশ্লেষণৰ মাজেৰে সমাজতাত্ত্বিক ধাৰা এটা দিব বিচাৰিছিল।



এটা কথা নক'লে নহ'ব যে, মানুহৰ মানসিক বিভ্ৰমৰ বাবেই বোধকৰোঁ অন্ধবিশ্বাস তথা তথাকথিত বিশ্বাসৰ উদ্ভৱ হয়। এনে বিশ্বাস অকল অশিক্ষিত লোকৰ মাজতে সীমাবদ্ধ নহয়। ই এনেকৈ মানুহৰ মানসিক অৱস্থাত ব্যাপ্ত হৈছে যে, সেয়া দূৰ কৰাৰ চমু পথ বিচাৰি পোৱা নাযায়। অন্ধবিশ্বাস তথা কু-সংস্কাৰ হ'ল মূলতে সমাজৰ এক ব্যাধি।

সঁচা কথা— অন্ধবিশ্বাস, কু-সংস্কাৰ, অৰ্থহীন লোকাচাৰে মানৱ জীৱনক অচল, অসাৰ কৰি জীৱনধাৰণ জটিল কৰি তোলে। বিজ্ঞানৰ যুক্তিবাদে সমাজত এটা শুদ্ধ পথ দিবলৈ সক্ষম হয়; কিন্তু বিশ্বাসে নোৱাৰে। বিশ্বাস বা আনুমানিক মতবাদত বিজ্ঞান নাই। সেইবোৰ ভ্ৰান্ত ধাৰণা বা অতি বাস্তৱ বিশ্লেষণ। বিজ্ঞানে সদায় আঁৰৰ জগতখনক বিচাৰি উলিয়াবলৈ চেষ্টা কৰে। সেই আঁৰৰ জগতখনক লৈ অনুমানশ্ৰয়ী বা কল্পনাকেন্দ্ৰিক ভাবধাৰা দিবলৈ নিবিচাৰে বাবেই বিজ্ঞান সত্যাশ্ৰয়ী, সত্যকেন্দ্ৰিক। এই ক্ষেত্ৰত বিজ্ঞানৰ এক বৈজ্ঞানিক পদ্ধতি উল্লেখ কৰিব পাৰি। প্ৰথমেই আমি প্ৰকল্প গ্ৰহণৰ কথা ক'ব পাৰোঁ; দ্বিতীয়তে ক'ব পাৰোঁ সেই প্ৰকল্পক পৰীক্ষা কৰাৰ কথা; তৃতীয়তে ক'ব পাৰোঁ পৰীক্ষাৰ পৰ্যৱেক্ষণ পদ্ধতি আৰু চতুৰ্থতে পৰ্যৱেক্ষণ সিদ্ধান্ত। এইকেইটা পদ্ধতিগত চিন্তা তথা দৃষ্টিত আমাৰ জ্ঞান তথা যুক্তিৰ পৰিসীমা স্পষ্ট কৰিব পৰা যায়। আমাৰ চকু, কাণ, নাক, জিভা— এই চাৰি অংগৰ জৰিয়তে মগজুৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ যুক্তিসংগত বিশ্লেষণৰ মাজতে বিজ্ঞান লুকাই আছে; কিন্তু সকলো ব্যক্তিৰ চিন্তা তথা পদ্ধতিগত বিশ্লেষণ সকলো সময়তে যুক্তিসংগত নহয়। সকলোতে বিজ্ঞান নাথাকিবও পাৰে। এই ক্ষেত্ৰত বিশ্লেষণ কৰিবলৈ গৈ ম্যাকমিলিয়ান জিমিয়ে কৈছে— "The human mind has great possibility to dig deeper and deeper into scientific and technological discoveries. On the other hand one must admit that the mind is very limited. The human mind, science and technology can never fully understand the immensity of God."

এনে ফালৰপৰা চাবলৈ গ'লে সমাজ ব্যৱস্থাত বৈজ্ঞানিক বস্তুবাদৰ ধাৰাটো বিশেষভাৱে গ্ৰহণীয়। এই ক্ষেত্ৰত বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ পন্থাগত পদ্ধতিয়ে জ্ঞান অৰ্জনৰ একমাত্ৰ নিৰ্ভৰযোগ্য পথ। ঠিক সেইদৰে জড় পদাৰ্থ বা শক্তি বিশ্ব-ব্ৰহ্মাণ্ডৰ এক মৌল বাস্তৱতা। এই জড়বস্তু (পদাৰ্থ)ৰ বিশ্বাসী দাৰ্শনিকসকলে মত ব্যক্ত কৰি কৈছে যে, দৃশ্যমান জগতত সকলো দিশতে ভৌতিক নিয়ম আছে। যাক ইংৰাজীত কোৱা হয়— "Be the blind force of Nature" বুলি।

আমি কওঁ, ভগৱান অদৃশ্যমান। ভগৱানক আচলতে দেখা নাযায়; অনুভৱহে কৰিব পাৰি। কিন্তু কথা হ'ল— সেই অনুভৱত বৈজ্ঞানিক পদ্ধতি প্ৰকল্প গ্ৰহণ, পৰীক্ষাকৰণ, পৰীক্ষাৰ পৰ্যৱেক্ষণ (Observation) পদ্ধতি আৰু সিদ্ধান্ত গ্ৰহণ এইকেইটাৰ প্ৰয়োগ হৈছেনে বাৰু?

মূলতে ধৰ্ম বুলি ক'লে আমি অদৃশ্য শক্তিক বিশ্বাস কৰা কথাকে বুজোঁ। এই বিশ্বাসৰ আঁৰত যে বিজ্ঞান আছে বুলি বহু সময়ত বহু বিতৰ্কই শীৰ্ষত উপনীত হয়। বহু সময়ত প্ৰশ্ন উত্থাপন হয় যে, ধৰ্মত যদি বিজ্ঞান থাকিলেহেঁতেন, তেন্তে বিশ্বত ইমান ধৰ্মমত কিয়? কিয় ধৰ্ম বিভেদ? কিয় ইমান ধৰ্মশাস্ত্ৰ? কিয় অদৃশ্য শক্তিক লৈ বিভিন্ন আনুমানিক ধাৰণা? 'ধৰ্ম' শব্দৰ অৰ্থ হ'ল ভিন্ন ভাষাত, ভিন্ন ধাৰাত বা ভিন্ন বিষয়ত ভিন্ন মতবাদ। ৰসায়ন বিজ্ঞানত 'ধৰ্ম'ক ধৰণ বা অবিচ্ছেদ্য মূলগত বৈশিষ্ট্য বা সেই বস্তুৰ নিজস্ব ৰূপ-স্বৰূপক বুজাবলৈ ব্যৱহাৰ কৰা হয়। ঠিক সেইদৰে সমাজ জীৱনতো 'ধৰ্ম'ৰ বৈজ্ঞানিক বিশ্লেষণ এইদৰে হোৱাটো বিচাৰোঁ।

আনহাতে, শুদ্ধ চিন্তাধাৰাক প্ৰাধান্য দি বিজ্ঞানেৰে ধৰ্মক বুজিবলৈ চেষ্টা কৰিলে সমাজত বিশ্বাসৰ আঁৰৰ কথাবোৰ উদ্‌ঘাটন হ'ব। অদৃশ্যমান ভগৱানক আমি বাস্তৱ ক্ষেত্ৰত আমাৰ সন্মুখত দেখিবলৈ পাম। এনে কৰিলে সমাজৰপৰা ক্ৰমাৎ নোহোৱা হ'ব কেতবোৰ বিশ্বাস, সংশয়, ভূত-প্ৰেত, ডাইনী জাতীয় অতিবাস্তৱ ধাৰণাবোৰ। এইবোৰ মানুহৰ মনৰপৰা আঁতৰ হ'লেহে সমাজত স্বৰূপতে ধৰ্মচৰ্চা হ'ব। 'ধৰ্ম' বুলি ক'লে মাথোঁ অদৃশ্য শক্তিক বিশ্বাস কৰা কথাতে সীমাবদ্ধ নকৰি সেই অদৃশ্য শক্তি কিম্বা ভগৱানক বাস্তৱ ক্ষেত্ৰত উদ্ভাৱন কৰিব পৰাটোহে আচলতে ধৰ্ম। ■



# অসম ফুটবলৰ বৰ্ণময় ইতিহাস

◆ সুদৰ্শন বড়ো
স্নাতক ৩য় ষাণ্মাসিক (কলা)

**ফু**টবল পৃথিৱীৰ সবাতোকৈ জনপ্ৰিয় খেল। পৃথিৱীৰ প্ৰতিখন দেশ, প্ৰতিটো জাতিয়ে ফুটবল খেলে। সীমাহীন গুণগ্ৰাহী মানুহক উদ্বেলিত কৰিব পৰা গুণৰ বাবেই ফুটবল সৰ্বজনপ্ৰিয়। ফুটবলৰ এই মাদকতা, এই আকৰ্ষণ, এই শিহৰণে অসমতো সমপৰ্যায়ত স্থান পাইছে। ফুটবল বুলিলে অসমৰ ক্ৰীড়াজগতখনে ৰঙীণ সপোন দেখে।

অসমৰ ক্ৰীড়া ক্ষেত্ৰখনৰ আৰম্ভণি কেতিয়া হৈছিল কোৱা টান; কিন্তু এটা কথা ক'ব পাৰি যে, অসমৰ ক্ৰীড়া ইতিহাস বৈচিত্ৰ্যপূৰ্ণ। ইয়াৰ অতীত গৰিমামণ্ডিত। শিৱসাগৰৰ ৰংঘৰ এই গৰিমামণ্ডিত ইতিহাসৰ সাক্ষী। এছিয়াৰ ভিতৰত প্ৰথম ক্ৰীড়া পেভিলিয়ন ৰংঘৰ। ইয়াৰ বাবে অসম গৌৰৱৰ অংশীদাৰ। ৰংঘৰে সোঁৱৰাই দিয়ে অতীত অসমৰ ক্ৰীড়া ক্ষেত্ৰখনৰ গৌৰৱময় ইতিহাস। ওঠৰ শতিকাৰ এই কালজয়ী উদাহৰণৰ আঁৰ লৈ অসমৰ ক্ৰীড়া ইতিহাসে পাতনি মেলিলেও আক্ষৰিক অৰ্থত আধুনিক ক্ৰীড়াৰ আৰম্ভণি হৈছিল ব্ৰিটিছ আগমনৰ পিচতহে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিচত চিৰ সুন্দৰ অসম উপত্যকালৈ ব্ৰিটিছসকলৰ আগমন ঘটিছিল। ব্ৰিটিছসকলে অসমৰ প্ৰাকৃতিক সম্পদ আহৰণৰ বাবে সেউজ অসম উপত্যকাত ভৰি দিলেও প্ৰথমে বেছ কিছুদিন নিজৰ শিবিৰসমূহতে পাৰ কৰিছিল সময়বোৰ। ব্যৱসায়-বাণিজ্য সম্প্ৰসাৰণৰ ক্ষেত্ৰত অতি চতুৰ ব্ৰিটিছসকলে শিবিৰত পাৰ কৰা সময়খিনি অথলে যাবলৈ দিয়া নাছিল। সেই সময়খিনি পাৰ কৰোঁতে স্থানীয় বাসিন্দাসকলৰ সৈতে সম্পৰ্ক সুগভীৰ কৰিবলৈ আশ্ৰয় লৈছিল খেলৰ। আচল অৰ্থত ব্ৰিটিছসকলে তেওঁলোকৰ সাম্ৰাজ্য বিস্তাৰৰ নামত বণিজ কৰিবলৈ বিশ্বৰ বিভিন্ন প্ৰান্তলৈ যাত্ৰা কৰাৰ সময়ত সেই অঞ্চলৰ জনসাধাৰণক আকৰ্ষিত কৰাৰ বাবে লগত লৈ গৈছিল ফুটবল আৰু ক্ৰিকেটক। অসমলৈ আহোঁতেও ফুটবল লৈ আহিব পাহৰা নাছিল। ব্ৰিটিছসকলে বিভিন্ন ঠাইত ভৰি দিয়াৰ পিচত সেই অঞ্চলৰ অধিবাসীসকলক আকৰ্ষিত কৰিবলৈ নিজৰ শিবিৰতে ফুটবল খেলিছিল। সুযোগ বুজি ফুটবল মেলি দিছিল জনগণৰ মাজত। অসমৰ সমাজ জীৱনত ফুটবলে এনেদৰেই প্ৰৱেশ কৰিছিল। শ্বিলং, গুৱাহাটী, শিলচৰ, যোৰহাট আদিত ৰোপিত হৈছিল ফুটবলৰ বীজ।

গুৱাহাটীত ব্ৰিটিছসকলে বৰপুলত ফুটবল খেল আৰম্ভ কৰিছিল। গুৱাহাটী মেডিকেল কলেজৰ খেলপথাৰেই তাহানিৰ বৰপুল। এতিয়া তেনেই সৰু খেলপথাৰ হৈ পৰিছে; কিন্তু তাহানি ই এখন বৃহৎ খেলপথাৰ আছিল। এক বিশাল মুকলি পথাৰ। তাত সুগঠিত দেহৰ, আকৰ্ষণীয় চেহেৰাৰ বগা চাহাবসকলে উন্নত কলাশৈলীৰে ফুটবল খেলিছিল। এনে দৃশ্য চাবলৈ বহু দূৰ-দূৰণিৰপৰা দৰ্শক আহিছিল। একেদৰেই ব্ৰিটিছসকলে যোৰহাটত ফুটবল খেলিছিল। যোৰহাটৰ জিমখানা গ্ৰাউণ্ড ব্ৰিটিছসকলৰ ফুটবলৰ স্থলী আছিল। তাৰ পিচত ফুটবল সম্প্ৰসাৰিত হৈছিল শ্বিলং আৰু শিলচৰলৈ। এনেদৰেই সমগ্ৰ অসমত জনগণৰ

মাজত ফুটবল হৈ পৰিছিল প্ৰাণৰ গাঁথা। জনসাধাৰণৰ আজৰি পৰৰ আনন্দ প্ৰকাশৰ শাৰীৰিক কচৰতৰ আহিলা। যোৰহাট আৰু শ্বিলঙত ব্ৰিটিছসকলে ফুটবল খেলিয়েই ক্ষান্ত হোৱা নাছিল। জনগণক ফুটবল খেলিবলৈ বাধ্য কৰাইছিল।

ইণ্ডিয়া ক্লাবৰ জন্ম হৈছিল ১৯০০ চনত। শিলচৰত আধুনিক প'ল' খেলৰ জন্ম হ'লেও ব্ৰিটিছসকলে ফুটবলক এই অঞ্চলত নৱৰস দিছিল। ইণ্ডিয়া ক্লাবৰ জন্মই ফুটবলৰ আগ্ৰাসনত অগ্ৰণী ভূমিকা লৈছিল। কটন কলেজ স্থাপন হোৱাৰ পিচত ১৯০৬ চনত গুৱাহাটী টাউন ক্লাবৰ জন্ম হৈছিল। ইয়াৰ কিছুদিন পিচত জন্ম হৈছিল মহাৰাণা ক্লাবৰ। উল্লেখযোগ্য যে, ১৯০১ চনত কটন কলেজ স্থাপন হোৱাৰ পিচত উচ্চ শিক্ষাৰ দুৱাৰ মুকলি হোৱাৰ লগে লগে অসমত খেলৰ পৰিৱেশ আৰু জনসাধাৰণৰ মাজত ক্ৰীড়া অনুৰাগৰ সৃষ্টি হৈছিল। তথ্য অনুসৰি কটন কলেজক মাধ্যম কৰি ১৯০৭ চনত প্ৰসেনজিৎ কাপ, তাৰ পিচত ৰায় চাহাব কাপ আৰু ১৯১৭ চনত আৰম্ভ হৈছিল মাণিক চন্দ্ৰ বৰুৱা ফুটবল আৰু মহেশ্বৰী ছাৰাউগী নামে চাৰিখন ফুটবল টুৰ্ণামেণ্ট। চাৰিওখন ফুটবল টুৰ্ণামেণ্টে যথেষ্ট সমাদৰ লাভ কৰিছিল। ১৯১১ চনত শ্বিলঙৰ এটি দল গুৱাহাটীলৈ ফুটবল খেলিবলৈ আহিছিল। জজ খেলপথাৰত এখন প্ৰদৰ্শনীমূলক খেল খেলিছিল গুৱাহাটী টাউন ক্লাবৰ সৈতে। ক্ৰীড়া বিশেষজ্ঞসকলৰ মতে উত্তৰ-পূবৰ ইতিহাসত এইখনেই প্ৰথম প্ৰদৰ্শনীমূলক খেল।

মাণিক চন্দ্ৰ বৰুৱাই পুখুৰী পুতি লতাশিল খেলপথাৰ নিৰ্মাণ কৰিছিল। পাণবজাৰৰ পানী টেংকী অঞ্চলত এজাক চেমনীয়াই ফুটবল খেলি সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰিছিল। মহাৰাণা ক্লাবে সুন্দৰ, সু-সংগঠিতভাৱে ফুটবল খেলিবলৈ সমৰ্থ হৈছিল। নিপ বৰুৱা, টালিমেৰণ আও, শৰৎ দাস, জিতেন চৌধুৰী আদি ফুটবলাৰে এই ফুটবল জগতখনত ভৰি দিছিল।

বিগত সময়ছোৱাত অসমে ভাৰতীয় ফুটবল জগতখনলৈ অনেক প্ৰতিভাৰ উপহাৰ দিছে। অনেক ৰঙীণ স্মৃতিৰে গৌৰৱান্বিত হৈছে অসমৰ ফুটবল। স্বাধীনতাৰ পিচত ভাৰতীয় ফুটবলক নেতৃত্ব দিয়া পাহোৱাল ডেকাজনেই অবিভক্ত অসমৰ নগা পাহাৰৰ ড° টালিমেৰণ আও। টালিমেৰণ আওৰ বিৰল কৃতিত্বক সাৰথি কৰি পৰৱৰ্তী সময়ছোৱাত অসমৰ ফুটবল জগতখন উজ্জ্বল হৈ উঠিছিল।

অসমৰ ফুটবল ইতিহাসৰ আকৰ্ষণীয় খেলুৱৈসকলৰ ভিতৰত প্ৰথমে নাম ল'ব লাগিব গিলবাৰ্টচন চাংমাৰ। তীব্ৰবেগী, প্ৰচুৰ বুদ্ধিসম্পন্ন গিলবাৰ্টচন চাংমা অসম ফুটবলৰ সম্পদ। তেওঁৰ গতি, পজিচন, জ্ঞান, তেওঁৰ ড্ৰিব্‌লিং, অন দ্য বল, অফ দ্য বল আছিল সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। গিলবাৰ্টচন চাংমাৰ খেলে অসমৰ ফুটবলত নতুন জোৱাৰ আনিছিল। এইগৰাকী প্ৰসিদ্ধ ফুটবল খেলুৱৈক ভাৰতৰ কেইবাটাও আগশাৰীৰ দলে ফুটবল খেলিবলৈ আমন্ত্ৰণ জনাইছিল। কলকাতাৰ মোহন বাগান, মুম্বাইৰ টাটা স্পৰ্টছ্ ক্লাব, ইষ্ট বেংগল, গোৱাৰ ডেম্পো ক্লাব তাৰ ভিতৰত অন্যতম। ১৯৭৫ চনত ভাৰতীয় ফুটবল দলত স্থান পোৱা গিলবাৰ্টচন চাংমাই ইণ্ডোনেছিয়াত 'মাৰাহ হেলিম কাপ' খেলিবলৈ গৈছিল। তেওঁ এই প্ৰতিযোগিতাত দক্ষিণ কোৰিয়া আৰু টাইৱানৰ বিপক্ষে খেল খেলিছিল আৰু এটা গ'ল কৰিবলৈ সক্ষম হৈছিল। কম দিনৰ বাবে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা গিলবাৰ্টচন চাংমাই নিজৰ খেলেৰে সন্তোষ কৰিছিল টীম মেনেজমেণ্টক। ১৯৭৬ চনত কোৰিয়াৰ হান-ইয়ং বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে গিলবাৰ্টচন চাংমাই এটা গ'ল কৰিবলৈ সক্ষম হৈছিল। আন্তঃৰাষ্ট্ৰীয় ফুটবলত গ'ল কৰা তেৱেঁই অসমৰ প্ৰথম ফুটবল খেলুৱৈ। গিলবাৰ্টচন চাংমাৰ দৰে অসামান্য ক্ৰীড়া-নৈপুণ্য আৰু সামৰ্থ্যৰ বাবে অসমৰ ক্ৰীড়া ইতিহাসত আন বহুকেইজন খেলুৱৈৰ নাম ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা থাকিব। তেওঁলোকৰ ভিতৰত টালিমেৰণ আও, পিলিক চৌধুৰী, বাবুল ফুকন, টছেন বৰা, অনিমেষ গাংগুলী, তোযেশ্বৰ দত্ত, শৰৎ দাস, ইন্দ্ৰজিৎ নামচুম, জুৰেল বে, জীতেন চৌধুৰী, বসন্ত কাবুই, দুৰ্গা বড়ো, গোবিন্দ বড়ো, হলিচৰণ নাৰ্জাৰী অন্যতম।

আধুনিক অসমৰ ফুটবলৰ সবাতোকৈ সোণালী বৰ্ষ বুলি ২০০৭ চনটোক অভিহিত কৰা হয়। এই বৰ্ষতে অসমে ক্ৰীড়া ইতিহাসত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ফুটবলত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। ছিনিয়ৰ পৰ্যায়ত এয়াই অসমৰ ফুটবলৰ শ্ৰেষ্ঠ সফলতা। সেইবাবে নেহৰু ষ্টেডিয়ামত কুৰি হাজাৰৰো অধিক দৰ্শকৰ উপস্থিতিত প্ৰথমখন ছেমিফাইনেল অনুষ্ঠিত হৈছিল। ছেমিফাইনেলত অসমে পশ্চিমবংগক ৩-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিছিল। খেলখনৰ প্ৰথম হাফ আছিল গ'লশূন্য। কিন্তু দ্বিতীয় হাফত অসমে যাদুকৰী খেল প্ৰদৰ্শন কৰি তিনিটাকৈ গ'ল কৰিবলৈ সক্ষম হৈছিল। খেলৰ ৬১ মিনিটত মৃণাল বড়োৱে প্ৰথমটো গ'ল দিছিল। ৭৪ মিনিটত মৃণালে দ্বিতীয়টো গ'ল দিছিল। খেল শেষ হ'বলৈ কেইটামান মুহূৰ্ত বাকী থকা অৱস্থাত বিৰ্জৰ মুছাহাৰীয়ে তৃতীয় গ'ল দি বংগৰ বিদায় নিশ্চিত কৰিছিল। ফাইনেলত অসমে তামিলনাডুক পৰাজিত কৰিছিল।

সাম্প্ৰতিক সময়ত অসম পুলিচ, অইল ইণ্ডিয়া দুলীয়াজান, গুৱাহাটী চিটি এফ.চি., বাৰহুংখা, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ আদি ক্লাবে অসমৰ ফুটবল জগতখনত সুন্দৰ ক্ৰীড়া পৰিৱেশৰ সৃষ্টি কৰি আছে। উন্নত আন্তঃগাঁথনি, দীৰ্ঘম্যাদী পৰিকল্পনা হাতত ৰাখি আগবাঢ়িলে অসমে নিশ্চয় আন্তঃৰাষ্ট্ৰীয় ফুটবল জগতখনত নিজৰ মান উজলাই তুলিব পাৰিব। ■

**উৎস ঃ** আকাশবাণী গুৱাহাটীৰ 'খেল আৰু খেলুৱৈ' অনুষ্ঠানত প্ৰচাৰিত ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমা আৰু ক্ৰীড়া সাংবাদিক সুবোধমল্ল বৰুৱাৰ সাক্ষাৎকাৰৰ সহায় লৈ।

# ড° মামণি ৰয়ছম গোস্বামী
# এক বিশাল ব্যক্তিত্ব



◆ ভূপালী গোস্বামী
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

**ভা**ৰতীয় সাহিত্যৰ ন'বেল বঁটাস্বৰূপ 'জ্ঞানপীঠ বঁটা' লাভ কৰা দ্বিতীয়গৰাকী অসমীয়া সাহিত্যিক হ'ল ড° মামণি ৰয়ছম গোস্বামী। তেওঁ ১৯৪১ চনৰ ১৪ নৱেম্বৰত গুৱাহাটীত জন্মলাভ কৰে। মামণি ৰয়ছম গোস্বামীৰ প্ৰকৃত নাম আছিল ইন্দিৰা গোস্বামী। এক পবিত্ৰ মনৰ অধিকাৰী মামণি ৰয়ছম গোস্বামী ডাঙৰ-দীঘল হৈছিল ব্ৰাহ্মণ সংস্কাৰেৰে পূৰ্ণ এখন ঘৰত। গুৱাহাটীত জন্মলাভ কৰিলেও তেওঁৰ পিতৃ দক্ষিণ কামৰূপৰ আমৰাংগা অঞ্চলৰ বাসিন্দা আছিল। তেওঁৰ পিতৃৰ নাম আছিল উমাকান্ত গোস্বামী। কৈশোৰ কালতে তেওঁৰ পিতৃ কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু হৈছিল। পিতৃৰ মৃত্যুৰ লগে লগে তেওঁৰ কৈশোৰ কালৰ সোণোৱালী দিনবোৰ নিৰাশা আৰু দুখেৰে ভৰি পৰিছিল। ইতিমধ্যে তেওঁৰ বিয়াৰ কথাও চিন্তা কৰিছিল মাকে; কিন্তু উপযুক্ত দৰা নাপাই ভাগি পৰিছিল মাতৃৰ হৃদয়। জীৱনত দুখেৰে আৱৰি ধৰা হতাশাৰপৰা পৰিত্ৰাণ পাবলৈ তেওঁ সাহিত্য চৰ্চাৰ পথ লৈছিল। সৰুৰেপৰা তেওঁৰ লিখা-মেলাত আগ্ৰহ আছিল আৰু বিশিষ্ট সাংবাদিক কীৰ্তিনাথ হাজৰিকা আৰু তিলক হাজৰিকাই হাতত ধৰি তেওঁক লিখিবলৈ শিকাইছিল। পিচলৈ তেওঁ গল্প লিখিবলৈ লৈছিল আৰু সমান্তৰালভাৱে পৃথিৱীৰ মহৎ লোকসকলৰ সাহিত্য পঢ়িবলৈ লৈছিল। বিশেষকৈ আৰ্নেষ্ট হেমিংৱেৰ লিখনি পঢ়ি তেওঁ গভীৰভাৱে অনুপ্ৰাণিত হৈছিল আৰু জীৱনৰ দুখ-দুৰ্দশাক জয় কৰাৰ সাহস পাইছিল। জীৱনৰ বিচিত্ৰ অভিজ্ঞতাক তেওঁ সাহিত্যৰ ৰূপ দিছিল। পিচে মামণি ৰয়ছম গোস্বামীৰ প্ৰথমতে সাহিত্যৰ প্ৰতি আকৰ্ষণ নাছিল; তেওঁ এগৰাকী চিত্ৰকৰ হোৱাৰহে সপোন দেখিছিল। তেওঁ মাইকেল এঞ্জেলো, লিঅ'নাৰ্ডোৰ দৰে ছবি অঁকাৰ কথা ভাবিছিল। অৱশ্যে সৰুতে তেওঁ ছবি আঁকি পুৰস্কাৰো পাইছিল; কিন্তু তেওঁ পিচলৈ লিখা-মেলাতহে মনোনিৱেশ কৰিবলৈ ধৰে। তেওঁৰ জীৱনৰ প্ৰথম গল্পটো লিখিছিল তেওঁৰ দেউতাকক লৈ। গল্পটোৰ নাম আছিল 'গদাধৰ শইকীয়াৰ জীৱন'।

১৯৬২ চন। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত শৰাইঘাটত প্ৰথমখন দলং নিৰ্মাণ কৰিবলৈ গুৱাহাটীলৈ অহা হিন্দুস্তান কনষ্ট্ৰাক্‌চন কোম্পানীৰ ইঞ্জিনিয়াৰ মাধৱেন ৰয়ছম আয়েংগাৰৰ লগত তেওঁৰ চিনাকি হয়। মাধৱেনৰ কিতাপ পঢ়াৰ প্ৰতি আছিল অসীম আগ্ৰহ। এই পৰিচয়ে এদিন দুয়োৰে মাজত প্ৰেমৰ ৰূপ লৈছিল। আৰু ইয়াৰে পিচত মাধৱেনে বিয়াৰ প্ৰস্তাৱ মাকৰ আগত গৈ আগবঢ়োৱাত মাকে এই প্ৰস্তাৱ তিৰস্কাৰ কৰিলে। মাকৰ ব্যৱহাৰত অতিষ্ঠ হৈ তেওঁ তাৰ প্ৰতিবাদত আকৌ এজন যুৱকৰ সৈতে ন্যায়ালয়ত বিবাহ পত্ৰত চহী কৰিছিল। ইফালে ঘৰৰ মানুহে এই বিয়াৰ কথা গম পোৱাত এক অসহ্যকৰ পৰিস্থিতিৰ সন্মুখীন হ'বলগা হৈছিল তেওঁ। অৱশেষত এই দুখকৰ পৰিস্থিতিৰ অন্ত পৰাত ১৯৬৫ চনৰ অক্টোবৰ মাহত আমৰাংগা অঞ্চলত হিন্দু নিয়ম মতে মাধৱেনৰ লগত বিয়া হৈছিল আৰু তেওঁলোকে সুখেৰে জীৱন নিৰ্বাহ কৰিবলৈ ল'লে; কিন্তু বিয়াৰ ডেৰ বছৰ পিচতেই তেওঁৰ স্বামী মাধৱেনক হেৰুৱাবলগীয়া হৈছিল। মাধৱেনৰ মৃত্যুৰ পিচত তেওঁ কিছুদিন আমৰাংগা অঞ্চলত জীৱন কটোৱাৰ পিচত যেতিয়া তেওঁ গোৱালপাৰাৰ সৈনিক স্কুলত যোগদান কৰিছিল, সেই সময়তে চন্দ্ৰভগা দলঙৰ নিৰ্মাণ কাৰ্য চলি আছিল আৰু তাৰ অভিজ্ঞতাত তেওঁ লিখি উলিয়ায় 'চেনাবৰ স্ৰোত'। সৈনিক স্কুলত এবছৰমান থকাৰ পিচত এদিন তেওঁৰ শিক্ষাগুৰু উপেন্দ্ৰনাথ লেখাৰুৰ আহ্বানমৰ্মে তুলসী দাস আৰু মাধৱ কন্দলিৰ ৰামায়ণ চৰ্চা সন্দৰ্ভত গৱেষণা কৰিবলৈ বৃন্দাবন পায়গৈ। বৃন্দাবনত লগ পোৱা কৃষ্ণ বলিয়া বিধৱাসকলৰ জীৱনৰ যন্ত্ৰণা দেখি তেওঁ নিজৰ দুখ পাহৰিবলৈ চেষ্টা কৰিছিল। ১৯৭০ চনত তেওঁ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অৰ্থাৎ অসমীয়া বিভাগৰ প্ৰবক্তা হিচাপে যোগদান কৰে। তেওঁ কৰ্মৰত ব্যস্ততাৰ মাজে মাজে চলাই গৈছিল সাহিত্য চৰ্চা। 'কইনা', 'হৃদয়', 'চিনাকী মৰম' আদি তেওঁৰ গল্প সংকলন। 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'পৰশু পাতৰৰ নাদ' আদি উপন্যাস। তেওঁৰ আত্মজীৱনীমূলক গ্ৰন্থ 'আধালেখা দস্তাবেজ'ৰ মাজেৰে বিশেষকৈ সমাজৰ আটাইতকৈ অৱদমিত আৰু নিষ্পেষিত দুই শ্ৰেণীৰ নাৰী আৰু শ্ৰমিকৰ প্ৰতি গভীৰ অনুকম্পা প্ৰকাশ পাইছে। এনেদৰে তেওঁ অসমীয়া সাহিত্য জগতত এটা বিশেষ স্থান লাভ কৰিছিল। এই মহানুভৱ সাহিত্যিকগৰাকীৰ ২০১১ চনৰ ২৯ নৱেম্বৰত পৰলোকপ্ৰাপ্তি হয়। এই মহীয়সী নাৰীগৰাকী অসমীয়া সাহিত্য জগতত সদায় এটা নক্ষত্ৰৰ দৰে জিলিকি থাকিব। ■

# ছাত্ৰ সমাজত উচ্ছৃংখলতা



◆ নিৰূপম দাস
স্নাতক ১ম ষাণ্মাসিক (বিজ্ঞান)

ছাত্ৰসকল হ'ল এখন সমাজৰ ভৱিষ্যৎ। ভৱিষ্যতে এখন সুস্থ সমাজ গঢ় লৈ উঠে এই ছাত্ৰসকলৰ আশা তথা সপোনক লৈ। তেওঁলোকে কৰা সকলো কৰ্ম তথা আশাৰ বতৰাই যেন ভৱিষ্যৎ জীৱন তথা মানৱ সমাজক গঢ় দিয়ে। প্ৰত্যেক জাতিৰ বাবে এই ছাত্ৰ তথা নৱ প্ৰজন্মই মানৱ সম্পদ। ছাত্ৰসকল হ'ল নৱ প্ৰজন্মৰ এক শিহৰণকাৰী ভৱিষ্যতৰ উৎস; কিন্তু অতি সম্প্ৰতি বিভিন্ন ঠাইত এই ছাত্ৰ সমাজে মাজে মাজে এক উচ্ছৃংখলতাৰ সৃষ্টি কৰি বিভিন্ন ঘটনাবোৰ সংঘটিত নকৰাকৈ থকা নাই। যাৰ বাবে ছাত্ৰসকলে হয়তো ভাল-বেয়া কোনোটো দিশ ভালদৰে ল'ব নোৱাৰে; যাৰ ফলত হাতাশা আৰু বিচ্ছিন্ন মনোভাবে তেওঁলোকক অস্থিৰ কৰি পেলাইছে।

বৰ্তমান সময়ত বহুতো ছাত্ৰ-ছাত্ৰীয়ে আধুনিকতাৰ প্ৰভাৱত পৰি গুৰু-গোসাঁইৰ দৰে জ্ঞান কৰা ধাৰণাকো যেন দুভৰিৰে মোহাৰি আগুৱাই যাব লাগিছে। এই ক্ষেত্ৰত অভিভাৱকৰ উদাসীনতা আৰু তথাকথিত প্ৰাচুৰ্যই ছাত্ৰ-ছাত্ৰীসকলৰ অৱক্ষয়ৰ দিশলৈ আগবাঢ়ি যোৱাত উৎসাহ যোগাইছে। লগে লগে ছাত্ৰসকলৰ নৈতিক স্খলন ঘটাৰ লগতে ভোগবাদী শিক্ষা ব্যৱস্থা আৰু মূল্যবোধযুক্ত শিক্ষাৰ অভাৱে তেওঁলোকৰ সৎ চৰিত্ৰ গঠন কৰাৰ সলনি কু-প্ৰভাৱৰ বলি হোৱাত প্ৰেৰণা দিছে। এই ক্ষেত্ৰত অভিভাৱকৰ লগতে সামাজিক পৰিৱেশো সমানে দায়ী। সময়ৰ হাতোৰাত পৰি বহু যুৱ তথা ছাত্ৰই হাতত অস্ত্ৰ তুলি লোৱাৰ দৰে কাৰ্যই সমাজত সন্ত্ৰাসৰ সৃষ্টি কৰাও দেখা গৈছে। সহজ ধন ঘটাৰ পথ বাছি লৈ তেওঁলোকে বিভিন্ন কু-কাৰ্যত লিপ্ত হৈ পৰিছে। উচিত তথা সময়োচিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তে এক বেপেৰুৱা তথা ব্যৱসায়িক শিক্ষা ব্যৱস্থাই মূল শিক্ষাৰপৰা ছাত্ৰসকলক আঁতৰি যাবলৈ বাধ্য কৰাইছে। সেয়ে পৰিৱৰ্তিত শিক্ষা ব্যৱস্থাই যুৱ সমাজক সংস্থাপন দিব পৰা নাই। প্ৰাপ্যৰপৰা বঞ্চিত হোৱাৰ ক্ষোভত একাধিক ছাত্ৰই বিবিধ ৰাগিয়াল বস্তু; যেনে— মদ, ভাং, বিড়ি, ড্ৰাগছ আদিৰ দৰে জীৱন ধ্বংসকাৰী সামগ্ৰীৰ বলি হৈ দিক্‌ভ্ৰান্ত হৈ পৰিছে।

অশান্ত আৰু অস্থিৰ ৰাজনৈতিক পৰিস্থিতিও যুৱ উচ্ছৃংখলতাৰ অন্যতম কাৰণ। অসমত বিভিন্ন সময়ত গঢ় লৈ উঠা আন্দোলনৰ বাবেও ছাত্ৰ সমাজৰ ওপৰত কু-প্ৰভাৱ পৰিছে। অভিভাৱকসকলৰ উদাসীনতা আৰু অনুশাসনহীনতাই ছাত্ৰ সমাজৰ ভৱিষ্যৎ অন্ধকাৰ কৰি তুলিছে। সাম্প্ৰতিক কালত ভোগবাদী মানসিকতা, বিকৃত চিন্তা, হতাশা আদি বিভিন্ন কাৰকে ছাত্ৰ সমাজত বাহ লৈছে। কেতিয়াবা কেতিয়াবা ৰাজনৈতিক শক্তিৰ ফলতো ছাত্ৰ সমাজৰ স্খলন হোৱা দেখা যায়। যাৰ ফলত তেওঁলোকে ৰাজনৈতিক দলৰ হাতৰ পুতলাৰ দৰে বিভিন্ন সমাজ বিৰোধী কাৰ্যত লিপ্ত হ'বলগা হয়। এই ক্ষেত্ৰত ছাত্ৰ সমাজ সদায় সচেতন হোৱাটো অতি প্ৰয়োজন।

সমাজ পৰিৱৰ্তনশীল। গতিকে পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত ছাত্ৰসকলে সদায় সমাজখনৰ গুৰুত্বপূৰ্ণ দিশসমূহৰ প্ৰতি মনোনিৱেশ কৰিব লাগে। বিশেষকৈ মনোৰঞ্জনৰ মাধ্যম; যেনে— দূৰদৰ্শন, চিডি, চিনেমা, ম'বাইল আদিৰ দৰে মাধ্যমসমূহে ছাত্ৰসকলক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। এই ক্ষেত্ৰত সমাজত বিভিন্ন হত্যা, ধৰ্ষণ, অপৰাধ আদিৰ দৰে ঘটনা সংঘটিত হৈছে। সস্তীয়া চিনেমাই ছাত্ৰসকলক তেনে হোৱাৰ অলীক কল্পনাৰ ৰাজ্যলৈ লৈ গৈছে। বিভিন্ন ধৰণৰ অশ্লীল কিতাপ-আলোচনীৰ প্ৰকাশ, ম'বাইল আৰু ইণ্টাৰনেটৰ অপব্যৱহাৰ আদিয়ে ছাত্ৰ-ছাত্ৰীসকলক বেয়াৰ দিশলৈ লৈ গৈছে।

ছাত্ৰ সমাজত দেখা দিয়া সকলো উচ্ছৃংখলতাৰ মূল কাৰণ যদিও ওপৰত উল্লেখ কৰা ধৰণে হয়, তথাপিতো এনে উচ্ছৃংখলতাক সহজে দূৰ কৰাৰ কিছুমান উপায়ো আছে। বিশেষকৈ অভিভাৱক, সমাজ, শৈক্ষিক প্ৰতিষ্ঠান আদিয়ে দায়িত্ব বহন কৰিব লাগিব; যাতে ছাত্ৰসকলে ভৱিষ্যতে কোনো ধৰণৰ বেয়া দিশেৰে গতি কৰিব নোৱাৰে। সেয়ে তেওঁলোকে ছাত্ৰসকলক সৃষ্টিশীল প্ৰতিভা বিকাশৰ বাবে নৃত্য, গীত, নাটক আদিৰ শিক্ষা প্ৰদান কৰিব লাগিব। এই ক্ষেত্ৰত সমানে জগৰীয়া দেশৰ চৰকাৰখনো। সকলো ধৰণৰ সুবিধা প্ৰদান কৰি ছাত্ৰসকলক সঠিক দিশে আগুৱাই নিয়াত সহায় কৰিব পাৰিলেহে তেওঁলোক লক্ষ্যত উপনীত হ'ব পাৰিব। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক কোনটো দিশ ভাল বা বেয়া, তাক ভালদৰে বিচাৰ-বিশ্লেষণৰদ্বাৰা বুজাই দিব লাগিব। তেতিয়াহে এই উচ্ছৃংখলতা দূৰ হোৱাত সহায়ক হ'ব। তদুপৰি বিভিন্ন ৰাগিয়াল দ্ৰব্য সেৱনৰপৰা যে দেহৰ অনিষ্ট সাধন হয়, সেই কথা ছাত্ৰ-ছাত্ৰীসকলক ভালদৰে বুজাই দিব লাগে; যাতে তেনে দ্ৰব্য ব্যৱহাৰৰপৰা সদায় বিৰত থাকে। অতি সাম্প্ৰতিক কালত দেখা দিয়া ছাত্ৰ সমাজৰ বিপথগামিতাই সামাজিক প্ৰগতিৰ পথত অন্তৰায় হৈ পৰিব পাৰে। সেয়ে এনে ধৰণৰ উচ্ছৃংখলতাক প্ৰতিৰোধ কৰাৰ উপায় সোনকালে অৱলম্বন কৰিলে হয়তো এখন সুন্দৰ ভৱিষ্যৎ মানৱ সমাজ গঢ় লৈ উঠিব। ■

# সাম্প্ৰতিক সময়ত মহাপুৰুষ শংকৰদেৱৰ প্ৰাসংগিকতা

◆ তনুশ্ৰী চৌধুৰী
স্নাতকোত্তৰ ৩য় যাণ্মাসিক (কলা)



**অ**সমীয়া জাতিৰ লাইখুঁটা তথা মেৰুদণ্ডস্বৰূপ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম নগাঁও জিলাৰ বৰদোৱাৰ আলিপুখুৰীত ১৪৪৯ চনত কুসুম্বৰ ভূঞাৰ ঔৰসত আৰু সত্যসন্ধ্যাৰ গৰ্ভত হয়। নৱবৈষ্ণৱ ধৰ্মৰ বীজ ৰোপণ কৰা এই মহাপুৰুষজনাৰ যি অৱদান, সেয়া অসমীয়া তেজে চলাচল কৰি থকা প্ৰতিজন অসমীয়াৰেই চিৰস্মৰণীয়। তেওঁৰ একশৰণ নামধৰ্মৰ প্ৰভাৱ আৰু বিস্তাৰে তেওঁৰ যি বিষ্ণুৰ মাহাত্ম্যৰ প্ৰকাশৰ উদ্দেশ্য আছিল, সেয়া সিদ্ধি হ'ল।

সত্ৰৰ প্ৰতিষ্ঠা আৰু নামধৰ্মৰ প্ৰচাৰেৰে অসমীয়া জনসমাজত যি পৰিচয় দাঙি ধৰিছে, সেই ক্ষেত্ৰত কোনো অসমীয়াই অজ্ঞ নহয়। ধৰ্ম ব্যৱস্থাক যেন মহাপুৰুষজনাই এক নিৰ্দিষ্ট গতিলৈহে আনিছিল। ইয়াতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰিয় শিষ্য মাধৱদেৱৰ কথাক আমি উলাই কৰিলে নহ'ব। তেখেতসকলৰ অসমীয়া সমাজলৈ যি অৱদান, সেয়া সঁচাকৈয়ে প্ৰতিজন অসমীয়াৰে আজিও জ্ঞাত; কিন্তু সাম্প্ৰতিক সময়ছোৱাত এই মহাপুৰুষজনাৰ প্ৰাসংগিকতাৰ ওপৰত সন্ত্ৰাসৰ ছাঁই বেৰি বেৰি ধৰিছে। এয়া হয়তো অত্যাধুনিকতাৰ প্ৰভাৱ অথবা যান্ত্ৰিকতাৰ প্ৰচুৰতা।

যিয়েই নহওক, সাম্প্ৰতিক সময়ছোৱাত যে পাশ্চাত্যৰ প্ৰভাৱ অথবা পশ্চিমীয়া বতাহে অসমীয়া জনসমাজক পূৰ্বৰ অৱদান তথা ইতিহাসৰপৰা ক্ৰমে আঁতৰাই নিবলৈ আৰম্ভ কৰিছে, এই কথাটোকো আমি নুই কৰিব নোৱাৰোঁ। যাৰ বাবে আজি জাতি-মাটি-ভেটি-ভাষাৰ অস্তিত্বত ত্ৰাসৰ সৃষ্টি হৈছে। মানুহ বাস্তৱবাদী হোৱাটো প্ৰয়োজন; কিন্তু এনেদৰে নহয়— যাতে পূৰ্বৰ অস্তিত্বক খণ্ডন কৰি পিচলৈ অস্তিত্ব হেৰুওৱাৰ শংকাত ভূগিব লাগে।

মহাপুৰুষ শংকৰদেৱে প্ৰতিজন অসমীয়াকেই একতাৰ ডোলেৰে বন্ধাৰ উদ্দেশ্যে আৰু মানুহে যাতে ঈশ্বৰত বিশ্বাস ৰাখে, ধৰ্মত বিশ্বাস ৰাখে, কোনো সমাজ বিৰোধী কাম হাতত নলয়; তাৰ হকে বিভিন্ন যুগমীয়া, কালজয়ী কাৰ্য সম্পাদন কৰি থৈ গৈছিল। কিন্তু পশ্চিমীয়া বতাহে অসমীয়াৰ মন-মগজুৰপৰা সকলোবোৰ ঢাকি পেলালে। বাস্তৱতাৰ নামত ধৰ্মক উলাই কৰি গুৰুজনাক অৱজ্ঞা কৰি তীব্ৰতৰ ৰূপত বিভিন্ন সমাজ বিৰোধী কাম কৰিবলৈ লৈছে। দেশত ক্ৰমাৎ হত্যা, লুণ্ঠন, ধৰ্ষণ, অন্যায় তথা অপ্ৰীতিকৰ পৰিস্থিতিয়ে বিৰাজ কৰিবলৈ লৈছে। এয়া কোনো পৰিস্থিতিৰ জেহাদ নহয়, প্ৰতিজন নাগৰিকৰে অল্পবিদ্যা আৰু অজ্ঞানতাৰ প্ৰভাৱ।

মানুহ বাস্তৱমুখী হ'ব লাগে; কিন্তু এনেদৰে নহয়— যি দেশত অশান্তিৰ সৃষ্টি কৰিব পাৰে। দেশৰপৰা, মনৰপৰা অন্ধবিশ্বাস দূৰ কৰিবলৈ হ'লে বাস্তৱতাক গ্ৰহণ কৰাটো নিতান্তই জৰুৰী; কিন্তু জাতি প্ৰতিষ্ঠা কৰা, অসমীয়া বুলি বুকু ফিন্দাই ক'ব পৰাকৈ অস্তিত্বৰ প্ৰতিষ্ঠা কৰা মহাপুৰুষজনাৰ অৱদানক অৱজ্ঞা কৰি নহয়।

গীতা-ভাগৱত সমগ্ৰ দেশবাসীয়ে কেতিয়াবা তেওঁলোকৰ বুলি ক'ব পাৰিলেও মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়ালৈ অন্যতম অৱদান 'কীৰ্তনঘোষা' কেৱল যে অসমীয়াৰেই, এই কথা আমি বিনাদ্বিধাই ক'ব পাৰোঁ।

বৰ্তমান সময়ত অসমীয়া মাধ্যমৰ স্কুলত নপঢ়োৱাৰ সিদ্ধান্ত লোৱা সমস্যাটোৱেও চাগে' মহাপুৰুষকেইজনাৰ অৱদানক জনাৰপৰা বিৰত ৰাখিছে; কিন্তু প্ৰতিজন অভিভাৱকৰে দায়িত্ব যে, নিজৰ সন্তানক নিজৰ স্বকীয়তাৰ বিষয়ে জ্ঞাত কৰক। অত্যাধুনিকতাৰ মাজলৈ এনেদৰে ঠেলি নিদিয়ক, যাতে পিচলৈ নিজৰ জাতি, মাটি, পৰিচয়ত ভাবুকি আহি পৰে। এই কথাৰ প্ৰতি সজাগ হোৱাটো প্ৰতিজন অসমীয়াৰেই সময় সম্প্ৰতি তাকৰ।

আমাৰ নৱ প্ৰজন্মৰো বৰ্তমান কৰণীয় বহুত কামেই আধৰুৱা হৈ পৰি ৰৈছে। প্ৰতিজন সজাগ ব্যক্তিয়ে নৱ প্ৰজন্মৰ উত্তৰাধিকাৰীসকলৰ মাজত মহাপুৰুষজনাৰ অস্তিত্ব আৰু অৱদানৰ বিষয়ে অৱগত কৰাই সুন্দৰ ৰূপে প্ৰতিষ্ঠা কৰোৱাত আগবাঢ়ি আহিব লাগিব। ■

# অসমীয়া চলচ্চিত্ৰৰ উত্তৰণ আৰু জুবিন গাৰ্গৰ ছবি



◆ **মনিষা দাস**
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)

চলচ্চিত্ৰ উদ্যোগ হৈছে এটা অতি শক্তিশালী মাধ্যম; যাৰ জৰিয়তে মানুহক নিজৰ কৃষ্টি-সংস্কৃতিৰ সৈতে একাত্ম কৰি ৰাখিব পাৰি। এই উদ্যোগে সমাজ সংস্কৰণকে আদি কৰি আন বহুতো দিশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। অতি গৌৰৱৰ বিষয় যে, অসমীয়া চলচ্চিত্ৰ উদ্যোগেই হৈছে ভাৰতবৰ্ষৰ তৃতীয়টো পুৰণি চলচ্চিত্ৰ উদ্যোগ। ১৯৩৫ চনতেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে নিৰ্মাণ কৰি উলিয়াইছিল প্ৰথমখন অসমীয়া ছবি 'জয়মতী'। ১৯৩৯ চনত আকৌ তেখেতেই নিৰ্মাণ কৰিছিল 'ইন্দ্ৰমালতী' নামেৰে দ্বিতীয়খন অসমীয়া চলচ্চিত্ৰ। ইয়াৰ পিচতেই লাহে লাহে ভালেসংখ্যক অসমীয়া ছবি নিৰ্মাণ হ'বলৈ ধৰিছিল।

কিন্তু সেই দিনতেই আন ভাষাৰ চলচ্চিত্ৰ উদ্যোগৰ সৈতে ফেৰ মাৰিবলৈ সক্ষম হোৱা আমাৰ অসমীয়া চলচ্চিত্ৰ উদ্যোগটোৱে আজি বাৰুকৈয়ে মুখ ঠেকেচা খাইছে। এটা চলচ্চিত্ৰ উদ্যোগ হ'বলৈ হ'লে কিছুমান বিশেষত্ব থকাটো প্ৰয়োজনীয়। এটা উদ্যোগ হিচাপে পৰিগণিত হ'বলৈ হ'লে এটা বৰ্ষত যিমান সংখ্যক চিনেমা মুক্তিলাভ কৰিব লাগে, সিমান সংখ্যক চিনেমা আমাৰ উদ্যোগটোৱে বিগত কেইটামান বছৰত নিৰ্মাণ কৰিব পৰা নাছিল। দপ্‌দপাই থকা উদ্যোগটোৰ যেন ক'ৰবাত কালিকাহে লাগিল। যিটো হাৰত অসমীয়া মানুহে অসমীয়া চিনেমা চাবলৈ গৈছিল, সেইটো হাৰত মানুহে অসমীয়া চিনেমা নোচোৱা হ'ল।

এটা সময়ত অসমীয়া চলচ্চিত্ৰৰ ভাল দিন চলিছিল। বহু চলচ্চিত্ৰই ভাল ব্যৱসায় কৰিবলৈ সক্ষম হৈছিল। তেতিয়াই 'আদাক দেখি উঠিল গা, কেতুৰীয়ে বোলে মোকো খা'ৰ লেখীয়াকৈ জানক নাজানক বহুতেই চিনেমা নিৰ্মাণত আগ্ৰহী হ'ল। ফলত ভাল ছবিৰ তুলনাত বেয়া ছবিয়েও মুক্তিলাভ কৰিলে। দুৰ্বল কাহিনী, অভিনয়, পৰিচালনাৰে নিৰ্মিত ছবিয়ে উদ্যোগটোক গ্ৰাস কৰি পেলালে। ইয়াৰ উপৰিও চিনেমা এখনক ৰাইজৰ মাজলৈ নিবলৈ যিমানখিনি প্ৰমোচনৰ প্ৰয়োজন, অসমীয়া চিনেমাৰ প্ৰযোজকসকলে সেয়া কৰিবলৈ কৃপণালি কৰা দেখা যায়। ফলস্বৰূপে অসমীয়া মানুহেও অসমীয়া চিনেমা চোৱা কমাই দিলে আৰু আঁকোৱালি ল'লে বলীউড, হলীউড তথা আন ভাষাৰ চলচ্চিত্ৰ উদ্যোগৰ ছবিসমূহ। অসমৰ চলচ্চিত্ৰ উদ্যোগটোত ই বাৰুকৈয়ে কু-প্ৰভাৱ পেলালে।

তদুপৰি অসমৰ চিনেমা হলৰ পৰিমাণ আঙুলিৰ মূৰত গণিব পাৰি। অসমৰ জনসংখ্যাৰ বিপৰীতে অসমত থকা হলৰ সংখ্যা তেনেই তাকৰ। যাৰ ফলত বেছি বাজেটৰ চিনেমা নিৰ্মাণ কৰিবলৈ প্ৰযোজকেও ভয় খায়। ফলত চিনেমাবোৰৰ মানদণ্ড বহু নিম্নখাপৰ হৈ ৰয়।

অৱশ্যে এটা কথা, আমি সকলো অসমীয়া চিনেমা চাবলৈ হললৈ নাযাওঁ হয়; কিন্তু যিকেইখন ভাল অসমীয়া চিনেমা নিৰ্মিত হয়, সেইকেইখন উপভোগ কৰিবলৈ যোৱাটো আমাৰ দায়িত্ব। জাতীয়তাবোধেও আমাক নিজ ভাষাৰ চিনেমা চাবলৈ বাধ্য কৰিব পাৰে। উদাহৰণস্বৰূপে আমি ক'ব পাৰোঁ— দাক্ষিণাত্য (South)ৰ চলচ্চিত্ৰ উদ্যোগৰ কথা। তেওঁলোকে নিজ ভাষাত নিৰ্মিত প্ৰায় সকলো চিনেমাক আঁকোৱালি লয়। সেইবাবেই তেওঁলোকৰ চলচ্চিত্ৰ উদ্যোগটো আজি আটাইতকৈ শক্তিশালী।

মুঠৰ ওপৰত এনেকুৱা বিভিন্ন ধৰণৰ সমস্যাৰে জৰ্জৰিত আমাৰ চিনেমা উদ্যোগ। ক্ৰমাৎ ব'ঠাবিহীন নাও এখনলৈ ৰূপান্তৰিত হ'বলৈ লোৱা এই উদ্যোগটোক ব'ঠা এখনৰ অতিকৈ প্ৰয়োজন হৈছিল। এনে সময়তে যেন নাওখনক পাৰলৈ নিয়াৰ সংকল্পেৰে আগুৱাই আহিল আটাইৰে প্ৰাণৰ শিল্পী জুবিন গাৰ্গ। ৯০ৰ দশকত পাশ্চাত্য সংগীতৰ প্ৰতি আগ্ৰহী হোৱা অসমবাসীক নিজৰ সংগীতেৰে মোহাচ্ছন্ন কৰি যিদৰে তেওঁ অসমীয়া সংগীতজগতক উদ্ধাৰ কৰিছিল, ঠিক তেনেদৰেই এইবাৰ যেন তেওঁ অসমীয়া চলচ্চিত্ৰৰ




‘মিছন চাইনা’ আৰু ‘কাঞ্চনজংঘা’ই প্ৰমাণ কৰি দেখুৱালে যে, অসমৰ মানুহে অসমীয়া চিনেমা চায় তথা অসমীয়া চিনেমা এখনেও কোটি টকাৰ ঘৰত ব্যৱসায় কৰিব পাৰে; কিন্তু এই দুখন চিনেমা ব্যৱসায়ৰ ক্ষেত্ৰত ইমান সফল হ’ল বুলিয়েই যে আন সকলো অসমীয়া চিনেমায়ো ভাল টকাৰ ব্যৱসায় কৰিব, তাৰ কোনো নিশ্চয়তা নাই। কিয়নো জুবিন গাৰ্গৰ যিটো ষ্টাৰডম (Stardom) তথা ফেন ফ’ল’ৱিং (Fan Following), সেয়া অসমৰ আন শিল্পীৰ ক্ষেত্ৰত খুব কমকৈ পৰিলক্ষিত হয়।

উদ্ধাৰ অভিযানত নামি পৰিল। এই উদ্দেশ্য আগত ৰাখিয়েই অসমীয়া চিনেমাৰ আটাইতকৈ দুৰ্দিনৰ সময়ত তেওঁ ২-৫ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰি উলিয়ায় অসমীয়া চলচ্চিত্ৰ ইতিহাসৰ আটাইতকৈ ব্যয়বহুল চিনেমা ‘মিছন চাইনা’। এই চিনেমাখনৰদ্বাৰা অসমীয়া চলচ্চিত্ৰৰ সুদিন ঘূৰাই আনিবলৈ তেওঁ দিন-ৰাতি একাকাৰ কৰি দিছিল। ক’ব পাৰি যে, ‘মিছন চাইনা’ হৈছে সঠিক সময়ত সঠিক ব্যক্তিজনৰ সঠিক পদক্ষেপ। মৃতপ্ৰায় অসমীয়া ছবি উদ্যোগক এই চলচ্চিত্ৰখনে যেন সাৰ-পানী যোগান ধৰিলে। যিটো সময়ত অসমৰ মানুহে অসমীয়া চিনেমা চাবলৈ কোনো ধৰণৰ আগ্ৰহ নকৰিছিল, তেনে দুৰ্দিনৰ সময়তে ‘মিছন চাইনা’ই প্ৰায় ৫ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হ’ল। তদুপৰি ‘মিছন চাইনা’ অসমীয়া চলচ্চিত্ৰ জগতৰ সেই সময়ৰ আটাইতকৈ সফল চলচ্চিত্ৰৰূপেও পৰিগণিত হ’ল। ইয়াৰ পৰৱৰ্তী সময়ত বহুতো প্ৰযোজক-পৰিচালক পুনৰ অসমীয়া চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ আগবাঢ়ি আহিল তথা ভালেকেইখন অসমীয়া চিনেমাই সফলতা অৰ্জন কৰিবলৈ সক্ষম হ’ল।

‘মিছন চাইনা’ৰ সীমাহীন সফলতাৰ পিচত জুবিন গাৰ্গে পুনৰ নিৰ্মাণ কৰি উলিয়ায় ‘কাঞ্চনজংঘা’। প্ৰায় ১.৫ কোটি টকাৰ বাজেটেৰে নিৰ্মিত ‘কাঞ্চনজংঘা’ই ব্যৱসায়ৰ ক্ষেত্ৰত ‘মিছন চাইনা’কো চেৰ পেলালে। ‘কাঞ্চনজংঘা’ৰ মুক্তিৰ পূৰ্বলৈ উত্তৰ-পূৰ্বাঞ্চলত আটাইতকৈ বেছি টকাৰ ব্যৱসায় কৰা ছবিখন আছিল ‘বাহুবলী-২’। কিন্তু ‘কাঞ্চনজংঘা’ই প্ৰায় ৬ কোটি টকাৰ ব্যৱসায়েৰে ‘বাহুবলী-২’ক অতিক্ৰম কৰি উত্তৰ-পূৰ্বাঞ্চলত ব্যৱসায়িকভাৱে আটাইতকৈ সফল ছবি হিচাপে পৰিগণিত হ’ল; যিটো সমগ্ৰ অসমবাসীৰ বাবে গৌৰৱৰ কথা।

‘মিছন চাইনা’ আৰু ‘কাঞ্চনজংঘা’ই প্ৰমাণ কৰি দেখুৱালে যে, অসমৰ মানুহে অসমীয়া চিনেমা চায় তথা অসমীয়া চিনেমা এখনেও কোটি টকাৰ ঘৰত ব্যৱসায় কৰিব পাৰে; কিন্তু এই দুখন চিনেমা ব্যৱসায়ৰ ক্ষেত্ৰত ইমান সফল হ’ল বুলিয়েই যে আন সকলো অসমীয়া চিনেমায়ো ভাল টকাৰ ব্যৱসায় কৰিব, তাৰ কোনো নিশ্চয়তা নাই। কিয়নো জুবিন গাৰ্গৰ যিটো ষ্টাৰডম (Stardom) তথা ফেন ফ’ল’ৱিং (Fan Following), সেয়া অসমৰ আন শিল্পীৰ ক্ষেত্ৰত খুব কমকৈ পৰিলক্ষিত হয়। যাহওক, জুবিন গাৰ্গৰ এই দুখন চিনেমাই বহুতক পুনৰ অসমীয়া চিনেমা নিৰ্মাণৰ বাবে সাহস প্ৰদান কৰিলে। গতিকে ‘মিছন চাইনা’ আৰু ‘কাঞ্চনজংঘা’ চিৰদিনৰ বাবে অসমীয়া চলচ্চিত্ৰৰ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈ ৰ’ব। যাৰ কাৰণে অসমৰ চলচ্চিত্ৰপ্ৰেমী জুবিন গাৰ্গৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিব।

সদৌ শেষত আশা কৰিলোঁ যে, নিৰ্মাতাসকলেও উন্নত মানদণ্ডৰ চিনেমা নিৰ্মাণ কৰি যাব আৰু অসমীয়া ৰাইজেও ভাল চিনেমাসমূহ চাবলৈ সদায় আগবাঢ়ি আহিব। অসমীয়া চলচ্চিত্ৰৰ এই উন্নতিৰ যাত্ৰা চিৰদিন অব্যাহত থাকক— তাৰেই কামনাৰে। ■



# নাৰীশক্তি

◆ কৃষ্ণাংগিনী দাস
স্নাতক ৪ৰ্থ ষাণ্মাসিক (কলা)

সমাজ গঠনত নাৰীৰ শক্তি অপৰিসীম। যুগে যুগে দেখি অহা হৈছে পুৰুষ আৰু নাৰীৰ সহযোগত সমাজৰ গঠনমূলক চিন্তাৰ সু-প্ৰতিফলন।

সংস্কৃত 'নৰ' শব্দৰ স্ত্ৰীলিংগ ৰূপ নৰ+ঈ=নাৰী। 'নাৰী' শব্দটোৰ আভিধানিক অৰ্থ হৈছে— তিৰোতা, ললনা, বনিতা, মহিলা, অৱলা, বালা আদি। নাৰী শব্দৰ অৰ্থৰ বিশালতাক লৈ চীন দেশত নাৰীক মাং-চে-টুঙে 'অৰ্ধ আকাশ' বুলি অভিহিত কৰে। অৰ্থাৎ অৰ্ধ আকাশ নাৰীৰ অধীনত। নাৰী একে সময়তে কেতিয়াবা মাতৃ, পত্নী, ভগ্নী, বোৱাৰী, জীয়ৰী আদি বিভিন্ন সম্বন্ধৰে জড়িত হৈ আছে।

মনুষ্য জীৱনত তিনিবিধ গুৰুৰ সম্বন্ধ হয়; যেনে— (ক) আদিগুৰু— পিতৃ-মাতৃ, (খ) শিক্ষাগুৰু— শিক্ষক-শিক্ষয়িত্ৰী, (গ) শৰণদাতা গুৰু বা সদ্গুৰু। আদিগুৰু পিতৃ-মাতৃ বুলি কওঁতে মাতৃয়ে আমাক দহ মাহ দহ দিন গৰ্ভত ধাৰণ কৰি কতনা কষ্ট স্বীকাৰ কৰি আমাক বিনন্দীয়া ধৰাত জন্ম দিয়ে। নাখালে খুৱাই দিয়ে, নুশুলে শুৱাই দিয়ে, পৰিষ্কাৰ-পৰিচ্ছন্নকৈ শিশু অৱস্থাত পৰিচৰ্যা কৰে। মাতৃৰ জৰিয়তে আমি প্ৰথম শব্দব্ৰহ্মৰ জ্ঞান পাওঁ; যেনে— পিতা, মা, মামা, বাইদেউ, দাদা আদি শব্দৰ লগত পৰিচয় হ'ব পাৰোঁ। মাতৃৰপৰাই আমি মাতৃভাষাৰ জ্ঞান পাওঁ। মাতৃভাষাৰ প্ৰাৰম্ভিক জ্ঞানৰ লগতে ঘৰুৱা পৰিৱেশ, চৌপাশৰ সামগ্ৰিক জ্ঞান লাভ কৰিব পাৰোঁ; পৰিৱেশৰ লগত শব্দৰ পৰিচয় হ'ব পাৰোঁ। শিশুকালত মাতৃগৰাকীয়ে চলন-ফুৰণত আগভাগ লয়— যাবলগীয়া, নাযাবলগীয়া সকলোৰে জ্ঞানবোধ দিয়ে। ঠিক সেইদৰে আচাৰ-ব্যৱহাৰ আদিতো মাতৃগৰাকীয়ে আগভাগ লয়। ডাঙৰক সন্মান কৰা, পিতৃ-মাতৃ, দাদা, পেহী, খুড়া, ভাই-ভনীক সন্মান কৰিবলৈ শিক্ষা দিয়ে। শিশুকালৰপৰা ঈশ্বৰক ভক্তি কৰাৰ প্ৰয়োজন, তেতিয়াহে মানুহে পিচলৈ এজন সংযমী আৰু বৌদ্ধিক বিকাশসম্পন্ন পুৰুষৰূপে গঢ় দিব পাৰিব। মাতৃয়ে শিশুক 'জীৱনত কৰ্ম কৰি খাব লাগিব', সেই হেতু বিভিন্ন কৰ্মৰ নমুনা দেখুৱায়। নাম-কীৰ্তন, প্ৰাৰ্থনা, সৎসংগ আদিৰ জৰিয়তে মাতৃয়ে শিশুক এজন আধ্যাত্মিক গুণসম্পন্ন ব্যক্তি হিচাপে গঢ় দিবলৈ প্ৰয়াস কৰে। এই সমুদায় চৰিত্ৰ ৰূপায়ণ কৰোঁতে নাৰী সদায় হ'ব লাগে সাহসী, ত্যাগী, মমতাময়ী, কষ্টসহিষ্ণু, ধৈৰ্যশীলা, সৌন্দৰ্যময়ী আদি বিভিন্ন গুণৰ অধিকাৰী। নাৰী অবিহনে সমাজৰ উন্নতি কৰা বৃথা চেষ্টা। নাৰী-পুৰুষৰ বাবে বাটৰ লগৰী, গৃহ-সংসাৰৰ সমস্যা সমাধানৰ ক্ষেত্ৰত নাৰী হৈছে চালিকাশক্তি।

গীতা শাস্ত্ৰত নাৰীৰ গুণ উল্লেখ কৰা হৈছে— কীৰ্তি, শ্ৰী, বাক্, স্মৃতি, মেধা, ধৃতি, ক্ষমা। এই গুণৰাশিৰদ্বাৰা নাৰী এগৰাকী সৰ্বাংগ সুন্দৰী হ'ব পাৰে। এই গুণৰ বশৱৰ্তী হৈ নাৰী এগৰাকীয়ে দেশৰ তথা সমাজৰ উন্নতি কৰিব পাৰে। তাৰ বাবে নাৰীগৰাকী সু-চৰিত্ৰৱান,

সু-শিক্ষিতা, সুশীলা হোৱা বাঞ্ছনীয়। মাতৃয়ে ঘৰখনতে শিশুৰ বাবে বিদ্যালয়স্বৰূপ হৈ পৰে। আদিপাঠ শিকোৱা শিক্ষাগুৰু হৈ পৰে। তেনে পৰিপ্ৰেক্ষিতত সমাজত মাতৃ জাতিক সমীহ প্ৰদান কৰা আমাৰ প্ৰতিগৰাকী নাগৰিকৰে মৌলিক কৰ্তব্য।

আদিম বৈদিক যুগৰপৰা বৰ্তমান যুগলৈ নাৰীৰ শক্তি চিৰ অম্লান। অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, মনঃস্তাত্ত্বিক, আধ্যাত্মিক, শৈক্ষিক, সাংস্কৃতিক আদি বিভিন্ন সংক্ৰান্তত গৌৰৱ কঢ়িয়াই আনিছে। মাতৃ জাতিৰ অৱিহণা মানৱ সভ্যতাৰ উন্নতিত চিৰ স্মৰণীয়। সমাজৰ উত্তৰণত নাৰী পুৰুষৰ সমানেই আদৰণীয়। পুৰুষে নাৰীক উপভোগ্য সামগ্ৰী হিচাপে গণ্য নকৰি সংসাৰ যাত্ৰাৰ এক হিতৈষী লগৰী হিচাপে ব্যৱহাৰ কৰিলে পৰিয়ালৰ শান্তি-সমৃদ্ধি হ'ব। অৱশ্যে পুৰুষজনেও মহিলাগৰাকীৰপৰা ন্যায্য প্ৰাপ্য অধিকাৰ পাব লাগিব। নাৰী পুৰুষৰ বাবে প্ৰেৰণাৰ প্ৰতীক। এনে স্তৰত নাৰীগৰাকীয়ে ধৈৰ্য, ক্ষমা, দয়া, মৰম, নিঃস্বাৰ্থ, দুখ, যন্ত্ৰণা আদি গুণ বহনকাৰীৰ ভূমিকা ল'বলগীয়া হয়। তথাপিও যুগে যুগে আমাৰ তথাকথিত সভ্য সমাজত নাৰী সদায় অৱহেলিত, নিৰ্যাতিত হৈয়ে আহিছে। সমাজত দেখা যায়— এহাতে মাটিৰে নিৰ্মিত নিমাত মূৰ্তিত দেৱী মা আখ্যাৰে ভূয়সী প্ৰশংসা, হিয়া উজাৰি শ্ৰদ্ধা-ভক্তি নিৱেদন কৰে; তাৰ সমান্তৰাল গতিত জীৱন্ত মাতৃক, সবাক মাতৃক বৰ্ণনাতীত নিৰ্যাতন কৰি মনুষ্য সভ্যতাক বাৰে বাৰে অপমান কৰা দেখা যায়। খেৰসূতী, আই কনকলতা, সতী ৰাধিকা, বলাই মাতৃ, গাৰ্গী, মৈত্ৰেয়ী, সীতা, কুন্তী, দ্ৰৌপদী, মীৰাবাঈ, লক্ষ্মীবাঈ, জয়মতী, কনকলতা, কস্তুৰবা, সৰোজিনী নাইডু, বিজয়লক্ষ্মী পণ্ডিত, মাডাৰ টেৰেছা, নলিনীবালা দেৱী, বিষ্ণুবালা ৰাভা, কল্পনা চাওলা, চন্দ্ৰপ্ৰভা শইকীয়া, মামণি ৰয়ছম গোস্বামী আদিয়ে বিভিন্ন দিশত প্ৰভূত বৰঙণি আগবঢ়াই যুগান্তৰ খ্যাতি অৰ্জন কৰি হৈছে। লগতে নাগাৰাণী গাইডালো, অমলপ্ৰভা, সুস্মিতা উইলিয়াম্‌ছ, অমৃতপ্ৰভাকো উল্লেখ কৰিব পাৰি। বিশ্বত দেখা গৈছে, নাৰীসকলৰ ভিতৰত দেশহিতৈষী, মহাকাশচাৰী, প্ৰশাসক, ধৰ্মপ্ৰচাৰক, স্বাধীনতা সংগ্ৰামী, সাহিত্যিক, সমাজসেৱিকা, শ্বহীদ আদি প্ৰতিভাধৰ, শক্তিধৰ বিদ্যমান। তাৰ বিপৰীতে আজি বিশ্বত নাৰীশক্তিক অৱহেলা কৰা হৈছে। আজি আমাৰ সমাজ ব্যৱস্থাত নাৰীয়ে যৌনকৰ্মী, বাৰগাৰ্ল, শয্যাসংগীৰূপে জীৱনৰ পথ অৱলম্বন কৰি ল'বলগা হৈছে (সকলোৰে ক্ষেত্ৰত নহয়); যান্ত্ৰিক যুগৰ সভ্যতাই হিংসা, অন্যায়, অধিকাৰ আদিৰে পৰিপূৰ্ণ সমাজৰ সৃষ্টি কৰিছে। মানৱতা আৰু মূল্যবোধৰ অভাৱে আমাক 'আত্মকেন্দ্ৰিক' কৰি তুলিছে। আজি সমাজৰ বিশৃংখল ৰূপ চাক্ষুষ হৈছে।

মূল্যবোধ হ'ল জীৱনৰ শীৰ্ষতম আদৰ্শ। ১৯৭৪ চনত আমাৰ ভাৰত ৰাষ্ট্ৰৰ শিক্ষা আৰু গৱেষণা পৰিষদে চিনাক্ত কৰি দিয়া মূল্যবোধৰ বিষয়কেইটা হ'ল— অহিংসা, সহানুভূতি, পৰিষ্কাৰ-পৰিচ্ছন্নতা, আনৰ সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন, সামাজিক দায়িত্ববোধ, নম্ৰতা, মানৱতাবোধ, দেশপ্ৰেম, সংযম আদি। সঁচাকৈয়ে ৰাষ্ট্ৰৰ হাতত দেশ গঠন তথা নাৰীশক্তিক সমীহ কৰি চলাটো এক বলিষ্ঠ পদক্ষেপ আছে। মহান মূল্যবোধ শিক্ষাক আশ্ৰয় কৰি চলিলে আমাৰ প্ৰকৃত শিক্ষিত

কেতিয়াবা নাৰী Home Worker, House Makerৰ ৰূপত দেখা দিয়ে। গৃহস্থৰ ৰন্ধন কাৰ্যকে আদি কৰি অতিথি শুশ্ৰূষা, পৰিৱেশৰ নিকাকৰণ, গৃহস্থৰ যাৱতীয় পৰিচালনাকে আদি কৰি সকলো ক্ষেত্ৰতে নাৰীগৰাকী পৰিচালনাৰ মধ্যমণিৰূপে থিয় দিছে। সম্প্ৰতি সমাজত প্ৰচলিত মহিলা সবলীকৰণ আঁচনি, আত্মসহায়ক গোট আদি আঁচনিৰদ্বাৰা নাৰীশক্তি অধিক শিক্ষিতা, সমাজমুখী হোৱা দেখা যায়। নাৰীশক্তিয়ে কু-সংস্কাৰ নিৰ্মূলকৰণ, অন্ধবিশ্বাস আঁতৰোৱা, ডাইনী হত্যাৰ দৰে সমাজ বিধ্বংসী ঘটনাক বাৰণ কৰা, জন্ম নিয়ন্ত্ৰণ কাৰ্যসূচীত আগভাগ ল'ব লাগিব।

মানুহ দেশত বহুতো সৃষ্টি হ'ব। মূল্যবোধৰ প্ৰৱণতাই আমাক মাতৃ জাতিক শ্ৰদ্ধা কৰিব শিকাব, সমাজ উত্তৰণত সম্ভৱ হ'ব। নাৰীশক্তিক অধিক কাৰ্যক্ষম কৰাৰ বাবে চৰকাৰে লোৱা 'বেটী বচাও', 'বেটী পঢ়াও' আঁচনি সঁচাকৈয়ে প্ৰশংসনীয়। ইয়াৰদ্বাৰা দেশৰ নাৰীশক্তিৰ উত্তৰণ হ'ব।

কেতিয়াবা নাৰী Home Worker, House Makerৰ ৰূপত দেখা দিয়ে। গৃহস্থৰ ৰন্ধন কাৰ্যকে আদি কৰি অতিথি শুশ্ৰূষা, পৰিৱেশৰ নিকাকৰণ, গৃহস্থৰ যাৱতীয় পৰিচালনাকে আদি কৰি সকলো ক্ষেত্ৰতে নাৰীগৰাকী পৰিচালনাৰ মধ্যমণিৰূপে থিয় দিছে। সম্প্ৰতি সমাজত প্ৰচলিত মহিলা সবলীকৰণ আঁচনি, আত্মসহায়ক গোট আদি আঁচনিৰদ্বাৰা নাৰীশক্তি অধিক শিক্ষিতা, সমাজমুখী হোৱা দেখা যায়। নাৰীশক্তিয়ে কু-সংস্কাৰ নিৰ্মূলকৰণ, অন্ধবিশ্বাস আঁতৰোৱা, ডাইনী হত্যাৰ দৰে সমাজ বিধ্বংসী ঘটনাক বাৰণ কৰা, জন্ম নিয়ন্ত্ৰণ কাৰ্যসূচীত আগভাগ ল'ব লাগিব। প্ৰতি বছৰে বিশ্বত পালন কৰি অহা 'আন্তৰ্জাতিক নাৰী দিৱস' কাৰ্যকৰী হ'ব। চৰকাৰী ব্যৱস্থাই নাৰীৰ মৰ্যাদা ৰক্ষণত দায়বদ্ধ হ'ব লাগিব। ■

---

**সহায় লোৱা হৈছে ঃ** (১) কৃষ্ণগুৰু তত্ত্বসাৰ পুথি, (২) নিয়মীয়া বাৰ্তা, বাৰ্তালোচনী।

# দক্ষিণ কামৰূপ অঞ্চলৰ আদিবাসী সমাজৰ লোক-নৃত্য

◆ নৱনিতা দাস
স্নাতকোত্তৰ ৩য় ষাণ্মাসিক (অসমীয়া বিভাগ)

দক্ষিণ কামৰূপ অঞ্চলটো অসম ৰাজ্যৰ ভিতৰত এটি অন্যতম প্ৰধান অঞ্চল হিচাপে পৰিগণিত অঞ্চল। ইয়াত বিভিন্ন জাতি-জনজাতিৰে পৰিপূৰ্ণ হৈ আছে। তাৰ ভিতৰত এই আদিবাসীসকল এটি অন্যতম জনগোষ্ঠী।

দক্ষিণ কামৰূপৰ আদিবাসী সমাজৰ লোক-নৃত্য আৰু চাহ জনগোষ্ঠীসকলৰ লোক-নৃত্য আৰু অসমৰ সকলো আদিবাসী চাহ জনগোষ্ঠীসকলৰ লোক-নৃত্য একে। দক্ষিণ কামৰূপৰ আদিবাসীসকলৰ প্ৰধান লোক-নৃত্যৰ ভিতৰত ঝুমুৰ প্ৰধান। তাৰ মাজত আৰু বহুতো নৃত্য আছে; যেনে— কৰম, ভূটান, খাৰুৱা, জাদিৰা, দমকাইট, লোঙ্কি ইত্যাদি।

**ঝুমুৰ ঃ**

ঝুমুৰ গীত-নৃত্য হৈছে আদিবাসী সমাজৰ সাংস্কৃতিক চিনাকি। এওঁলোকে পালন কৰা কৰম পূজাত কৰমডাল প্ৰতিষ্ঠা কৰা বেদীত কৰমতী/পেলানিসকলে দলীয়ভাৱে কঁকালত ধৰাধৰিকৈ মাদলৰ তালে তালে বিভিন্ন ঠাঁচত গীত-নৃত্য পৰিৱেশন কৰে। ঝুমুৰ গীতবোৰে চাহ জনগোষ্ঠী সমাজখনৰ সকলো কথাই প্ৰতিফলিত কৰে— প্ৰেম, সুখ-দুখ, মিলন-বিৰহ, জয়-পৰাজয় সকলো ঝুমুৰ গীতৰ মাজত পোৱা যায়। ভৰ যৌৱনা ডেকা-গাভৰুৱে মনত উদয় হোৱা কথাবোৰ ইয়াৰ যোগেদি প্ৰকাশ কৰে আৰু যুগ্ম জীৱনৰ বান্ধোনত আবদ্ধ হ'বলৈ পৰস্পৰক আৱেদন জনায়। সৃষ্টিৰ ৰহস্য, জীৱন জিজ্ঞাসা এই গীতবোৰত পোৱা যায়। লোক-বিশ্বাস অনুসৰি অধিক শস্য আশা কৰি মাদলৰ তালে তালে অৰ্ধবৃত্তাকাৰে গোটেই নিশা বিভিন্ন তালত এই নৃত্য-গীত কৰে; যেনে—

(ক) বন্দনা
(খ) ডাড়শালীয়া
(গ) খেমটা বাৰং
(ঘ) গলৰৱী
(ঙ) ঝিঙাফুলীয়া
(চ) ভিনসৰ।

লোক-বিশ্বাস অনুসৰি পূৰ্ণ যৌৱনা গাভৰুৱে অংগ সঞ্চালনাৰদ্বাৰা নৃত্য কৰিলে প্ৰকৃতিৰ উৰ্বৰতা শক্তি বাঢ়ে। ঝুমুৰ নৃত্যবোৰ নাৰীকেন্দ্ৰিক। লাস্যময়ী যুৱতীসকলে যোল শৃংগাৰ কৰি সৌন্দৰ্যৰে অতি মোহনীয় হৈ পৰে, তাৰ লগত যৌন আৱেদনময়ী গীতসমূহে ডেকাসকলক প্ৰলুব্ধ কৰে। সকলোৰে মন-প্ৰাণ উৎফুল্লিত কৰি তোলে।

ঝুমুৰ নৃত্য-গীতবোৰক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। বন্দনা গীতেৰে কৰমৰ শুভাৰম্ভণি কৰা দেখা যায়।

**বন্দনা ঃ** 'আখৰা বন্দনা কৰি
সৰস্বতী মাগো বলি
আখৰা বন্দনা ব্ৰজনাৰী
মদনে ঝুমইৰ লাগল ভাৰি।'

বন্দনা গীতৰ যোগেদি সৰস্বতী আইক প্ৰণাম জনোৱা হয়। ব্ৰজনাৰী আৰু মদনৰ উপস্থিতিয়ে শ্ৰীকৃষ্ণৰ ব্ৰজধাম অৰ্থাৎ বৃন্দাবনৰ কথা কোৱা হৈছে। আকৌ জনক ৰাজ্য অযোধ্যা আদি, সীতা-ৰাম, কৃষ্ণ, গণেশ দেৱতা, অন্যান্য ধৰ্মীয় আখ্যানসমূহৰ কথা উল্লেখ পোৱা যায়। কৰমতীসকলে কাঁহীত চাকি-বন্তি, ধূপ-ধূনা আদি লৈ সেৱা জনাই নৃত্য-গীত কৰে।

**ডাড়শালীয়া ঃ**

বন্দনা গীতৰ সমাপ্তিৰ লগে লগে ডাড়শালীয়া নৃত্য-গীত আৰম্ভ হয়। একেলগে থিয় গৈ কঁকালত ধৰাধৰিকৈ কেতিয়াবা বুকুখন তললৈ হাউলি আৰু কেতিয়াবা ওপৰমুৱাকৈ দি বিভিন্ন অংগ সঞ্চালনাৰে নৃত্য কৰাৰ বাবে ইয়াক ডাড়শালীয়া বুলি কোৱা হয়। ইয়াৰ গীতখিনি এইদৰে গায়—

"কেইসে ভাঙবই ৰামগড় থানাৰা সুন্দৰগে মেয়'
কেইসে ভাঙৰাই কৰতাল
এড়িবাহি ভাঙবই ৰামগড় থানাৰা
সুন্দৰ গে মেয়'
ধমচে ভাঙৱই কৰতাল।"

**গলৰাৰী নৃত্য-গীত ঃ**

দোভাগ নিশা আখৰাবোৰত প্ৰেম-বিৰহৰ লগতে জীৱনৰ ৰহস্য,



আধ্যাত্মিক চিন্তা, ঈশ্বৰ ভক্তি তথা প্ৰকৃতিৰ কৃতজ্ঞতা প্ৰকাশ কৰিবলৈ এনেধৰণৰ গীতসমূহ পৰিৱেশন কৰে আৰু গায়—

“নন্দৰে নন্দন কান্ত, বনেতে চৰায় ধেনু
ডালে বমি দেখ মূৰলি বাজাই
অগ’ ডালে বমি দেখ মূৰলি বাজাই
তৰা শুনগ’ সবাই, ধেনুসেৰে দেখ নূপুৰ বাজাই।”

**ঝিঙাফুলীয়া ঃ**

ভাদ মাহত জিকা ফুলে, কামি (কঁহুৰা) ফুলে। জিকা ফুলৰ ৰং আৰু কঁহুৰা ফুলৰ লহৰে ডেকা-গাভৰুৰ মনত প্ৰেমৰ ভাব জাগ্ৰত কৰে। বিয়া দিয়া ছোৱালীবোৰো ঘৰলৈ আহিবলৈ উদগ্ৰীৰ হৈ পৰে। এনে এটা সময়ত তেওঁলোকে এনেদৰে গায়—

“কামী ফুল ফুটি গেল
আশা মোৰ টুটি গেল
দিন পহাৰ দেখিলি ডহৰ
ভাইয়া ম’ৰ নাহি আলয় ঘৰ
কেমনেগ’ যাবই নৈহৰ।”

**ভিনসৰ ঃ**

দোভাগ নিশাৰ গীত তামৰিয়া (তামাৰ অঞ্চলৰপৰা বিকশিত হোৱা) পাচত শেষ প্ৰহৰ অৰ্থাৎ দোকমোকালি লাগিবৰ বেলাত ভিনসৰ নৃত্য-গীত পৰিৱেশন কৰে আৰু প্ৰাণভৰি নৃত্য-গীত কৰি গায়—

“আধাৰাতি ভেলই, প্ৰহৰ ৰাতি ভেলই
ভিনসৰে পিয়া ছুটি গেলই
সজনী ম’ৰ
নিন্দিয়া ভেলই মৰ বৈৰী।”

এনেধৰণে ঝুমুৰ গীতত নিৰ্দিষ্ট তাল-ছন্দৰ একোটা বিশেষ শৈলী বা বৈশিষ্ট্য থাকিলেও ঠাইবিশেষে কিছু তাৰতম্যও দেখা যায়। এক কথাত ক’বলৈ গ’লে এই গীতসমূহত চাহ জনগোষ্ঠী আদিবাসী লোকসকলৰ লোক-জীৱনৰ গাঁথা প্ৰকাশ পোৱা দেখা যায়। এই গীতসমূহ মৌখিক ইতিহাসৰ সমল; লিখা-পঢ়া নজনা অনাখৰী চাহ বনুৱাসকলৰ ওপৰত ভিন্ন সময়ত চৰকাৰী-বেচৰকাৰী, সামাজিক ৰীতি-নীতি, ঘৃণা-অৱহেলা, শোষণ-প্ৰৱঞ্চনা, নিৰ্যাতন প্ৰায় সকলো কথাই এই গীতসমূহত পোৱা যায়; যেনে—

“চৰ্দাৰ বলে কাম কাম
বাবু বলে ধৰে আন
চাহাব বলে লিব পিঠেৰ চাম।
হায়ৰে বিদেশী শ্যাম
ফাকি মাৰে আনিল আসাম।”

মুঠৰ ওপৰত ঝুমুৰ গীত আৰু নৃত্যসমূহত চহা ৰইচকা পেলনীসকলৰ সৃষ্টিমূলক ভাব প্ৰকাশৰদ্বাৰা এই সমাজখনত অতি চহকী সংস্কৃতিৰ বিকাশ ঘটিছে। এনে অৱস্থাত প্ৰকৃতিৰ লগত সমিল-মিলেৰে থাকিবলৈ এনেধৰণৰ উৎসৱ, লোক-বিশ্বাসবোৰে আমাৰ চকু খুলি দিব পাৰে। এই লোক-বিশ্বাসবোৰৰ অধ্যয়ন চৰ্চাই নতুন প্ৰজন্মৰ মাজত মূল্যবোধৰ জীৱন ৰেখাংকিত কৰাত প্ৰেৰণা যোগাব পাৰে বুলি আশা কৰিব পাৰি। ■

**প্ৰসংগ গ্ৰন্থ ঃ** (১) তাছা, ৰেখা ঃ চাহ জনগোষ্ঠীয় লোক-কলা, উৰাম তাছা সাহিত্য সভা, প্ৰথম প্ৰকাশ, জানুৱাৰী, ২০০২, লিপি অফছেট, গড়আলি, যোৰহাট-১। (২) তাঁতী, সমীৰ ঃ হাৰিয়ালী, অসমৰ চাহ জনগোষ্ঠী আদিবাসী সাংস্কৃতিক সমাৰোহ, ২০১৬।

*মনৰ বতৰা বিচাৰি....*

# সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক, পদ্মশ্ৰী নৃত্যাচাৰ্য **শ্ৰীযুত যতীন গোস্বামী ছাৰৰ** সৈতে আমাৰ এখন্তেক কথা-বতৰা



অসমৰ সমাজ জীৱনত শ্ৰীমন্ত শংকৰদেৱে প্ৰৱৰ্তন কৰা সত্ৰীয়া সংস্কৃতিৰ এক বিশিষ্ট গুৰুত্ব আছে। অসমীয়া জাতীয় জীৱনৰ উত্তৰণত এই সত্ৰীয়া সংস্কৃতিৰ গায়ন-বায়ন, নৃত্য-গীত অথবা নাট-ভাওনা পৰম্পৰাৰ এটা বলিষ্ঠ অৱদান আজিকোপতি অব্যাহত আছে। যি সময়ত সত্ৰীয়া সংস্কৃতি কেৱল সত্ৰ-নামঘৰৰ মজিয়াতে সীমাবদ্ধ হৈ আছিল, সেই সময়তে অসমৰ একাংশ ভৱিষ্যৎদৰ্শী বিশিষ্ট তত্বজ্ঞ পণ্ডিত লোকে দেশে-বিদেশে প্ৰচাৰ কৰি ইয়াৰ যথাৰ্থ সন্মান প্ৰাপ্তিৰ বাবে মনোনিৱেশ কৰিছিল। যোৱাটো শতিকাৰপৰা এই যাত্ৰাত অংশ লৈ এক বলিষ্ঠ ভূমিকাৰে সত্ৰীয়া সংস্কৃতিৰ গতিশীলতাক প্ৰাণ দি থকা এগৰাকী বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ সাধক হ'ল পদ্মশ্ৰী নৃত্যাচাৰ্য শ্ৰীযুত যতীন গোস্বামী ছাৰ। সত্ৰীয়া সংস্কৃতিৰ অতীত-বৰ্তমান আৰু ভৱিষ্যতৰ পটভূমিক লৈ পতা কিছুমান কথাৰ ছলেৰে আমি তেখেতৰপৰা লোৱা সাক্ষাৎকাৰ এটাৰ যোগেদি অনেক গুৰুত্বপূৰ্ণ ধাৰণা লাভ কৰিছিলোঁ। এই সাক্ষাৎকাৰ অনুষ্ঠানটি পৰিৱেশন কৰাৰ ক্ষেত্ৰত মোক বিশেষভাৱে সহায় কৰিলে শ্ৰীধনমণি দাস, শ্ৰীহীৰকজ্যোতি নাথ আৰু শ্ৰীভাৰ্গৱ কলিতাই। *—সম্পাদক*

আমি ঃ পোন প্ৰথমে আমি দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ তৰফৰপৰা আপোনাক সেৱা আৰু নমস্কাৰ জনাইছোঁ ছাৰ।

ছাৰ ঃ দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ সকলো শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জনাইছোঁ।

আমি ঃ ছাৰ, আপোনাৰ জীৱনত সত্ৰীয়া সংগীত শিক্ষাৰ প্ৰাৰম্ভণী কেনেদৰে হ'ল? অলপ জনাবচোন। সত্ৰীয়া সংস্কৃতিৰ প্ৰতি আপুনি আকৰ্ষিত হোৱাৰ কাৰণটো কি বাৰু?

ছাৰ ঃ মোৰ জন্ম শ্ৰীশ্ৰীআধাৰ সত্ৰত। অসমত সত্ৰ দুবিধ— উদাসীন আৰু গৃহস্থী সত্ৰ। আমাৰখন দেউ যদুমণিৰ প্ৰতিষ্ঠিত এখন গৃহস্থী সত্ৰ। সত্ৰতে জন্ম আৰু ডাঙৰ-দীঘল হোৱা বাবে সত্ৰীয়া জীৱনশৈলীৰ লগত স্বাভাৱিকভাৱেই অতি প্ৰভাৱিত। সত্ৰৰ তিথি-উৎসৱত নাম-প্ৰসংগ, গীত, গায়ন-বায়ন, নৃত্য, অংকীয়া নাটকত অংশ লোৱাটো আমাৰ বাবে বাধ্যতামূলক আছিল। মোৰ প্ৰথম গুৰু আছিল আমাৰ সত্ৰৰে প্ৰয়াত বাবুলা বায়ন আৰু গোপী বায়ন।

সত্ৰীয়া সংস্কৃতি আমাৰ পৰম্পৰা। এই পৰম্পৰাৰ মই অষ্টম পুৰুষ। আমাৰ জীৱনত সত্ৰীয়া সংস্কৃতি নিত্য আৰু নৈমিত্তিক কৰ্মত সদায় সংপৃক্ত হৈ আছে।

আমি ঃ ছাৰ, সত্ৰীয়া সংস্কৃতিৰ এটা গৌৰৱোজ্জ্বল ইতিহাস আছে। এই সম্পৰ্কত আপোনাৰ দৃষ্টিভংগী কেনেকুৱা?

ছাৰ ঃ সত্ৰীয়া সংস্কৃতি বুলিলে এখন বিশাল ক্ষেত্ৰ সামৰি লয়। মই এজন সত্ৰীয়া নৃত্যৰ ছাত্ৰ। সত্ৰীয়া সংস্কৃতিৰ বিষয়ে অসমৰ বহু পণ্ডিতে চৰ্চা, গৱেষণা কৰিছে। মোৰ সীমিত জ্ঞানে বহলাই নকওঁ অসমৰ সমাজ জীৱন সত্ৰীয়া সংস্কৃতিৰদ্বাৰাই বহুলাংশে প্ৰভাৱিত হৈ আহিছে। সত্ৰ আৰু সংস্কৃতিৰ প্ৰভাৱ ঘাইকৈ উজনি অসমত কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

সত্ৰত মোৰ জন্ম। সত্ৰীয়া সংস্কৃতিৰ মাজত মই প্ৰতিপালিত। গুৰুজনাৰ আদৰ্শেৰে প্ৰতিষ্ঠিত এই সংস্কৃতি চৰ্চা কৰি মই গৌৰৱ কৰোঁ।

আমি ঃ ছাৰ, আমি জানো যে অসমত সত্ৰীয়া সংস্কৃতিৰ (গীত, বাদ্য, নৃত্য) উৎসস্থল হিচাপে তিনিটা প্ৰধান থূল আছে। সেইকেইটা উৎসস্থল হৈছে— বৰদোৱা, বৰপেটা, কমলাবাৰী। কিন্তু এতিয়া আমাৰ প্ৰশ্নটো হ'ল— ছাৰ, এই তিনিওটা থূলৰ ধাৰণা আৰু পৰম্পৰাবোৰ সম্পূৰ্ণৰূপে এটাৰপৰা আনটো পৃথক। তিনিওটা থূলতে খোলৰ স্বৰ, নৃত্যৰ বাজনা, বৰগীতৰ সুৰ অথবা ৰাগাংশ সম্পূৰ্ণৰূপে বেলেগ। এই ক্ষেত্ৰত তিনিওটা থূলত থকা বিভিন্নতা আৰু বৈসাদৃশ্যখিনি আঁতৰাই কেনেদৰে আমি এটা ধাৰা অথবা একক থূলৰ সৃষ্টি কৰিব পাৰোঁ? এই ক্ষেত্ৰত এনেদৰে কৰিব পৰাটো সম্ভৱনে?

ছাৰ ঃ ভাৰতৰ সকলো সংগীত পদ্ধতিত থূল বা ধাৰণা আছে।

আচল কথা হৈছে তাৰ ব্যাকৰণ। ব্যাকৰণ শুদ্ধ হ'লে তাৰ পৰিৱেশন পদ্ধতি বেলেগ হ'লেও আপত্তি কৰিবলগা নাই। শংকৰী সংগীতত স্বৰলিপি আৰু তাললিপি পদ্ধতি প্ৰথমে নাছিল। মুখে মুখে বাগৰি আহোঁতে এৰা-ধৰা হ'ল। ব্ৰিটিছ যুগত আমাৰ নৃত্য-সংগীত-নাট্যত বহুতো বঙালী প্ৰভাৱ পৰিছিল। এতিয়া কিছু শুদ্ধিকৰণ হৈছে আৰু কৰিবলগীয়াও আছে। বহু ক্ষেত্ৰত থকা আমাৰ অমিলবোৰ সম্পদ হিচাপেও গ্ৰহণ কৰিব পাৰি। বৰপেটা, বৰদোৱা, কমলাবাৰী তিনিওটা থূলেই থাকক— শংকৰী সংগীতৰ ব্যাকৰণ মানি চলিলে সি আমাৰ সত্ৰীয়া সংস্কৃতিৰ দিশটোক চহকীহে কৰিব।

আমি ঃ ছাৰ, বৰ্তমানলৈকে কিমানখন 'সত্ৰীয়া নাচ' প্ৰাপ্ত অৱস্থাত আছে? শেহতীয়াভাৱে কোনকেইখন সত্ৰৰপৰা এই নাচখিনি উদ্ধাৰ কৰা হৈছে?

ছাৰ ঃ বৰ্তমান সত্ৰীয়া নাচ বুলিলে কমলাবাৰী সত্ৰৰ নাচখিনিকে ধৰা হয়। অসমৰ সকলো সত্ৰতে কম-বেছি পৰিমাণে নাট-নৃত্যৰ চৰ্চা আছে। কমলাবাৰী সত্ৰৰ থূলৰ সত্ৰকেইখনত নৃত্য-সম্ভাৰ বেছি। কমলাবাৰী সত্ৰত চালিনাচখনৰ বাহিৰে আন সকলো নাচেই অংকীয়া ভাওনাৰ ভিতৰৰ নাচ। কিমান নাচ আছে বুলিলে সাধাৰণতে তাক কোৱাটো টান।

আমি ঃ সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ, পৰিৱেশন আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত আপোনালোকৰ পূৰ্বে কোনকেইজন বিদগ্ধ পণ্ডিত, অধ্যাপকে আগভাগ লৈছিল? অলপ জনাবচোন ছাৰ।

ছাৰ ঃ শংকৰদেৱক আধুনিক সমাজখনত বহলভাৱে চিনাকী কৰি দিয়ে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই। তাৰ পাচত কালিৰাম মেধি, উপেন্দ্ৰ চন্দ্ৰ লেখাৰু, বিৰিঞ্চি কুমাৰ বৰুৱা, ডিম্বেশ্বৰ নেওগে কিছু কাম কৰিছিল। ড° মহেশ্বৰ নেওগে শংকৰদেৱক ভাৰতবাসীৰ আগত নতুনকৈ চিনাকী কৰি দিলে। শংকৰী সাহিত্য-সংস্কৃতিৰ এনে এটা দিশ নাই, য'ত নেওগে হাত দিয়া নাই। ড° নেওগেই ১৯৫৮ চনত সংগীত নাটক অকাডেমিয়ে আয়োজন কৰা ৰাষ্ট্ৰীয় ছেমিনাৰত প্ৰদৰ্শনমূলক বক্তৃতা দি সত্ৰীয়া নৃত্যক ভাৰতৰ মহান নৃত্যৰসিক, সমালোচকৰ আগত চিনাকী কৰি দিছিল। ইয়াৰ ফলতে মণিৰাম দত্ত মুক্তিয়াৰে ১৯৬৩ চনত প্ৰথম সংগীত নাটক অকাডেমি বঁটা লাভ কৰে।

আমি ঃ গায়ন, বায়ন, নৰ্তন আৰু ভাওনাৰ আহাৰ্য ব্যৱহাৰৰ ক্ষেত্ৰত অসমৰ সত্ৰীয়া সামাজিক অনুষ্ঠান অসম সত্ৰ মহাসভাই ৰাজ্যিক কৰ্মশালাৰ যোগেদি গ্ৰহণ কৰা সিদ্ধান্ত আৰু ধাৰণাৰ সৈতে আপুনি একমত নে?

ছাৰ ঃ সত্ৰ মহাসভাই কামটো আৰম্ভহে কৰিছিল। তাৰ চৰ্চা, সংৰক্ষণ, সংবৰ্ধনৰ প্ৰয়োজন আছে। সেই সিদ্ধান্তই শেষ সিদ্ধান্ত নহয়।

আমি ঃ কেতিয়াবা কেতিয়াবা আমি দেখা পাওঁ যে একাংশ প্ৰতিষ্ঠিত সত্ৰীয়া শিল্পীয়ে অংকীয়া ভাওনা অথবা সত্ৰীয়া নৃত্যত নিজ ইচ্ছামূলকভাৱে 'অপ্সৰা নৃত্য', 'দেওধনী নৃত্য' অন্তৰ্ভুক্ত কৰি সততে বিতৰ্কৰ মাজলৈ আহে। এতিয়া আমাৰ কথাটো হ'ল, সত্ৰীয়া সংস্কৃতিত এই বিতৰ্কমূলক নৃত্য দুবিধ এৰাব নোৱাৰা উপাদান নেকি? নে শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্মীয় দৰ্শনে এই বিতৰ্কমূলক নৃত্য দুবিধৰ সম্পূৰ্ণ বিৰোধিতা কৰে? আচলতে সত্যটো কি?

ছাৰ ঃ ভাওনাৰ লগত দেওধনী নাচৰ কোনো সম্পৰ্ক নাই; ইয়াৰ আদৰ্শৰো মিল নাই। ভাওনাত এইবোৰৰ সংযোগ কেতিয়াও গ্ৰহণযোগ্য নহয়।

অপ্সৰা নৃত্য শংকৰী প্ৰভাৱমুক্ত এখন সত্ৰৰ নৃত্য। অযথা এইবোৰ অংকীয়া ভাওনালৈ টানি অনাটো উচিত নহয়। শংকৰী ধৰ্ম দৰ্শন সম্পৰ্কে জ্ঞান নথকা কোনো অত্যুৎসাহী লোকে এইবোৰ কৰে। এইবোৰত গুৰুত্ব দিব নালাগে।

আমি ঃ ছাৰ, শংকৰোত্তৰ যুগত সৃষ্টি হোৱা মাতৃভাষাৰ ভাওনা পৰিৱেশনৰ ক্ষেত্ৰত কিবা সীমাবদ্ধতা আছে নেকি? ভৱিষ্যতে মাতৃভাষা ভাওনাই অংকীয়া ভাওনাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিব নেকি?

ছাৰ ঃ মাতৃভাষাৰ ভাওনাৰো ৩৫০ বছৰীয়া এটা ঐতিহ্য আছে। 'প্ৰবোধ চন্দ্ৰোদয়' নামেৰে আউনিআটী সত্ৰত মাতৃভাষাৰ ভাওনাৰ প্ৰচলন হয়। অংকীয়া ভাওনাৰ ব্যাকৰণ মানি মাতৃভাষাৰ ভাওনা প্ৰদৰ্শন কৰিলে আপত্তি কৰিবলগা নাই। কিছুদিন আগলৈকে এই ভাওনা যাত্ৰা, আধুনিক থিয়েটাৰ আৰু অংকীয়া ভাওনাৰ খিচিৰি ৰূপ এটা আছিল। বৰ্তমানে মাতৃভাষা ভাওনাৰ যথেষ্ট সংস্কাৰ হৈছে।

আংগিক, বাচিক, আহাৰ্য আৰু সাত্ত্বিক— এই চাৰিও দিশতে অতি চহকী অংকীয়া ভাওনালৈ কোনো ভাবুকি নাহে।

আমি ঃ ছাৰ, সত্ৰীয়া সংস্কৃতি আৰু শংকৰী সংস্কৃতি— এই দুটা ধাৰণাৰ প্ৰতি আপোনাৰ দৃষ্টিভংগী কেনেকুৱা? দুয়োটা সম্পূৰ্ণ পৰিপূৰক নে পৃথক?

ছাৰ ঃ সাধাৰণতে অসমৰ সত্ৰ দুবিধ— শংকৰী প্ৰভাৱযুক্ত আৰু শংকৰী প্ৰভাৱমুক্ত। সত্ৰীয়া সংস্কৃতি বুলিলে সকলো সত্ৰ পৰে। অ-শংকৰী সত্ৰ সীমিত; কিন্তু প্ৰভাৱশালী।

সত্ৰীয়া আৰু শংকৰী সংস্কৃতিৰ কিছু পাৰ্থক্য নিশ্চয় আছে।

আমি ঃ ছাৰ, ৰাষ্ট্ৰীয় সংগীত নাটক অকাডেমিয়ে ২০০০ চনত সত্ৰীয়া নৃত্যক শাস্ত্ৰীয় নৃত্যৰূপে স্বীকৃতি প্ৰদান কৰে। এয়া নিশ্চয়কৈ সুখৰ কথা; কিন্তু পৰিতাপৰ কথা যে, গুৰুজনাৰ অন্য দুই অপূৰ্ব সৃষ্টি খোলবাদ্য পৰম্পৰা আৰু বৰগীত বৰ্তমানেও এই স্বীকৃতিৰপৰা উপেক্ষিত হৈ আছে। ইয়াৰ কাৰণটো কি বাৰু? এই ক্ষেত্ৰত আপোনাৰ মন্তব্য যথাৰ্থ আৰু যুক্তিপূৰ্ণভাৱে বিচাৰিছোঁ।

ছাৰ ঃ বৰগীত আৰু খোলবাদ্য এককভাৱে শাস্ত্ৰীয় শৈলী হিচাপে স্বীকৃতি পাবলৈ বহু কৰণীয় আছে। প্ৰথম কথা শিক্ষণ পদ্ধতি— অসমত বৰগীত শিকোৱাৰ এটা নিজস্ব পদ্ধতি নাই। বৰগীতৰ শিক্ষকসকলে প্ৰথমে হিন্দুস্তানী সংগীতৰ স্বৰলিপি শিকায়। শিক্ষকসকলে নিজৰ খুচিমতে বৰগীতৰ ৰাগ শিকায়। এটা সংগীত ধাৰাৰ নিজস্ব শিক্ষণ পদ্ধতি যেতিয়ালৈকে স্থিৰ নহ'ব,

তাৰ শিক্ষাদানো তেতিয়ালৈকে বেমেজালিময় হ'ব। এইবোৰ বিষয়ত বৰগীতৰ গুৰুসকলৰ গধুৰ দায়িত্ব এটা আছে। গ্ৰহণযোগ্য সমাধানৰ বাবে একগোট হ'ব লাগিব; কিন্তু এই কাম কৰিব কোনে? অসম চৰকাৰৰ সাংস্কৃতিক বিভাগ বা কোনো অনুষ্ঠানে আগভাগ ল'লে কামটো হ'ব। ঠিক তেনেদৰে খোলবাদ্যৰ ক্ষেত্ৰতো সেই একেই কথা।

আমি ঃ সত্ৰীয়া সংগীতৰ আনুষ্ঠানিক শিক্ষা পদ্ধতিৰ প্ৰদান ব্যৱস্থা কেতিয়াৰপৰা আৰম্ভ হৈছিল? সম্প্ৰতি এই শিক্ষাৰ সম্প্ৰসাৰণত কোনকেইটা অনুষ্ঠানে দায়িত্ব গ্ৰহণ কৰি আছে?

ছাৰ ঃ সত্ৰীয়া সংগীতৰ আনুষ্ঠানিক শিক্ষা দিয়াৰ ব্যৱস্থা কেতিয়াৰপৰা হ'ল, সহজে ক'ব পৰা নাযায়। এই বিষয়ত মই সম্পূৰ্ণ নিশ্চিত নহয়।

বৰ্তমান অসমত চৰকাৰীভাৱে (হায়াৰ ছেকেণ্ডাৰী বোৰ্ড) স্বীকৃত তিনিখন সত্ৰীয়া সংগীতৰ পৰীক্ষা পৰিষদ আছে— সংগীত সত্ৰ পৰীক্ষা পৰিষদ, অসম সত্ৰ মহাসভা পৰীক্ষা পৰিষদ আৰু শংকৰী সংগীত বিদ্যাপীঠ।

আমি ঃ ঐতিহ্য আৰু বৰ্তমানৰ প্ৰেক্ষাপটত সত্ৰীয়া সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰত ৰাজকীয় পৃষ্ঠপোষকতা কিমান সন্তোষজনক?

ছাৰ ঃ একেবাৰেই সন্তোষজনক নহয়।

আমি ঃ ছাৰ, শেহতীয়াভাৱে সংগীত নাটক অকাডেমি, দিল্লীয়ে আপোনালৈ অকাডেমিৰ সৰ্বোচ্চ সন্মান 'অকাডেমি ৰত্ন' প্ৰদান কৰিছে। প্ৰাচ্যতত্ত্ববিদ ড° মহেশ্বৰ নেওগ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পিচত 'অকাডেমি ৰত্ন' লাভ কৰা আপুনি তৃতীয়গৰাকী অসমীয়া। এই ক্ষেত্ৰত আপোনাৰ অনুভৱ অকণমান জনাবচোন!

ছাৰ ঃ পণ্ডিত ড° মহেশ্বৰ নেওগ আৰু ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ লগত মোৰ তুলনা নহয়। মই এজন অতি সাধাৰণ সত্ৰীয়া নৃত্যৰ ছাত্ৰ। অসমৰ ৰাইজৰ আশীৰ্বাদত মোলৈ এই সন্মান আহিল। এই সন্মানৰ বাবে মই সংগীত নাটক অকাডেমিৰ চেয়াৰমেন শ্ৰদ্ধেয় শেখৰ সেন আৰু সদস্যসকললৈ কৃতজ্ঞতা জনালোঁ। অসমলৈ এনে সন্মান ভৱিষ্যতে আৰু আহক, ইয়াকে কামনা কৰিছোঁ।

আমি ঃ আজন্ম অসমীয়া কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সৈতে থকা আপোনাৰ বিমল সম্পৰ্কৰ বিষয়ে জনাবচোন! তেখেতৰ লগত একেলগে সাংস্কৃতিক যাত্ৰাত কৰা কামৰ অভিজ্ঞতা কেনেকুৱা?

ছাৰ ঃ বিশাল প্ৰতিভাৰ অধিকাৰী বিষ্ণু ৰাভাই মোৰ জীৱনৰ গতিপথ সলাই পেলালে। তেখেতৰ লগত মোৰ আন্তৰিক সান্নিধ্য আছিল আঠ বছৰৰ। তেখেতৰ ঘৰতে মই এবছৰ আছিলোঁ। নাট্যশাস্ত্ৰৰ বিষয়ে গভীৰ জ্ঞান থকা ব্যক্তি অসমত দ্বিতীয়জন মই লগ পোৱা নাই। নৃত্য-নাট্যৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দুয়োটা দিশতে সমান দক্ষতা আছিল। আমি তেখেতৰপৰা একো শিকিব নোৱাৰিলোঁ। তাৰ বাবে আজিও প্ৰতি মুহূৰ্ততে মই অনুশোচনা অনুভৱ কৰোঁ।

আমি ঃ পাঁচশ বছৰ আগতেই গুৰুজনাই প্ৰগতিশীল চিন্তাধাৰাৰদ্বাৰা ধৰ্মীয় আধ্যাত্মিকতাৰ মাজেৰে জীৱন আৰু সমাজৰ বাবে উত্তৰণমুখী পথৰ সন্ধান দিয়াৰ উদ্দেশ্যেই বহুধা বিভক্ত অন্ধবিশ্বাস, কু-সংস্কাৰেৰে পিষ্ট অসমীয়া সমাজখনলৈ মহৌষধৰূপে সত্ৰীয়া সংস্কৃতিৰ পোষকতা কৰিছিল বুলি আজিৰ তাৰিখতো আমি মানি আহিছোঁ। সেই সৃষ্টিৰ আঁৰত গুৰুজনাৰ যি মহৎ চিন্তাধাৰা আছিল— সেয়া সুস্পষ্ট, সৰল আৰু সময়োপযোগীকৈ নতুন ৰূপত, নৱ প্ৰজন্মৰ ওচৰত উপস্থাপন হোৱা বুলি আপুনি ভাবেনে? এই ক্ষেত্ৰত আপোনাৰ, আমাৰ কৰণীয় কি?

ছাৰ ঃ অসমৰ ব্যক্তি আৰু সমাজ জীৱনত শংকৰ গুৰুজনাৰ ধৰ্মীয় দৰ্শনৰ প্ৰভাৱ অপৰিসীম। এই ধৰ্ম দৰ্শন আদৰ্শৰ আধাৰতে প্ৰতিষ্ঠিত অসমীয়া জাতি। বৰ্তমানে বাহিৰৰ কিছু কু-সংস্কাৰ আহি আমাৰ মাজত সোমাইছে। পূজা-পাৰ্বণ বাঢ়িছে, জাকজমকতা বাঢ়িছে। শংকৰী সংস্কৃতিক সময়োপযোগী কৰাৰ বাবে সংস্কাৰৰ প্ৰয়োজনেই নাই; মাত্ৰ আমাৰ মাজত অসমীয়া হৈ থকাৰ এটা মানসিকতাৰ প্ৰয়োজন। উঠি অহা যুৱ প্ৰজন্মক গুৰুজনাৰ আদৰ্শেৰে অনুপ্ৰাণিত কৰাৰ বাবে এটা সাংস্কৃতিক আন্দোলনৰ প্ৰয়োজন আছে বুলি ভাবোঁ।



আমি ঃ ছাৰ, আপোনাক বহুত বহুত ধন্যবাদ জনাইছোঁ। আপোনাৰ ব্যস্ততাপূৰ্ণ সময়তো আমাৰ বাবে এইখিনি সময় মোকোলাই দিয়াৰ বাবে আমি আপোনাৰ প্ৰতি কৃতজ্ঞ। অনাগত সময়ত আপুনি সুস্থ স্বাস্থ্যৰে জীৱনটো সুন্দৰভাৱে যাপন কৰক, আমি তাকেই কামনা কৰিছোঁ।

ছাৰ ঃ তোমালোককো বহুত ধন্যবাদ জনালোঁ। ■

# বীৰুবালা ৰাভা বাইদেউৰ সৈতে এখন্তেক



'বৰ্তমান যুগ বিজ্ঞানৰ যুগ'— আপ্তবাক্যশাৰী আমাৰ সকলোৰে মুখে মুখে। হয়, মিছাও নহয়; কিয়নো সময়ৰ অগ্ৰগতিৰ সমান্তৰালভাৱে আমাৰ হাতলৈ আহি পৰিছে বিজ্ঞানৰ ন ন প্ৰযুক্তিগত নিত্য-নতুন ফচল আৰু সেইবোৰ ব্যৱহাৰৰ ফলস্বৰূপে আজিৰ মানুহৰ জীৱনধাৰণৰ মান বহুগুণে উন্নত হৈছে, উজু হৈ পৰিছে নানা কঠিন কাম। তথাপিও বিজ্ঞানৰ যুগত বাস কৰিও আমাৰ সমাজখন বৈজ্ঞানিক চিন্তা-চেতনাৰে যেন প্ৰকৃতপক্ষত উদ্বুদ্ধ হ'ব পৰা নাই, মুক্ত মনৰ পূৰ্ণ বিকাশ ঘটিবলৈ এতিয়াও যেন বহু বাকী। নিশ্চয় আমি এতিয়াও আওপুৰণি চিন্তাধাৰা, অন্ধবিশ্বাস, কু-সংস্কাৰক সম্পূৰ্ণৰূপে মনৰপৰা বিদায় জনাব পৰা নাই। নহ'লে সময়ে সময়ে অন্ধবিশ্বাসজনিত হত্যা-হিংসাই সমাজখন জোকাৰি নাথাকিলেহেঁতেন। এনে এক সংঘাতৰ সময়তেই সমাজৰ কিছুসংখ্যক লোকে আকৌ বৈজ্ঞানিক মানসিকতা বুকুত বান্ধি সমাজৰপৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাসসমূহক আঁতৰ কৰাৰ নিমিত্তে একনিষ্ঠভাৱে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেনে এক উদাহৰণ— 'ডাইনী নিৰ্যাতন'ৰ বিৰুদ্ধে কাম কৰি মানুহৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হোৱা, মূলা গাভৰু, কনকলতাৰ দেশৰ নাৰী বীৰুবালা ৰাভা।

দিনাংক ২২/১২/২০১৯। দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ চাৰিজনীয়া দল এটা গৈছিলোঁ বীৰুবালা ৰাভা বাইদেউৰ ঘৰলৈ, তেখেতৰ মনৰ খবৰ ল'বলৈ বুলি। তেখেতৰ লগত প্ৰায় ডেৰ ঘণ্টা সময়জোৰা কথোপকথনত আমি বহু পৰিমাণে উপকৃত হৈছিলোঁ। আমাৰ প্ৰতিজনৰ চকুৰে বিচাৰি পাইছিল মানুহ হৈ মানুহৰ হকে কাম কৰি সুখ পোৱা এখন হাঁহিভৰা অৰুণোজ্জ্বল মুখ। সেই কথোপকথনৰে সম্পাদিত ৰূপ এটি আমি আপোনালোকৰ ওচৰত সবিনয়ে আগবঢ়ালোঁ। *—সম্পাদক*

আমি ঃ বাইদেউ, প্ৰথমে আপোনাৰ জন্ম, পিতৃ-মাতৃ আৰু শিক্ষা সম্পৰ্কে অলপ জনাবচোন।

বাইদেউ ঃ মোৰ জন্ম ১৯৪৯ চনত অসমৰ গোৱালপাৰা জিলাৰ ঠাকুৰবিল্লাৰ টিল্লাপাৰাত (আগিয়া অঞ্চলত)। মোৰ ছয় বছৰ বয়সতে মোৰ দেউতা ঢুকায়। ইয়াৰ পিচত মাতৃয়ে মোক অকলে লালন-পালন কৰি ডাঙৰ-দীঘল কৰে। সাত বছৰ বয়সত মায়ে মোক ঠাকুৰবিল্লা প্ৰাথমিক বিদ্যালয়ত নামভৰ্তি কৰাই দিয়ে। প্ৰাথমিক শিক্ষা শেষ হোৱা মাত্ৰকেই ১৯৬৪ চনত (১৫ বছৰ বয়সত) চণ্ডীচৰণ ৰাভাৰ সৈতে মোক বিয়া পাতি দিয়ে।

আমি ঃ সমাজ সংস্কাৰৰ কাম হিচাপে ডাইনী হত্যা ৰোধ কৰাটো আপুনি কিয় বাছি ল'লে? কেনেকুৱা কথাই আপোনাক এইটো দিশলৈ ঠেলি দিলে?

বাইদেউ ঃ আচলতে ১৯৮৫ চন মানৰপৰা মই 'ঠাকুৰবিল্লা মহিলা সমিতি'ৰ যোগেৰে মদৰ প্ৰচলন, জুৱা আদিৰ বিৰুদ্ধেহে কাম কৰি আহিছিলোঁ। ডাইনী হত্যাৰ বিৰুদ্ধে যুঁজাৰ মূলতে মোৰ স'তে ঘটা দুটা কাহিনী জড়িত হৈ আছে।

মোৰ ডাঙৰ ল'ৰা ধৰ্মেশ্বৰ ৰাভা এবাৰ এটা মানসিক ৰোগৰ চিকাৰ হৈছিল। সেই সময়ত যাতায়াতৰ দুৰৱস্থা আৰু আৰ্থিক অনাটনৰ হেতু চিকিৎসকৰ ওচৰলৈ নিনি বেজ-বেজালিৰ ওপৰতে নিৰ্ভৰ কৰিবলগাত পৰিছিল; কিন্তু বেজৰ চিকিৎসাই ল'ৰাজনৰ কোনো কাম নিদিলে। তেতিয়া অইন মানুহ এজনে মোৰ স্বামীক ভাল দেওধনী (?) এজনৰ সম্ভেদ দিয়ে আৰু কয় যে, সেই দেওধনীজনৰ হাতত বহুতো লোকে আৰোগ্য লাভ কৰিছে। উপায়ন্তৰ হৈ আমি ল'ৰাজনক দেওধনীৰ ওচৰলৈ লৈ গৈছিলোঁ; কিন্তু দেওধনীক ল'ৰাজনৰ কি হৈছে বুলি সোধাত তেওঁ কয়— "ল'ৰাজনক পৰী কইনাই ধৰিছে। দুই-তিনিদিনৰ ভিতৰত অন্তঃসত্বা পৰী কইনাৰ প্ৰসৱ হ'ব আৰু তেতিয়াই ল'ৰাজনৰ মৃত্যু হ'ব।" কিন্তু ঘৰলৈ ওভতাই অনাত ল'ৰাজনৰ মৃত্যু নহ'ল। পিচলৈ পগলা ল'ৰাজনে ঘৰত বৰ বেমেজালিৰ সৃষ্টি কৰাত তাক শ্বিলঙৰ পগলা ফাটেকত থৈ অহা হ'ল। দুবছৰ শ্বিলঙত থাকি ভাল হৈ আহিল যদিও পুনৰ একে সমস্যাই দেখা দিয়াত, লগতে মোৰ স্বামী কেন্সাৰ ৰোগত আক্ৰান্ত হোৱাত ১৯৯৬ চনত পুনৰ তাক শ্বিলঙলৈ পঠাই দিয়া হয়।

দ্বিতীয়তে, ২০০১ চনত দদান মঞ্চ (নিৰক্ষৰ মহিলাক সাক্ষৰ কৰা আদি কামৰ কাৰণে গঠিত এক অনুষ্ঠান)ত অনুষ্ঠিত এক সভাত সমাজে ডাইনী সজোৱা পাঁচগৰাকী মহিলাও উপস্থিত হয়। তেওঁলোকে সেই সভাত তেওঁলোকক উদ্ধাৰ কৰাৰ নিমিত্তে মহিলাসকলৰ ওচৰত প্ৰাৰ্থনা জনায়। তেতিয়া 'অসম মহিলা সমিতি'ৰ সমন্বয়ক মামণি শইকীয়াই মহিলাসকলৰপৰা মতামত বিচৰাত সকলো মহিলা নিমাত হৈ থাকে। একমাত্ৰ ময়েই মোৰ ল'ৰাজনৰ প্ৰসংগ টানি এইবুলি যুক্তি আগবঢ়াওঁ যে— "সেই পাঁচগৰাকী মহিলা কোনোধৰণৰ ডাইনী নহয়। দেওধনীসকলে নানা মঠ-মন্দিৰ সজাই একমাত্ৰ স্বাৰ্থ পূৰণৰ বাবেহে মানুহক এইদৰে 'ডাইনী' সজাই সমাজত

আহুকালৰ দিশে ঠেলি দিয়ে। এই সৰ মিছা।" সেই সময়তে মোৰ মন অতি অনুতপ্ত হৈ পৰে। সেই দিনৰপৰাই মই মোৰ অন্তৰৰপৰা 'ডাইনী' শব্দটো চিৰবিদায় জনাইছিলোঁ আৰু 'ডাইনী হত্যা'ৰ বিৰুদ্ধে কাম কৰি যাবলৈ মন বান্ধিছিলোঁ।

আমি ঃ আপুনি নিজে এক অতি পিচপৰা ঠাইৰ বাসিন্দা। আপুনি কাম আৰম্ভ কৰাৰ সময়ত নিশ্চয় আপোনাৰ ওচৰ-চুবুৰীয়া সকলো অন্ধবিশ্বাসৰ কৱাল গ্ৰাসত ডুবি আছিল; কিন্তু আপুনি এই ক্ষেত্ৰত ব্যতিক্ৰম হ'ল কিদৰে? আপোনাৰ মনত বৈজ্ঞানিক যুক্তিসংগত চিন্তাৰ উদ্ৰেক হ'ল কিদৰে?

বাইদেউ ঃ মোৰ ল'ৰাটিৰ কথা ইতিমধ্যে উল্লেখ কৰিলোঁৱেই। দেওধনীয়ে মৰিব বুলি কোৱা সত্বেও যিহেতু সি নমৰিল, গতিকে মই এইবোৰ অন্ধবিশ্বাস বুলি ভাবিবলৈ বাধ্য হ'লোঁ।

আনহাতে যেতিয়া মোৰ স্বামী কেন্সাৰ ৰোগত আক্ৰান্ত হৈছিল, তেতিয়া মোক নিজকেই এচামে ডাইনী সজাবলৈ ওলাইছিল; কিন্তু কেনেবাকৈ মই এই কথা গম পাই ৰাইজৰ ওচৰত বিচাৰ কৰাই দোষীক দণ্ড ভৰাইছিলোঁ। মই নিজে যিহেতু জানো যে, স্বামীৰ ৰোগৰ বাবে মই জগৰীয়া নহওঁ আৰু মোকেই যিহেতু ডাইনী সজাব বিচাৰিছিল, গতিকে ডাইনী ইত্যাদি ধাৰণাবোৰ যে অন্ধবিশ্বাসহে মাত্ৰ— এইদৰেই মোৰ মনত গাঢ় হৈ উঠিছিল।

আমি ঃ বাইদেউ, আমি গম পালোঁ, আপোনাক নিজকে সমাজে এবাৰ ডাইনী সজাইছিল। লগতে অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দিবলৈ গৈ আপুনি সমাজৰপৰা এঘৰীয়া হ'বলগাতো পৰিছিল। সেই সময়ত আপোনাৰ মনৰ অৱস্থা কেনেকুৱা আছিল? আপুনি কেনেধৰণৰ সমস্যাৰ মুখামুখি হ'বলগাত পৰিছিল?

বাইদেউ ঃ 'দদান মঞ্চ'ত অনুষ্ঠিত সভাত সমাজে ডাইনী সজোৱা মহিলা পাঁচগৰাকীক ডাইনী নহয় বুলি কোৱাৰ বাবে সমাজে মোক এঘৰীয়া কৰিছিল। তিনি বছৰ ধৰি মই এঘৰীয়া হৈয়েই আছিলোঁ।

সেই সময়ত মই একেবাৰেই দুৰ্বল হোৱা নাছিলোঁ আৰু কোনো সমস্যাত পৰা নাছিলোঁ। যদিও ঠাকুৰবিল্লাৰপৰা মোক এঘৰীয়া কৰি থৈছিল, 'বৰঝৰা আঞ্চলিক মহিলা সমিতি'ৰপৰা মই সহায় পাইছিলোঁ।

আমি ঃ কি কি প্ৰধান কাৰণত 'ডাইনী হত্যা' সংঘটিত হয়, সেই সম্পৰ্কে অলপ ক'ব নেকি? জনজাতীয় সমাজবোৰত ইয়াৰ প্ৰচলন বেছি নেকি?

বাইদেউ ঃ হিংসাৰ প্ৰভাৱ, ধন-সম্পত্তিৰ লালসা, বেজ-বেজালিৰ পয়োভৰ, শিক্ষা-দীক্ষাৰ অভাৱ, অনুন্নত চিন্তাধাৰা আদি নানা কাৰণত ডাইনী নিৰ্যাতন আৰু ডাইনী হত্যা সংঘটিত হয়।

হয়, জনজাতীয় অঞ্চলবোৰত এনেবোৰ কথা বেছিকৈ দেখা যায়। মূলতঃ নিচাজাতীয় দ্ৰব্য (মদ, ভাং) আদিৰ অত্যধিক প্ৰচলনে এনেবোৰ কু-কৰ্মলৈ মানুহক ঠেলি দিয়ে। জনজাতীয় অঞ্চলৰ শিক্ষাৰ অভাৱকো বহুতে এক কাৰণ বুলি ক'ব খোজে যদিও বহুতো শিক্ষিত লোকো নানা কু-সংস্কাৰ, অন্ধবিশ্বাসেৰে পৰিবৃত হৈ থাকে।

আমি ঃ আজিৰ তাৰিখলৈ আপুনি কিমানজনমান মানুহক ডাইনী হত্যাৰপৰা বচালে?

বাইদেউ ঃ এতিয়ালৈ অসমৰ উজনিৰপৰা নামনিলৈ প্ৰায় অৰ্ধশতাশিক মানুহক ডাইনী নিৰ্যাতনৰ গৰাহৰপৰা মই উদ্ধাৰ কৰিছোঁ।

আমি ঃ সাধাৰণতে পুলিচ প্ৰশাসনে যাবলৈ ভয় কৰা ঠাইবোৰলৈ গৈও আপুনি হিংসাজৰ্জৰ মানুহক উদ্ধাৰ কৰি আহিছে। সেই সময়ত আপুনি কিদৰে সাহস গোটায়?

বাইদেউ ঃ আচলতে ভয় বোলা বস্তুটো মোৰ একেবাৰেই নাই। মানুহৰ হকে কাম কৰিছোঁ যিহেতু কোনোবাই মাৰিলে মৰি যাবলৈও মই অকণো ভয় নকৰোঁ। এনেকুৱা বহু ঠাইলৈ গৈছোঁ, য'লৈ পুলিচ বাহিনীও যাবলৈ ভয় কৰে। বহু ঠাইত উদণ্ড মানুহৰ সৈতে মই মুখামুখি হ'বলগাত পৰিছোঁ।

আমি ঃ আপুনি আপোনাৰ সংগ্ৰামখিনিক 'মিছন বীৰুবালা' নাম দি কাম কৰি গৈ আছে। এই মিছন সম্পৰ্কে অলপ জনাবচোন।

বাইদেউ ঃ ২০০৬ চনৰপৰা ২০১০ চনলৈ আমি 'অসম মহিলা সমিতি পাৰিবাৰিক পৰামৰ্শদান কেন্দ্ৰ'ত সদস্যা হিচাপে কাম কৰিছিলোঁ। পিচত ২০১১ চনত ৰাণী অঞ্চলৰ বাসিন্দা শ্ৰীযুত দীনেশ দাসৰ পৰামৰ্শক্ৰমে মোৰ কামখিনিক 'মিছন বীৰুবালা' হিচাপে নামকৰণ কৰি আগবঢ়াই নিবলৈ সিদ্ধান্ত লোৱা হয়। এই অভিযানৰ যোগেৰে আমি বিশেষকৈ অসমৰ সাতখন জিলাত গাঁৱে-ভূঞে ঘূৰি বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী একত্ৰিত কৰি ডাইনী হত্যা, ডাইনী নিৰ্যাতন ৰোধৰ হেতু বিভিন্ন সজাগতামূলক সভা অনুষ্ঠিত কৰি আহিছোঁ। এইদৰে বিভিন্ন কৰ্মপন্থাৰে আমি এই অভিযানটো চলাই লৈ গৈ আছোঁ।

আমি ঃ আপোনাৰ কৰ্মৰাজিত সমাজৰ শিক্ষিত লোকসকলৰ কিবা সহযোগ আছেনে? কোনবিলাক ব্যক্তিয়ে আপোনাক বিশেষভাৱে সহায় কৰি আহিছে?

বাইদেউ ঃ হয়, বিভিন্নজন মানুহৰপৰা আমি সহায় লাভ কৰিছোঁ। এই ক্ষেত্ৰত মই ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান কুলধৰ শইকীয়া, শ্যামল শইকীয়া, দীনেশ দাস আদি বিশিষ্ট ব্যক্তিৰ নাম মই ল'বই লাগিব।

আমি ঃ বাইদেউ, আপুনি এবাৰ শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনীত হৈছিল। এই সম্পৰ্কে অলপ ক'বচোন।

বাইদেউ ঃ হয়, ২০০৫ চনত মই শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনীত হৈছিলোঁ। আচলতে বঁটা-বাহন বৰ এটা ডাঙৰ বস্তু বুলি মই নাভাবোঁ। সমাজ সংস্কাৰ কৰি মানুহৰ হকে কাম কৰি যোৱাটো মই একান্ত দায়িত্ব আৰু লক্ষ্য বুলি ভাবি নিষ্ঠাৰে আগবাঢ়ি গৈ আছোঁ।

আমি ঃ 'ডাইনী হত্যা'ৰ বিৰুদ্ধে যুঁজ দিয়াৰ উপৰি আপুনি আন বহুতো সামাজিক কামৰ সৈতে জড়িত। সেই সম্পৰ্কে অলপ জনাবচোন।

বাইদেউ ঃ হয়, উগ্ৰপন্থী সমস্যা, বাল্য বিবাহ, বিবাহ বিচ্ছেদ, নাৰীজনিত অপৰাধ আদি বিভিন্ন সমস্যাৰ বিৰুদ্ধে মই কাম কৰিছোঁ।

আমি ঃ আপোনাৰ কামসমূহত চৰকাৰী পক্ষৰ সহযোগ কেনেকুৱা? সমাজৰপৰা কু-সংস্কাৰ আঁতৰ কৰাৰ ক্ষেত্ৰত চৰকাৰৰ কৰণীয় আপুনি কি বুলি ভাবে?



বাইদেউ ঃ 'মিছ্ন বীৰুবালা' অভিযানত আমি চৰকাৰী পক্ষৰপৰা সহায়-সহযোগিতা লাভ কৰিছোঁ। ব্যক্তিগতভাৱে মই বিভিন্ন বঁটা, সম্বৰ্ধনা লাভ কৰিছোঁ যদিও আৰ্থিকভাৱে চৰকাৰৰপৰা কোনো বিশেষ সঁহাৰি আজিলৈ পোৱা নাই।

কু-সংস্কাৰবোৰ আঁতৰ কৰাৰ ক্ষেত্ৰত চৰকাৰ যথেষ্ট দায়বদ্ধ হোৱা উচিত। বিশেষকৈ দেশৰ প্ৰশাসন যন্ত্ৰ এইবোৰ ক্ষেত্ৰত আইনীভাৱে যথেষ্ট কঠোৰ হ'ব লাগিব।

আমি ঃ 'ডাইনী হত্যা'ৰ দৰে কু-সংস্কাৰবোৰ আঁতৰ কৰাৰ ক্ষেত্ৰত সমাজৰ কৰণীয় সম্পৰ্কত আপুনি কি ক'ব? বিশেষকৈ নাৰীশক্তিক আপুনি কি ক'ব খোজে?

বাইদেউ ঃ নিজে বাস কৰি থকা সমাজখনক সঠিক ৰূপত ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত সমাজৰ প্ৰতিজন লোকৰে দায়িত্ব আছে। বৰ্তমান শিক্ষাৰ যুগ। শিক্ষা অবিহনে একপ্ৰকাৰ অন্ধকাৰ যেন অনুভৱ হয়। গতিকে প্ৰতিগৰাকী অভিভাৱকে নিজৰ সন্তানক প্ৰকৃত মূল্যবোধৰ শিক্ষা দিবলৈ যত্নপৰ হোৱাটো নিতান্তই জৰুৰী। কিয়নো শিক্ষাৰ জৰিয়তেহে সন্তানৰ আচাৰ-আচৰণ, কৰ্ম আদি সুন্দৰকৈ গঢ় লৈ উঠে। সমাজৰ প্ৰতিজন লোকে চকুৰে দেখাবোৰৰ ওপৰত বিশ্বাস আৰু দেখা নোপোৱাবোৰ অবিশ্বাস কৰিবলৈ আৰম্ভ কৰিলেই সমাজখন অন্ধবিশ্বাসৰপৰা মুক্ত হ'ব বুলি মই ভাবোঁ।

নাৰীসকলক মই আহ্বান জনাওঁ যাতে তেওঁলোক শিক্ষাৰ প্ৰতি আগ্ৰহী হয়। প্ৰকৃত শিক্ষাইহে প্ৰকৃত পথৰ সন্ধান দিয়ে। আশাকৰ্মী, ধাই, অংগনৱাড়ী কৰ্মী, মহিলা সমিতি আদিয়ে যৌথ প্ৰচেষ্টাৰে সজাগতা সভা আদি পাতি কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বিৰুদ্ধে আলোচনা কৰি সমাজখন নিকা কৰাৰ প্ৰচেষ্টা হাতত ল'ব পাৰে। দৰাচলতে সমাজখন সৰ্বাংগসুন্দৰ কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত নাৰীশক্তিৰ ভূমিকাই সকলোতকৈ বেছি হ'ব লাগে বুলি মই ভাবোঁ।

আমি ঃ ইতিমধ্যে বিভিন্ন পৰ্যায়ত আপুনি স্বীকৃতি আৰু বিভিন্ন সন্মান পাবলৈ সক্ষম হৈছে। এই সন্মানসমূহৰ বিষয়ে কিছু জনাব নেকি?

বাইদেউ ঃ হয়, বিভিন্ন ধৰণৰ বঁটা মই এতিয়ালৈ লাভ কৰিছোঁ। মনত থকাৰ ভিতৰত ২০১১ চনত সমাজপ্ৰাণ সৰ্বেশ্বৰ দত্ত স্মাৰক বঁটা, ২০১৬ চনত প্ৰাগ্ নিউজৰ প্ৰাগ্ সন্মান প্ৰেৰণা, চায়েন্স টেক্‌ন'ল'জী মেঘালয় বিশ্ববিদ্যালয় বঁটা, হাউলী বঁটা-২০১৭, কিঞ্চিত গোষ্ঠীৰপৰা কিঞ্চিত এৱাৰ্ড-২০১৭, ওৱান ইণ্ডিয়া এৱাৰ্ড-২০১৬, অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ বঁটা, ৰিয়েল হিৰো মুম্বাই ৱমেন্চ ৱেলফেয়াৰ ছ'চিয়েল ৱৰ্ক এক্সিলেন্স এৱাৰ্ড আদিয়েই উল্লেখনীয়।

আমি ঃ সমাজৰ কাম কৰি, মানুহৰ হকে কাম কৰি আপুনি কিমান সুখী আৰু সন্তুষ্ট? আপুনি নিজকে এগৰাকী সফল নাৰী বুলি ভাবেনে?

বাইদেউ ঃ মানুহ যিমানেই শিক্ষিত বা সফল নহওক লাগিলে, প্ৰথম পৰিচয় হ'ল— তেওঁ মানুহ। মানুহ হৈ মানুহৰ কাম কৰাটোৰেই মই মোৰ একান্ত লক্ষ্য হিচাপে ভাবোঁ। মানৱ সেৱাতেই ধৰ্মৰ প্ৰকৃত অৰ্থ নিহিত হৈ থকা বুলি মই বিশ্বাস কৰোঁ। মানুহৰ হকে কাম কৰি মই খুবেই সুখী আৰু সন্তুষ্ট।

এগৰাকী সাধাৰণ নাৰী হিচাপে সফলতা-বিফলতাৰ মাপকাঠি মই বিচাৰ কৰিব নোখোজোঁ। মই মোৰ লক্ষ্য অনুযায়ী কাম কৰি গৈছোঁ— ইমানেই।

আমি ঃ আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা সম্পৰ্কে জনাবচোন।

বাইদেউ ঃ 'মিছ্ন বীৰুবালা'ৰ যোগেৰে ডাইনী হত্যা, ডাইনী নিৰ্যাতনৰ দৰে ঘৃণনীয় কথাবোৰ সমাজৰপৰা আঁতৰ কৰিবলৈ ভৱিষ্যতে যৎপৰোনাস্তি কৰ্মপন্থা হাতত ল'বলৈ মই সাজু। সমাজৰ প্ৰতিজন ব্যক্তিক অন্ধবিশ্বাসৰ কৰাল গ্ৰাসৰপৰা আঁতৰাই আনিবলৈ মই পাৰ্যমানে সকলো কৰি যাম।

আমি ঃ আপুনি নৱ প্ৰজন্মলৈ কিবা বিশেষ বাৰ্তা আগবঢ়াব বিচাৰে নেকি?

বাইদেউ ঃ নৱ প্ৰজন্মই দেশৰ ভৱিষ্যৎ। উঠি অহা চামৰ সকলোৰে মিলি কাম কৰিলেহে সমাজৰপৰা কু-সংস্কাৰবোৰ আঁতৰ কৰাটো সম্পূৰ্ণৰূপে সম্ভৱ হৈ উঠিব বুলি মই আশাবাদী। ■

**সাক্ষাৎ গ্ৰহণ ঃ ভাৰ্গৱ কলিতা, হীৰকজ্যোতি নাথ আৰু ধনমণি দাস**

**যুগুতালে ঃ ভাৰ্গৱ কলিতাই**

# প্ৰাপ্তি-অপ্ৰাপ্তিৰ সীমনাত



◆ হীৰেন কলিতা
কাৰ্যালয় সহায়ক

এইকেইদিন ৰাজবংশীৰ ঘৰখনলৈ মানুহৰ লানি নিছিগা সোঁত বৈছে। গাঁৱৰ মানুহবোৰতো আছেই, ৰাজবংশীৰ লগত সম্পৰ্ক থকা প্ৰায়বোৰ মানুহেই হাতত ফল-মূল বা অন্যান্য বস্তু লৈ ৰাজবংশীক দি থৈ গৈছে। মাকৰ মৃত্যু কেতিয়া হ'ল, মৃত্যুৰ সময়ত মাকৰ বয়স কিমান হৈছিল ইত্যাদি কিছু কথা-বাৰ্তা পাতি মানুহবোৰে বিদায় লৈছে। অহা আহিছে, যোৱা গৈছে। আজি চাৰিদিন ধৰি একেখিনি কথাৰে পুনৰাবৃত্তি হৈছে। চাৰিদিন আগলৈ ৰাজবংশীৰ কথাৰ লাইন বেলেগ। চাইডলৈ কাম চাবলৈ গৈ কোনোবা লেবাৰক ক'ব—

ঃ অই, সেইফালে তই কি কৰি আছ! জল্দি কাম শেষ কৰিব লাগিব। এসপ্তাহ পিচত নতুন কাম বেলেগ চাইডত আৰম্ভ হ'ব।

ৰাজবংশীৰ কথা শেষ নৌহওঁতে ফোন বাজে। ফোনত অবিৰামভাৱে চিঞৰি চিঞৰি কথা কয়, কেতিয়াবা ফোনতে কিবা-কিবি ধমকি দিয়ে— হয়তো ৰাজবংশীৰ মহৰী বা অন্য কৰ্মচাৰীক। সেইজন ব্যস্ত মানুহে একেখিনি কথাকে বিভিন্ন মানুহৰ লগত পাতি পাতি একপ্ৰকাৰ যেন বিৰক্ত হৈছে। তদুপৰি চহৰৰপৰা মাকৰ মৃত্যুৰ খবৰ ল'বলৈ অহা মানুহবোৰে ৰাজবংশীৰ গাঁৱৰ ঘৰ চিনি নাপায়। ফোনত কাক কিমানক ঘৰৰ লকেচনৰ বৰ্ণনা দিব। সেয়ে তেওঁ মহৰীজনকে ফোনটো ধৰিব দিয়ে। আৰু মহৰীয়ে দিয়া পথৰ নিৰ্দেশমৰ্মে মানুহবোৰে আহি ৰাজবংশীৰ ঘৰ ওলাইছে। খবৰ ল'বলৈ অহা বহুতে ভাবে— "খবৰ লোৱা লেঠাটো নামাৰিলে ৰাজবংশীয়ে পিচত দু-আযাৰ কথা কোৱাৰ সুবিধা পাব।" আন কিছুৰ মতে— মাক বুঢ়া হৈছে, মৰিছে। ইয়াত দুখ বা সমবেদনা জ্ঞাপন কৰাৰ বিশেষ কথা নাই; কিন্তু ৰাজবংশীৰ দৰে এজন PWDৰ ডাঙৰ ঠিকাদাৰৰ লগত সম্পৰ্ক ৰক্ষা কৰাটো বুদ্ধিমানৰ কাম। সেয়ে ৰাজবংশীৰ ঘৰলৈ মানুহবোৰে ঢাপলি মেলিছে। শিমলিবাৰী গাঁৱলৈ চহৰৰ দামী দামী গাড়ীৰ প্ৰৱেশ ঘটিছে। গঞা ৰাইজে ভাবে— ৰাজবংশীৰ বাবে চহৰৰ মানুহবোৰে আমাৰ গাঁওখন দেখিলে। গাঁও পঞ্চায়তৰ সভাপতিৰপৰা এম.এল.এ. লৈকে সকলো আহিছে। এইটো বৰ উলা-মূলা কথা নহয়।

নিজৰ গাঁওখনলৈ ৰাজবংশীৰ মৰম আছে। জীৱনৰ শৈশৱ, যৌৱন এই গাঁওখনতে পাৰ কৰিছে। গাঁৱৰ বছৰেকত হোৱা সভাখনত ৰাজবংশীয়ে এঘণ্টাৰ বাবে হ'লেও দেখা দিয়ে। গাঁওবাসীয়ে ৰাজবংশীৰ আগমনলৈ বৰ আগ্ৰহেৰে বাট চাই থাকে। সভাৰ যাত্ৰাদলৰ খৰচৰ আটাইখিনি ধন ৰাজবংশীয়ে ৰাইজক বছৰে বছৰে দি আহিছে। সেয়ে মাকৰ মৃত্যুৰ পিচত শ্মশানৰ কামখিনিৰ কাৰণে তেওঁ একো চিন্তা কৰিবলগীয়া হোৱা নাই। খৰি-খেৰ মুহূৰ্ততে যোগাৰ হৈ গৈছে। সকলো মানুহৰ মুখত এটাই কথা— "ঠিকাদাৰ বাবুৰ মাক ঢুকাইছে।

সোনকালে শ্মশানৰ কামখিনি শেষ কৰিব লাগে।" গাঁৱৰ সকলোৱে ৰাজবংশীক 'ঠিকাদাৰ বাবু' বুলি জানে। ৰাজবংশীৰ আচল নামটো যে ৰুদ্ৰ ৰাজবংশী, সেই কথা এতিয়াৰ বহুত ল'ৰাই নাজানে।

ঃ ঠিকাদাৰ বাবু, কথা এটা হ'ল।

পিচফালৰপৰা আহি কানু ঠাকুৰীয়াই মাত লগালে। ঠিকাদাৰে ঘূৰি চাই— "কি হ'ল?" বুলি কোৱাৰ আগতেই কানু ঠাকুৰীয়াই এফালৰপৰা আৰম্ভ কৰিলে—

ঃ ব্ৰাহ্মণৰ ঘৰৰপৰা আহিলোঁ। এইখন দহাৰ লিষ্ট। বহুত বস্তু লাগিব।

ঃ কিন্তু বস্তুবোৰ তই কেনেকৈ যোগাৰ কৰিবি! আৰে ভাই কিছুমান বস্তু পইচা দিলেও নাপাবি। পলাহৰ পাত, সমিধ কাঁটা, গৰুৰ খিচ্— সেইবোৰ মই যোগাৰ কৰিম।

ঠিকাদাৰে কানু ঠাকুৰীয়াৰ কথাত সম্পূৰ্ণ হয়ভৰ দিলে। ঠিকাদাৰে পিচে কানুই কোৱাৰ দৰে টকা দিলেও এইবোৰ বস্তু নাপাবি কথাটো ভিতৰি ভিতৰি মানি লোৱা নাই। ঠিকাদাৰৰ কাম কৰা এগাল মানুহ, কোৱা মাত্ৰকে সকলো যোগাৰ কৰি যাব; কিন্তু কানুই দুখ পাব। মাত্ৰ ক'লে—

ঃ তই থাকোঁতে মই সেইবোৰ মাথা নামাৰোঁ।

ঠিকাদাৰৰ অৱশ্যে কানু ঠাকুৰীয়াৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছে। স্কুলীয়া জীৱনৰপৰা আজি প্ৰায় ৫৫ বছৰ বয়সলৈকে কানু ঠাকুৰীয়া মানুহজন সলনি নহ'ল। স্কুলত ঠিকাদাৰ আৰু কানু একে শ্ৰেণীতে পঢ়িছিল। পঢ়াত কানু সাংঘাতিক গাধা। কানুৰ গাধাক লৈ বহুত ৰসাল কথা আছে। পঢ়া-শুনাক বাদে কানু আন কামত পাৰ্গত। সৰস্বতী পূজাৰ এসপ্তাহ আগৰপৰাই কানুই শিক্ষকসকলৰ লগত পূজাৰ যা-যোগাৰ কৰাৰ কামত লাগি যায়। সেয়ে শিক্ষকসকলৰ কানু বৰ প্ৰিয়। "সৰস্বতীৰ গলত দিবলৈ দুডাল মালা লাগিব"— শিক্ষকৰ মুখৰপৰা কথাষাৰ ওলোৱাৰ লগে লগে কানুই আগে-ভাগে দায়িত্ব লৈ কৈ উঠে—

ঃ ছাৰ, মালা দুডাল মই যোগাৰ কৰিম। আমাৰ পেহাহঁতৰ ফুলনিত বহুত ফুল আছে।

কিন্তু দুৰ্ভাগ্যৰ কথা, ষষ্ঠ শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত কানুই ফেইল কৰিলে। প্ৰধান শিক্ষক আৰু অন্যান্য দুজনমান শিক্ষকে আলোচনা কৰি কানুক সেই বছৰ সপ্তম শ্ৰেণীলৈ পাছ কৰাই দিছিল। তাকে লৈ স্কুলত এটি সৰু হুলস্থুল হ'ল। কেইজনমান ফেইল কৰা ছাত্ৰই প্ৰধান শিক্ষকক সিহঁতকো পাছ কৰাই দিয়াৰ বাবে দাবী তুলিলে। পিচত যেনিবা বুদ্ধিৰে কথাটো সমাধান কৰিলে— "আচলতে কানুৱে পাছ কৰিছে। কিন্তু নম্বৰ তোলোঁতে খেলি-মেলি হৈছে।" প্ৰধান শিক্ষকে কোৱা কথাখিনি শেষত সিহঁতে মানি ল'লে; কিন্তু কানুৰ সমস্যাটো শেষ নহ'ল। ছল বুজি ল'ৰাবোৰে কানুক খাতিৰত পাছ কৰা বুলি ঠাট্টা কৰে। কথাটো যিহেতু সঁচা, কানুৱে ভিতৰি ভিতৰি বৰ লাজ পায়। সি ছাৰসকলক কেতিয়াও পাছ কৰাই দিয়াৰ বাবে খাটনি ধৰা নাছিল; কিন্তু তাৰ মনটো ভাঙি নাযাওক বুলি ভাবি ছাৰসকলে এইফেৰা কাম কৰিছিল। সপ্তম শ্ৰেণীৰ পাঠবোৰ তাৰ আৰু কঠিন যেন লাগিল। তাৰ ভয় হ'ল— ছয়মাহিলি পৰীক্ষাৰ বহী দিলে সি ধৰা পৰি যাব। তাৰ নিজৰ ওপৰতে বিশ্বাস নোহোৱা হ'ল। লগৰবোৰৰ ঠাট্টা-মস্কৰা, নিজৰ হীনমন্যতা ইত্যাদি বিভিন্ন কাৰণত কানুৱে বেমাৰৰ অজুহাত দেখুৱাই ছয়মাহিলি পৰীক্ষাত অৱতীৰ্ণ হোৱাৰপৰা বিৰত থাকিল। সেই যি পৰীক্ষাৰপৰা বিৰত থাকিল, কানুই পঢ়া জীৱনৰ সিমানতে অন্ত পেলালে। শিক্ষকসকলে দুদিনমান ঘৰলৈ আহি তাক অভয় দিলে যদিও কামত নাহিল। "অহা সোমবাৰৰপৰা যাম, অহা শুক্ৰবাৰৰপৰা যাম" বুলি কোৱা কথাটো কানুৱে ৰাখিব নোৱাৰিলে। "কিন্তু তই মাজে মাজে আমাৰ স্কুলৰ খবৰ ৰাখিবি" বুলি শিক্ষকে কোৱা কথাটো কানুৱে ৰাখিলে। স্কুলৰ অনুষ্ঠান-প্ৰতিষ্ঠানবোৰলৈ গৈ কানুৱে যিখিনি পাৰে সহায় কৰি দিয়ে। স্কুল এৰাৰ পিচত কানু ঘৰত বহি নাথাকিল। পিতাকৰ লগত পথাৰলৈ গৈ ইটো-সিটো সহায় কৰি দিয়ে। আৰু দিন যোৱাৰ লগে লগে খেতিৰ ভাৰ নিজে কান্ধপাতি ল'ব পৰা হ'ল। স্কুলীয়া জীৱনৰ ৰসাল কথাবোৰ ঠিকাদাৰৰ এতিয়াও মনত আছে; কিন্তু কাৰ আগত কৈ ৰস কৰিব। এদিনৰ কথা—

ঃ দেউতা, কানুই ষষ্ঠমান পালে; কিন্তু পূৰণৰ নেওতাখন এতিয়াও নাজানে।

ঠিকাদাৰৰ কথাত ভেকাহি মাৰি দেউতাকে কৈছিল—

ঃ তই আনৰ কথা ক'ব নালাগে, নিজে ভালকৈ পঢ়। পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব লাগিব।

ঠিকাদাৰ বাবুৱে দেউতাকৰ কথা ৰাখিলে। প্ৰৱেশিকা পৰীক্ষা সুখ্যাতিৰে পাছ কৰি গুৱাহাটীৰ কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰিলে আৰু শেষত বিজ্ঞানৰ স্নাতক হৈ ঘৰলৈ উভতি আহিল। সেই সময়ত বিজ্ঞানৰ স্নাতক গাঁওখনত কোনো নাছিল। ওচৰৰ হাইস্কুলখনতে শিক্ষক হিচাপে যোগদান কৰাৰ বাবে সুবিধা পাইছিল; কিন্তু তেওঁ স্কুল শিক্ষকতে জীৱনটো সীমাবদ্ধ কৰিব বিচৰা নাছিল। গুৱাহাটীৰ হোষ্টেলৰ জীৱনে ঠিকাদাৰৰ সপোন উচ্চৰপৰা উচ্চতৰ কৰি লৈ গৈছিল। অধিক টকা-পইচা উপাৰ্জন কৰা লাইন এটি বিচাৰি শেষত ঠিকাদাৰ হ'ল। এবাৰ তেওঁৰ যি ঠিকাদাৰী লাইন আৰম্ভ হ'ল, তেওঁ আৰু ৰৈ থাকিবলগীয়া নহ'ল। এটা কামে আন এটা নতুন কামৰ সন্ধান দিলে। বিভিন্ন মানুহৰ লগত হলি-গলি আৰম্ভ হ'ল। নতুন নতুন অভিজ্ঞতা হ'ল, নতুন নতুন বুদ্ধিৰ জন্ম হ'ল— টকা উপাৰ্জন কৰিব পৰা নতুন বুদ্ধি। হাতলৈ প্ৰচুৰ টকা-পইচা অহাৰ লগে লগে ব্যস্ততা বাঢ়িল। তাহানিৰ কানু ঠাকুৰীয়াৰ স্কুলীয়া সহপাঠী ৰুদ্ৰ ৰাজবংশী এতিয়া অঞ্চলবাসীৰ 'ঠিকাদাৰ বাবু'। অঞ্চলটোত যুগ যুগৰপৰা খালী হৈ থকা বিভিন্ন প্লটত এতিয়া বাউণ্ডেৰী ৱাল। সোধাপোচা কৰাৰ পিচত গম পোৱা যায়— গাঁৱৰ সোণেশ্বৰ কৈৱৰ্তৰ আঠ বিঘাৰ মাটিৰ দাগটো ঠিকাদাৰ বাবুৱে কিনি ৱাল দিলে। এতিয়া খালী প্লটত বাউণ্ডেৰী ৱাল দেখিলে কাৰো সন্দেহ নাই যে, ৰঘু দদাইৰ মাটিখিনি বোধহয় ঠিকাদাৰ বাবুৱে কিনিলে। গাঁৱৰ ঘৰৰপৰা পাঁচ কিলোমিটাৰ আঁতৰত থকা টাউনখনত ঠিকাদাৰে এটি ছয়মহলীয়া বিল্ডিং সাজিছে। সৰু টাউনখনৰ সকলোৱে সেই ঘৰটোলৈ ৰৈ ৰৈ

চায়। মাককো টাউনৰ ঘৰলৈ নি কিছুদিন ৰাখিছিল। ওপৰৰ মহলাৰ এটি সুকীয়া কোঠাত মাকক ৰখাৰ ব্যৱস্থা কৰিলে। ঠাণ্ডা পানী, গৰম পানী সকলো সুবিধা আছে। ঘৰত কাম কৰা মহিলা আছে। সকলো সময়তে মাকৰ আল-পৈচান ধৰে। ঠিকাদাৰৰ ঘৈণীয়েক নিৰ্মালিয়েও মাকৰ খোৱা-লোৱাৰ প্ৰতি বৰ যত্ন লয়। নিৰ্মালিয়ে ভাবে— "মাৰনো আৰু কিমান দিন! থকা দিনকেইটাত সুখেৰে পাৰ কৰক।" কিন্তু মাকৰ সুখৰ ধাৰণাটো বেলেগ, নিৰ্মালিয়ে ভবাৰ দৰে নহয়। প্ৰথম যেতিয়া মাকে ন-কইনা হৈ গাঁৱৰ ঘৰখনলৈ আহিছিল, সেই ঘৰখনত থকা সুখ টাউনৰ অত্যাধুনিক কোঠাত পোৱা সুখতকৈ বেলেগ। এতিয়াও ঠিকাদাৰৰ দেউতাকে তামোলৰ পুলি, নাৰিকলৰ পুলি বাৰীৰ চৌদহত ৰোপণ কৰি সেইবোৰ আপডাল কৰি "এইবোৰ ডাঙৰ হ'লে তামোল খাব পাৰিবি, নাৰিকল খাব পাৰিবি" বুলি ঘৈণীয়েকক আশ্বাস দিয়া কথাবোৰ মাকৰ মনত আছে। সেই তামোলৰ তলৰপৰা তামোল বিচাৰি আনি লগৰ তিৰোতাবোৰৰ লগত কথা পাতি পাতি তামোল খোৱা আমেজ মাকে টাউনৰ ঘৰত নাপায়।

ঃ আজি মই এবাৰ ঘৰলৈ যাম।

মাকৰ কথাখিনিত ঠিকাদাৰে থতমত খালে।

ঃ গাঁৱৰ ঘৰলৈ? তাৰমানে মই সজা ঘৰটো মাৰ ঘৰ নহয়। গাঁৱৰ ঘৰটোহে মাৰ ঘৰ। —ঠিকাদাৰে কথাবোৰ মনে মনে ভাবিলে।

মাকৰ মনৰ অশান্তিৰ উমান বুজি ঠিকাদাৰে মাকক গাঁৱৰ ঘৰত থকাৰ ব্যৱস্থা কৰিলে। ঘৰত দুজনী কাম কৰা তিৰোতা ৰাখি দিলে। মাজে মাজে কিবা লাগিলে কানু ঠাকুৰীয়াই সহায় কৰি দিয়ে। ঠিকাদাৰে এদ'ম বস্তু আনি মাকক দি যায়। কাম কৰা তিৰোতা দুজনীক কয়—

ঃ কিবা লাগিলে ওচৰৰ দোকানৰপৰা আনিবি। মই দোকানীক কোৱা আছে।

মাকৰ খা-খবৰ লৈ থাকিবলৈ এটি ম'বাইল ফোন কিনি আনিলে; কিন্তু কি হ'ব? মাকে চলাব নোৱাৰে। ঠিকাদাৰে বুজাই দিয়ে—

ঃ তই একো কৰিব নালাগে। ফোন আহিলে এইটো চুইচ্‌ত টিপা মাৰি দিবি।

নাই, মাকে বাৰে বাৰে ভুল কৰে। ফোনটো হাতত লৈ হাঁহিত থৰ পৰে। শেষত কয়—

ঃ এই শেষকালত এইবোৰ নহ'ব, তই মাজে মাজে আহিবি। ফোন কৰি খবৰ ল'লে তোক দেখা নাপাম। আৰু তই চিন্তা নকৰিবি, মই ঠিকে থাকিম।

কথাটো সঁচাও। মাকৰ মন গাঁৱত থাকি বৰ উজ্জ্বল। প্ৰথম কিছুদিন ঠিকাদাৰে মাহৰ মূৰত এবাৰ আহি মাকৰ খা-খবৰ লৈছিল; কিন্তু কামৰ ব্যস্ততাৰ বাবে কেতিয়াবা দুমাহলৈ গাঁৱলৈ আহি মাকৰ খবৰ ল'ব নোৱাৰে। যদিও ঠিকাদাৰৰ ঘৰ গাঁৱৰ ঘৰৰপৰা মাত্ৰ পাঁচ কিলোমিটাৰ আঁতৰত, বেছিভাগ সময় চহৰতে থাকে। বিভিন্ন কামত মাহেকত, পযেকত দিল্লী-মুম্বাইলৈ গৈ থাকিবলগীয়া হয়। তাকে লৈ নিৰ্মালিও বিমোৰত পৰিছে। ল'ৰা-ছোৱালীহাল কলেজ পাইছে। দুয়ো গুৱাহাটীৰ দুখন হোষ্টেলত থাকে। সিহঁতৰ খা-খবৰ ল'বলৈ ঠিকাদাৰৰ সময় নাই। নিৰ্মালিয়ে টাউনৰ ঘৰত অকলে থাকে, মাক থাকে গাঁৱৰ ঘৰত। এই সকলো কথাৰ সমাধান হিচাপে ঠিকাদাৰে গুৱাহাটীত থকাৰ সিদ্ধান্ত ল'লে। মাকৰপৰা আৰু কিছু আঁতৰ হ'ল। ঘৰত কাম কৰা তিৰোতা দুজনী, গাঁৱৰ মাকৰ সমবয়সীয়া কেইগৰাকীমান বুঢ়ী আৰু কানু ঠাকুৰীয়াই মাকৰ শেষ আশ্ৰয় হ'ল। সেয়ে মাজে মাজে কানুই ঠিকাদাৰক কঢ়া কথা কৈ দিয়ে। ঠিকাদাৰে অৱশ্যে বেয়া নাপায়, কানুক জানে। প্ৰথম অৱস্থাত নিৰ্মালিয়ে কিন্তু কানুক বৰ বেয়া পাইছিল। টাউনৰ ঘৰলৈ কানু মাজে মাজে গৈছিল। ড্ৰয়িং ৰুমৰ চোফাত ঠেং-হাত তুলি কানুই যি ভংগিত কথা কয়, নিৰ্মালিৰ হজম নহয়। নিৰ্মালিয়ে ভাবিছিল— কানুই নিশ্চয় ঠিকাদাৰৰপৰা সহায় বিচাৰে। কথা প্ৰসংগত ঠিকাদাৰে নিৰ্মালিক বুজাই কৈছিল—

ঃ তাক খং নকৰিবি, সি তেনেকুৱাই। মাৰ খা-খবৰ ৰাখে, তামোল-পাণৰ যোগাৰ ধৰে। তাৰ বাবে আজিলৈকে সি মোৰপৰা একো দাবী কৰা নাই। কেতিয়াবা মই তাক টকা পাঁচশ ৰাখি থ বুলি ক'লে সি মোক চকু ঘোপা কৰি ধৰে।

আৰু অকল কানুৱেইনে? গাঁওখনৰ বেছিভাগ মানুহেই ইজনে আনজনৰ সুখ-দুখৰ সমভাগী। মাকৰ নৰিয়াৰ সময়ত গাঁৱৰ মানুহবোৰে চাৰিওফালে মাকক বেৰি ধৰি আছিল। ঠিকাদাৰ আৰু নিৰ্মালিও গাঁৱলৈ আহি কিছু ঘণ্টা থাকি গুচি গ'ল। মাকক চিঞৰি চিঞৰি মাতিছে—

ঃ মা, মই আহিছোঁ, ৰুদ্ৰ, ৰুদ্ৰ মা।

নাই মাকৰ কাণসাৰ নাই। মা আৰু বেছিদিন নাথাকিব। এইকেইদিন ওচৰত থাকিব পৰা হ'লে ভাল আছিল; কিন্তু কামবোৰো বৰ জৰুৰী, এৰিব নোৱাৰি।

ঃ কানু, তই এইকেইদিন অন্ততঃ মাৰ ওচৰত বেছিকৈ থাকিবি। উপায় নাই, মই মাজতে আহিম। অ' মা, মোৰ নম্বৰটো লিখি দিছোঁ। কিবা এটা হ'লে বেলেগৰ ফোনৰপৰা মোক ফোন কৰি দিবি।

ঠিকাদাৰে অনুৰোধৰ সুৰত কানুক কথাবোৰ কৈ গ'ল। কানুৱে ঠিকাদাৰক চিন্তা কৰিব মানা কৰি দিলে। কানুৱে জনালে—

ঃ আমাৰ পিতায়ো নৰিয়াত পৰিছে। ভৰি-হাতবোৰ তৰ্‌তৰাই থাকে। মই কাষত বহি মালিচ কৰি শুৱাই দিব লাগে। আজি পাঁচমাহ ধৰি তাকেই কৰিছোঁ। অলপ সময় নোহোৱা হ'লে আটাহ ধৰে। আকৌ মালিচ কৰি দিলে শুই পৰে। তই চিন্তা নকৰিবি, মাৰৰ খবৰ আমি ৰাখি আছোঁ।

ঠিকাদাৰ কিছু মুহূৰ্তৰ বাবে গহীন হৈ পৰে। মনে মনে ঈশ্বৰক আৰাধনা কৰে— সোনকালে মাক কষ্ট নোপোৱাকৈ লৈ যা। আৰু আজি পোন্ধৰ দিন আগত মাকৰ সেই দিনটো আহিল। আজি ঠিকাদাৰৰ মাকৰ শ্ৰাদ্ধ। এই পোন্ধৰ দিন তেওঁ বন্দী হৈ আছিল। ক'ত কিমান কাম যে পেণ্ডিং হৈ গৈছে! অকল ফোনেৰে সকলো কথা ঠিক কৰিব নোৱাৰি। মানুহবোৰ বৰ চালাক হৈছে। অহাকালিৰপৰা নিজে ফিল্ডত নামিব। কেৱল আজি ৰাতিটো পাৰ হ'লেই হ'ল। ৰাতিপুৱাৰপৰা ঠিকাদাৰৰ গাঁৱৰ ঘৰত মানুহৰ ভিৰ বাঢ়িছে। ঠিকাদাৰৰ

পোন্ধৰ-বিশজন কৰ্মচাৰী আহি বিভিন্ন যা-যোগাৰত লাগি গৈছে। গাঁৱৰ মানুহবোৰে শ্ৰাদ্ধৰ নিয়মমাফিক কামবোৰৰ দিহা কৰিছে। ব্ৰাহ্মণৰ কামখিনি হোৱাৰ পিচত ৰাইজে হৰি কীৰ্তন কৰিব। দিনৰ পৰ্ব শেষ হোৱাৰ পিচত ৰাতি ৰাইজৰ চৌতালী নাম আছে আৰু সেইটোৱে এই মাংগলিক অনুষ্ঠানৰ শেষ কাৰ্যসূচী। গধূলি নামৰীয়া দলটি আহিল। ঠিকাদাৰে চুৰিয়া-পাঞ্জাৱী পিন্ধি খুব বেগাই অহা-যোৱা কৰিছে।

ঃ অ'ই, অ'ই গোবিন্দ, তহঁতকেইটা এইফালে আহ। —ঠিকাদাৰৰ কৰ্মচাৰী তিনিজনক মাতি আদেশৰ সুৰত ক'লে।

ঃ তহঁতে দিহা কৰি কামবোৰ শেষ কৰিবি। অহাকালি তহঁতৰ বেলেগত কাম নাই, ইয়াৰে সম্পূৰ্ণ লেঠা মাৰিহে তহঁত যাবি।

ইতিমধ্যে নামৰীয়া দলৰ সম্পূৰ্ণ মানুহ আহি চোতালত ঘূৰণীয়াকৈ বহি লৈছে।

কানু ৰাইজৰ দেউৰী। মাহ-প্ৰসাদ, ধূপ-ধূনা ইত্যাদি বস্তুবোৰ নিজ নিজ স্থানত সাজু কৰিছে। ঠিকাদাৰে কানুক হাঁহি হাঁহি সুধিলে—

ঃ কি কানু, তই এতিয়া— তই এতিয়া....।

ঠিকাদাৰে ক'ব পৰা নাই শব্দটো। কানুৱে তপৰাই কৈ উঠিল—

ঃ মই এতিয়া ৰাইজৰ দেউৰী।

উদং গাৰে মুখত এখন গামোচা বান্ধি কানুৱে নৈৱেদ্য আৰু উপহাৰ ভিনে ভিনে সজাই ৰাখিলে। সেইবোৰ সামৰি কানুও নামত বহিল। ঠিকাদাৰে আজি ৰাইজৰ নাম চোৱাৰ কথা ভাবিলে। ৰাইজখনৰ ওচৰত তেওঁ কৃতজ্ঞ। মাকৰ বহুত খবৰ ৰাখিছে। গাঁৱৰ চৌতালী নাম তেওঁ বহু বছৰ দেখা নাই। এটা সময়ত গাঁৱৰ কান্তিৰাম, মঙলু, সানহুহঁতে নাম গাইছিল। সেইবোৰ মানুহ কাহানিবাই ঢুকাল। গাঁৱৰ ডেকাবোৰ এতিয়া বয়োবৃদ্ধ হ'ল। সিহঁতে এতিয়া সানহুহঁতৰ স্থান দখল কৰিছে। পদতীয়ে নাম জুৰিলে। তিনিযোৰ নাগাৰা আৰু তালৰ শব্দই ঠিকাদাৰৰ চোতাল-ঘৰ ৰজনজনাই গ'ল। নাগাৰা আৰু তালৰ ছেৱে ছেৱে পালিসকলে হাততালি মাৰি নাম গাইছে। এপাত বেণু লৈ কানু থিয় হ'ল। নাম চাববৈলে কানুৰ ঘৈণীয়েক জয়মতী আৰু ল'ৰা-ছোৱালী দুটিও আহিছে। জয়মতী আৰু ছোৱালীজনীয়ে বাৰাণ্ডাত বহিছে। কানুৰ ল'ৰাজনে ধুতি-পাঞ্জাৱী পিন্ধি নামত বহিছে। কানুৰ পৰিয়ালৰ আটাইকেইজন সদস্যক কানুৱে ঠিকাদাৰৰ লগত চিনাকি কৰি দিছে। সকলোৰে মুখত এটি সন্তুষ্টিৰ ভাব। নামৰীয়া দলৰ ইটো মূৰৰপৰা সিটো মূৰলৈ কানুই নাচি নাচি বেণু বজাইছে। ঠিকাদাৰে কানুক বেণু বজাই নচা কেতিয়াও দেখা নাই। এঘণ্টাতকৈও বেছি সময় ধৰি মানুহবোৰে অতি উলাহেৰে নাম গাইছে। প্ৰথম নাম শেষ হোৱাৰ পিচত আকৌ দ্বিতীয় নাম আৰম্ভ হ'ল। প্ৰথমতকৈ যেন এইবাৰৰ নাম বেছি চ'ৰা। মানুহবোৰৰ মুখত ভাগৰৰ চিন নাই। কানুই বেণু লৈ আকৌ ইমূৰৰপৰা সিমূৰলৈ নাচি ফুৰিছে। প্ৰায় আঢ়ৈ ঘণ্টা ধৰি কানুৱে নাচিলে। ঠিকাদাৰৰ বাৰাণ্ডাৰ ফালে চকু গ'ল। কানুৰ ঘৈণীয়েক জয়মতীও বাৰাণ্ডাত বহি ৰাইজৰ সুৰত সুৰ মিলাই নাম গাইছে। ঠিকাদাৰে নিৰ্মালিক বিচাৰিলে। নাই, ভিতৰত সোমাই আছে কিজানি! ঠিকাদাৰৰ ভিতৰি ভিতৰি খং উঠিল— গোটেই ৰাইজখন আহি আমাৰ চোতালত ভৰি পৰিছে। লোকৰ তিৰোতাবোৰ আহি চোতাল-ঘৰ ভৰ্তি হৈছে। কাম কৰিব নালাগে, এবাৰ-দুবাৰ মানুহখিনিক দেখা দিলে মানুহখিনিয়ে ভাল পায়।

কথাবোৰ ঠিকাদাৰে মনৰ মাজতে ভোৰ্‌ভোৰালে। দুপৰীয়াও মানুহবোৰে ঠিকাদাৰৰ ল'ৰাজনৰ কথা সুধিছিল। আইতাকৰ শ্ৰাদ্ধলৈ দীপাংকৰ আহিব নোৱাৰিলে। দিল্লীলৈ কিবা ইণ্টাৰভিউ দিবলৈ গৈছে। গাঁৱৰ মানুহবোৰে ঠিকাদাৰৰ ল'ৰাটো কিমান ডাঙৰ হ'ল, দেখিবলৈ কেনেকুৱা হ'ল এবাৰ চাব খোজে। এজনে কৈয়েই পেলালে—

ঃ বোলে ঠিকাদাৰ বাবু, আজি অন্ততঃ সি সকাম উলিয়াব নালাগিছিল। হাজাৰ হ'লেও শ্ৰাদ্ধৰ দিনা ঘৰৰ সকলোখিনিক লাগে।

ঠিকাদাৰে কথাটো মানি ল'লে। ভিতৰৰপৰা ঠিকাদাৰৰ ছোৱালীজনী ওলাই আহিল। ঠিকাদাৰৰ ভাল লাগিল, ভাবিলে— কিছু সময় চকীত বহি নাম চাব।

ঃ তোমাৰ ঔষধ খোৱাৰ সময় হৈছে, মায়ে মাতিছে।

—ছোৱালীজনীয়ে ঠিকাদাৰক মনত পেলাই দিলে।

ঘড়ীটোলৈ চালে, হয় ৯-০০ বাজিছে। এতিয়া তেওঁ ডায়েবেটিছৰ ঔষধ খোৱাৰ সময়। ইমান আমেজত তেওঁ নাম চাই আছিল, উঠিবলৈ মনেই যোৱা নাছিল; কিন্তু ঔষধৰ বাহিৰে তেওঁৰ গত্যন্তৰ নাই। এদিন ঔষধ নাখালে চুগাৰ হুৰ্‌হুৰাই বাঢ়ি যায়। ৰাইজখনক খুৱাবলৈ কত কিমান খাদ্যৰ যোগাৰ কৰিছে, অথচ নিজে একো এপদ মুখত দিব পৰা নাই। নিৰ্মালিয়ে সুকীয়াকৈ যোগাৰ কৰি দিয়া খাদ্যহে খাবলগা হৈছে। মাছ-মাংস বাদ দিয়া আজি প্ৰায় পোন্ধৰ বছৰ হ'ল। প্ৰেচাৰ হাই হৈ যায় বাবে সেইবোৰ এৰিলে। এতিয়া ঠিকাদাৰৰ বেছিভাগ খাদ্যই সিদ্ধ খাদ্য। আৰু বাহিৰত থকা সময়ত এইখিনি খাদ্যকে বিচাৰি কেতিয়াবা হাবাথুৰি খাব লাগে। চুগাৰৰ বাবে ফল-মূলো খাব নোৱাৰে; কিন্তু গাঁৱৰ কাম কৰা মানুহবোৰৰ ইঞ্জিনবোৰ বৰ ষ্ট্ৰং, শিলো হজম কৰিব পাৰে। মানুহে দি থৈ যোৱা মাহ, বুট, কল, বিস্কুট ঠিকাদাৰৰ ঘৰত জমা হৈ থকা নাই, চব চাফা। মাজতে এদিন কানু আৰু গেৰোৰ কোনে কিমানটা কল খাব পাৰে তাৰ প্ৰতিযোগিতা চলিল। দৃশ্যবোৰ চাই চাই ঠিকাদাৰৰ ভাল লাগি যায়।

ঃ দেউতা কি হ'ল? —ছোৱালীজনীয়ে পুনৰ মনত পেলাই দিলে। ঠিকাদাৰ বহাৰপৰা উঠি ভিতৰলৈ গ'ল। বেগৰপৰা টেবলেটটো উলিয়াই লৈ গিলিলে। এনেতে ঠিকাদাৰৰ ফোনটো বাজি উঠিল। ইঞ্জিনিয়াৰ আহমেদৰ ফোন। ঠিকাদাৰৰ খং উঠিল। এতিয়া আৰু ফোনত কথা পাতিবলৈ তেওঁৰ সময় নাই। ইঞ্জিনিয়াৰে কি কয় সেয়া নুশুনি তেওঁ এফালৰপৰা কৈ গ'ল—

ঃ শুনক আহমেদ, আজি মোৰ মাৰ শ্ৰাদ্ধ। আজি এই শ্ৰাদ্ধৰ দিনা মই আৰু ব্যৱসায়ৰ কথা নাপাতোঁ। বিশ্বাস কৰক, মা মৰাৰ তিনিদিনৰপৰা মই বাহিৰলৈ ওলাবলগা হৈছে। আজি শেষ দিন, এতিয়া নাম চলি আছে। অহাকালি কথা হ'ম।

কথাখিনি কৈ ঠিকাদাৰে ফোনটো কাটি দি বাহিৰলৈ ওলাই আহিল। পূৰ্ণ গতিত নাম চলি আছে। এবাৰ বেগা-বেগিকৈ ৰান্ধনী

ঘৰলৈ গৈ খবৰ ল'লে। নাম শেষ হোৱাৰ পিচত মানুহবোৰে ভাত খাব। এই যে বেগা-বেগিকৈ ৰান্ধনী ঘৰলৈ গ'ল, ঠিকাদাৰৰ বুকুৰ ফোপনি উঠিল। কেইবাৰমান দীঘল দীঘলকৈ উশাহ লৈ ভাগৰটো কমালে। মনত সন্দেহ হ'ল— ভিতৰখন ভিতৰি ভিতৰি ফোপোলা হৈছে, নহ'লে এই দুখোজ কাটোঁতে ভাগৰ লাগেনে? এইটো দৈনিক ঔষধ সেৱনৰ ফলত হোৱা ফল। পুনৰ ঠিকাদাৰে চকী এখনত বহি লৈ নামত মন দিলে। সেই একেই গতিত নাম চলি আছে। আকৌ ফোন বাজিল।

ঃ উস্ ৰাম, কিমাননো ফোন বাজে?

ফোনটো চাই ঠিকাদাৰ থিয় হ'ল। দিছপুৰৰ ফোন, মন্ত্ৰীয়ে কৰিছে। ফোনটো ৰিছিভ নকৰাকৈ ঠিকাদাৰ ভিতৰলৈ গ'ল। কাৰণ বাহিৰৰ নামৰ শব্দত কথা ক'লেও একো শুনি নাপাব। ফোনটো ৰিছিভ কৰাৰ পিচত ঠিকাদাৰ শিল পৰা কপৌৰ দৰে হ'ল। বহুত সময় একে ঠাইতে বৈ থাকিল। ঠিকাদাৰক তেনে অৱস্থাত দেখি নিৰ্মালিয়ে সুধিলে—

ঃ কি হ'ল? কিবা ছিৰিয়াচ ঘটনা নেকি?

ঠিকাদাৰে লাহেকৈ ক'লে—

ঃ মন্ত্ৰীয়ে ফোন কৰিছে, এতিয়াই মই গুৱাহাটীলৈ যাব লাগে।

ঃ আপুনি আজি ঘৰত সকাম থকা বুলি নকয় কিয়!

নিৰ্মালিয়ে জোৰ দিলে।

ঃ নাই, সেইবোৰ নামানে, আজি তিনিমাহ আগতে বন্ধা ৰাস্তাটোৰ সন্দৰ্ভত অভিযোগ আহিছে। ওপৰৰ নিৰ্দেশ, মই এই মুহূৰ্ততে গৈ কিবা মোকাবিলা কৰিব লাগে।

ঠিকাদাৰৰ কথাত নিৰ্মালি চুপ হৈ ৰ'ল। আগতেও ঠিকাদাৰে এনেকুৱা কথাত হঠাতে যাবলগা হয়। কেতিয়াবা আনকি দিল্লীলৈ যোৱা খবৰটো এঘণ্টা আগতহে নিৰ্মালিয়ে জানে। যাব লাগে মানে— যাবই লাগে, কোনো ৰোধ নাই। আজিও ঠিকাদাৰ— আজি মানে আৰু কিছু মুহূৰ্তৰ পিচতে ঠিকাদাৰ গুৱাহাটীলৈ যাব লাগিব। ঘড়ীটোলৈ চালে। নিশা ১০-০০ বাজিছে। ড্ৰাইভাৰক গাড়ী উলিয়াবলৈ ক'লে। নাম তেতিয়াও শেষেই হোৱা নাই। তেওঁ ভাবিছিল— নামৰীয়া দলক বিদায় দিয়াৰ পিচত আজি সপৰিয়ালে গাঁৱৰ ঘৰত থাকিব। এতিয়া সকলো ওলট-পালট হৈ গ'ল। তেওঁ গ'লে নিৰ্মালি আৰু ছোৱালীজনী গাঁৱৰ ঘৰত নাথাকিব। সিহঁতক টাউনৰ ঘৰত থোৱাৰ ব্যৱস্থা কৰিব লাগিব। তেওঁ উপেন মহৰীক তাৰ দায়িত্ব দিলে। ৰাইজে নাম শেষ কৰি প্ৰসাদ বিতৰণ কৰিব আৰু তাৰ পিচত ভাত-পানী খোৱালৈ প্ৰায় ডেৰ ঘণ্টা লাগিব; কিন্তু ইমান সময়লৈ তেওঁ বৈ থাকিব নোৱাৰিব। এতিয়া ৰাইজখনৰ আগেৰে তেওঁ কি সতেৰে ওলাই যায়! তেওঁ ওচৰতে থকা ৰামচৰণক একাষৰীয়াকৈ মাতি নি বুজালে—

ঃ মোৰ ক'বলৈ বৰ বেয়া লাগিছে, মই খুব এটা জৰুৰী কামত এতিয়াই গুৱাহাটীলৈ যাব লাগে। নাম চলি আছে, মই ৰাইজক কথাটো ক'ব নোৱাৰোঁ। নাম শেষ হোৱাৰ পিচত কথাটো তই ৰাইজক বুজাই দিবি।

ৰামচৰণে সন্মতিৰে মূৰ জোকাৰিলে। কাকো এযাৰো মাত নিদিয়াকৈ ঠিকাদাৰ গৈ গাড়ীত বহিল। নাগাৰা আৰু তালৰ কাণ তাল মাৰি ধৰা শব্দত ঠিকাদাৰৰ গাড়ী ষ্টাৰ্ট কৰা শব্দটো কোনেও নুশুনিলে। ঠিকাদাৰৰ গাড়ী গুৱাহাটী অভিমুখে ৰাওনা হ'ল। তেওঁ নিজকে বৰ অপৰাধী অপৰাধী অনুভৱ কৰিলে। আৰু কিছু সময় পিচত নাম সামৰিব। ৰাইজে মাকৰ আত্মাৰ সদ্গতিৰ বাবে হৰিধ্বনি দিওঁতে পুতেকক বিচাৰিব। আৰু শেষত যেতিয়া আচল কথাটো গম পাব, ৰাইজে তাক ভিতৰি ভিতৰি গৰিহণা দিব। এতিয়া আকৌ মন্ত্ৰীয়ে কি কি প্ৰশ্নৰ জবাবদিহি কৰে তাৰ ঠিকনা নাই। আগতেও তেওঁৰ তেনে হৈছিল। ৰাস্তাৰ দুই নম্বৰী কামৰ কথা বাতৰি কাকতত পৃষ্ঠা ভৰাই লিখিছিল। আনকি সেইবাৰ তেওঁ ব্লেক লিষ্টেড হ'ব ওলাইছিল। টকা-পইচা দিহে কোনোমতে সাৰিছিল। এইবাৰ বা আকৌ কি হয়? নিৰ্জন গাঁৱৰ ৰাস্তাৰে গাড়ী আগবাঢ়ি থাকিল। ঠিকাদাৰে গাড়ীত বহি বহি ভাবি গৈ আছে— কিনো জীৱন বাছি ল'লোঁ! গাঁৱত শিক্ষক হৈ থকা হ'লে কিজানি ইমান সমস্যাৰ মাজত থাকিব নালাগিলহেঁতেন! যিমানে টকা-পইচা বাঢ়িছে, সিমানে সমস্যা বাঢ়িছে আৰু সেইবোৰৰ মোকাবিলা কৰিবলৈ যাওঁতে জীৱনটোৰ আচল সময়বোৰেই পাৰ কৰি দিলোঁ। টকা-পইচাই ঠিকাদাৰক কিদৰে সুখ দিলে এবাৰ হিচাপ কৰি চালে। নাইতো, ইমান থকাৰ পিচতো তেওঁ খাব নোৱাৰে। কেৱল টেবলেটৰ ওপৰতে চলি আছে। পঢ়া জীৱনত ইমান স্মাৰ্ট মানুহজনে আজি ৩০ বছৰে এখনো কিতাপ পঢ়া নাই, বছৰৰ পিচত বছৰ ধৰি এখন সম্পূৰ্ণকৈ চিনেমা চাই পোৱা নাই। বছৰেকত গাঁৱৰ সভাৰ যাত্ৰাদলৰ খৰচটো তেৱেঁই বহন কৰি আহিছে, অথচ আজিলৈকে সমনীয়াৰ লগত বহি যাত্ৰাদলৰ এখনো নাটক চোৱা হোৱা নাই। ঘৈণীয়েক, ল'ৰা-ছোৱালীৰ মনৰ খবৰ ল'বলৈ সময় নাই। কোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হ'বলৈ সময় পোৱা নাই। আনকি নিজৰ বৃদ্ধ মাকজনীক জীৱনৰ শেষ বেলাত সময়ৰ অভাৱত, কেৱল সময়ৰ অভাৱত আনৰ আশ্ৰয়ত থ'বলগা হ'ল আৰু মাকৰ শ্ৰাদ্ধৰ শেষৰ দিনৰ শেষ কাৰ্যসূচীত ৰাইজৰ আশীৰ্বাদ ল'বলৈও সময় নহ'ল। ৰাইজক নিজৰ চোতালত এৰি গুৱাহাটীলৈ আহিবলগা হ'ল। ঠিকাদাৰৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। "টকা-পইচাই সৰ নেকি?" তেওঁৰ মনলৈ বাৰে বাৰে প্ৰশ্ন আহিছে আৰু উত্তৰবোৰ তেওঁ নিজেই দিছে— "নাই, নহয়, টকা-পইচাই সৰ নহয়; সুখ বেলেগ বস্তু।" ঠিকাদাৰৰ নামৰীয়া দলটিলৈ মনত পৰিল। কানু ঠাকুৰীয়াই কিজানি এতিয়াও নাম গাই গাই নাচি আছে। কানু ঠাকুৰীয়াৰ লগত নিজকে এবাৰ ৰিজাই চালে আৰু মনেৰে কৈ দিলে— সি সুখী মানুহ। যি আছে তাতেই সন্তুষ্ট। আৰু থকাখিনিক লৈয়েই স্ফূৰ্তিত চলি থাকে। হাঁহিবলগা কথাত অন্তৰ খুলি হো-হোৱাই হাঁহিব পাৰে। ঠিকাদাৰে নিজকে বুজালে যে— সুখৰ মাপকাঠি টকা-পইচা নহয়; সুখৰ অৰ্থ হ'ল জীৱনৰ সন্তুষ্টি। জীৱনৰ বেছিভাগ সময় যদি সন্তুষ্টি, হাঁহি-ধেমালি বা স্ফূৰ্তিত যিয়ে কটাব পাৰে, সিয়ে সুখী। আজিৰ এনেকুৱা দুৰ্বল মুহূৰ্তত ঠিকাদাৰে নিজকে বহুত হেৰুওৱা ব্যক্তি, নিজকে বৰ সৰু, তুচ্ছ যেন অনুভৱ কৰিলে— যেন ষষ্ঠ শ্ৰেণীত ফেইল কৰা স্কুলীয়া সহপাঠী কানু ঠাকুৰীয়াতকৈও তুচ্ছ, বহুত তুচ্ছ। ■

# প্ৰত্যাশা

◆ হিৰণ্য গোস্বামী
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)



"মাহী! আইৰ বৰ টান। আয়ে আপোনাক....।" —এইবুলি ছোৱালীজনী গেট খুলি আহিছিল মাত্ৰ, ডাঃ ৰুণাই গৰজি উঠিল—ঃ খাবলৈ নোপোৱা ভিক্ষাৰীৰ জাত। বাহিৰ হ, তোমালোকৰ কাৰণে মই ডাক্তৰ হোৱা নাই নহয়!

দূৰতে বিদূৰ কৰি ছোৱালীজনীক ধমকি দি বাহিৰ কৰি দিলে। বহু কাকুতি-মিনতি কৰা সত্বেও ডাঃ ৰুণা চৌধুৰীয়ে কোনো কথাই নুশুনিলে। আচলতে সিদিনা ৰাতিপুৱাই ৰুণাৰ মেজাজ নষ্ট হৈছিল। আজি কিছুদিনৰপৰাই ৰুণাই অত্যন্ত বিচলিত হৈ আছিল। তাতে আকৌ ৰাতিপুৱাই অনুপৰ ব্যৱহাৰে তাইৰ মন বিষাক্ত কৰি তুলিছিল। সেই কাৰণেই চিৰহাস্যময়ী ৰুণা হৈ পৰিছিল অতি নিষ্ঠুৰ।

কিন্তু, মাহী বোলোতে ৰুণা কিছু কোমল হৈছিল। আচলতে তাই তেনেকৈ ক'ব নালাগিছিল; কিন্তু কৈয়ে পেলালে। ভাবি ভাবি কেতিয়া নঙলাৰপৰা ঘৰৰ পৰ্টিক পালেহি ক'বই নোৱাৰিলে। অসম্ভৱ ঠাণ্ডা পৰিছিল। নঙলাৰ কৰৱীজোপাৰপৰা নাম নজনা চৰাই এজনী চিএৰি গুচি গ'ল। গধূলি হৈছিল যদিও লাইট নজ্বলোৱাকৈয়ে তাই চকীখনত গাটো আঁউজাই দিলে। পৰ্টিকত থকা টাৱৰপৰা ৰজনীগন্ধাৰ গোন্ধ তাইৰ নাকত লাগিল; কিন্তু! একোৱে তাইৰ মনত শান্তি দিব নোৱাৰিলে।

"মাহী! আইৰ....!" চকু দুটা মুদি অতীতৰ ৰংচঙীয়া বসন্তই গছকি যোৱা জীৱনলৈ ৰুণা ঘূৰি গ'ল। এই সময়খিনিতে বহু লগ

পালে, বহুতো হেৰাই গ'ল। তথাপি কিয় জানো আজি এই মাহী! আইৰ.... বোলা ছোৱালীজনীক দেখাৰপৰাহে হঠাৎ স্মৃতিপটত বান্ধৱী কদমীৰ কথা মনত পৰি গ'ল।

কলেজত প্ৰথম ভৰি দিবৰ দিনাহে ৰুণাই ভাবিছিল— তাই যেন তেতিয়াহে গাভৰু হ'ল। মনত কিবা চঞ্চলতা বিৰাজ কৰিছিল। আচলতে সকলো ডেকা-গাভৰু ছোৱালীৰে এনে হয় নে নহয় তাই জনা নাছিল। কলেজত বন্ধু-বান্ধৱীৰ সংখ্যা ৰুণাৰ তাকৰ আছিল যদিও কদমী তাইৰ একমাত্ৰ বান্ধৱী; কিন্তু কেনেকৈ যে ইমান আন্তৰিকভাৱে নলে-গলে লগা হ'ল! তাইৰ আজিও মনত আছে, কলেজীয়া জীৱনৰ মাজতে কদমীলৈ দৰা আহিল! মাক-দেউতাকেও কদমীক গাঁৱলীয়া জীৱনৰ মৌলিকতা বজাই ৰাখি বোৱাৰী সাজত উলিয়াই দিলে।

সেই অতীতৰ সকলো কথা পুৰণি হৈ গ'ল। ইতিমধ্যে ৰুণায়ো ডাক্তৰী পাছ কৰি ডাক্তৰণী হ'ল। কদমীৰ বিয়াৰ পিচত সেই গাঁও বৰহীলৈ ৰুণাৰ আৰু যোৱা নহ'ল। সময় আৰু কৰ্তব্যই ৰুণা আৰু কদমীৰ বন্ধুত্বকো বহু দূৰলৈ ঠেলি দিলে। নাকৰ আগত কিবা এটা পোক পৰোঁতেহে ৰুণাৰ সম্বিৎ ঘূৰি আহিল।

হঠাতে তাই মাহী শব্দটো যেন শুনিবলৈ পালে। তাই অনুভৱ কৰিলে— সঁচাকৈয়ে এই ছোৱালীজনীৰ মুখখন সাইলাখ কদমীৰ দৰে। কিজানি এই ছোৱালীজনী কদমীৰ....।

মাহী! কদমী!!

কদমী! মাহী!! তাইৰ নিজকে কিবা কিবা যেন লাগিল। এইজনী! এইজনী!! যদি কদমীৰ ছোৱালীয়ে হয়! হয়তো কদমীয়ে তাইক মাহী সম্বোধন কৰিবলৈ.....। সঁচাকৈ আজিহে বৈবাহিক জীৱনৰ সপ্ত বসন্তৰ স্বাক্ষৰস্বৰূপে ৰুণাই পাবলগীয়া অস্তিত্বৰ অভাৱ অনুভৱ কৰিলে। সঁচাকৈয়ে 'মাহী' এই সম্বোধনৰ কি প্ৰাচুৰ্য! সেয়েহে ৰুণাই সেই ছোৱালীজনীৰ মাকক চাবলৈ যাব ওলাল; কিন্তু থমকি ৰ'বলগা হ'ল, কাৰণ তাইৰ ঠিকনা ৰুণাৰ লোৱাই নহ'ল। এন্ধাৰ অনুভৱ কৰি পৰ্টিকৰ লাইটটো জ্বলাই চকীখনত বহি ৰুণাই আকৌ সাতবছৰীয়া বৈবাহিক জীৱনৰ অতীত ৰোমন্থন কৰিবলৈ ধৰিলে।

ৰুণাই ৰিজাই চালে বান্ধৱী কদমী, বোৱাৰী সাজৰ কদমী, কদমীৰ সংসাৰ আৰু তাইৰ নিজৰ এই সৰু চহৰখন, অতি বিলাসী গাড়ী, পতি আৰু কৰ্মব্যস্ত মেডিকেলৰ চাকৰিৰ গতানুগতিক জীৱন। ভাব আৰু অৱশ অনুভূতিৰে তাড়নাৰ বশৱৰ্তী হৈ তাইৰ কেতিয়া টোপনি আহিল গমকে নাপালে।

বাহিৰৰ গেটখনত ঘটংকৈ শব্দ শুনি ৰুণাৰ টোপনি ভাঙিল। লগে লগে "মাহী মাহী, আয়ে আপোনাক..." শব্দ এন্ধাৰৰ মাজেৰে টৌ খেলি ভাহি আহিল। ক্ষীণ পোহৰৰ মাজেৰেই ৰুণাই সেই ছোৱালীজনীৰ কৰুণ মুখখন স্পষ্টকৈ দেখা পালে। মাকে নিজৰ সন্তানক বিচৰাৰ দৰে ততাতৈয়াকৈ উঠি গেটৰ লাইট জ্বলাই দি লাহেকৈ মাত দিলে—

ঃ অ' তুমি, আকৌ.....?

ভয় আৰু শংকিত চাৱনিৰে ছোৱালীজনীয়ে ক'লে—

ঃ আইৰ বৰ টান। বাৰে বাৰে আপোনাক....।

ছোৱালীজনীৰ মাতটো থোকাথুকি হৈ অস্পষ্টকৈ শুনিলে। ৰুণাই নোকোৱাকৈ যেন বহুতো বুজিলে, ছোৱালীজনীৰ মাতৃপ্ৰীতি আৰু কৰুণ বিননিভৰা আকুল মিনতি। তথাপি ৰুণা সহজ হ'ব পৰা নাই। কৰ্তব্যৰ খাতিৰ আৰু "তেওঁ মাত্ৰ আপোনাক..." এইখিনিৰ বাবে ৰুণা যাব ওলাল।

গাড়ী গৈ মেডিকেল কলেজৰ বাওঁফালৰ এচুকত ৰ'ল। ছোৱালীজনীৰ পিচে পিচে ৰুণা আগবাঢ়ি গ'ল। ঘৰটো বৰ চিনাকী যেন লাগিল— বিবাহিতা ছোৱালীৰ মাকৰ চিনাকী ঘৰখনৰ দৰে। এৰা, সঁচাতো! এওঁলোকে বিয়া কৰাই আনি ৰুণাক এই ঘৰটোতে সুমুৱাইছিল। সেয়েহে তাইৰ মানসপটত একাদিক্ৰমে অতীত জীৱন ভাহি উঠিল আৰু এয়া ঘৰটোৰ বিছনাত শুই থকা ৰোগীজনী....।

বিছনাত শুই আছে জীৰ্ণসদৃশ কংকাল এটি। ৰুণাক দেখি ৰোগীয়ে কৈ উঠিল—

ঃ ৰুণা, তই আহিছ! মই জানো, তই বুজি পাবি।

চকু চল্‌চলীয়া হ'ল। চাকিৰ ক্ষীণ পোহৰত ৰুণাই স্পষ্টকৈ দেখা নাছিল যদিও বেছি সময় বাট চাব নালাগিল। সেয়া একুৰি ছয় বছৰ আগৰ চিনাকি বান্ধৱী কদমীৰ মাত। ৰুণাই প্ৰয়োজনতকৈ ডাঙৰকৈ চিএঞৰি সুধিলে—

ঃ হয়নে? এইটো তাহানিৰ সেই কদমী নোহোৱা জানো?

কদমীয়ে কেৱল অলপকৈ হাঁহি দিলে। কিছু সময় মৌনকৈ পাৰ হৈ গ'ল, যেন কোনোবা মৃতকৰ মৌন সদ্‌গতি প্ৰাৰ্থনাহে। অৱশ হাতখন কোনোমতে দাঙি তাইৰ জীৰ্ণ-শীৰ্ণ বিছনাখনতে মৰমৰ বান্ধৱী ৰুণাক বহিবলৈ দিলে। কদমীৰ অন্তৰে যেন ক'বলৈ বিচাৰিছে বহুতো কথা; কিন্তু দেহৰ শক্তি অপাৰগ। ৰুণা বিষয়শূন্য, চেতনাহীন, যেন মৃণ্ময় প্ৰতিমা। তথাপিও শক্তি সঞ্চয় কৰি কদমীয়ে কৈ গ'ল তাইৰ অতীত।

ঃ ৰুণা, তইতো জান, মই কলেজত আছিলোঁ স্বাধীনচিতীয়া, সমাজ সংস্কাৰক কবি। য'ত মোৰ কবিতাৰ ভাষাই বিচাৰিছিল সমাজ সংস্কাৰ। অন্ধ নীতি, শোষিত নাৰী চৰিত্ৰৰ জাগৰণ; কিন্তু কি জান ৰুণা, আজি ময়ে সেই কল্পিত শোষিত চৰিত্ৰ...।

কদমীৰ বুকুখন যেন বন্ধ হ'ব খুজিছিল, সেয়েহে বুকুত হাত থৈ আৰম্ভ কৰিছিল—

ঃ ৰুণা, জীৱনৰ এটি দিনত মোৰ বিয়া হৈ গ'ল। তহঁতে ভাবিছিলি মই তহঁতক পাহৰিলোঁ। আচলতে তহঁতে মোক পাহৰিলি আৰু ভাবিছ মই বৰ সুখী!

সেহাই সেহাই কদমীয়ে আকৌ ক'লে—

ঃ ময়ো সমাজ-সংসাৰৰ লগত মিলি যাবলৈ চেষ্টা কৰিলোঁ। পিতাই ভাবিছিল— এজন সৎ পাত্ৰত গতাই পিতৃত্বৰ গৌৰৱেৰে গৌৰৱান্বিত; কিন্তু মই কি পালোঁ?

কদমীৰ উশাহ চুটি হৈ আহিছিল। পুনৰ সেপ ঢুকি লৈ কৈ গৈছিল—

ঃ মোৰ কি নাছিল ৰুণা; ৰূপ, যৌৱন, শিক্ষা! নাছিল মাথোঁ

বিয়াত লৈ অহা যৌতুক, সেয়া আছিল মোৰ পতিক দিবলগা ঘৰ বন্ধাৰ খৰচ; কিন্তু কিহৰ বাবে মোৰ দেউতাই মোক এই কথা নজনাই বিয়া দিলে ক'ব নোৱাৰিলোঁ। সেয়েহে দিন যোৱাৰ লগে লগে পতি আৰু শাহুৰ অত্যাচাৰ বাঢ়ি আহিল আৰু শেষত এদিন....।

কদমীৰ মাত ক্রমে থোকাথুকি হৈ আহিল। ৰুণাই নিজ হাতে বান্ধৱীৰ বুকুখন মোহাৰি দিছিল।

ঃ সব ঠিক হৈ যাব....।

শেঁতা হাঁহি মাৰি কদমীয়ে পুনৰ কৈ গ'ল তাইৰ হেৰুওৱা জীৱনৰ কাহিনী—

ঃ ক্রমে স্বামীৰ অত্যাচাৰ বাঢ়ি আহিছিল। এদিন নিশা নিচাসক্ত স্বামীক নিচা খাই ভৱিষ্যৎ ধ্বংস কৰাৰ কথা কোৱাত সেয়া মোৰ অপৰাধ হৈছিল আৰু মূৰত দুহতীয়া টাঙোনৰ কোব। তাৰ পিচত মোৰ মনত নাই। যেতিয়া প্রকৃতিস্থ হৈছিলোঁ, তেতিয়া দেখিছিলোঁ তোৰ হাস্পতালৰ বিছনাত এজনী অভিভাৱকহীন হতভাগী ৰোগী। কাষত মোৰ পাঁচবছৰীয়া মামণি। তাৰ পিচত আৰু মোৰ পতিয়ে কেতিয়াও খবৰ কৰা নাই। ইয়াৰ পিচত বহু সংঘাতেৰে আজিৰ এই অৱস্থা। মই কিজানি নাবাচিম! সেয়েহে মাজনীক তোক গতাব পাৰিলে....।

অপলক দৃষ্টিৰে ৰুণাই একুৰি ছয় বছৰৰ আগত ভৰা গাল-মুখৰ গোল চকুযুৰিৰ কদমীক জঁকাসদৃশ নৰকংকাল ৰূপত দেখি বিচলিত হৈছিল।

এয়া নিয়তিৰ নিষ্ঠুৰ পৰিহাস। আজিহে ডাঃ ৰুণা চৌধুৰীয়ে সময় আৰু ঘড়ীৰ কাঁইটকেইডালৰ সম্পৰ্ক যে মানৱ জীৱনত ব্যৱহৃত হয়, সেয়া অনুভৱ কৰিলে। অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ এখনি কাল্পনিক দৃশ্যপট ৰুণাৰ সন্মুখত ঢৌ খেলি খেলি গ'ল। ক'ব নোৱাৰাকৈয়ে ৰুণাৰ হাঁহিভৰা গুলপীয়া গালৰ মাজেৰে বৈ আহিছিল দুটোপাল চকুপানী। মূৰ তুলি খোলা খিৰিকীৰে দেখিছিল— এচপৰা মেঘ স্থিৰ হৈ ৰৈ গৈছিল জোন জ্বলা নিশাৰ আকাশত।

ঃ কি চাই আছা ৰুণা?

— শেঁতা হাঁহিৰ ৰেঙণি দেখুৱাই কদমীয়ে দুচকু জপাই দিছিল, তালৈ ৰুণাই মনেই কৰা নাছিল।

"মা, মা, মা" ধ্বনিত চিৎকাৰ কৰি কদমীৰ ছোৱালীজনীয়ে মাকক সাৱটি ধৰাতহে ৰুণা চমকি উঠিল। যেন তেওঁ এইমাত্র টোপনিৰপৰাহে সাৰ পালে। ৰুণাই লাহেকৈ চকু পৰীক্ষা কৰি মাত দিলে—

ঃ কদমী, কদমী!

পানীত পৰা মানুহে সাৰ পোৱাৰ দৰে কদমীয়ে চকু মেলিলে।

ঃ ৰুণা, তই হয়তো ভাবিছ, মই....। আচলতে কি জানা, মোৰ বৰ ভাগৰ লাগিছে, মই হাৰি গ'লোঁ ৰুণা...।

কদমীৰ মাত কমি আহিছিল।

ঃ হ'ব হ'ব, তই অলপ মনে মনে থাকচোন। —ৰুণাই মুখৰ কাষলৈ হাতখন বুলাই ক'লে।

এয়া নিয়তিৰ নিষ্ঠুৰ পৰিহাস। আজিহে ডাঃ ৰুণা চৌধুৰীয়ে সময় আৰু ঘড়ীৰ কাঁইটকেইডালৰ সম্পৰ্ক যে মানৱ জীৱনত ব্যৱহৃত হয়, সেয়া অনুভৱ কৰিলে। অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ এখনি কাল্পনিক দৃশ্যপট ৰুণাৰ সন্মুখত ঢৌ খেলি খেলি গ'ল। ক'ব নোৱাৰাকৈয়ে ৰুণাৰ হাঁহিভৰা গুলপীয়া গালৰ মাজেৰে বৈ আহিছিল দুটোপাল চকুপানী। মূৰ তুলি খোলা খিৰিকীৰে দেখিছিল— এচপৰা মেঘ স্থিৰ হৈ ৰৈ গৈছিল জোন জ্বলা নিশাৰ আকাশত।

ঃ থাকিম ৰুণা, চিৰকাল মনে মনে থাকিম। মাথোঁ মোৰ মাজনী...।

ৰুণাই অস্থিৰভাৱে কৈছিল—

ঃ হ'ব কদমী, মাজনীৰ দায়িত্ব মই ল'লোঁ। তই ভাল হৈ উঠিবি।— ৰুণাই যেন এটি শিশুকহে শান্ত্বনা দিছিল। তাই আজিহে অনুভৱ কৰিছে মাতৃত্ব কিমান আদৰণীয়, কিমান মহান, কিমান....।

ঃ ৰুণা, মাজনীক চাবি। মই যে পঠাইছিলোঁ তোৰ তালৈ আৰু কৈছিলোঁ— মাহী বুলি মাতিবলৈ! কাৰণ মই তোৰ জীৱনৰ সকলো খবৰেই লৈছিলোঁ।

ৰুণাই বাধা দিছিল। সেই বাধাকো আওকাণ কৰি কদমীয়ে কৈছিল—

ঃ ৰুণা, মই তোৰ হাতত মাজনীক তুলি দিলোঁ; চাবি যাতে যৌতুকৰ বাবে মোৰ দৰে মাজনীৰ জীৱন ধ্বংস নহয়। তাৰ বাবে তই....।

শেষৰ কথাষাৰি স্পষ্ট শুনা নগ'ল; কিন্তু বাৰ বাৰ ৰুণাৰ কাণত প্রতিধ্বনিত হ'ল যেন মহৎ লোকৰ এটি মহৎ বাণী। কদমীৰ চকুযুৰি জাপ খাই আহিল। ৰুণাই তেতিয়াহে অনুভৱ কৰিলে— সময় ইমান নিষ্ঠুৰ। তেতিয়াহে তাই বুজিলে সমাজ কিমান শৃংখলিত।

কদমীৰ জীৱন বিহংগ যেন শূন্যত বিলীন হৈ গ'ল। দুচকু জাপ খাই আহিল।

মাজনীক হাতত ধৰি চুইপাৰ কল'নীৰ এটি ঠেক অথচ পৌৰ নিগমৰ নিয়ন চাকিয়ে পোহৰ কৰা সুৰ্‌সুৰীয়া পথেৰে ৰামবিলাস চুইপাৰৰ ঘৰলৈ যাত্রা কৰিলে। মাজনীৰ জীৱনৰ বয়সৰ এটি দিন আগবাঢ়ি গ'ল সমাজ যাত্রাৰ এটি পোহৰ পিয়াসী চৰাইৰ দৰে। আগবাঢ়িল সময়ৰ সোঁতৰ বিপৰীতে শৃংখলিত সমাজৰ কল্পিত চৰিত্র ৰুণা-মাজনীৰ জীৱন এটি দিনৰ সু-প্রভাতলৈ। ■

# পিতা-পুত্ৰ

◆ দীপংকৰ দাস
স্নাতক ৪ৰ্থ ষাণ্মাসিক (বিজ্ঞান)



সি নাজানে দেউতাকে কিয় সেইবিধ গ্ৰহণ কৰে; কিন্তু কেতিয়া গ্ৰহণ কৰিব পাৰে, তাৰ বিষয়ে সি আজিকালি গম পোৱা হৈছে।

কাহিনীবোৰ ক'ত আৰম্ভ হয় বা ক'ত শেষ হয় সি নাজানে। হঠাৎ তাৰ মনত পৰি গ'ল— সি পঢ়ি অহা প্ৰাইমাৰী স্কুলৰ দিনবোৰলৈ। মানুহে ল'ৰালিৰ কথা ভাবিয়েই সকলোতকৈ বেছি আমেজ পায়। সিয়ো নিজৰ প্ৰাইমাৰী স্কুলৰ যিবোৰ কাহিনী এতিয়াও মনত আছে— সেইখিনি মনত পেলাই খুব ভালপায়।

ঃ ঐ দীপু, চুৰা-চুৰি খেলাং দে। —ৰমেনে কৈছিল তাক।

লগে লগে আটাইবোৰে 'অ, অ' কৈ চিঞৰিব লৈছিল। সিহঁতবোৰ দৌৰিছিল। স্কুলঘৰৰ পিচফালে থকা সৰু ৰাস্তাটো, য'ত আঁহতৰ পাতবোৰ সৰি থাকে। সিহঁত আটাইবোৰৰ ভৰিৰ যাদুত মচৰ-মচৰকৈ পাত ভঙা শব্দই জয়াল ঠাইখিনি খন্তেকৰ বাবে গণ্ডগোলীয়া কৰিছিল। দীপু দৌৰিছিল, তাৰ আগত দৌৰিছিল দীপাংকৰ, তাৰ আগত নৰ আৰু দীপুতকৈ পিচত মানে সকলোৰে শেষত দৌৰিছিল ৰমেন। ৰমেনে দীপুক চুবৰ যত্ন কৰিছিল। সি মানে দীপুই এতিয়াও ভাবে— ইমান শকত হৈয়ো ৰমেনে ইমান কেনেকৈ দৌৰিব পাৰিছিল!

ঠেক ৰাস্তাটো পাৰ হৈ সিহঁত পাইছিল স্কুলঘৰটোৰ পুবফালৰ ফিল্ডখন। হঠাতে নৰই চিঞৰিছিল—

ঃ ঐ দীপু, তোৰ চাৰ্টটোত কিবা লাগ্‌ছি অ'।

ঃ কি অ'? —বুলি চিঞৰিও কিন্তু দীপুৰ চাৰ্টটো চাবলৈ সময় হোৱা নাছিল। কিয়নো, তাৰ পিচত ৰমেন। বাকীবোৰ দীপুৰ ওচৰলৈ আহিছিল আৰু নাকত হাত দি হাঁহিবলৈ ধৰিছিল। নৰই কৈছিল—

ঃ ঐ, ইগিলা চোন মানুহৰ গোবৰ অ', ক'ত লগালি? ক'বাত পৰ্‌ছিলি নেকি?

দীপুই মনত পেলাবলৈ যত্ন কৰি কৈছিল—

ঃ নাই নহয় ৰমেন, তই মোক পৰা দেখ্‌ছিলি নেকি?

ঃ নাই, তই চোন মোৰ আগত আছিলি, নাই চোন পৰা। — ৰমেনে উত্তৰ দিছিল।

ঃ তেন্তে লাগিল কেনেকৈ?

চাৰিওফালে তন্ন তন্নকৈ বিচাৰ-খোঁচাৰ আৰম্ভ হৈ গ'ল। সকলোৰে চেণ্ডেলৰ তল অধ্যয়ন কৰাৰ পিচত নৰই চি.আই.ডি.ৰ দৰে ঘটনাটো বিবৰিছিল।

ঃ চাওঁ, স্কুলঘৰটোৰ পিচৰ ৰাস্তাটোত একডোখৰ মানুহৰ গোবৰত চেণ্ডেল পৰা চিন আছে। আৰু দীপাংকৰৰ চেণ্ডেলৰ তলতো গোবৰ লাগা আছে। এই চাওঁ।

মাৰি এডালেৰে নৰই দাঙি দেখুৱাইছিল চেণ্ডেলপাত।

ঃ দীপাংকৰে দীপুৰ আগে আগে দৌৰি আছিলি হয়না, তোৰ চেণ্ডেলৰ পেৰে ছিট্‌কি কিনে দীপুৰ বুকুত গোবৰ লাগ্‌ছি।

—নৰই পৰীক্ষাৰ ফলাফলত সকলোতকৈ বেছি নম্বৰ অহাৰ দৰে গহীন ভাব এটা দেখুৱাই অলপ ফুলিছিল।

সি কান্দিছিল আৰু কৈছিল—

ঃ এতিয়া মই ঘৰক কেন্‌কে যাম! ঐ দীপাংকৰ, তোৰ চোলাটো মোক দি পোনে।

দীপাংকৰৰ নাক-মুখ ৰঙা হৈ পৰিছিল। সঠিক বিচাৰত হেড ছাৰে কৈছিল—

ঃ ঐ দীপাংকৰ, তই কচুৰ পাতেদি চোলাটো মুচি দি।

চকু-তকু মুদি দীপাংকৰে দমকলৰ পাৰত চোলাটো পানী লগাই লগাই মচি দিছিল।

সি কিন্তু তাৰ পিচত চাৰ্টটো নিপিন্ধিলেই, তেনেকৈয়ে ঘৰ পালে। এইটো তাৰ জীৱনৰ এটা উল্লেখযোগ্য ঘটনা বুলি দীপুৱে প্ৰায়েই

মনত পেলাই হাঁহে; কিন্তু তাৰ পিচত দীপুৰ তৃতীয় শ্ৰেণীৰ ঘটনাটোলৈ মনত পৰে। দেউতাকে ৰাতি বহুত মদ খাই আহিছিল আৰু বকিছিল—

ঃ তোক মই কি দিয়া নাই ঐ হা ধাৰখোৱা! যি খুজ্ছা তাকে দিছু না নাই হা চোৱৰ, দিছু না নাই! আৰু তই আজি কি ফল দেখালি মোক! হা কি ফল দেখালি! বেলেগৰ চলিগিলাই বছৰি পঢ়বা পাৰা হয় আৰু এই এটোই খালী পিচুৱাবা জানে। চাল্লা তেজখাৱা, এইচব তোৰ মিয়াৰেৰ কাৰণে হ'ছি আৰু দিবা দি ঢাকান। আৰু ঢাকান দিবা দি। দেখিম দেচুন একদিন দেখিম দে। ঢক্ ঢক্কে যাব দে জীৱনটো, তেতিয়া গম পাবি।

বহুপৰ এনেকৈ গালি শুনাৰ পিচত দীপুৰ সহ্য হোৱা নাছিল। সেইদিনা তাৰ মনত কি সাহস হৈছিল আজিও সি ভাবি উলিয়াব পৰা নাই। সি বাহিৰত গৈ কি কৈছিল তাৰ নিজৰো স্পষ্টকৈ মনত আছে।

ঃ অ' বাবা, মই মানু অ', কমকে পঢ়া গেছি মোৰ। আহাবাৰ চতুৰ্থত এক ৰোল নম্বৰ হ'ম অ' মই, তই চাই থাক খালী। এইবাৰ তিনি হচু, দুইৰ পেৰে আহাবাৰ এক হ'মে অ' চাই থাক তই। নবক্‌বি আৰ।

দীপুই চতুৰ্থ শ্ৰেণীত সঁচাকৈ ৰোল নম্বৰ এক হৈ উত্তীৰ্ণ হৈছিল আৰু তাৰ পিচতহে তাৰ দেউতাকক কৰা প্ৰতিজ্ঞাটোৰ কথা মনলৈ আহিছিল। স্কুলৰপৰা ঘৰলৈ অহাৰ পিচত সি বাট পাই দেখিছিল— দেউতাকে সেইদিনাও মদ খাইছিল; কিন্তু দুখত নহয়, স্ফূৰ্তিত খাইছিল। ৰাতি ঘৰত খানা দিছিল, তেতিয়াও খাইছিল।

আজি সি কলেজ এৰিবৰ হ'ল, তথাপিও সি দেউতাকৰ চৰিত্ৰটো সম্বন্ধে বহুত বেছি ধৰিবই নোৱাৰিলে। এদিন সি তাৰ মাক আৰু খুড়াকৰ সৈতে ৰাতি প্ৰায় ২.৩০ মান বজাত বিচাৰি বিচাৰি ওলাই গৈছিল আৰু বিচাৰি পাইছিল বন্ধ ঘৰ এটাৰ ভিতৰত তাচপাত খেলি থাকোঁতে। তাৰ পিচত কিন্তু সি কোনোদিনে দেউতাকক জুৱা খেলা দেখা নাই। হাইস্কুলত যেতিয়া সি অষ্টম শ্ৰেণী পাইছিল, সেইদিনাই দেউতাকে এক ৰোল নম্বৰ হোৱাৰ খুচিত অতিপাত মদ খাইছিল দুপৰীয়াৰপৰাই। এনেকৈ নৱমত, মেট্ৰিকৰ ৰিজাল্টত, হায়াৰ চেকেণ্ডাৰীৰ ৰিজাল্টত প্ৰতিবাৰে এনেকুৱাকৈ ফুৰ্তি কৰিছিল; কিন্তু সেই দিনটোক বাদে গোটেই বছৰটো কিয় খাইছিল দীপুৱে নাজানে।

গণ্ডগোল কৰিছিল, মাৰ-পিট কৰিছিল, মাকক নামাৰিলেও কামত দোষ উলিয়াই গালি দিছিল। দীপুৱে আজিলৈ ভাবি নাপালে— দেউতাকৰ কোনটো চৰিত্ৰই তাক বেছি ভালপায়। মদ নাখাওঁতে থকা চৰিত্ৰই নে মদ খাই উঠাৰ পিচৰ চৰিত্ৰটোই! কিন্তু দুদিনমান সি দেউতাকৰ লগত হোৱা তৰ্কা-তৰ্কিত যি এটা উত্তৰ পাইছিল, সেইটো সি আশা কৰা নাছিল।

ঃ অ' বাবা, তুমি মদ নহ'লি এন্‌কে চল্‌বা নৰা হছা কিয়া অ'? এমান যদি মদ নহ'লি থাক্‌বা নৰা হছা, কাষত দেখা নাই ৰে'ল লাইনটো আছে। যা, পৰি থাক্‌গেল। এন্‌কে মদ খাই খাই গণ্ডগোল কৰি নাথাকিবি ঘৰখানত। জানু, ঘৰখানক চাৱাৰ নামত বহুত কষ্ট কৰা। মোৰ নামত বহুত খৰচ কৰা; কিন্তু সেইবুলি এমান নহয় অ'। ভাতকেটা খুৰে মুখেদি চুন উলিয়ে আন্‌বা খুজা।

দেউতাকক মৰিব দিয়াৰ কথাটো তাৰ মুখেদি কেনেকৈ বাহিৰ হ'ল দীপুৱে তৰ্কিবই নোৱাৰিলে। আজি ৪-৫ দিন পিচতো তাৰ মনৰপৰা অনুশোচনা যোৱা নাই; কিন্তু দেউতাকে তাৰ পিচত দিয়া—

ঃ কুকুৰ, চাল্লা কুকুৰ, মোৰ পইচাইদি মই মদ খাইছু, তোক খুজ্‌চু নেকি? চাল্লা কুকুৰ, কি দিয়া নাই অ' তোক মই.... !

উত্তৰটোৱে দীপুৰ মনটোত এতিয়াও বেজীয়ে বিন্ধা দি বিন্ধি আছিল। দীপুৱে বুজিব পৰা নাই— যি জানে, তাৰ দেউতাকে তাক বহুত বেছি ভাল পায়। কিবা হ'ব বুলি ঘৰৰ বাইকখনে কলেজীয়া এই ডেকা ল'ৰাটোক চুব নিদিয়ে। ক'ৰবাত অলপ ছাল এৰাই গ'লে, আঘাত পালেও তাতকৈ বেছি উস্-আস্ দেউতাকেহে আৰম্ভ কৰি দিয়ে; কিন্তু দেউতাকৰ মদ খোৱা এই স্বভাৱটোৱে তাক বৰ অশান্তি দিয়ে। দেউতাকৰ কথা সি গাঁৱৰ দুই-এজন ল'ৰাৰ মুখতো শুনিছে।

ঃ তোৰ বাপেৰে আমি যেতিয়া তোৰ নিচিনা আছিলু, তিথানৰ পেৰেয়ে মস্ত মদহী। এতিয়াহে তই ডাহাৰ হ'ৱাই গণ্ডগোল নকৰে, বাহিৰত ৰাতিক লেগি নাথাকে। —এনেকুৱা সি বহুত শুনিছে।

মদ খাই উঠি তাক লৈ গৰ্ব কৰা স্বভাৱ নাথাকিলেও তাৰ নামটো ব্যৱহাৰ কৰি আনৰ আগত নিজৰ আত্ম-অহংকাৰ দেখুৱাই— পাকঘৰৰ ডেস্কখানত দুটা আইনাৰ গিলাচ আছে, যাচোন লৈ আহ।

ঃ আজি, পাৰিম নাই ম...ই... ! —দীপুৱে ক'লে

ঃ এহ্, যা ঐ, নতুন বছৰৰ প্ৰথম দিনটোত অলপ এনজয় কৰিলি একো নহয় যা। —ৰুদ্ৰই ক'লে।

গিলাচ আহিল। এটা গিলাচত ডাঠ কমলা-মাটিয়া মিহলি ৰং এটা আধালৈ বাগৰিল, আনটোত আধাৰ আধালৈ। পানী পৰিল। এটাৰ ৰংটো অলপ এতিয়া ডাঠ, এটাত কম ডাঠ।

ঃ উস্ এটো লৌ; ফাৰ্ষ্ট টাইম অলপ লাইট কৰি দিছু। এই কুৰ্‌কুৰি আছে। নাকটোই দি উহা লোৱা বন্ধ কৰি একঢোক মাৰ আৰু কুৰ্‌কুৰি একপিচ চোবাও। —ৰুদ্ৰই উৎসাহ বঢ়ালে।

দীপুৱে নাজানে দেউতাকে কিয় মদ খায়; কিন্তু জানে, কেতিয়া কেতিয়া খায়। দেউতাকক মদ খোৱাৰ এটা বাহানাহে লাগে মাত্ৰ। আত্মতৃপ্তিত ভোগে। দীপুৱে তাতো মনত অলপ দুখ পায়। কি কৰিব তাৰ নাম লৈ থাকিব লাগে। সেই মানুহজনেই জানো হায়াৰ চেকেণ্ডাৰী দি থাকোঁতে ইংৰাজীৰ পৰীক্ষাৰ আগদিনা মদ খাই বাটত বাইকেৰে বাগৰি পৰি ভূত হৈ অহা নাছিল জানো!

এই মানুহজনেই সেইজন নহয় জানো, যিয়ে ৰাতি ১১-০০ বজাৰ পিচত ঘৰ নাপালে মাক-পুতেক দুয়োৰে বুকুখন এতিয়াও ধপ্‌ধপাই থাকে। আচলতে দেউতাকৰ দৰে মানুহ কিছুমানক মদ খোৱাৰ বাবে বাহানা লাগে নেকি? কিবা এটা চেলু পালেই হ'ল, গিলাচটোত চুমুক দিয়াৰ বাবে।

ঃ ঐ মহাপুৰুষ, কি ভাব্‌ছা এথান। কেমান মাত্‌লু কিয়া শুনি নাপা। —ৰুদ্ৰৰ ঢকাটোত দীপু মনৰ জগতখনৰপৰা আহি বাস্তৱ পালেহি। ■

# কদমতলৰ আইতা

**(বাস্তৱ আৰু কল্পনামিশ্ৰিত)**




**◆ জিংকী দাস**

স্নাতক ৬ষ্ঠ ষাণ্মাসিক (বিজ্ঞান)


সেই ঠাইডোখৰ মোৰ খুবেই প্ৰিয়। প্ৰায়ে কলেজত অহা-যোৱা কৰা এটি চিনাকি পথ; কিন্তু পথটো আজি দেখোন উকা, যেন......। কিবা এটা আজি তাত নাই! চিনাকি পৰিৱেশটো আজি দেখোন অচিনাকি যেন লাগিছে। বহুত দিনৰ পিচত আজি কলেজলৈ ৰাওনা হৈছোঁ। চাগে' সেইবাবেই। তথাপি মনটোৱে দেখোন মানি নলয়, সকলো একেই আছে বুলি। যেন কিবা এটা চিনাকি বস্তু আজি মোৰ চকুৰ আগত ধৰা দিয়া নাই। যেন মোৰ লগত লুকা-ভাকুহে খেলিছে। সেয়ে কলেজত নোসোমাই মনটোক সকাহ দিবলৈ পথটোত দুবাৰমান এনেয়ে অহা-যোৱা কৰিলোঁ। আকৌ এবাৰ চাৰিওফালৰ পৰিৱেশটোলৈ চকু ফুৰালোঁ।

এয়া কি?

আজি দেখোন কদমৰ তল খালী!

ক'ত গ'ল তেওঁ?

ক'ত গ'ল.... সেই বুঢ়ী আইতাজনী!

কদমতলৰ আইতা.....!!

যিডাল কদমে অকলেই মিৰ্জাৰ শোভা বঢ়াইছে, সেইডাল কদমৰ তলতেই থকা আইতাৰ সৰু দোকানখনে দুগুণে সোণত সুৱগা চৰাইছে। বস্তাত মেলি দিয়া দুটামান ঔ টেঙা, লগত কেইটামান জলকীয়া, আকৌ কেতিয়াবা কেইটামান শিলিখাৰ সৈতে কেইটামান জলফাইৰ থূপ লৈ বহি থকা সোণালী-বগা চুলিৰে সৈতে মিঠা বৰণীয়া, শোতোৰা পৰা মুখ আৰু বহুতো আশা পোহপাল দি থকা সেমেকা চকুযুৰিৰে সৈতে ক্ষীণ দেহৰ গৰাকী বুঢ়ী আইতা। আইতাৰ সপোনৰ সৰু দোকানৰ সৈতে আইতাই সাজে নানাৰঙী সপোন; কিন্তু আজি দেখোন তেওঁ নাই! নাই তেওঁৰ সৰু দোকানখন।

হঠাৎ কলেজৰ বেলৰ শব্দটো আহি মোৰ কাণত পৰাতহে মোৰ চেতনা বাস্তৱলৈ ঘূৰি আহিলে। ঘড়ীটোলৈ এবাৰ চালোঁ, মিনিটৰ কাঁটাডালে যেন মোক সকীয়াই দিলে ১০-৪৫ হ'বলৈ হ'ল। অলপো পলম নকৰি ততাতৈয়াকৈ শ্ৰেণীকোঠালৈ খোজ দিলোঁ। সময়মতে শ্ৰেণীকোঠাত উপস্থিত হৈ দীঘলকৈ এটা উশাহ লৈ ভালকৈ বহি ল'লোঁ। ক্লাছ আৰম্ভ হ'ল; কিন্তু মোৰ মনটোৱে শ্ৰেণীকোঠাৰপৰা, কিতাপৰপৰা বাৰে বাৰে আইতাৰ দোকানলৈ উৰি গৈ আছে। আজি ক্লাছত একেবাৰেই মন বহা নাই। মনটোৱে যেন বাৰে বাৰে প্ৰশ্ন কৰিছে, মোক সুধিছে— ক'ত গ'ল তেওঁ? ক'ত গ'ল.....?

দোকান বুলিবলৈ বিশেষ একো নাই, তথাপি সদায় বহে তেওঁৰ সপোনৰ সৰু দোকান। যিয়ে শুৱনি কৰে মিৰ্জাৰ কদমতল। সৰুৰপৰাই দেখি আহিছোঁ বুঢ়ী আইতাৰ সৰু দোকানখনৰ সৈতে বুঢ়ী আইতাক;

কিন্তু আজি তাৰ ব্যতিক্ৰম কিয় হ'ল!

আকৌ ক্লাছৰ বেলৰ শব্দ আহি কাণত পৰিলে। আকৌ মোৰ মনটো ক্লাছলৈ ঘূৰি আহিল। পাহৰি গৈছিলোঁ মই শ্ৰেণীকোঠাৰ ভিতৰত সোমাই থকাৰ কথা। চাৰিওফালে এবাৰ চালোঁ, সকলোৱে ছাৰৰ কথা মনোযোগ দি শুনি আছে। ময়ো মনোযোগ দিয়াৰ অভিনয় কৰিলোঁ আৰু পেটে পেটে ভাবিলোঁ— বাচি গ'লোঁ আজি ছাৰৰপৰা। ছাৰে চাগে' গমকেই নাপালে, আজি যে মোৰ মন ক্লাছৰ সলনি বেলেগ ক'ৰবাত উৰি ফুৰিছে।

আকৌ পাচৰ ক্লাছটো আৰম্ভ হ'ল। মোৰ মনটোৱে আকৌ উৰা মাৰিলে আইতাৰ দোকানলৈ।

গাড়ী-মটৰ-মানুহৰ অবিৰাম অহা-যোৱা আইতাৰ দোকানৰ আগেৰে। পিচে কোনোৱে কেৰাহিকৈও চাই নপঠিয়ায় আইতাৰ সৰু দোকানখনলৈ। আইতাৰ দোকানৰ প্ৰতিবিধ বস্তু কিনিলেও চাগে' আইতাৰ মোনাটোলৈ ৫০ টকা এটা নাহে। তথাপি সদায়ে আইতাই নানাৰঙী সপোন পোহপাল দি চলাই নিয়ে সপোনৰ সৰু দোকান। আইতা কাম কৰি খোৱা মানুহ, সেয়েহে সহজে কাৰোপৰা সহায় নলয় আৰু ভিক্ষা কৰিও নাখায়। নিজৰ গাৰ বলত কৰ্ম কৰি উপাৰ্জন কৰা পইচাৰেহে পেটক পোহপাল দিয়ে। সকলোৱে তেওঁক পাগলী বুলি মাতে। নিজৰ ল'ৰা-ছোৱালীক আইতাৰপৰা আঁতৰাই ৰাখে। আপোন বুলিবলৈ কোনো নাই আইতাৰ; না আছে কিম্বা পৰিচয়। মিৰ্জাৰ কদমডালেই তেওঁৰ একমাত্ৰ পৰিচয়। সেয়ে মই তেওঁৰ নাম দিছোঁ 'কদমতলৰ আইতা'। য'তে যিহকে পায় সেয়াই বুটলি আনি বস্তাখনত ধুনীয়াকৈ সজাই মেলি দি আইতাই কৰে দোকানৰ আৰম্ভণি। সৰুৰেপৰা দেখি অহা কদমতলৰ বুঢ়ী আইতাৰ অৱস্থাটোলৈ মোৰ বহুত বেয়া লাগে। সেয়ে মনতেই ঠিক কৰিছিলোঁ— ডাঙৰ হৈ চাকৰি এটা গোটাব পাৰিলেই মই আইতাক যি কোনো উপায়েৰে সহায় কৰিম; কিন্তু আজি দেখোন আইতা কদমতলৰপৰা হেৰাই গ'ল। আকৌ বেলত কোব পৰিলে আৰু তাৰ শব্দত মোৰ মনটো উৰি আহি ক্লাছত উপস্থিত হ'ল।

সোধোঁ-নোসোধোঁকৈ লগৰ বন্ধু-বান্ধৱীবোৰক সুধিয়ে দিলোঁ—

ঃ অ'ই এই যে কদমতলত আইতা এজনী বহি থাকে, বস্তু এখনত কিবা-কিবি লৈ, তেওঁৰ কি হ'ল অ'? ক'ত গ'ল? আজি আহোঁতে দেখোন দেখা নাপালোঁ তেওঁক!

ঃ আজি দেখোন তই বৰ খবৰ লৈছ বুঢ়ী আইতাৰ! কিয় ঘৰত লৈ যাবি নেকি?— এইবুলি কৈ নিতাই হাঁহিলে।

ঃ ভাবিছোঁ লৈয়ে যাওঁ বুলি; কিন্তু তেওঁ দেখোন কদমতলৰপৰা অন্তৰ্ধান হ'ল! ক'ত বা গ'ল?

নিতাই ক'লে—

ঃ আইতাক হেনো কেইদিনমান আগতে এজন মানুহে বেয়াকৈ মাৰ-পিট কৰিলে। আৰু সেই মানুহজন হেনো এই চুবুৰিৰ মহলদাৰ।

কথাষাৰ শুনি মোৰ চকু থিয় হৈ গ'ল। মনত বহুতো প্ৰশ্নৰ সমাৱেশ ঘটিল।

কিয় মাৰিছে তেওঁক? কি কৰিছিল তেওঁ?...... ইত্যাদি ইত্যাদি কত যে প্ৰশ্ন আহিল মোৰ মনত। ঘটনাটোৰ আঁতি-গুৰি জানিবলৈ খুব ইচ্ছা হ'ল, সেয়ে লগে লগে সুধি দিলোঁ—

ঃ কিয়? কিয় মাৰিছে তেওঁক?

ঃ তেওঁ হেনো দোকানৰ কৰ দিয়া নাই। দোকানৰ কৰ হেনো ৫০ টকা আছিল। মহলদাৰে কৰ খোজাত তেওঁ দিব নোৱাৰিলে আৰু সেয়েহে আইতাক বহুত বেয়াকৈ মাৰ-পিট কৰিলে।

উত্তৰ শুনি মোৰ বহুত খং উঠিল। মহলদাৰ এজন শিক্ষিত মানুহ হৈও দৈত্য-দানৱৰ দৰে মানৱতাবিহীন মানুহৰ দৰে ব্যৱহাৰ কৰিলে।

যিখন দোকান দেখিলেই ধৰিব পাৰি, বুজিব পাৰি দোকানখনৰপৰা ৫০ টকা এটাও নোলায়। যিজনী বৃদ্ধাক দেখিলেই ক'ব পাৰি, তেওঁ কমেও ৮০-৮৫ বছৰ বয়সীয়া হ'ব; তেওঁক হৃদয়হীনৰ দৰে মাৰ-পিট কৰিলে। এবাৰলৈও মনত নপৰিলেনে তেওঁৰ নিজ মাতৃলৈ! তেওঁৰ অলপো বেয়া নালাগিলনে, বুকুৰ কোনোবা এটা কোণত অকণো বিষ অনুভৱ নকৰিলেনে বৃদ্ধাজনীৰ বাবে.....!!

যিটো বিষ আজি মই অনুভৱ কৰিছোঁ আইতাৰ বাবে। মনত প্ৰশ্ন হ'ল— এনেকুৱা এটা ঘটনা, এনেকুৱা এটা কৰুণ পৰিস্থিতিত কোনো আগবাঢ়ি আহিলনে আইতাক এই দানৱৰ হাতৰপৰা ৰক্ষা কৰিবলৈ? মানুহৰ মন-হৃদয়ৰপৰা দয়া-মমতা, মানৱতা একেবাৰে নোহোৱা হৈ গ'ল নেকি? আৰু যে কত কি প্ৰশ্ন মোৰ মনত আহি মোক আঘাত কৰিবলৈ ধৰিলে।

মই সুধিলোঁ আকৌ এবাৰ নিতাক—

ঃ আইতাক মাৰ-পিট কৰোঁতে আইতাক বচাবলৈ কোনেও আগবাঢ়ি নাহিল নেকি?

ঃ আহিছিল কেইজনমান মানুহ। তেওঁলোকৰ মাজৰ এজনে হেনো আইতাৰ দোকানৰ কৰটো মহলদাৰক দি পঠিয়াই দিলে। আইতাকো চিকিৎসালয়ত লৈ গৈ চিকিৎসা কৰিছিল। আৰু তেওঁলোকে আলোচনা কৰি আইতাক বৃদ্ধাশ্ৰমত থৈ আহিল।

বৃদ্ধাশ্ৰমত থৈ অহা বুলি নিতাৰপৰা শুনি মোৰ মনটোৱে অলপ সকাহ পালে। মোৰো অলপ ভাল লাগিল। যি কি নহওক, তাত তেওঁ অলপ হ'লেও শুশ্ৰূষা পাব। নতুন নতুন মানুহৰ লগত চিনাকি হ'ব পাৰিব। নতুন নতুন বন্ধু-বান্ধৱী পাব। জীৱনৰ বাকীছোৱা সময় অলপ সুখ-শান্তিত, হাঁহি-ধেমালি কৰি কটাব পাৰিব। যেন তেওঁৰ জীৱনৰ ল'ৰালি আকৌ ঘূৰি আহিব।

কিন্তু......! আইতাই দোকানখনৰ লগত দেখা নানাৰঙী সপোন, আশাবোৰ আৰু জানো বাস্তৱায়িত হ'ব?.... আইতা আৰু আইতাৰ দোকানবিহীন মিৰ্জাৰ কদমতল উকা উকা হৈ পৰিব।

শিলিখা, জলকীয়া, ঔ টেঙা, জলফাই আকৌ জানো কদমতলত শোভা বঢ়াব আহিব!! মোৰ হ'লে আইতালৈ খুবেই মনত পৰিব। আৰু তেওঁক মই সদায়ে হৃদয়ৰ এটা কোণত সজাই ৰাখিম। আৰু মাজে মাজে মনত পেলাই তেওঁৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাম—

"হে ভগৱান! আইতাক কুশলে ৰাখিব।" ■

# বাল্মীকি



◆ **সঞ্চিতা দাস**

স্নাতক ৫ম ষাণ্মাসিক (কলা)

**নি**শাৰ বিভীষিকাময় সপোনটোৰ পিচত আত্মবিহ্বল হৈ পৰিল নবীন। নিমিষতে ধন-জন নিঃশেষ কৰি দিব পৰা শাৰীৰিক-মানসিক আক্ৰমণত নবীনে প্ৰবল উষ্ণতাতো থৰ্থৰ্ কঁপিছে। ভৰি-হাতত যেন শক্তি নাই। নিজৰ দেহটো এটি গধুৰ বোজাৰ দৰে হৈ পৰিছে। মগজুটো যেন বিচৰণ কৰিছে শূন্য-মহাশূন্যত; যেন বিলীন হৈ যাব কোনো এক অচিন নগৰত। বহু চেষ্টা কৰিও বিচলিত মনক মানসপটত উপৰিষ্ট কৰিব পৰা নাই। সমধৰ্মী মেৰুৰ দৰে মাথোঁ বিকৰ্ষিত হৈ আছে। নিজৰ অস্তিত্ব বোধ কৰি ৰঙা চকুহাল দুহাতেৰে মুখমণ্ডললৈ ঢাকি ধৰিলে। কিলাকুটিৰে বৈ অহা চকুপানীৰ ঢলে আৱৰি পেলালে তাৰ দুষ্কৃতিৰে ধূসৰিত জীৱনধাৰা। বহু চেষ্টা কৰিও বিফল হৈছে। মনে মনা নাই, অন্তৰাত্মাৰ নিষ্পাপ কোঠাৰ দুৱাৰ আজি খোল খাইছে। নিজকে প্ৰতিষ্ঠা কৰিবলৈ কিমান যে নীচ কাম কৰিলে। প্ৰতিপত্তিশালী হেতুকে সহপাঠী ৰবীন আৰু ৰতনহঁতৰ সহায়ত নিজৰ কু-কৰ্ম ঢাকিবলৈ দুখীয়া খেতিয়কৰ ছোৱালী ৰুমীৰ ওপৰত বদনাম দিয়া হ'ল। তথাকথিত সমাজৰ আৱৰ্জনা বুলি এদিন ৰুমীয়ে চিপজৰী ল'লে। তাইৰ মৃত্যুত নবীনে অনুশোচনা কৰা নাছিল, বৰং দুগুণে উৎসাহিত হৈ এদিনাখন প্ৰধান শিক্ষকৰ দুহিতাৰ ওপৰতো তাৰ হাতোৰা নিক্ষেপ কৰিছিল; কিন্তু সদা সপ্তম প্ৰধান শিক্ষকৰ হাতৰপৰা সি সাৰি যোৱা পথ নাপাই চিৰদিনৰ বাবে স্কুল ত্যাগ কৰিলে। এতেকে তাক পায় কোনে? আত্মৰক্ষা কবচ দেউতাক আছে বাবে শিক্ষকক এশিকনি দিবলৈ তাৰ কোনো অসুবিধা নহ'ল। ভাড়াতীয়া দাদা কেইজনমানক লৈ বাট আগচি ধৰিলে। অশ্লীল গালি-গালাজত অতিষ্ঠ শিক্ষক মহোদয়ে হাতযোৰ কৰাত শাৰীৰিক নিৰ্যাতনৰহে সন্মুখীন হ'লগৈ। শেষত ফটা ধুতি-কামিজেৰে কোনোমতে ঘৰলৈ উভতি গ'ল। এই সংক্ৰান্তত থানাত দিয়া গোচৰৰ ভিত্তিত এদিন এজন পুলিচ চাব-ইন্সপেক্টৰে দেউতাকৰ লগত কিবা আলোচনা কৰাৰ অন্তত নবীনক কৈছিল—

ঃ সদায় অবুজ হৈয়েই থাকিবানে?

পুলিচজনৰ সহানুভূতিত নবীন দুগুণে উৎসাহিত হৈ পৰিল আৰু ক্ৰমাগত দুষ্কাৰ্য কৰাৰ সাহস পালে; যাৰ ফলশ্ৰুতি হ'ল তাৰ বাল্যবন্ধু তথা খুড়াকৰ ল'ৰা গোবিন্দৰ হত্যা।

গোবিন্দ হ'ল বিশ বছৰ আগতেই বৈধব্যক গ্ৰহণ কৰিবলগা পদুমীৰ একমাত্ৰ ল'ৰা। তাৰ তিনি বছৰ আগতে দেউতাক টান নৰিয়াত ঢুকায়। মাকে মাটি-বৃত্তি বেচি, গহনা বন্ধকত থৈ দেউতাকৰ শ্ৰাদ্ধাদি কৰিলে। কণমানি ল'ৰাটো ডাঙৰ-দীঘল কৰিবলৈ বিশ বছৰ পদুমীৰ বাবে এটি যুগ যেন লাগিল। ইঘৰে-সিঘৰে বন কৰি এমুঠি ভাত, এধানি কাপোৰ, কাৰোবাৰ দয়াত ল'ৰাটোৰ বাবে এখন কিতাপ-বহী সংগ্ৰহ কৰি দৈন্যৰ আগত নতশিৰ নকৰি গোবিন্দক এদিন স্নাতক কৰালে। চাকৰিলৈ অপেক্ষা নকৰি গোবিন্দই টিউচন কৰি দুপইচা

উপাৰ্জনৰ দিহা কৰিলে। 'তিমিৰ ফেৰিয়া বাজ ৰবিৰ কিৰণ' বৰগীতৰ কলিয়ে পদুমীক আপ্লুত কৰি তুলিলে। নেদেখাজনক আনন্দৰ লোতকেৰে কিমানবাৰ পূজিলে, কিমান তেওঁক কৃতজ্ঞতা জনালে, নিজে শান্তি লভিলে; কিন্তু পদুমীৰ এই শান্তিত অশান্ত হৈ পৰিল নবীন। ৰবীনৰ জৰিয়তে পদুমীক জনালে যে, তেওঁলোক থকা ঘৰ-মাটি গিৰিয়েকে মৃত্যুৰ আগতে নবীনহঁতক বিক্ৰী কৰি গৈছে। গতিকে অনতিপলমে সেই স্থান ত্যাগ কৰিব লাগে। কথাটো গোবিন্দৰ কাণত পৰাত নবীনৰ অন্যায় কৌশলৰ কথা বুজিবলৈ বাকী নাথাকিল। গতিকে সি এই অন্যায়ৰ বিপক্ষে নবীনৰ ওপৰত মাত মাতিব; কিন্তু মিথ্যাচাৰী নবীনে ভাড়াতীয়া গুণ্ডাৰ হতুৱাই গোবিন্দক আক্ৰমণ কৰালে আৰু ২৪ ঘণ্টাৰ ভিতৰত গাঁও এৰি নগ'লে মৃত্যু অনিবাৰ্য বুলি সতৰ্কবাণী শুনালে। উপায়ন্তৰ হৈ মাক আৰু পুতেক গাঁও এৰি ক'ৰবালৈ গুচি গ'ল। মনৰ ফুৰ্তিত নবীনে সেইদিনা উদণ্ড বন্ধুকেইজনৰ সৈতে মদৰ নদী বোৱাই দিলে।

বিয়াৰ পিচত নবীনৰ পত্নী চন্দ্ৰমুখীয়ে নবীনক মানৱীয়তাৰ শাৰীলৈ উত্তৰণ ঘটাবলৈ যথেষ্ট চেষ্টা কৰিছিল; কিন্তু কোনো ফল পোৱা নাছিল। বৰং নবীনে— "মতাৰ ওপৰত মাত মাতিব আহিছ? সন্মুখৰপৰা আঁতৰ হ।"— বুলি চন্দ্ৰমুখীক মাৰ শোধাইছিল। কোনো কাৰণতে নিজৰ কু-কৰ্মক বেলেগে বেয়া বোলাটো নবীনে সহ্য কৰিব পৰা নাছিল। নিজৰ খেয়াল-খুচিয়েই তাৰ কৰ্তব্য, অপকৰ্মই তাৰ নৈতিকতা। দেউতাকৰ মৃত্যুৰ পিচত অনুজ ভাতৃ কবিনক পিতৃ সম্পত্তিৰপৰা বঞ্চিত কৰিবলৈও সি কুণ্ঠাবোধ কৰা নাছিল। বহু আবেদন-নিবেদন কৰিও বেচেৰা কবিনে একো নাপালে। এদিনাখন নিশা ঢুলীয়া নৃত্য চাই আহি কবিনে মাকৰ মুখৰপৰা গম পালে যে, সি জ্যেষ্ঠজনৰ ওপৰত বহি খোৱাটো নবীনৰ মতৰ পৰিপন্থী। দেউতাক থাকোঁতে সি নিজে কি কৰা নাছিল! গতিকে নিজ উপাৰ্জনেৰে কবিনে চলিব লাগে। নিশা নৌপুৱাওঁতে কবিনে গাঁও এৰি গুচি গ'ল। একাদশীৰ দুৰ্গা মূৰ্তিৰ দৰে মাক বিছনাৰ এটা কাষত বহিয়েই ৰ'ল।

ৰাতিপুৱা চন্দ্ৰমুখী আৰু ছোৱালী তিনিওজনীয়েও কবিন গুচি যোৱা শুনি হতাশ হৈ পৰিল। বাৰাণ্ডাৰ চকী এখনত আত্মগৌৰৱেৰে বহি থকা নবীনলৈ চোৱাৰ ইচ্ছা কোনোজনৰ নহ'ল। ৰান্ধনীশালত চাহ কৰিবলৈ বুলি পত্নী তথা কোনো এজনীও ছোৱালী নগৈ ঘৰৰ ভিতৰত ক্ষোভেৰে সোমাই থাকিল। ভাতৃ বঞ্চনা পাপৰ ভাগী হৈ এটোপাল পানীও মুখত নিদিওঁ বুলি চন্দ্ৰমুখীয়ে ঠিৰাং কৰিলে। গিৰিয়েকে যিয়েই নকওক বা নকৰক কিয়, তেওঁ কোনোপধ্যে এনে বঞ্চনা স্বীকাৰ নকৰে। সেয়ে চন্দ্ৰমুখীয়ে ৰাতিপুৱাৰপৰা বাহীবন এগছো নকৰি ঘৰৰ ভিতৰত সোমাই থাকিল। সকলোৰে ৰেহ-ৰূপ দেখি নবীনৰ খঙে চুলিৰ আগ পালে। সি চিঞৰি চিঞৰি ক'বলৈ ধৰিলে—

ঃ কাৰ উদ্দেশ্যে মই এইবোৰ সম্পত্তি কৰিলোঁ? মই লগত লৈ যাবলৈ নে তহঁতৰ সুখ-শান্তিৰ বাবে? নকৰ কিয়?

বহা চকীৰপৰা ঘৈণীয়েকৰ পিনে দৃষ্টি নিক্ষেপ কৰি ক'লে—

ঃ তোৰ লগতে ছোৱালীকেইজনীৰ বাবে এইবোৰ নহয় জানো?

মৰণত শৰণ লৈ ঘৈণীয়েকে উত্তৰ দিলে—

ঃ চাওক, মই স্ত্ৰী, আপুনি মোৰ পতি। আপোনাৰ শুভ চিন্তা মোৰ জীৱনধৰ্ম; কিন্তু আনক বঞ্চনা কৰাটো যিদৰে অধৰ্ম, তেনেদৰে তাক জানি-বুজি মাত নমতাও এক অধৰ্ম। ঠিক তেনেদৰে তাক উৎসাহিত কৰাটোও অধৰ্ম। এনে অধৰ্মৰ গ্ৰাসত শেষ হোৱাতকৈ ধৰ্ম মানি পতিৰ আগত মৃত্যু হ'লে স্বৰ্গগামী হ'ম। গতিকে অধৰ্ম কৰিবলৈ শক্তি নাই যেতিয়া, আপোনাৰ হাতত মৃত্যু মোৰ অনিবাৰ্য আৰু সেইটোৱেই মোৰ কাম্য। হোমৰ জুইক সাক্ষী কৰি মোৰ ভৰণ-পোষণৰ দায়িত্ব আপুনি লৈছিল আৰু ময়ো সহধৰ্মিণী হিচাপে আপোনাক ধৰ্মৰ দিশত এখোজ আগবঢ়াই নিয়াৰ প্ৰতিজ্ঞাত আবদ্ধ। সেয়ে দুই কুল বচাই ধৰ্ম জীয়াই ৰাখি আমাৰ ভৰণ-পোষণৰ দায়িত্ব আপোনাৰ।

সমনীয়া গাভৰু ছোৱালী তিনিজনীৰ সামাজিক কৰ্তব্যও ধৰ্মৰ ওপৰতে নিৰ্ভৰশীল।

গধুৰ খোজেৰে চিন্তাশীল ভাবেৰে নবীন বিছনাত বহি পৰিল।

দেউতাকৰ মন কোমলা যেন অনুভৱ কৰি ছোৱালী তিনিজনীয়েও আহি ক'বলৈ ধৰিলে—

ঃ আমি উপাৰ্জন কৰি খাব পৰা হোৱা নাই হেতুকে আমাৰ ভৰণ-পোষণৰ দায়িত্ব তোমাৰ বুলি বুজোঁ। পিচে খাই-লৈ থাকিলেই জীৱন নহয় বুলি বুজোঁ। সামাজিক প্ৰাণী হিচাপে সমাজৰ লগত থাকিব লাগে। পিচে আমাক দেখিলে লগ-লগৰীয়াবোৰ পিচুৱাইহে যায়।

নবীনৰ মনটো দুৰ্বল ভাবাৱেগেৰে ৰখা হেতু মূৰটো হালি আহিছিল। বিছনাৰ কাষৰ খিৰিকীখন খুলি মাকে নবীনৰ অৱস্থা চাই আছিল। পুত্ৰমোহত বহু ভুল বিনা প্ৰতিদ্বন্দ্বিতাৰে মানি লোৱা মাকে কৈ গ'ল—

ঃ বঞ্চনাই কৌৰৱ কুলৰ পতনৰ কাৰণ। মাতৃয়ে সন্তানক ডাঙৰ-দীঘল কৰা কৰ্তব্যৰ দৰে বৃদ্ধ পিতৃ-মাতৃৰ ভৰণ-পোষণ তথা চোৱা-চিতা সন্তানৰ কৰ্তব্য। এই কৰ্তব্য ধৰ্ম আধাৰিত হ'লে বংশৰ কল্যাণ আৰু নহ'লে ধ্বংস। ৰত্নাকৰ দস্যুৱে জীৱনত যথেষ্ট পাপ কৰি উঁই হাফলুৱে দেহটো খোৱাৰ পিচতহে প্ৰায়শ্চিত্ত হ'ল আৰু বাল্মীকি হৈ ৰামায়ণ ৰচনা কৰিলে। গতিকে সময় থাকোঁতে পথ লোৱা, অন্যথা নেদেখাজনে কাকো ৰেহাই নিদিব। চকুৰ পলকতে নিঃশেষ হ'ব এই সৱ ধন-জন।

ঃ নিশাৰ সপোনটোৱে তাকেই কৈছে। ঠিক, মই আৰু বঞ্চনাকাৰী নহওঁ, মই ত্যাগী হ'ম। অন্যায় সম্পত্তি মই ঘূৰাই দিম। যি দৃঢ়তাৰে মই অন্যায়, অধৰ্ম কৰিছিলোঁ— তাৰ দহগুণ দৃঢ়তাৰে মই ন্যায় আৰু ধৰ্মৰ পথত চলিম। আৱৰ্জনা হৈ পৰা সম্পত্তিৰে মই মন্দিৰ সজাই ঈশ্বৰৰ উপাসনা কৰিম।

নিশকটীয়া দেহৰ নবীনে ক'বলৈ ধৰিলে—

ঃ মই ৰত্নাকৰ নহওঁ, আজিৰপৰা মই বাল্মীকি।

এক অভিনৱ দৃঢ়তা আৰু উজ্জ্বলতাৰে জ্যোতিষ্মান নবীনৰ মুখলৈ চন্দ্ৰমুখীয়ে চাই থাকিল। ■

# মৰমে কান্দিছে

◆ কুলদীপ কলিতা
স্নাতক ১ম ষাণ্মাসিক (কলা)

সোণবৰণীয়া ধানবোৰে আঘোণৰ পথাৰখনি সোণোৱালী কৰি পেলাইছে। গাঁৱৰ ডেকা যুৱকসকলৰ লগতে আদবয়সীয়া কৃষকসকলো এতিয়া সোণগুটি চপোৱাত ব্যস্ত। প্ৰখৰ ৰ'দকো কেৰেপ নকৰি গাঁৱৰ যুৱতীসকলে বনুৱাসকলক চাহ-জলপানৰ যোগাৰ কৰাত নিজকে ব্যস্ত কৰি তুলিছে। সেই সময়তে গাঁৱৰ মুখিয়াল সমুদ্ৰ মহাজনে নিজৰ একমাত্ৰ পুতেক দেৱৰাজক আঘোণৰ পথাৰৰ বিচিত্ৰ দৃশ্য দেখুৱাবলৈ বুলি মটৰগাড়ীখন লৈ গৈছিল। ধাননিৰ মাজৰ ওখোৰা-মোখোৰা কেঁচা ৰাস্তাৰ জোকাৰণিয়ে দেৱৰাজক এক নতুন আমেজ দিলে। দূৰ-দূৰণিলৈকে সোণ সিঁচৰতি হৈ থকা ধাননি পথাৰখনিয়ে দেৱৰাজৰ মন মুহি পেলালে। তদুপৰি গাঁৱৰ ডেকাসকলে শাৰী পাতি ধানৰ ভাৰ লৈ যোৱা দৃশ্যই দেৱৰাজৰ মনত এক অদ্ভুত সাঁচ বহুৱালে। মটৰগাড়ীৰ খিৰিকীৰে দেৱৰাজে জুমি চাই থকা ডেকাসকলৰ এজন আলিৰপৰা পিচলি ধানৰ ভাৰখনিৰ সৈতে পথাৰত বাগৰি পৰিল। লগে লগে তাৰ লগৰ ডেকাবোৰে নিজৰ নিজৰ ধানৰ ভাৰখন একাষৰীয়াকৈ থৈ পিচলি পৰা ডেকাজনৰ কাষ চাপিল। এই দৃশ্যাংশ সমুদ্ৰ মহাজনৰ চকুতো পৰিল। তেওঁ লগে লগে গাড়ীচালকক গাড়ীখন ৰখাবলৈ নিৰ্দেশ কৰি ডেকাসকলৰ কাষ চাপিলগৈ। অতিপাত কষ্ট তথা ধানৰ ওজনৰ ফলস্বৰূপে ডেকা ল'ৰাজন মূৰ্ছা গৈছিল। মহাজনে ততালিকে নিজৰ গাড়ীখনত ডেকাজনক উঠাই লৈ চহৰৰ হাস্পতাললৈ লৈ গ'ল।

সমুদ্ৰ মহাজনৰ সুন্দৰপুৰ গাঁওখন প্ৰাকৃতিক দিশৰপৰা সুন্দৰ হ'লেও অনুষ্ঠান-প্ৰতিষ্ঠানৰ ফালৰপৰা সুন্দৰ হৈ নুঠিল। গধূলি মহাজন ঘৰলৈ উভতি গল খেকাৰি 'মইনা' বুলি দেৱৰাজক মাত লগালে। 'মইনা' দেৱৰাজক মৰমতে মতা নাম। গুণ্‌গুণাই পঢ়ি থকা দেৱৰাজ পঢ়া টেবুলৰপৰা দেউতাকৰ ওচৰ পালেগৈ। দিনটো দুৰ্ঘটনাত পতিত ডেকা ল'ৰাজনৰ সৈতে ডাক্তৰখানাত ঘূৰি ঘূৰি ভাগৰুৱা হৈ পৰা মহাজনে দেৱৰাজক ওচৰত পাই অশেষ তৃপ্তি লাভ কৰিলে। সৰুতে মাকক হেৰুওৱা দেৱৰাজক মাকক হেৰুওৱা বেদনাই চুব নোৱাৰাকৈ মহাজনে মৰমৰ বেৰখন মজবুত কৰি ৰাখিছে। দেৱৰাজে প্ৰথমাৱস্থাত অকণমান অভিমান কৰিছিল যদিও দেউতাকক ডেকা ল'ৰাজনৰ খবৰ সুধিলে। মহাজনে আপত্তিজনক হুমুনিয়াহ এটা কাঢ়ি ল'ৰাজন সুস্থ হোৱা বুলি কৈ গাঁওখনৰ ওচৰত কোনো হাস্পতাল নথকা কথাটোৰে মনত দুখৰ ছাঁ অকণ পেলালে। দেউতাকৰ আপত্তিজনক মুখমণ্ডলৰ আকৃতি দেখি দেৱৰাজে ক'লে—

ঃ দেউতা, মই ডাঙৰ হৈ এজন ভাল চিকিৎসক হ'ম আৰু আমাৰ গাঁৱত এখন প্ৰাথমিক চিকিৎসালয় স্থাপন কৰিম।

ক'লা মেঘে ছানি ধৰা আকাশখন হঠাতে ফৰকাল হৈ উঠাৰ দৰে চিন্তাত বিভোৰ হোৱা মহাজনৰ মুখত হাঁহি বিৰিঙালে দেৱৰাজৰ কথাখিনিয়ে। মিচিকিয়া হাঁহি এটি মাৰি মহাজনে পুতেক দেৱৰাজক কোলাত তুলি লৈ ক'লে—

> "ঐ মইনা, তই এবাৰ আহচোন অ', মোৰ মূৰটো বিষাইছে। খাবলৈ দিয়া ৰুটিখনো কাউৰীজনীয়ে থপিয়াই নিলে। ভোকত পেট কল্‌মলাই আছে অ'। তই এবাৰ আহচোন, মোক লৈ যোৱাহি। কি হ'ব তোৰ ইমান ডাঙৰ ডাঙৰ অট্টালিকা বান্ধি! যদিহে তাত মোক থ'বলৈকে এটা সৰু কোঠালিৰ অভাৱ!"

ঃ মইনা, তুমি মোৰ কলিজাৰ টুকুৰা, তোমাৰ সপোনবোৰতেই ময়ো বিভোৰ হৈ থাকোঁ। তোমাৰ প্ৰতিটো সপোন বাস্তৱায়িত কৰাৰ দায়িত্ব মোৰ। তুমি মাথোন সুস্থ মগজুৰে নিজৰ লক্ষ্যৰ পিনে আগবাঢ়ি যোৱা।

দেৱৰাজ আছিল তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰ। সি 'ক' শ্ৰেণীৰ ভিতৰতেই শ্ৰেষ্ঠ ছাত্ৰ। তাৰ বাবেই শিক্ষক-শিক্ষয়িত্ৰীসকলে দেৱৰাজক বহু মৰম-আদৰ কৰে তথা দেৱৰাজৰপৰা ভাল ৰিজাল্ট এটা আশা কৰে।

যথাসময়ত দেৱৰাজে শিক্ষাৰ প্ৰতিটো স্তৰতে সুখ্যাতিৰে উত্তীৰ্ণ হৈ মহাজনক গৌৰৱান্বিত কৰিলে। এতিয়া দেৱৰাজে জীৱনৰ লক্ষ্যৰ নিচেই ওচৰত। মহাজনৰ দিহা-পৰামৰ্শ তথা অনুমতি লাভ কৰি দেৱৰাজে MBBS কৰিবলৈ মুম্বাই চহৰলৈ ঢাপলি মেলিলে। অৱশেষত সুন্দৰপুৰ গাঁৱৰ দৰে হাস্পতাল এখন নথকা গাঁওখনৰ ল'ৰা দেৱৰাজে নিজৰ প্ৰতিভা আৰু একাগ্ৰতাৰে চিকিৎসক হিচাপে নিযুক্তি পালে। কেইবাবছৰো সময় পাৰ কৰা মায়ানগৰী মুম্বাই চহৰৰ বতাহজাকে দেৱৰাজৰ ওপৰতো প্ৰভাৱ নেপেলোৱাকৈ নাথাকিল। গাঁৱৰ সোণালী ধাননি পথাৰ, দেহ-মন জুৰ পেলাই দিয়া মলয়া বতাহ, কলহী নৈৰ কুলু কুলু পানীৰ ধ্বনি, ৰাতিপুৱাক স্বাগতম জনোৱা চৰাইবোৰৰ সংগীত সুৰীয়া মাতবোৰ দেৱৰাজৰ বাবে এতিয়া আওপুৰণি হৈ পৰিল। বহু বছৰ পাচত দৰ্শন হোৱা আপোন গাঁওখনকো যেন দেৱৰাজে আঁকোৱালি ল'বলৈ কুণ্ঠাবোধ কৰিছিল। বহুদিন পুতেকৰ মুখ নেদেখা মহাজনক দেৱৰাজে মৰম-শ্ৰদ্ধাবোৰ এটা মাত্ৰ দামী চুৰিয়াৰে পূৰ কৰিবলৈ প্ৰয়াস কৰিছিল। মহাজনৰ মৰম সানি থোৱা পিঞ্জৰাটোৰ 'মইনা'টো আৰু যেন মহাজনৰ হৈ থকা নাছিল। দেৱৰাজে এতিয়া মুম্বাই চহৰৰ ডাঙৰ হাস্পতাল এখনত কাম কৰি আছে। বৰ্তমান দেৱৰাজ অগাধ ধন-সম্পত্তিৰ অধিকাৰী। মাথোন সৰুতে দেউতাকৰ আগত দিয়া 'হাস্পতাল স্থাপনৰ' প্ৰতিশ্ৰুতিবোৰ সেই ধন-সম্পত্তিবোৰত বিলুপ্ত হৈ পৰিছিল।

সুন্দৰপুৰ গাঁৱৰ সমস্যা সমাধান কৰা সমুদ্ৰ মহাজন এতিয়া নিজেই সমস্যা হৈ পৰিল। বয়স বাঢ়ি অহাৰ লগে লগে দেহৰ বল তথা দৃষ্টিশক্তিও হ্ৰাস পাবলৈ ধৰিছে। মহাজনৰ কলিজাৰ টুকুৰা মহাজনৰ 'মইনা'টি বহু দূৰলৈ উৰা মাৰিলে। মাজে মাজে মহাজনৰ বুকুখন পুত্ৰশোকে হেঁচা মাৰি ধৰে; কিন্তু পুতেক দেৱৰাজে হৃদয়ৰ কোণৰপৰা দেউতাকৰ ছবি আঁতৰাই মুম্বাই চহৰৰ প্ৰখ্যাত ব্যৱসায়ী ঋষভ শৰ্মাৰ একমাত্ৰ সুন্দৰী জীয়ৰী দীপ্তিৰ ছবি আঁকি ল'লে। অৰ্থাৎ মহাজনৰ আশিস নোলোৱাকৈ দেৱৰাজে দীপ্তি শৰ্মাক বিয়া পাতিলে। বিয়াৰ পিচত ঋষভ শৰ্মাৰ সা-সম্পত্তিও দেৱৰাজেই লাভ কৰিলে। ধন-সম্পত্তিৰ মায়াজালে আৱৰি ধৰা দেৱৰাজে মুম্বাই চহৰৰ কেইবাডোখৰো ঠাই নিজৰ নামত কৰি ল'লে। শহুৰেক ঋষভ শৰ্মাৰ লগত লগ হৈ কেইবা ঠাইতো নতুন নতুন কোম্পানী আৰম্ভ কৰাৰ পিচত দেৱৰাজৰ মনলৈ আহিল সুন্দৰপুৰ গাঁওখনো। সুন্দৰপুৰ গাঁৱৰ প্ৰাকৃতিক সুন্দৰতা নাইকিয়া কৰিবলৈ, সোণগুটি সৃষ্টি কৰা ধাননি পথাৰবোৰ কোম্পানীৰ আশ্ৰয়স্থল কৰিবলৈ দেৱৰাজে দ্বিতীয়বাৰৰ বাবে দৰ্শন কৰিলে আপোন গাঁও সুন্দৰপুৰ। ইফালে মহাজনে পুতেক অহাৰ খবৰ পাই গাত তত্ নাইকিয়া হৈ আনন্দতে ঢাপলি মেলি পদূলিমুখৰপৰা দেৱৰাজক আদৰি নিলে; কিন্তু ব্যৱসায় তথা কোম্পানী স্থাপনৰ কথাবোৰত মহাজনৰ খং চুলিৰ আগ পালেগৈ। ততালিকে পুতেক দেৱৰাজক নিজৰ বয়-বস্তু সামৰি লৈ গাঁও এৰি গুচি যাবলৈ আদেশ দিলে। প্ৰথমাৱস্থাত দেৱৰাজে যাব ওলাওঁতে শহুৰেক ঋষভ শৰ্মাই চকুৰ ইংগিতেৰে দেৱৰাজক দেউতাকৰ আগত ক্ষমা খুজিবলৈ দিলে। ঋষভ শৰ্মা আছিল অত্যন্ত চতুৰ। তেওঁ দেৱৰাজক দেউতাকৰ সা-সম্পত্তিখিনি দেউতাকৰপৰা কাঢ়ি লৈ নিজৰ নামত কৰি ল'বলৈ এক ষড়যন্ত্ৰ তথা কু-বুদ্ধি প্ৰদান কৰিছিল। কথা মতেই কাম। দেৱৰাজে দেউতাকৰ আগত ক্ষমা প্ৰাৰ্থনা কৰিলে। মহাজনেও পুত্ৰৰ মায়াজালত আবদ্ধ হৈ দেৱৰাজক আঁকোৱালি ল'লে। এদিন সুযোগ বুলি দেৱৰাজে মহাজনৰ সা-সম্পত্তি নিজৰ নামত কৰি ল'লে। মহাজনেও বহু বছৰ পিচত একলগ হোৱা পুতেকক পাই হিয়াৰ কোণত সুমুৱাই ল'লে। ইফালে শহুৰেকৰ নিৰ্দেশমৰ্মে দেৱৰাজে কামৰ অজুহাত দেখুৱাই মুম্বাইলৈ গুচি গ'ল। মহাজনেও সেই নদীৰ পাৰৰ ফালে ফুৰিবলৈ ওলাই গৈছিল; কিন্তু ঘৰলৈ উভতি আহি দেখে যে, ঘৰবোৰত তলা ওলমি আছে আৰু পদূলিমূৰত কেইখনমান গাড়ী ৰৈ আছে। চোতালত বহুকেইজন চহৰীয়া লোক। মানুহকেইজনে মহাজনক ক'লে যে, "আপোনাৰ পুত্ৰই আপোনাৰ ঘৰ-মাটি আমাক বিক্ৰী কৰিছে। এতিয়াৰপৰা আপুনি আৰু ইয়াত থাকিব নোৱাৰিব।" কথাখিনিয়ে মহাজনৰ বুকুত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। উপায়বিহীন মহাজনে দুখে-ভাগৰে জৰ্জৰিত হৈ এখোজ-দুখোজকৈ গাঁৱৰপৰা ওলাই গ'ল। গাঁওবাসীয়ে মহাজনক তেওঁলোকৰ ঘৰত ৰখিব খুজিছিল যদিও মহাজন মান্তি নহ'ল। দুদিনমান মহাজনে বৃদ্ধাশ্ৰমত থাকিব লৈছিল যদিও তাতো সন্তোষ নাপালে। আগতে চহৰলৈ গ'লে ফুটপাথত বহি থকা ভিক্ষাৰীবোৰক কিবা খাবলৈ-পিন্ধিবলৈ দিয়া মহাজনে এতিয়া তেওঁলোকৰ সহযাত্ৰী হ'লগৈ। ফুটপাথেৰে যোৱা সকলো মানুহৰ মাজতো মহাজনে 'মইনা' অৰ্থাৎ দেৱৰাজক বিচাৰি ফুৰে। পুত্ৰশোকত ভাগি পৰা মহাজনে চিঞৰি চিঞৰি কয়—

ঃ ঐ মইনা, তই এবাৰ আহচোন অ', মোৰ মূৰটো বিষাইছে। খাবলৈ দিয়া ৰুটিখনো কাউৰীজনীয়ে থপিয়াই নিলে। ভোকত পেট কল্মলাই আছে অ'। তই এবাৰ আহচোন, মোক লৈ যোৱাহি। কি হ'ব তোৰ ইমান ডাঙৰ ডাঙৰ অট্টালিকা বান্ধি! যদিহে তাত মোক থ'বলৈকে এটা সৰু কোঠালিৰ অভাৱ!

মহাজনৰ অগাধ মৰম-ভালপোৱাৰ পুৰস্কাৰ দেৱৰাজে চকুৰ টোপাল হিচাপে দেউতাকক পুৰস্কৃত কৰিলে। মহাজনে আৰু শোক লাভ কৰিবলৈ মন নকৰিলে। প্ৰখৰ ৰ'দে আৱৰি ধৰা মহাজনে ফুটপাথতেই শেষ নিশ্বাস ত্যাগ কৰিলে; কিন্তু দেৱৰাজৰ প্ৰতিচ্ছবি হিয়াৰ কোণত লুকাই ৰাখিলে। ■

মৌচুমী বড়ো
স্নাতক ৬ষ্ঠ ষাণ্মাসিক (বিজ্ঞান)

# ইয়াত এখন নৈ আছিল



সঁচাই বাইদেউ, মাহঁতক কোৱা শুনিছোঁ নহয় ইয়াত যে এসময়ত গছ-গছনিৰে ভৰপূৰ এখন বিশাল অৰণ্য আছিল। বিলখনো বহুত ডাঙৰ আছিল। তাত হেনো মাছ-কাছ একোৰেই অভাৱ নাছিল। কি যে হৈ গ'ল হঠাৎ!

ৰীমাহঁতৰ মুখবোৰত এক হতাশাৰ ছবি। গাঁওখনৰ সকলোৰে মিলি আলোচনাত ব্যস্ত গাঁওখনলৈ অহা দুৰ্যোগবোৰৰ চিন্তাত। 'সুন্দৰপুৰ'— গছ-গছনি, নদ-নদী, খাল-বিল আদিৰে ভৰা এখনি অতি সুন্দৰ গাঁও। সুন্দৰপুৰৰ কাষেৰে বৈ গৈছে কলহী নৈ। নৈপৰীয়া ৰাইজক বানপানীৰ সমস্যাটোৱে মাজে মাজে জুৰুলা কৰিলেও বানপানীৰ পিচত তাত সৃষ্টি হোৱা পলসৰ ফলত তাত খেতি-বাতি নদন-বদন হৈ উঠিছিল। গাঁওখনৰ বেছিভাগ মানুহেই কৃষিজীৱী। খুব সুন্দৰ এটা পৰিৱেশ যোৱা দহ বছৰ আগলৈকে। চালে চকু ৰোৱা নদন-বদন এখন সেউজীয়া গাঁও। গাঁওখনৰ কাষেৰে বৈ যোৱা কলহী নৈখনেও গাঁওখনক এক বেলেগ সৌন্দৰ্য প্ৰদান কৰিছিল। খেতিয়কসকলৰ নানান ধৰণৰ খেতি, বাগান যেনে— নাৰিকল, তামোল, কুঁহিয়াৰ ইত্যাদিৰ বাগানবোৰেও গাঁওখনৰ সৌন্দৰ্য বহন কৰিছিল।

ৰীমাহঁত তেতিয়া আঠ-ন বছৰীয়া। মাকৰ লগত দেউতাকক পথাৰত চাহ দিব অহা, কঠীয়া তোলা, ভূঁই ৰোৱা, আঘোণ মাহত হাঁহি-ধেমালিৰে ধান কটা— সেই দৃশ্যবোৰ এতিয়াও চকুত ভাহি উঠে তাইৰ। আৰু কলহী নৈত সমূহীয়াভাৱে গঞা ৰাইজে মাছ মৰা দৃশ্য, নৈৰ পানীত সাঁতুৰি-নাদুৰি, গা ধুই কৰা শৈশৱৰ ধেমালিবোৰ বাৰুকৈয়ে মনত পৰে ৰীমাৰ। গাঁৱলীয়া সেই সহজ-সৰল ধেমালি, একেলগে মাছ মৰা, ধান কটা সেই সময়বোৰ যেন এতিয়া হেৰাই গ'ল। সময়ৰ গ্ৰাসত সকলোবোৰ জাহ গ'ল।

'Infocus' এটা বহুজাতিক কোম্পানী। ৰীমাহঁতৰ গাঁৱৰ পথাৰসমূহতো এতিয়া সেই কোম্পানীৰ চকু পৰিল। কোম্পানীৰ বিষয়ববীয়াসকলে হোজা খেতিয়কসকলৰপৰা টকাৰ লোভ দেখুৱাই মাটিবোৰ কিনিব ধৰিলে। অৰ্থৰ লোভত, পেটৰ তাড়নাত বহুতো দৰিদ্ৰ খেতিয়কে মোটা ধনৰ বিনিময়ত নিজৰ খেতিমাটিবোৰ কোম্পানীৰ বিষয়ববীয়াসকলক বিক্ৰী কৰিব ধৰিলে। ৰীমাৰ দেউতাককো কোম্পানীৰ চাৰিজন বিষয়ববীয়াই যোৱাকালি একপ্ৰকাৰৰ ধমকিয়েই দি গৈছে মাটিখিনি বিক্ৰী নকৰোঁ বুলি কোৱাত। ৰীমাৰ আজোককাৰ ককাকৰ দিনৰ মাটি সেইখিনি। গতিকে মাটিখিনিৰ লগত সিহঁতৰ আৱেগ-অনুভূতি যথেষ্টখিনিয়েই জড়িত হৈ আছিল। কেইটামান টকাৰ বিনিময়ত সেইখিনি মাটি বিক্ৰী কৰিব নোৱাৰোঁ বুলি ৰীমাৰ দেউতাকে স্পষ্টভাৱেই কোম্পানীৰ বিষয়া চাৰিজনক জনাইছিল। ইতিমধ্যে কোম্পানীটোৱে সুন্দৰপুৰ অঞ্চলৰ প্ৰায় আধাসংখ্যক মাটিয়েই হোজা কৃষকসকলক ক্ষমতা আৰু অৰ্থৰ লোভ দেখুৱাই ক্ৰয় কৰি কোম্পানীটোৰ এটা Branch (শাখা) খোলাৰ যো-জা চলাইছিল।

সময় গতিশীল। সময়ে যেন সকলোবোৰ সলাই দিলে। কোম্পানীটো সুন্দৰপুৰ অঞ্চলত গঢ় লৈ উঠাৰ পিচত সুন্দৰপুৰ অঞ্চলটোৰ সৌন্দৰ্য দিনক দিনে লোপ পাই যাব ধৰিলে। যিকেইজন খেতিয়কৰ খেতিমাটি আছিল, তাতো শস্যৰ উৎপাদন প্ৰায় নাইকিয়া হ'ব ধৰিলে। কোম্পানীটোৰপৰা নিৰ্গত হোৱা ধোঁৱা, ৰাসায়নিক সামগ্ৰীবোৰৰ প্ৰভাৱত কলহী নৈখনৰ অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাব ধৰিলে। মাছ-কাছৰ সংখ্যা কমি আহিব ধৰিলে। গাঁওখনত সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ গাত নানান ধৰণৰ চৰ্মৰোগে দেখা দিব ধৰিলে। মুঠৰ ওপৰত যেন কোম্পানীটোৰ কবলত ধ্বংস হৈ গ'ল এসময়ৰ সকলো পিনৰ নদন-বদন সুন্দৰপুৰ গাঁওখন।

পৰিস্থিতি আহি চৰম পৰ্যায় পাইছে। ৰাসায়নিক সামগ্ৰীৰ প্ৰভাৱত কলহী নৈখনৰ পানী খাব নোৱাৰা হৈছে, গা ধুব নোৱাৰা হৈছে। গাঁওখনত খেতি-বাতিও একেবাৰেই নোহোৱা হৈ গৈছে। কেউফালে যেন প্ৰদূষণ আৰু প্ৰদূষণ। খাদ্যৰ অভাৱ, পানীৰ অভাৱ। এসময়ত খেতি-বাতি, ফল-মূলেৰে ভৰপূৰ গাঁওখনত যেন এতিয়া আকাল, দুৰ্ভিক্ষই দেখা দিছে। গাঁওখনৰ পানীৰ উৎস নৈখনো শুকাই যাব ধৰিছে। বহুজাতিক কোম্পানীয়ে যেন শেষ কৰি দিছে গাঁওখনৰ সৌন্দৰ্য, গাঁওখনৰ সম্পদ। সেইবোৰ দেখিয়েই গাঁওখনৰ ৰাইজ এতিয়া আলোচনাত ব্যস্ত। সময়ে যেন সকলো সলাই দিলে। সকলোৰে আপোন, গাঁওখনৰ সৌন্দৰ্য বহন কৰা, ৰীমাহঁতে সাঁতুৰি-নাদুৰি ধেমালি কৰা সেই নৈখন আজি শুকাই গৈছে। গাঁওখনত এতিয়া পানীৰ অভাৱ। বহু দূৰৈৰপৰা পানী আনিলেহে ভাল পানী পোৱা যায়। ওচৰতে পোৱা কোম্পানীৰ কলৰপৰা পানী আনিলে মাহৰ মূৰত সেই পানীৰ বাবে কোম্পানীক কৰ দিব লাগে। যেন দিনক দিনে খাদ্য আৰু পানীৰ আকালে গাঁওবাসীক চুই যাব ধৰিছে। ■

# স্মৃতি ৰোমন্থন

◆ বৰ্ষা মালী
স্নাতকোত্তৰ ২য় ষাণ্মাসিক
অসমীয়া বিভাগ



কান্ধৰপৰা খহি পৰিব খোজা চাদৰখন তুলি ঠিক-ঠাক কৰি থাকোঁতেই আকাংক্ষাৰ মন উৰা মাৰিল সেই এৰি অহা অতীতলৈ। য'ত তাই জীৱনৰ ৰংবোৰ হেৰুৱাই পেলাইছিল, সমাজৰ দৃষ্টি..... নহয়, কোপদৃষ্টিত। সেই অভিশপ্ত কালসন্ধ্যাটোৰে এতিয়াও আকাংক্ষাৰ উঠন বুকুত কঁপনিৰ জোঁৱাৰ তোলে। কাৰণ সেই কালিমা লগা সন্ধিয়াটোতেই টিউচনৰপৰা আহি থকা অৱস্থাত পিতৃতুল্য নৰপিশাচটোৰ হাতত তাই ধৰ্ষিতা হ'বলগীয়া হৈছিল; হেৰুৱাই পেলাইছিল জীৱনৰ সমস্ত ৰং, আশা আৰু পাখি গজা সপোনবোৰ। নিম্ন মনোবৃত্তিৰ ভদ্ৰলোকৰ মুখা পিন্ধি সমাজত ডাঙৰ ডাঙৰ কথা কৈ ৰজনজনাই ফুৰা মানুহবোৰে আকাংক্ষাক যিটো দৃষ্টিৰে চাইছিল, সেই দৃষ্টিৰ কল্পনাই তাইক এতিয়াও শিহৰিত কৰে। সেই নৰপিশাচটোৰদ্বাৰা ধৰ্ষিতা হৈ তায়ো যেন পাপকণ আৰ্জি লৈছিল।

পদূলিৰ গেটখনৰ শব্দ শুনি আকাংক্ষা উচপ খাই উঠিল। লোৰ গেট, তাতে আকৌ ঘৰটোৰপৰা পদূলিটোলৈ দূৰত্ব দুখোজৰ বাট বুলিয়েই ক'ব পাৰি। সেয়ে তাইৰ ঘৰৰ বাৰাণ্ডাখনৰ সোঁফালে থকা কলিং বেলটোৰ প্ৰয়োজন বিশেষ নহয়। বহাৰপৰা উঠি তাই পদূলিলৈ চাই দেখিলে যে, বগা চাৰ্ট এটা পিন্ধি সোমাই আহিছে অবিনাশ। অবিনাশ মানে আকাংক্ষাৰ গিৰীয়েক। অফিচৰ কামত পোন্ধৰ দিনলৈ অবিনাশ বাহিৰলৈ গৈছিল। এইকেইদিন তাই ঘৰত অকলেই সময়বোৰ কটাইছিল। অবিনাশক এই পোন্ধৰ দিনৰ মূৰত দেখি তাইৰ কিবা ক'ব নোৱাৰাকৈয়ে চকুপানী এটোপাল নিগৰি আহিছিল। অৱশ্যে এই চকুপানী আছিল আনন্দৰ। পোন্ধৰ দিনৰ বিৰতিৰ পিচত অবিনাশক ওচৰত পাই তাইৰ উৎসাহ-উদ্দীপনাৰ যেন অন্ত নাই। অবিনাশৰ হাতৰপৰা বেগটো তাই নিজেই তুলি লৈ অবিনাশক ঘৰৰ ভিতৰলৈ লৈ গ'ল। অবিনাশৰ হাত-ভৰি ধুৱা পানী যোগাৰ কৰি দি তাই পাকঘৰত সোমাল, অবিনাশলৈ চাহ একাপ বনাবলৈ বুলি। ক'ৰবাৰপৰা আহি ঘৰত প্ৰথমে চাহ একাপ খোৱাৰ অভ্যাসটো অবিনাশৰ বহু পুৰণি। আকাংক্ষাই চাহত চাহপাতকেইটা দি পুনৰ মনটোক উৰুৱাই পঠিয়ালে সেই অতীতলৈ। অতীতৰ মধুৰ স্মৃতিবোৰক মনৰ ভিতৰতেই তাই সুৰ মিলাই আওৱাবলৈ চেষ্টা কৰিলে। ক'ত, কেতিয়া, কেনেকৈ তাই অবিনাশক লগ পাইছিল।

অবিনাশ মানুহজন এক ব্যতিক্ৰমী দৃষ্টিভংগীৰ। এই সকলোবোৰ কথাই তাইৰ মনত খেলা কৰি থাকোঁতেই অন্য এটা কথাই তাইৰ মুখখন অলপ উজ্জ্বল কৰি তুলিছিল। সেই সমাজত লাঞ্ছিত, অৱহেলিত আকাংক্ষাজনীক এই অবিনাশ নামৰ ব্যতিক্ৰমী মানুহজনেই সংগ দিছিল। তাইৰ জীৱনৰ হেৰাই যোৱা ৰংবোৰ বিচাৰি আনি তাইৰ কপালত, তাইৰ জীৱনত বোলাই দিছিল। হয়তো আকাংক্ষাৰ ডায়েৰীখনৰ কোনোবাটো কোণত আজিও বিচাৰিলে পোৱা যাব সেই বিশেষ দিনটোৰ দিনাংক। যি আকাংক্ষাই নিজেই টুকি থৈছিল। সেই বিশেষ দিনটোতেই তাইৰ মনোবৃত্তি সলনি হৈছিল এই সমাজখনৰ প্ৰতি। এক আকাংক্ষাই দেখা দিছিল আকাংক্ষাৰ মনত। আৰু ইয়াৰ মূলতেই আছিল অবিনাশ। তাইৰ এতিয়াও মনত পৰে কেনেদৰে অবিনাশে তাইৰ বাবে সমাজখনৰ বিপক্ষে যাবলৈও কোনো কুণ্ঠাবোধ কৰা নাছিল। কেনেকৈ অবিনাশে তাইক অন্ধকাৰময় কোঠালি এটাৰপৰা উলিয়াই আনি মুক্ত আকাশৰ বুকুত দুপাখি মেলি উৰিবলৈ প্ৰেৰণা যোগাইছিল। লাহে লাহে আকাংক্ষাৰ মনেও সমাজৰ বিৰুদ্ধে যুঁজিবলৈ শিকিছিল। তাইৰ ভাব হৈছিল যে সমাজত এনে এক শ্ৰেণীৰ ব্যক্তিও আছে, যাৰ কৰ্ম আনৰ কাৰণে আদৰ্শ হ'ব পাৰে তথা সমাজখনক উন্নতিৰ দিশে আগবঢ়োৱাত সহায়ক হ'ব পাৰে। ইয়াৰ জ্বলন্ত উদাহৰণ অবিনাশ বা অবিনাশৰ দৰে মানুহবোৰ। কাৰণ অবিনাশে এইটো ভালদৰে বুজিছিল যে, এগৰাকী ধৰ্ষিতা নাৰীৰ গাত কোনো দোষ নাথাকে; দোষ থাকে সেই পুৰুষজনৰ আৰু সেই মানুহবোৰৰ, যিয়ে ধৰ্ষিতা নাৰী এগৰাকীক অৱহেলিতৰ দৃষ্টিৰে চায়। আৰু সেয়ে অবিনাশে আকাংক্ষাক নিজৰ সংগী কৰিবলৈ যাওঁতে অকণো কুণ্ঠাবোধ কৰা নাছিল। এনেকৈ অতীত ৰোমন্থন কৰি থাকোঁতে হঠাৎ আকাংক্ষাৰ মনলৈ চেতনা ঘূৰি আহিল। তাইৰ এনেকুৱা লাগিল যেন কেঁচা টোপনিত জিল্‌মিল্‌কৈ দেখি থকা সপোন এটাহে ভাগিল। এনেতে পাকঘৰৰ ওচৰৰ কোঠালিটোৰপৰা অবিনাশে মাত লগালে— হেৰা, মোৰ চাহকাপ আনা।

আকাংক্ষায়ো আজি চাহত অকণমান গাখীৰ বেছিকৈয়ে ঢালি খৰধৰকৈ অবিনাশলৈ বুলি চাহকাপ লৈ গ'ল। ■




# যাত্ৰাত মানৱতা

।। সমৰ পৰাণ দাস
স্নাতক ২য় যাণ্মাসিক (কলা)

**মা**নুহক জীৱনে প্ৰতিটো পৰিস্থিতি, সময় সাপেক্ষে জীৱনৰ শিক্ষা দি যায়; মাত্ৰ মানুহে সেইবোৰৰ কিছুমানে গাত পাতি লয়, কিছুমানে নলয়, কিছুমানে সদৰ্থকতাৰে আগবাঢ়ে আৰু একাংশই নঞৰ্থকতাৰে বিচলিত হোৱা দেখা যায়।

সিদিনা ৰাতিপুৱাই গুৱাহাটীলৈ যাম বুলি প্ৰায় ৮-২০ মান বজাত মিৰ্জা ষ্টেচনত গুৱাহাটী অভিমুখী যাত্ৰীবাহী ৰে'লত উঠিলোঁ। কাণত হেডফোন যদিও দ্বিতীয় শ্ৰেণীৰ ৰে'ল বাবে দুৰ্গন্ধময় হৈ আছে, সেয়ে বিৰক্তিকৰ অনুভৱ। অৱশেষত গান শুনা বাদ দি ছিট এটা পাই বহিলোঁ। সন্মুখত এহাল বুঢ়া-বুঢ়ী; কাষত কেইটামান টালি-টোপোলা, বাচন-বৰ্তন। প্ৰথমতে এনেকুৱা মানুহ দেখিলে পাতলকৈ কিবা বাংলাদেশী ভাবহে আহে যদিও এই ভাবক গুলী মাৰিলোঁ। মোৰ সোঁফালৰ ছিটত এজন উকীল বহিছে, কাষত তেওঁৰ জীয়েক। দুয়ো ম'বাইলত ব্যস্ত। গৈ আছে, আজাৰা ষ্টেচনত এক মিনিট ৰে'ল ৰখালে আৰু আহি গ'ল চাহৱালা, মিক্সাৰৱালা, ভিক্ষাৰী, পানী বিক্ৰী কৰাসকল; যি সদায় ৰে'লত নিয়মিত। পানী বিক্ৰী কৰা ল'ৰা এজন আহি পানী পানীকৈ চিঞৰি আছে। কাষৰ বুঢ়া-বুঢ়ীহালে এটা বটল কিনিলে আৰু উকীলজনে পানীৰ বটলৰ দাম কিমান সুধিলে। সোধাত সি ক'লে— "বিশ টকা।" উকীলজনে মুখখন ভেঙুচাই দি নালাগে বুলি ক'লে। পিচত মই বিশ টকা দি তাৰপৰা পানীৰ বটল এটা লৈ তাক সুধিলোঁ—

ঃ ঐ, সেই উকীলজনক তই পানী কিয় নিদিলি?

ল'ৰাজনে ক'লে—

ঃ দাদা, সেইজন দেখা নাই কি হাই প্ৰফাইল! পানীৰ দাম সুধিও নলওঁ বুলি কয়। আচলতে যাৰ পিয়াহ লাগে, সি কেতিয়াও সেই সময়ত দৰ-দাম নকৰে। কথাটো কি জানে! কিছুমান ভদ্ৰ লোকেও আমাৰ লগত মুখ চলাই তৰ্কাতৰ্কি কৰি ভাল পায়। কিজানি এইজনো তেনে বিধৰে, কি ঠিক! আৰু এটা কথা, এই দৰ-দাম যদি আপুনি আপোনাৰ প্ৰিয় বা ঘৰৰ মানুহৰ ভালপোৱাক লৈ কৰে, তেন্তে আপোনাৰ দৰে মূৰ্খ বুলিব বেলেগক নালাগে আৰু; কিয়নো সেই ভালপোৱাৰ হিচাপ কৰিলে সেয়া সম্পৰ্ক নহৈ এখন বজাৰৰ দৰেহে হ'ব।

পানী বিক্ৰী কৰা ল'ৰাজনে আজি এক উপযুক্ত শিক্ষা দি গ'ল। সন্মুখৰ বুঢ়া-বুঢ়ীহালে পানী খাবৰ বাবে বটলৰ ওপৰৰ প্লাষ্টিকখন খুলিবলৈ অথনিৰেপৰা চেষ্টা কৰি আছে যদিও মোক একো নক'লে। মোৰো সিমান ভাল নালাগিল। কাষৰ কেইজনমানে ভেঙুচালিও অলপ কৰিলে। সেয়ে বুঢ়া-বুঢ়ীৰ ওপৰত খং উঠিল; কিন্তু সিমান মন-কাণ নিদি গৈ আছোঁ।

অলপ পিচত আইতাজনীয়ে চশ্‌মাযোৰ পিন্ধি কলম এটা উলিয়াই কাগজ এখনত থৰক-বৰককৈ কিবা লিখি আছে। অৱশেষত ৰে'ল গৈ পল্টন বজাৰ ষ্টেচন পালে। ময়ো নামিবলৈ ধৰিলোঁ। তেনেতে আইতাগৰাকীয়ে হাতত সেই কাগজখিলা গুজি দি চকু মোহাৰিলে। মই নামি আহি বাছষ্টেণ্ডৰ ফালে আহি বাছষ্টেণ্ডত বহি সেই কাগজখিলা পঢ়িবলৈ মেলি ল'লোঁ—

"বোপা, তুমি চাগে' আমাক দুয়োকো ভুল বুজি খং কৰি আছা। আচলতে আমি দুয়ো বোবা। আজি দুই পুত্ৰই আমাক ঘৰৰপৰা উলিয়াই আনি ষ্টেচনত থোৱাত এইখন ৰে'লতে উঠি আহিলোঁ। তুমি বটল খুলি দিয়াটো যদিও তোমাৰ বাবে সাধাৰণ কথা, আমাৰ বাবে সেয়া কঠিন। কিয়নো তুমি আজি খুলি দিছা, কিন্তু কাইলৈ আমাক কোনে দিব? এতিয়াতো আমি অকলশৰীয়া। সেয়ে নিজৰ কামখিনি নিজে কৰিব চেষ্টা কৰিছোঁ। তুমি বেয়া নাপাবা।"

বাছ আহিল। চকু-মন আৱেগিক। বাছত বহি মা-দেউতাক মনত পেলাই নিজক শুদ্ধিকৰণৰ সমীকৰণ কৰি কৰি গন্তব্যস্থানলৈ বুলি..... নতুন শিক্ষাৰে..... সাধাৰণ মানৱতাৰে......। ■

# অশ্ৰুৰ বেদনা



◆ তৃষ্ণা দেৱী
স্নাতক ১ম ষাণ্মাসিক (কলা)

**দু**জনী ডেৰ-দুই বছৰীয়া কন্যা সন্তান বুকুৰ মাজত লৈ জীয়াই আছে অশ্ৰু। কত যে ধুমুহা পাৰ হ'ল তাইৰ জীৱনটোত! এতিয়া কেৱল জীয়াই আছে ছোৱালী দুজনীৰ ভৱিষ্যতৰ কথা চিন্তা কৰিহে। জীৱন মানুহৰ সুখ-দুখৰ লগৰী; কিন্তু তাইৰ জীৱনত এতিয়ালৈ সুখৰ যেন কোনো চিন নাই। দিনৰ সময়খিনি তাই কোনোমতে পাৰ কৰিব পাৰে; কিন্তু ৰাতিটো! তাই ভাবে— ৰাতি মানে হাতী। তথাপি তাই ক'লৈকো যাব নোৱাৰে। ঘৰটো বহুত ডাঙৰ; কিন্তু তাইৰ প্ৰয়োজন নাই।

আজি কিবা পুৰণি কথাবোৰে বৰকৈ আমনি কৰি আছে মনটো। অশ্ৰু আছিল ঘৰখনৰ একমাত্ৰ ছোৱালী। মাক-দেউতাকে বহুত মৰম কৰিছিল তাইক। মাক-দেউতাকৰ সম্পদস্বৰূপে আছিল অশ্ৰু। অশ্ৰুৱেও মাক-দেউতাকৰ একান্ত বাধ্য হৈ চলিছিল। সিহঁতৰ পৰিয়ালটো আছিল ব্ৰাহ্মণ সমাজৰ পৰিয়াল। তাই প্ৰথম সন্তান। দ্বিতীয় বৰ্ষ অৰ্থাৎ কলেজীয়া জীৱনত পঢ়ি থাকোঁতে এজন অজাতিৰ ল'ৰাক মনে মনে ভাল পাইছিল; কিন্তু তাই এয়া সম্ভৱ নহয় বুলি কাৰো আগত প্ৰকাশ কৰা নাছিল। এইফালে মাক-দেউতাকে তাইৰ বিয়াৰ বাবে তাই গম নোপোৱাকৈ এজন ল'ৰা ঠিক কৰিছিল। এদিন ল'ৰাজনৰ ঘৰৰ মানুহে তাইক চাবলৈ আহি পচন্দ কৰিলে। তাইৰ কিন্তু বিয়া হ'বৰ একেবাৰে মন নাছিল। আগেয়ে বি.এ.টো পাছ কৰাৰ ইচ্ছা। তথাপি মাক-দেউতাকৰ অবাধ্য হ'ব নোৱাৰে। নহ'লে মাক-দেউতাকে মনত বৰ কষ্ট পাব।

ল'ৰাজনৰ নাম নীৰৱ। বহুত ভাল ল'ৰা তেওঁ। ডাঙৰ কোম্পানী এটাৰ মেনেজাৰ। বিয়াখন ভালে ভালে পাৰ হ'ল; কিন্তু বিয়াৰ পিচত ছোৱালীজনীৰ একেবাৰে শান্তি নাই। শাহুৱেকে সন্তানহীন বুলি নানা অত্যাচাৰ কৰে। চাকৰণিৰ দৰে কেৱল কাম কৰাই মাৰে তাইক। তাইৰ কেতিয়াবা নীৰৱৰ ওপৰত বহুত খং উঠে। সিও মাকৰ ইমান বাধ্য হৈ চলে। ল'ৰা মানুহ হৈ ইমান বাধ্য কিয়? নীৰৱক ক'ব খুজিও তাই ক'ব নোৱাৰে। আজি বাৰ-তেৰ বছৰ পিচত এটা আকস্মিক দুৰ্ঘটনাত শাহুৱেকৰ মৃত্যু হ'ল। অশ্ৰুৱে ডাঙৰকৈ উশাহ ল'লে। বহুত দিনৰ পিচত যেনিবা তাই উশাহ ল'বলৈ সময় পাইছে। অশ্ৰুৱে শাহুৱেকৰ মৃত্যুৰ খবৰটোত শান্তি নে দুখ পাইছে! তাই ভাবিলে— এতিয়া বাৰু প্ৰত্যেক সময়তে কোনে তাইক গালি পাৰিব! তাই চকুলো টুকিলে, আত্মীয়বোৰো আহি ঘৰ পাইছেহি, প্ৰত্যেকে ইনাই-বিনাই কান্দিছে। তায়ো কান্দিছে। সময় গৈ শাহুৱেকৰ শ্ৰাদ্ধৰ দিনটো আহি পালে। তাই সেইদিনা একান্ত মনে সেৱা ল'লে— "মা, বিয়াৰ পিচৰেপৰা কেৱল সন্তানহীন বুলি নানা অত্যাচাৰ কৰি গ'লা, কোনোদিন আশীৰ্বাদ নিদিলা। আজি যেন আশীৰ্বাদ দিয়া— মই যেন মাক হ'ব পাৰোঁ। আৰু আপোনাৰ আত্মাই যাতে শান্তি পায়, তাৰ বাবে কামনা কৰিলোঁ।"

শাহুৱেকৰ মৃত্যুৰ তিনিমাহমান পিচত অশ্ৰুৰ মাক হোৱাৰ সৌভাগ্য ঘটিছে। কথাটো গম পাই তাইৰ মনত বহুত আনন্দ। কেইমাহমান পিচত লক্ষ্মীপূজাৰ দিনা তাইৰ দুজনী কন্যা সন্তান জন্ম পালে। আগৰ কথাবোৰ পাহৰি অশ্ৰু আৰু নীৰৱে নিজৰ জীৱনটো আগুৱাই লৈ যাবলৈ যত্ন কৰিলে। আজি ছোৱালী দুজনীৰ এবছৰ। কেইদিনমান আগৰেপৰা নীৰৱে ছোৱালী দুজনীৰ প্ৰথম জন্মদিনটোত কেনেদৰে ছোৱালী দুজনীক উৎসাহিত কৰিব, কাক কাক মাতিব, কি খুৱাব, কি উপহাৰ দিব— এইবোৰ অশ্ৰুৰ লগত আলোচনা কৰি আছে।

কিন্তু তাৰ বিপৰীতে কি হ'ল— কথাটো শুনি অশ্ৰুৰ কোনো মাত নাই, সৰগ পৰা মানুহৰ দৰে হ'ল তাই। শাহুৱেকৰ মৃত্যুৰ দৰে নীৰৱেও! তাই ভাবিব নোৱাৰা কথা। কি হ'ল তাইৰ জীৱনত! সকলো অন্ধকাৰ। সঁচাকৈয়ে নীৰৱক লৈ তিনিশ-চাৰিশমান মানুহে চোতালত ভিৰ কৰিছেহি। গাঁৱৰ তিৰোতা মানুহ কেইজনীমান আহি অশ্ৰুক ভিতৰৰপৰা বাহিৰলৈ লৈ গ'ল। অশ্ৰুৱে চাব নোৱাৰে নীৰৱক। তাই চিঞৰি চিঞৰি কান্দি কান্দি ক'লে—

ঃ মোৰ নীৰৱৰ মৃত্যু হোৱা নাই। কোনেও নক'ব মোৰ নীৰৱৰ মৃত্যু হোৱা বুলি। নীৰৱ, ছোৱালী দুজনীৰ জন্মদিনৰ উপহাৰ তুমি এয়াই দিলা! কি কৰিলা? কি কৰিলা তুমি? কি? কি হ'ল তোমাৰ? মুখেৰে নামাতা কিয়? কি বেয়া পাইছা মোক.....!

—বলিয়াৰ দৰে তাই যিহকে পায় তিহকে বলকিবলৈ ধৰিলে। অশ্ৰুক অকলশৰীয়া কৰি নীৰৱক শ্মশানলৈ লৈ যোৱা হ'ল। সঁচাকৈয়ে অশ্ৰুৰ চকুৰে অশ্ৰু বৈ আছে। এক সহিব নোৱাৰা দৃশ্য। এই কথাবোৰত বিভোৰ হৈ থাকোঁতেই তাইৰ ছোৱালী দুজনীয়ে তাইক 'মা, মা' কৰি মাতি আছে। উচপ খাই উঠিল অশ্ৰু। ছোৱালী দুজনীয়ে দৰা-কইনা খেলি আছে আৰু মাকক মাতি আছে। কইনাটো দেখুৱাই— "মা, এইটো তুমি মা" আৰু দৰাটো দেখুৱাই কৈ আছে— "এইটো দেউতা মা চোৱাচোন। মা, আমাৰ দেউতা ক'ত?" বেচেৰী ছোৱালী দুজনীয়ে কি জানে? কিন্তু অশ্ৰুৱে খঙতে ছোৱালী দুজনীক বৰকৈ খং কৰিলে আৰু ভাবিলে— কি পাপ কৰিছিলোঁ মই! ছোৱালী দুজনীয়েতো একো নাজানে। তাই দৌৰি গৈ ছোৱালী দুজনীক সাৱটি ধৰিলে আৰু চুমা খালে। সিহঁত দুজনীক আৰু কষ্ট পাবলৈ নিদিওঁ বুলি তাই প্ৰতিজ্ঞা কৰিলে। তাই ছোৱালী দুজনীৰ সৈতে নিজৰ জীৱনযাত্ৰা আগুৱাই নিবলৈ সাহস গোটালে। ■



# চাইকেল


**ভাস্কৰজিৎ নাথ**

স্নাতকোত্তৰ ৩য় ষাণ্মাসিক (অসমীয়া বিভাগ)


ঘৰ চলাবলৈ লোৱাৰ বহু আগতে দেউতাই
চাইকেল চলাবলৈ লৈছিল।
চাইকেলখনে আমাৰ ঘৰখন চলাইছিল।

ককাই কৈছিল—
"এইখন তোৰ আইতাতকৈ বহু পুৰণি।"

মই দেখিছিলোঁ,
চিঠিৰ বোজাবোৰ পিঠিত বান্ধি
দেউতাই গাঁৱে-ভূঁঞে ঘূৰিছিল।

ককা গুচি গ'ল,
দেউতাৰো দেহে নোৱাৰা হ'ল,
মোৰ বাবে সেইখন এতিয়া
অন্য এখন ভৰি,
খন্তেকীয়া জীৱনৰ বিশ্বাসী সংগী।

চাইকেলখন এতিয়া
মোৰ চকুৰ আগত থিয় দি আছে
মোৰ পো-নাতিহঁতে হয়তো সেইখনক
পেইন্টিঙত দেখিব
কোনো সম্ভ্ৰান্ত পৰিয়ালে
দেৱালত ওলোমাই ৰাখিব। ■



# শাৰদীয় লেণ্ডস্কেপ্

**নিৰ্মালী ৰাভা**
স্নাতক ৩য় যাণ্মাসিক (বিজ্ঞান)

আহিনমহীয়া পথাৰৰ সেউজীয়া
উলাহত নাচে কুলসী নৈৰ কঁহুৱা।
পুৱতিৰ আন্ধাৰত সৰি পৰে
সুগন্ধিত শেৱালি,
মোৰ চোতাল ভৰি পৰে
শেৱালিৰ নিমজ পৰশেৰে ঐ।
নিয়ৰৰ ভিজা ভিজা ৰূপ
বকুলে প্ৰণাম জনায় তেজাল বেলিকে ঐ।
প্ৰিয়, শাৰদী ৰাণী
সোঁৰৰিছোঁ তোমাৰ নাম ভালপোৱাবোৰ কৈ।
যাচিছোঁ শৰাই
বিচাৰিছোঁ আশীৰ্বাদ।
অসুৰধ্বংসিনী
যুঁজি যুঁজি যুঁজি শেষত হাৰি যায়;
হাৰি যায় ঐ। ■



# মই ধৰ্ষিতা

**চুম্পি দাস**
স্নাতক ৩য় ষাণ্মাসিক (বাণিজ্য)

নৰপিশাচৰ বলি হোৱা
মই এজনী ধৰ্ষিতা
শৈশৱৰ সোণবৰণীয়া সপোন
যেন কলিতে মৰহিল
ফুটপাথত পৰি থকা
ফটা-ছিগা কাপোৰ দেহত
শাৰীৰিক নিৰ্যাতনৰ ছবি
মুখত বিষাদৰ ছাঁ
পেটত ভোক
নিশা হ'লে বুকুত
ভয় লৈ জীয়াই থকা
মই ধৰ্ষিতা। ■



# এজাক বৰষুণ

**তনয়া শৰ্মা**
উঃমাঃ ১ম বৰ্ষ (কলা)

মোক এজাক বৰষুণ লাগে
এজাক ধাৰাসাৰ বৰষুণ।
যিজাক বৰষুণে
ধুই নিকা কৰিব পাৰে
মোৰ হৃদয়ৰ সমস্ত দুখ,
মোৰ চকুলো,
মোৰ বিষাদ,
মোৰ যন্ত্ৰণা।
মোক এজাক বৰষুণ লাগে
ধাৰাসাৰ বৰষুণ। ■



# তোমাৰ হাঁহি

**বিকাশ দলৈ**
উঃমাঃ ২য় বৰ্ষ (কলা)

সূৰুযৰ আভাৰে বিয়পি
পৰিছিল ৰাতিপুৱাটো....
সদ্যস্নাতা মহাবিদ্যালয়খনি প্ৰাণ পাই উঠিছিল
সেউজীয়া আবিৰেৰে
আমি হৈ পৰিছিলোঁ প্ৰাণচঞ্চলা,
মালিয়াটাৰ বুকুৰে নামি আহিছিল
ষোড়শী গাভৰুৰ উন্মুক্ত হাঁহি,
আৰু তাইৰ সোণোৱালী চুলিৰে লাহী জোন,
লোহিত ৰঙৰ ওঁঠৰঞ্জনী লৈ
গোলাপী ফাকুগুড়িৰে
দুচকুৰ ক'লা মেঘে
বাৰুকৈয়ে মতলীয়া কৰিছিল
সেই প্ৰাণচঞ্চলা পুৱাটিত। ■

# অভিমান

**দিপাংকৰ সিংহ**
স্নাতক ৪ৰ্থ যাণ্মাসিক (বিজ্ঞান)

জোনাকৰ সৈতে আহিবানে তুমি
মুকলি আকাশৰ তলত
কিমান দিন যে হ'ল কথা কোৱা নাই
জোনটোৱে মোক সদায় সোধে
তোমাৰ কথা
তুমি নহাৰ বাবে তৰাবোৰে
অভিমান কৰে জানা
জোনাকী সন্ধিয়াৰ সময়ত
মুক্ত আকাশৰ তলত কটোৱা
সময়খিনি মোক ঘূৰাই লাগে
কিন্তু জোনাকী সন্ধিয়াৰ
ক'লাবোৰে মোক কাণে কাণে কৈ গ'ল
তুমি যে উভতি নাহা....। ■





# সম্বন্ধ

**মানৰেন্দ্ৰ দাস**
স্নাতক ৫ম ষাণ্মাসিক (কলা)

মানুহৰ মিলনৰ এক পথ
সেয়া বন্ধুত্বৰেই হওক,
নতুবা আপোনজনৰে হওক
য'ত থাকিব লাগে
এক নিঃস্বাৰ্থ মৰম আৰু বিশ্বাস
সম্বন্ধ নগঢ়িবা বচনেৰে
মাথোঁ গঢ়ি তুলিবা তাক
এখন সুহৃদয়েৰে। ■



# ঐক্যৰ তীৰ্থ

**কংকন দাস**
উঃমাঃ ২য় বৰ্ষ

হে মোৰ সতীৰ্থ,
আহা ঐক্যৰ তীৰ্থ সাজোঁ।
বৈষম্যৰ আৱৰণ সলাই
বৰ্ণিল বিশ্বত একতা গঢ়ি তোলোঁ।
জাত-পাত, জাতিভেদ এৰি
আহা আমি মানৱতাক আদৰোঁ।
অ' সতীৰ্থগণ,
ওলাই আহা,
অনৈক্যৰ ভাব এৰি
ঐক্যৰ তীৰ্থ সাজোঁ।
নতুন পুৰুষ
নতুন সমাজ
ওলাই আহা
নতুন সৃষ্টিৰ কৃষ্টি ৰচোঁ,
বৰ্ণিল সংস্কৃতিক আদৰি
ঐক্যৰ সমাজ গঢ়োঁ.... !! ■

# আধৰুৱা প্ৰেমৰ ছবি

**ধীমান দাস**
স্নাতক ৩য় ষাণ্মাসিক (বিজ্ঞান)

তোমাক সদায় আঁকো মই
মোৰ কেন্‌ভাচত
তোমাৰ সেই দুচকুৰ চাৱনি
আৰু তোমাৰ ওঁঠৰ হাঁহিটি।

তোমাৰ বাবেই হয়তো
মোৰ জীৱনত আৰু কেন্‌ভাচত
ৰঙৰ সমাগম ঘটিছিল।
তোমাৰ বাবেই হয়তো
দেখিছিলোঁ পৃথিৱীৰ সকলো ৰং
আৰু সেই ৰংবোৰ
প্ৰয়োগ কৰিব খুজিছিলোঁ তোমাৰ
সেই ছবিখনিত!

কিন্তু নাজানো কিয়!
হঠাতে আঁতৰি গ'লা সকলোবোৰ ৰং লৈ
মোৰ জীৱনৰপৰা,
এতিয়া মাথোঁ ক'লা হৈ আছে
মোৰ জীৱনৰ লগতে
মোৰ কেন্‌ভাচৰ
তোমাৰ সেই ছবিখনি। ■





# নিলাজবোৰ

**আলমিনা জেবিন**
স্নাতক ৩য় ষাণ্মাসিক (বিজ্ঞান)

কিনো ক'ম বুকুৰ বেথা
শুনিবলে কেওঁ নাই।
বহিঃদেশৰ বোজাৰে
ভৰি পৰিল আজি অসমী আই।
এইবাৰ ভাবিছোঁ ফুলেৰে পূজিম
তোৰ চৰণ দুখনি আই
হায় ৰে হায়
চুকতে থাকি বুকুতে কামুৰিলে ভাই।
আহিব দিন, বাজিব বীণ
জননী গৰ্ভ যদিও তহঁতে কৰিলি মলিন।
হতাশ নহ'বি তই,
অ' অসমী আই
আছিলোঁ, আছোঁ আৰু সদায় থাকিম।
বিদেশী খেদিম, বিদেশী খেদিম
নিলাজবোৰক দেশৰপৰা বাহিৰ কৰিম। ■

# সন্ত্ৰাসৰ কথাৰে...

**পংকজ কুমাৰ**
স্নাতক ৫ম ষাণ্মাসিক (কলা)



সন্ত্ৰাস, সন্ত্ৰাস
চাৰিওফালে আজি শুনিবলৈ পাইছোঁ
মাথোঁ সন্ত্ৰাসৰ ধ্বনি।
সন্ত্ৰাসবাদ জিন্দাবাদ!!
সন্ত্ৰাসবাদ জিন্দাবাদ!!!
মনত ভয় নাই
নাই কোনো শংকা,
হয় মাৰিম
নহ'লে মৰিম।

আত্মঘাতী বোমাৰু
অতি ভয়ংকৰ!
নিমিষতে কৰি দিব
সকলো ছাৰখাৰ।
হাতত বন্দুক,
লগত বোমা-বাৰুদ;
গুলীয়াই শেষ কৰিব এফালৰপৰা
গুৰুম্ গুৰুম্ গুৰুম্!!!
কোনেও একো গমকে নাপায়।

ঘৰত ছুটী কটাই
নিজৰ কৰ্তব্যলৈ
উভতি আহিছিল সিহঁত।
আৰু তহঁতে কৰিলি কি?
গুৰুম্ গুৰুম্!!!
নিজৰ কৰ্তব্যস্থান আহি নৌপাওঁতেই
মাজবাটতে উৰুৱাই দিলি সিহঁতক,
বোমা-বাৰুদ, গুলীৰে।
ছিটিকি পৰিছিল সিহঁত
চাৰিওফালে।

পথৰ ওপৰত পৰি ৰৈছিল সিহঁতৰ
ক্ষত-বিক্ষত নিথৰ দেহবোৰ।
আৰু পৰি ৰৈছিল,
ছিগি টুকুৰা টুকুৰ হোৱা
সিহঁতৰ দেহৰ মাংসপিণ্ডবোৰ।
আৰু এনেকৈয়ে শ্বহীদ হ'ল
দেশৰ কত বীৰ জোৱান....
শ্বহীদ প্ৰণামো তোমাক!!!

তহঁতে বাৰু কি পাৱ?
এনেকৈ সিহঁতক মাৰি,
কি লাভ হয় তহঁতৰ
ইয়াৰপৰা?
সন্ত্ৰাসবাদী নাম লৈ এনেকৈ
কাপুৰুষালি কাম কৰি,
দেশত সন্ত্ৰাস বিয়পাইছ।
মানুহক হাৰাশাস্তি কৰি মাৰিছ।
কিন্তু, আৰু কিমান দিন,
কিমান দিন থাকিবি এনেকৈ?
হ'ব এদিন তহঁতৰ অন্ত।
আহি আছে সেই দিন....
নিঃশেষ হ'ব এদিন সন্ত্ৰাসবাদ।
যেতিয়া সমগ্ৰ বিশ্বই
একেলগে ক'ব—
সন্ত্ৰাসবাদ মুৰ্দাবাদ!!
সন্ত্ৰাসবাদ মুৰ্দাবাদ!!! ■

*(২০১৯ ইং বৰ্ষৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে কাশ্মীৰৰ পুলৱামা চহৰত সংঘটিত হোৱা সন্ত্ৰাসবাদী আক্ৰমণত শ্বহীদ হোৱা ভাৰতীয় বীৰ জোৱানসকলৰ স্মৃতিত ৰচিত)*

# অনুভৱত

**বিদ্যুৎ পৱন ঠাকুৰীয়া**
স্নাতক ৪ৰ্থ ষাণ্মাসিক (বিজ্ঞান)

এন্ধাৰৰ সেই পৰশ
সেমেকা নিশাৰ আঁচলত জিৰোৱা
সেই সময়বোৰ মোৰ মনত আছে
আইতাৰ স'তে জুহালত
লাডু-পিঠাৰ জুতি লৈ
ৰাজকুমাৰ-ৰাজকুমাৰীৰ অথবা
নানান পৰীৰ দেশৰ সাধু শুনা
সেই প্ৰতিটো নিশা
মোৰ মনত আছে!!
আৰু যে সেই
চঞ্চল ৰাতিপুৱাবোৰ
আইৰ হেজাৰ গালি-গালাজ শুনিলেও
আৰু অকণমান দেৰিলৈকে শুব বিচৰা
সেই নষ্ট স্বভাৱবোৰ
মোৰ মনত আছে!
মোৰ মনত আছে সেই
ৰ'দৰ আমেজ লৈ কমলা খোৱা দিনবোৰ
আৰু ক'ৰবালৈ ফুৰিবলৈ গ'লে
কেইবা তৰপৰ পোছাকেৰে নিজকে
আবদ্ধ কৰিবলগীয়া হোৱা
দুঃখময় দিনবোৰ!! ■



# শৰতৰ আগমন

**পূজাশ্ৰী মহন্ত**
উঃমাঃ ১ম বৰ্ষ (কলা)

প্ৰকৃতিৰ বুকুলৈ শৰৎ নামি আহে
স্ৰষ্টাৰ শ্যামলিমা ৰূপৰ মাধুৰ্য লৈ,
পবিত্ৰতাৰে হৃদয় জুৰোৱা মধুময় আৱেশ লৈ।
শৰতৰ আগমনত
সেউজৰ সুকোমল বোল সানি
প্ৰকৃতি হয় শ্যামলী;
মৃদু মলয়াৰ লহৰত প্ৰকৃতিত নৃত্যৰ মূৰ্ছনা উঠে;
আশাৰ হেঙুলী ৰহণে লীলাময়ী খেল খেলে।
শৰতৰ আগমনে আনে
তগৰ, শেৱালি, হাচনাহানাৰ
মৃদুল সৌৰভৰ মহা পয়োভৰ।
শৰতৰ সুনিৰ্মল আকাশত প্ৰতিভাত
স্নিগ্ধ চন্দ্ৰমাৰ ৰূপোৱালী জ্যোতি,
হিয়া শাঁত কৰা মলয় পৱনৰ ধীৰ গতি,
শৰতৰ পৰিচ্ছন্ন ধৰাতল
জোনাকী জ্যোতিৰে জ্যোতিষ্মান।
শৰতৰ আগমনত
গগন, পৱন, ধৰণী, সাগৰ
সকলোতে বিৰাজমান হয়
এক সুনিৰ্মল পৰিৱেশ;
শৰতৰ এই
স্বপ্নময়, ৰূপময়, প্ৰাণ-প্ৰাচুৰ্যময় গৰিমা
ধৰাৰ বুকুৰ চিৰন্তন সত্যৰে প্ৰকাশ। ■

# শিৱ

**এড্‌ৱাৰ্ড ষ্টেউী এন্ চাংমা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ



ভাবিছোঁ আজিনো ক'লৈকে যাওঁ
কোনটো শিৱ মন্দিৰলৈ
য'লৈকে গ'লে দেখা পাম মই মোৰ কবিতাক

যি সতীৰ দৰে আহি
শিৱৰ বাবে দেহত্যাগ কৰিছিল আত্মজাহ গৈ

পাৰ্বতী হৈ লাভ কৰিছিল
শিৱক আৰু শিৱজ্ঞান

সত্যম্ শিৱম্ সুন্দৰম্

যি শৰদেৰে স্পৰ্শিম
কবিতা, আকৌ এবাৰ তোমাৰ হৃদয়

ক'লৈকে যাওঁনো
অ' মোৰ হিয়াৰ আমঠু তোমাক বিচাৰি

কবিতা এটি হৈ
ৰৈ আছই বা ক'ত

মই যে বাস কৰোঁ
অঘৰী হৃদয়ৰ পাহাৰত

ছদ্মবেশৰ আৱৰণ পিন্ধি
সুৰক্ষিতকৈ ৰাখিছোঁ আজিও

[ সতীৰূপৰা পাৰ্বতীলৈ
এটি দীঘলীয়া বাট, অপেক্ষাৰ অন্তত
তোমাৰ দুচকুত পূৰ্ণতা প্ৰাপ্তিৰ ছবিখনৰ দৰেই..... ]

ভালপোৱাবোৰ.....
হেঁপাহেৰে তোমাৰ ভাল লগাবোৰ.....

মই আজিও বাস কৰোঁ ছদ্মবেশী ৰূপ লৈ
অঘৰী হৃদয় এখন লৈ
অচিনাকি পাহাৰৰ খোৰোঙত। ■




# আশাৰ পম খেদি

**ভাস্বতী মেধি**
স্নাতক ৩য় ষাণ্মাসিক (কলা)

লগ পাইছিলোঁ ছবিত
জীৱন দিয়া মানুহজনক
সপোনবোৰে ঠন ধৰিছিল
আশাবোৰে গজালি মেলিছিল
উতনুৱা বতৰত নোচোৱাৰ
ছলেৰেই চাইছিলোঁ তোক
চঞ্চলা বতাহে খেদি ফুৰিছিল মোক
প্ৰেমৰ ছবি আঁকিবলৈ
ময়ো শিকি গৈছিলোঁ
কি যে নিখুঁতভাৱে ৰং বিলাইছিলোঁ তাত

হঠাৎ যেন হৃদয়খন থমকি ৰ'ল
সেইটো বাটেৰেই বাট ল'লা তুমি
যিটো বাটেৰে কেতিয়াও উভতি নাহা
শৰতৰ সিক্ত ৰাতিয়ে উপলব্ধি
কৰোৱাই থৈ গ'ল
সপোনৰ হেনো ৰং নাই
মোৰ হৃদয়ৰ নাই কোনো বাস্তৱতা
নাটক কৰিব নাজানিছিলোঁ বাবেই
হয়তো চৌদিশ অন্ধকাৰ হৈছিল।
পিচে স্বাৰ্থপৰ প্ৰেমিকা মই নাছিলোঁ
হয়তো সেইবাবেই প্ৰেমৰ
বিনিময়ত প্ৰেম নিবিচাৰিলোঁ
বুকুৰ পকা ঘা এটুকুৰাই
আজিও কামুৰি আছে....।■

# মামৰ

**শ্বৰনম হাফিজ**
স্নাতক ২য় ষাণ্মাসিক (কলা)

কিদৰে আঁতৰ কৰোঁ
তোমাৰ হৃদয়ৰ মলি-মামৰ
তোমাৰ হৃদয়ৰ মামৰে
কাঢ়ি নিলে কতনা নাৰীৰ জীৱন
কতনা নাৰীৰ যৌৱন।
ঘৰ, মন্দিৰ সকলোতে চলে
তোমাৰ অবাধ অপৰাধ।
নিৰ্ভয়া, অসিফা আৰু যে কতনা
কেনেকৈনো আঁতৰ কৰোঁ?
তোমাৰ হৃদয়হীন হৃদয়ৰ
যুগ-যুগান্তৰৰ মলি-মামৰ!■

# 'কা' পুৰাণ

◆ **জয়ন্ত কুমাৰ বৈশ্য**
সহকাৰী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

[১]
হঠাৎ দেখোন পক্ষীকুলৰ লাগিল হুলস্থূল
কাউৰীৰ পত্ৰ এখন হুলস্থূলৰ মূল
চৌদিশে হাহাকাৰ
কাউৰী পিচে নিৰ্বিকাৰ
দুচকুৰে দেখিছে যেন সৰিয়হ ফুল।।

[২]
পত্ৰৰ মূল বিষয় হ'ল ভাষাৰ সংকট
কাউৰীয়ে মনৰ শংকা কৰিছে বেকত
সেয়ে শীঘ্ৰে সভা পাতি
পক্ষীগণক আনি মাতি
দিয়ে যেন এক উপায়, কিম্বা বিপদ নিকট।।

[৩]
পত্ৰৰ গুৰুত্ব বুজি নকৰি পলম
পাৰই ক'লে— নিমন্ত্ৰণৰ দায়িত্ব মই ল'ম
মাথোঁ ঠিক কৰা দিন-বাৰ
এজেণ্ডা আৰু স্থান সভাৰ
বন্ধুৰ বিপদত সহায় এক পৰম ধৰম।।

[৪]
সৰাৰে সুবিধাত সভাৰ দিন ঠিক হ'ল
স্থান হ'ল মালিয়াটাৰ বৃক্ষৰ তল
পাৰৰ নিমন্ত্ৰণ পাই
পক্ষীকুলৰ সমুদায়
সভালৈ উৰি আহিল ভাঙি হিল-দল।।

[৫]
সভাপতিৰ আসন শগুণে শুৱলালে
শেনে ঠিয় হৈ সভাৰ উদ্দেশ্য বিৰৰিলে
সকলো আছে বৈ
মৌন বদন হৈ
কিনো ক্ষোভ কাউৰীৰ তাক জানিবলে'।।

[৬]
সজল নয়নে পাতি কাউৰীয়ে ক'লে
আমাৰ মাতৃভাষা যাব ৰসাতলে
শীঘ্ৰে দিয়া সমাধান
নহ'লে দিম বলিদান
জাতি আমাৰ নিঃশেষ হ'ব জানিবা সকলে।।

[৭]
উপজিয়ে পালোঁ যি কা-কা ভাষা
সি মোৰ মাতৃভাষা, স্বজাতিৰ আশা
আজিৰ মনুষ্যগণে
সৰ্বত্ৰ, সৰ্বক্ষণে
বুলিছে আমাৰ ভাষা জাগিছে নিৰাশা।।

[৮]
ঢোৰা কাউৰীয়ে মাত দিলে এটি ক্ষণ ৰৈ
মনুষ্যৰ মাজত আজি লাগিছে হৈ-চৈ
কা-কা-কা বুলি
উৰুৱাই বাটৰ ধূলি
কৈছে আমাৰ ভাষা ঢাক-ঢোল লৈ।।

[৯]
এইদৰে মনুষ্যই যদি আমাৰ মাত কয়
আমাৰ ভাষাৰ লয় জানিবা নিশ্চয়
সেয়ে সৱ পক্ষীগণ
মিলি কৰোঁ আন্দোলন
কা-কা যেন মনুষ্যই কদাপি নকয়।।

[১০]
কাউৰীৰ কথাত সৰে দিলে হয়ভৰ
কা কেৱল কাউৰীৰ, নহয় মনুষ্যৰ
শগুণে শেষত ক'লে
সেয়ে হওক তেনেহ'লে
পক্ষীকুল এক হওক সময় তাকৰ।।

[১১]
হয় মনুষ্যই 'কা' বাতিল কৰক
নহয় মনুষ্যই আমাক গুলীয়াই মাৰক
জাতিৰ এই স্বাভিমান
কেতিয়াও নপৰে ম্লান
কাউৰীৰ মাতৃভাষা সদা অটুট থাকক।। ■

◆ ভাৰ্গৱ কলিতা
স্নাতক ৪ৰ্থ ষাণ্মাসিক (বিজ্ঞান)

# অনুগল্প



## (১) দেৱী

হেজাৰ কাকূতি কৰিও মায়াই নীৰৱক ৰখাব নোৱাৰিলে। জোৰকৈ তাইৰ মুখখনত সোপা মাৰি ধৰি সি মাথোঁ ব্যস্ত থাকিল সোতৰ বসন্তই পৰশা তাইৰ যৌৱনা সুন্দৰ লাহী দেহটোৰ তৃপ্তি লোৱাত। অৱশেষত নীৰৱৰ সবল বাহুৰ সমুখত নিৰুপায় হৈ লেবেজান হৈ পৰা মায়াৰ কাণ দুখনত মাথোঁ অস্পষ্ট ৰূপত বাজি থাকিল নাতিদূৰৈৰ দুৰ্গা পূজাখনৰপৰা নিগৰি অহা আৰতিৰ বৰকাঁহৰ শব্দবোৰ।

## (২) সাম্প্ৰতিক

গিৰিয়েকক অফিচলৈ পঠাই নিজৰাই চাহকাপ লৈ বাৰাণ্ডাৰ চকীখনতেই বহিল। ম'বাইলটো উলিয়াই ফেচ্বুকটো এবাৰ খুলি চালে। পোনতে চকু ফুৰালে আগদিনা আপলোড কৰা ফটোখনলৈ, দেখিলে লাইক ৭৬ আৰু লাভ ৰিয়েক্ট মাত্ৰ ১৫। নাই, কমিছে আগতকৈ....। চাহকাপ তাই বৰ অসন্তুষ্টিৰে এঢোক এঢোককৈ পি থাকিল। হঠাৎ মনত পৰিল, তাইৰ কেলিফৰ্ণিয়াৰ বান্ধৱী ছফিয়া ৰুজভেল্টলৈ। মেছেঞ্জাৰটো খুলি তাই ছফিয়ালৈ বাৰ্তা পঠালে— “হাই ছফিয়া, হেভ ইউ গ'ন টু ছুইমিং ট্যুডে?” লগে লগেই পূৰ্বৰেপৰা সক্ৰিয় হৈ থকা ছফিয়াই ৰিপ্লাই দিলে— “অ'হ, ইয়েছ ডিয়েৰ, অলৰেডি...., হাউ আৰ ইউ?”

হঠাৎ কাষৰ ঘৰৰ ছোৱালীজনী চোতাললৈ দৌৰি আহিল আৰু থোকাথুকি মাতেৰে ক'লে— “নিজ' খুড়ী, আহাচোন তৎক্ষণাৎ, আমাৰ মায়ে কাৰেণ্টৰ শ্বক খাইছে। আহানা, ছিৰিয়েছ....!”

নিজৰাই বিৰক্তিৰে উত্তৰ দিলে— “ৰ'বা! গৈ আছোঁ। পাঁচ মিনিট। মই ছফিয়াৰ লগত চাটিং কৰি আছোঁ।”

## (৩) পকা বেল

বিয়ালৈ যাবলৈ সুন্দৰকৈ সাজি-কাচি ওলোৱা ৰীণাই আইনাখন চাই চায়েই গিৰিয়েকলৈ আপত্তি আগবঢ়ালে— “হেৰা, বুজিছানে! তোমাৰ মাৰাৰ লগত ওলাই যাবলৈ আজিকালি মোৰ লাজেই লগা হ'ল জানা! ইমান কৈছোঁ, বোলো চুলিটাৰিত অলপ ৰঙকেই সানক; নাই, নুশুনে। আৰু যে দাঁতকেইটা.....!” তেনেতে চোতালৰ বেলগছডালৰপৰা পকা বেল এটা মাটিত সৰি ফাটি থাকিল।

## (৪) শিৰোনাম

বেড ছুইচটো অফ্ কৰি দুয়োয়ে দুয়োকে সাৱটি ধৰিলে। হেঁপাহ পলুৱাই মৰম সানি দিলে দুয়োয়ে দুয়োকে। দুয়োৰে উশাহবোৰ ঘন হ'বলৈ ধৰিলে ক্ৰমাৎ। আন্ধাৰবোৰ সাক্ষী হৈ থাকিল দুয়োৰে। এনে ৰঙীণ মুহূৰ্ততো কিন্তু দুয়োৰে মুখত নিৰাশাৰ প্ৰতিচ্ছবি দুখন ভাহিয়েই থাকিল; কিয়নো যোৱা বাৰটা বছৰে সিহঁতে লগ লাগি লিখা গল্পবোৰৰ শিৰোনাম এটা দিব পৰাত দুয়ো যেন ব্যৰ্থপ্ৰায়।■

# অন্য মন অন্য ধৰণ

◆ পুষ্পাঞ্জলী বৰুৱা
সহকাৰী অধ্যাপিকা, দৰ্শন বিভাগ

মাজৰাতি শুই উঠি কোনোবাই সপোন লিখে বুলি শুনিছেনে? সাধাৰণ মানুহে এনে নকৰে; কিন্তু লেখক গ্ৰাহাম গ্ৰীণে এটা 'ড্ৰীম ডায়েৰী' লিখিছিল। য'ত সপোন দেখাৰ পিচত তেওঁ সপোন লিখি ৰাখিছিল আৰু উপন্যাসত এয়া ব্যৱহাৰ কৰিছিল।

**ভা**ল আৰু সুন্দৰ কলা বা সাহিত্য সৃষ্টি কৰিবলৈ সৰ্বসাধাৰণ মানুহে যেনেদৰে বাস কৰে বা চিন্তা কৰে, তেনেদৰে কৰিলেই যথেষ্ট নহয়। ইয়াৰ বাবে চিন্তাৰ শৈলী আৰু জীৱনধাৰণৰ প্ৰণালী সাধাৰণতকৈ ভিন্ন হ'ব লাগে। আচলতে এনেদৰে জীৱন নিৰ্বাহ কৰিলে মানসিক গঠন ভিন্ন ভিন্ন হয় সৰ্বসাধাৰণতকৈ। কিছুমান মানুহ জন্মগতভাৱে ভিন্ন মানসিক গঠনৰ। বিদেশী বহু বিশেষজ্ঞই কয় যে, সৰ্বসাধাৰণতকৈ ভিন্ন হৈ জীৱনধাৰণ কৰা বাবেই ছালভাদৰ দালিয়ে মহৎ চিত্ৰকলা সৃষ্টি কৰিছিল। কলা বা সাহিত্যৰ জগতত এনে বহু উদাহৰণ আছে, যাৰ সৃষ্টিৰাজিয়ে এই কলাৰ জগতখনৰ উৎকৰ্ষ সাধন কৰিছে। অসমৰ কথা যদি কওঁ— অসমত বহুজনে ছদ্মনামেৰে সাহিত্য চৰ্চা কৰিছিল। তাৰ ভিতৰত সৌৰভ কুমাৰ চলিহা অন্যতম। সৌৰভ কুমাৰ চলিহাই ভিন্ন জীৱন যাপন কৰিছিল। তেওঁ সৰ্বসাধাৰণ মানুহৰ মাজলৈ প্ৰৱেশ নকৰাকৈ ছদ্মনামেৰে গল্প লিখি স্বৰ্গগামী হয়। তেখেতৰ গল্প অন্য অসমীয়া লেখকতকৈ ভিন্ন, অদ্বিতীয় আৰু অন্যতম শ্ৰেষ্ঠ। মানসিক গঠন ভিন্ন নোহোৱাকৈ কোনেও বেছি ভাল আৰু মহৎ বা সুন্দৰ কলা সৃষ্টি কৰিব নোৱাৰে। ডাঙৰ কথাটো হ'ল, মানসিক গঠন ভিন্ন হ'লেই অইন মানুহৰ লগত সেই মানুহগৰাকীৰ কাৰ্যকলাপৰ ব্যৱধান এটি আহে। তেতিয়াই সেই বিশেষ মানুহগৰাকীক আন মানুহে 'অস্বাভাৱিক' আখ্যা দিয়ে। বাইৰণ, ছালভাদৰ দালি আদিক তেওঁলোকৰ জীৱিতকালত বহুতে পাগল আখ্যা দিছিল। বাইৰণৰ নামেৰে ইংৰাজীত 'বাইৰণিক' বুলি এটা শব্দ সৃষ্টি হৈছে। ইয়াৰ অৰ্থ হৈছে ৰহস্যজনক, মেজাজী আৰু ৰোমাণ্টিক চেহেৰাৰ সুদৰ্শন ব্যক্তি।

মাজৰাতি শুই উঠি কোনোবাই সপোন লিখে বুলি শুনিছেনে? সাধাৰণ মানুহে এনে নকৰে; কিন্তু লেখক গ্ৰাহাম গ্ৰীণে এটা 'ড্ৰীম ডায়েৰী' লিখিছিল। য'ত সপোন দেখাৰ পিচত তেওঁ সপোন লিখি ৰাখিছিল আৰু উপন্যাসত এয়া ব্যৱহাৰ কৰিছিল।

নাট্যকাৰ আগষ্ট ষ্ট্ৰিণ্ডবাৰ্গৰ জন্ম হৈছিল ১৮৪৯ চনত। ঠিক এই বছৰটোত মৃত্যু হৈছিল অন্য এজন বিখ্যাত লেখক এড্‌গাৰ এলেন পোৰ। আমোদজনক কথাটো হৈছে— আগষ্ট ষ্ট্ৰিণ্ডবাৰ্গে লিখিছিল যে, এড্‌গাৰ এলেন পোৱে তেওঁৰ দেহত প্ৰৱেশ কৰিছিল আৰু এইবাবে তেওঁ লিখিব পাৰিছিল। প্ৰখ্যাত নাট্যকাৰ ষ্ট্ৰিণ্ডবাৰ্গক সেয়ে বহুতে মানসিক ৰোগী বুলি ভাবিছিল।

জেন অষ্টিনে লিখা-মেলাৰ ক্ষেত্ৰত অদ্ভুত গোপনীয়তা ৰক্ষা কৰিছিল। ছপা ৰূপত প্ৰকাশ নোহোৱা পৰ্যন্ত জেন অষ্টিনে তেওঁৰ লেখা আনক দেখুওৱা নাছিল। ক্ষুদ্ৰ ক্ষুদ্ৰ কাগজত এনেদৰে লিখিছিল, যাতে আন কোনেও তেওঁৰ লেখা বুজি নাপায়। ঠিক একেদৰে সাহিত্যিক ৰবাৰ্ট ফ্ৰষ্টে কোনো পংক্তি মগজুত আহিলে জোতাৰ লেচত লিখি ৰাখিছিল।

আগথা ক্ৰিষ্টিয়ে তেওঁৰ ঘৰটো ৰহস্য উপন্যাসৰ দৰে সজাইছিল। এই ঘৰটোক তেওঁ ৰহস্য উপন্যাসৰ ৰেফাৰেন্স হিচাপে ব্যৱহাৰ কৰিছিল। নাট্যকাৰ হেনৰিক ইবচেনে নাটক লিখিছিল পুৰা চাৰিটা বজাত। তেওঁ বিশ্বাস কৰিছিল যে, পুৱা চাৰিটা বজাত মন-মগজু সুস্থিৰ হৈ থাকে। আন এজন সাহিত্যিক আৰ্নেষ্ট হেমিংৱে মন ভাল থাকিলে বা মেজাজ সুস্থিৰ থাকিলে লেখা-মেলা বন্ধ কৰিছিল। তেওঁ গল্প আৰু উপন্যাস লিখিছিল চূড়ান্ত মানসিক অস্থিৰতাত।

এবাৰ এজন শিক্ষকে মামণি ৰয়ছম গোস্বামীক সুধিছিল— "বাইদেউ, সাহিত্য কেনেদৰে লিখিম?" তেতিয়া মামণি বাইদেৱে চিধা-চিধিকৈ কৈছিল— "নিজৰ কথা লিখিলে আত্মজীৱনী হ'ব আৰু সমাজৰ কথা লিখিলে সাহিত্য হ'ব।" তাৰ পিচত বাইদেউক সোধা হৈছিল— "ভাষাৰ দখল যদি নাথাকে, তেন্তে?" তেতিয়া বাইদেউৰ চিধা উত্তৰ— "কথিত ভাষাতো লিখিব পাৰি।" হয়, মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসখনত দক্ষিণ কামৰূপৰ কথিত ভাষাই আছে।

কলা বা সাহিত্য জগতৰ এনেবোৰ কথাই অনুভৱ জন্মায় যে, আচলতে অন্য মন আৰু অন্য ধৰণ নাথাকিলে অভিজ্ঞতা আহৰণ কৰিব নোৱাৰি। এইবাবে বিজ্ঞ লোকে কয়— অভিজ্ঞতা নাথাকিলে ভালদৰে লিখিব নোৱাৰি। মহৎ সৃষ্টিৰ বাবে এনে বিচিত্ৰ অভিজ্ঞতা এটা প্ৰধান উৎস। হয়তো এইবাবে অন্য মন, অন্য ধৰণৰ লেখকসকলৰ হাতত সৃষ্টি হয় কালজয়ী ৰচনা বা কালজয়ী গ্ৰন্থ। ✦



# ক'টাৰ্ডৰ চিণ্ড্ৰম
## এক বিৰল মানসিক বিভ্ৰান্তি

**স্নেহাশিস চৌধুৰী**
স্নাতক ৫ম ষাণ্মাসিক (বিজ্ঞান)

পৃথিৱীত বৰ্তি থকা জটিল আৰু ৰহস্যৰে পৰিপূৰ্ণ বিষয়বস্তুসমূহৰ ভিতৰত মানৱ মনৰ অধ্যয়ন অন্যতম। বিভিন্ন সময়ত মনোবিজ্ঞানীসকলে আগবঢ়োৱা মানৱ মনৰ সংজ্ঞাও ভিন্ন প্ৰকৃতিৰ। প্ৰাচীন মনোবিজ্ঞানীসকলৰ বিচাৰ অনুসৰি মানৱ মনৰ অধ্যয়ন হ'ল আত্মাৰ বিষয়ে কৰা অধ্যয়ন (Study of Soul); কিন্তু বৰ্তমান জ্ঞান আৰু বুদ্ধিৰ প্ৰসাৰৰ লগে লগে পূৰ্ববৰ্তী ধাৰণাবোৰৰ পৰিৱৰ্তন সাধন হয়। বৰ্তমানৰ মনোবিজ্ঞানীসকলৰ সংজ্ঞা অনুসৰি মানৱ মন হৈছে মানুহৰ আচৰণসমূহ পৰিচালনা কৰা এক পৰিচালিকা শক্তি। মানৱ জীৱনৰ দৈনন্দিন আচৰণসমূহৰ উৎস হৈছে মানৱ মন অথবা মস্তিষ্ক। কিন্তু যেতিয়া মানৱ মনৰ স্বাভাৱিক অৱস্থাৰ পৰিৱৰ্তন সাধন হয়, তেতিয়া ই অস্থিৰ হৈ পৰে আৰু লগতে মানৱ আচৰণসমূহেও অস্বাভাৱিক ৰূপ গ্ৰহণ কৰে। মানৱ মনৰ অস্বাভাৱিক অৱস্থা অথবা মানৱ আচৰণৰ অস্বাভাৱিক পৰিৱৰ্তনকেই মনোবিদসকলে মানসিক বিকাৰ বুলি অভিহিত কৰিছে। পৃথিৱীত বৰ্তমান সময়লৈ বৰ্তি থকা মানসিক বিকাৰসমূহৰ ভিতৰত ক'টাৰ্ডৰ চিণ্ড্ৰম অন্যতম। ইয়াক সাধাৰণতে ক'টাৰ্ডৰ বিভ্ৰান্তি (Cotard's delusion) হিচাপে জনা যায়। ই এক বিৰল মানসিক বিভ্ৰান্তি। এই বিভ্ৰান্তিত ভুক্তভোগী ব্যক্তিয়ে নিজৰ মনত অবিৰতভাৱে চলি থকা ভুল বিশ্বাস (False belief)ৰ বলি হৈ নিজকে ইতিমধ্যে মৃত্যু হোৱা বুলি ভাবিবলৈ লয়, তেওঁলোকে নিজৰ অস্তিত্বৰ বিষয়ে প্ৰমাণ বিচাৰি আত্মহননৰ পথ বিচাৰি লয়, ৰোগাক্ৰান্ত ব্যক্তিয়ে ভুল বিশ্বাসৰ বশৱৰ্তী হৈ বাস্তৱ জগতৰ সৈতে নিজৰ সংযোগ বিচ্ছিন্ন কৰি পেলায়। কেতিয়াবা ৰোগাক্ৰান্ত ব্যক্তিয়ে অমূল প্ৰত্যক্ষ (Hallucination)ৰ পৰিণতিস্বৰূপে বাস্তৱ জগতৰ সৈতে সম্বন্ধ হেৰাই পেলায়, প্ৰত্যক্ষ ইন্দ্ৰিয় অনুভূতিৰ অবিহনেই তেওঁলোকে অনুভৱ কৰিবলৈ লয় যে, তেওঁলোকৰ দেহৰ মাংসপেশীসমূহ, আভ্যন্তৰীণ অংগসমূহ; যেনে— পাকস্থলী (Stomach), যকৃৎ (Liver), ৰক্তনলিকাসমূহ ক্ৰমান্বয়ে নাইকিয়া হৈ যাব ধৰিছে, মাজে-সময়ে নিজৰ দেহত আঘাত কৰিবলৈ ধৰে।

ফ্ৰান্সৰ স্নায়ু বিজ্ঞানী জুল্চ ক'টাৰ্ড (Jules Cotard)এ ১৮৮০ চনত মানসিক বিষণ্ণতা অথবা Mental depression সন্দৰ্ভত এক নতুন সংজ্ঞা আগবঢ়াইছিল। য'ত তেওঁ গভীৰ বিষণ্ণতাক কিছুমান মানসিক লক্ষণৰদ্বাৰা চিনাক্তকৰণ কৰিছিল। তেওঁৰ সংজ্ঞা অনুসৰি "মানসিক বিষণ্ণতা বা ডিপ্ৰেচন এক অস্বভাৱিক মানসিক পৰিস্থিতি; যাক উৎকণ্ঠা (Anxiety), মানসিক অস্থিৰতা, নিদ্ৰাহীনতা (Insom

nia), হতাশাগ্ৰস্ততা (Melancholia), বেদনাহীনতা (Unconciousness), অস্তিত্বহীনতাৰ বিভ্ৰান্তি (Delusion of nonexistance), অমূল প্ৰত্যক্ষ (Hallucination) আদিৰদ্বাৰা চৰিত্ৰায়ণ কৰিব পাৰি।” পৰৱৰ্তী সময়ত স্নায়ু মনোবিজ্ঞানী চেগলাচ (Seglas)এ ১৮৮৭ চনত ওপৰোক্ত লক্ষণসমূহৰ ভিত্তিত এক নতুন মানসিক বিকাৰৰ আৱিষ্কাৰ কৰে, যাক তেওঁ ক'টাৰ্ডৰ চিণ্ড্ৰম আখ্যা দিয়ে।

স্নায়ু মনোবিদসকলে ক'টাৰ্ডৰ চিণ্ড্ৰমক তিনিটা ভাগত বিভক্ত কৰিছে। এইবোৰ ক্ৰমে— Cotard Syndrome-I, Cotard Syndrome-II আৰু Cotard Syndrome-III। ইয়াৰে প্ৰথমবিধ অৰ্থাৎ Cotard Syndrome-Iক মানসিক বিষণ্ণতা, উৎকণ্ঠা (Anxiety)ৰ সৈতে জড়িত থকা বুলি স্নায়ু মনোবিদসকলে ব্যাখ্যা কৰিছে। দ্বিতীয়বিধ

> ক'টাৰ্ডৰ চিণ্ড্ৰমৰ কাৰণ সম্বন্ধে ব্যাখ্যা আগবঢ়াই মনোবিজ্ঞানী তথা স্নায়ুবিজ্ঞানীসকলে এই বিকাৰক এক জটিল মানসিক বিভ্ৰান্তি বুলি বৰ্ণনা কৰিছে। মন আৰু মস্তিষ্কত সংঘটিত হোৱা মানসিক আৰু স্নায়ৱিক পৰিৱৰ্তনৰ ফলস্বৰূপে এই বিভ্ৰান্তিয়ে দেখা দিয়ে। স্নায়ৱিক কাৰকসমূহৰ ভিতৰত মস্তিষ্কৰ স্নায়ৱিক গাঁথনিৰ পৰিৱৰ্তন, মস্তিষ্কৰ আঘাত, বংশগতীয় কাৰকসমূহেই প্ৰধান।

অৰ্থাৎ Cotard Syndrome-IIক হাইপ'কণ্ড্ৰিয়া (স্বাস্থ্য সম্বন্ধে অতিমাত্ৰা উৎকণ্ঠা), অমূল প্ৰত্যক্ষ (Hallucination)ৰ আন্তঃ সম্পৰ্কত গঢ় লৈ উঠে বুলি ব্যাখ্যা কৰিছে। ক'টাৰ্ডৰ চিণ্ড্ৰমৰ একেবাৰে শেষৰবিধ অৰ্থাৎ Cotard Syndrome-IIIক স্কিজ'ফ্ৰেনিয়া (Schizophrenia), আত্মঘাতী আচৰণৰ সৈতে জড়িত থকা বুলি ধাৰণা কৰিছে।

ক'টাৰ্ডৰ চিণ্ড্ৰমৰ লক্ষণসমূহৰ বিষয়ে স্নায়ু মনোবিদ Enoch আৰু Trethwanয়ে দিয়া ব্যাখ্যা অনুসৰি— “In its early stages Cotard Syndrome is characterized by a vague feeling of anxiety, with a varying time spam from weeks to years. This anxious states gradually augments and can result in nihilistic delusion, where denial of life or denial of body parts are prominent features.”

স্নায়ু মনোবিদসকলে ক'টাৰ্ডৰ চিণ্ড্ৰমৰ বিকাশ পৰিক্ৰমাক তিনিটা পৰ্যায়ত বিভক্ত কৰিছে। এই পৰ্যায়বোৰ ক্ৰমান্বয়ে— Germination Stage, Blooming Stage আৰু Chronic Stage। Germination Stageৰ সৈতে জড়িত লক্ষণসমূহ হৈছে হাইপ'কণ্ড্ৰিয়া (Hypochondria) বা ৰোগাতংক, Obsessive compulsive disorder (অমূল প্ৰত্যক্ষ বা বিভ্ৰান্তিৰ ফলত একেটা কাৰ্যকে বাৰে বাৰে পুনৰাবৃত্তি কৰা এক মানসিক ৰোগ) আদি। Blooming Stageত দেখা পোৱা লক্ষণবোৰ হৈছে উৎকণ্ঠা, অমৰত্বৰ বিভ্ৰান্তি (Delusion of immortality) ইত্যাদি। একেবাৰে শেষৰটো পৰ্যায় অৰ্থাৎ Chronic Stageৰ সৈতে জড়িত লক্ষণসমূহ হৈছে— অস্তিত্বহীনতাৰ ধাৰণা (Ideas of non-existance), দেহৰ আভ্যন্তৰীণ অংগসমূহ যেনে— হাওঁফাওঁ, পাকস্থলী, যকৃৎ, হৃদযন্ত্ৰ আদিবোৰ নাইকিয়া হৈ যোৱাৰ বিভ্ৰান্তি (Delusion of destruction of internal body organs such as lungs, stomach, liver, heart etc.), আত্মহত্যাৰ আচৰণ (Suicidal behaviour) ইত্যাদি।

ক'টাৰ্ডৰ চিণ্ড্ৰমৰ কাৰণ সম্বন্ধে ব্যাখ্যা আগবঢ়াই মনোবিজ্ঞানী তথা স্নায়ুবিজ্ঞানীসকলে এই বিকাৰক এক জটিল মানসিক বিভ্ৰান্তি বুলি বৰ্ণনা কৰিছে। মন আৰু মস্তিষ্কত সংঘটিত হোৱা মানসিক আৰু স্নায়ৱিক পৰিৱৰ্তনৰ ফলস্বৰূপে এই বিভ্ৰান্তিয়ে দেখা দিয়ে। স্নায়ৱিক কাৰকসমূহৰ ভিতৰত মস্তিষ্কৰ স্নায়ৱিক গাঁথনিৰ পৰিৱৰ্তন, মস্তিষ্কৰ আঘাত, বংশগতীয় কাৰকসমূহেই প্ৰধান। আনহাতে বিভিন্ন মানসিক অৱস্থা; যেনে— মানসিক অস্থিৰতা, হতাশা, মানসিক চাপ, বিষণ্ণতা আদিয়ে এই বিকাৰৰ বিকাশত প্ৰবলভাৱে অৰিহণা যোগায় বুলি মনোবিজ্ঞানীসকলে বৰ্ণনা কৰিছে।

**ৰোগ নিৰাময়ৰ ব্যৱস্থা ঃ** ক'টাৰ্ডৰ চিণ্ড্ৰম প্ৰভৃতি আন মানসিক ৰোগৰদ্বাৰা আক্ৰান্ত ব্যক্তিৰ বাহ্যিক পৰিৱেশ বা বাস্তৱ জীৱনৰ সৈতে সংযোগ বিচ্ছিন্ন হৈ পৰে। মানসিক ৰোগৰপৰা পৰিত্ৰাণ পাবলৈ চিকিৎসা মনোবিজ্ঞানী, মনোৰোগ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। চিকিৎসা মনোবিদ বা মনোৰোগ বিশেষজ্ঞসকলে প্ৰদান কৰা কথোপকথনমূলক চিকিৎসা (Talk therapy), জ্ঞানমূলক চিকিৎসা (Cognitive therapy) আদি এনে ৰোগীক ৰোগ মুক্ত কৰাৰ ক্ষেত্ৰত সফলৰূপে পৰিগণিত হৈছে। তদুপৰি স্নায়ৱিক আৰু পেশীয় দুৰ্বলতাসমূহ আঁতৰোৱাৰ বাবে আৰু মানসিকভাৱে সুস্থ হৈ থাকিবলৈ শৰীৰ চৰ্চা আৰু যোগাসনৰ প্ৰয়োজনীয়তা অপৰিসীম। ইয়াৰ উপৰিও মাদক দ্ৰব্য সেৱন, ড্ৰাগছ্ সেৱন আদিয়ে মানসিক জীৱন অসুস্থ কৰি তোলে। গতিকে এনে নিচাযুক্ত দ্ৰব্য সেৱনৰপৰা বিৰত থকা উচিত। মানসিক বিষণ্ণতাৰ সৈতে যুঁজি থকা ব্যক্তিয়ে আত্মীয়-স্বজনৰ সৈতে, বন্ধু-বান্ধৱৰ সৈতে সময় অতিবাহিত কৰি, অভিজ্ঞ ব্যক্তিৰ পৰামৰ্শ গ্ৰহণৰ জৰিয়তে মানসিক বিষণ্ণতাৰপৰা নিজকে মুক্ত কৰিব পাৰে। ■

**সহায়ক গ্ৰন্থ ঃ** Hans Debruyene & Kurt Audenaert : Neuropsychiatry– "Towards Understanding Cotard's Syndrome"

আৰ্যভট্টৰ শূন্যৰ আৱিষ্কাৰ, জ্যোতিৰ্বিজ্ঞান, কৌটিল্যৰ অৰ্থশাস্ত্ৰ, বেদ-উপনিষদত নিহিত হৈ থকা বিজ্ঞান, চিকিৎসাৰ পদ্ধতি— এই সকলোবোৰে সমগ্ৰ বিশ্বক জ্ঞানৰ জ্যোতিষ্কৰে আগুৱাই যোৱাৰ বাট দেখুৱাইছিল। পৰৱৰ্তী সময়ত এই সকলোবোৰ বিভিন্ন গুৰুত্বপূৰ্ণ বৈজ্ঞানিক আৱিষ্কাৰ, চিকিৎসা পদ্ধতিৰ সমল হিচাপে পৰিগণিত হৈছিল। বেদব্যাসৰ মহাভাৰত, ৰামায়ণ এইসমূহ গ্ৰন্থই বিশ্ব সাহিত্য সমৃদ্ধ কৰি থৈ গৈছে।

# প্ৰাচীন ভাৰতৰ ঐতিহ্য আৰু বৰ্তমান

◆ **হীৰকজ্যোতি নাথ**
স্নাতক ৫ম ষাণ্মাসিক (কলা)

পৃথিৱীৰ প্ৰাচীনতম সংস্কৃতিৰ ভূ-খণ্ড হিচাপে ভাৰতবৰ্ষই অদ্বিতীয় স্থানত প্ৰতিষ্ঠিত আছিল বুলি মনীষীসকলে স্বীকাৰ কৰিছে। প্ৰাচীন বিশ্বত ভাৰতবৰ্ষ 'বিশ্বগুৰু' নামেৰে পৰিচিত আছিল, অৰ্থাৎ সমগ্ৰ বিশ্বক ভাৰতবৰ্ষই জ্ঞান বিলাইছিল। ভাৰতবৰ্ষৰ প্ৰাচীন অৰ্থনীতি, সংস্কৃতি, ৰাজনীতি, সামাজিক ব্যৱস্থা যথেষ্ট শক্তিশালী আৰু পৃথিৱীৰ অন্য দেশৰ লগত তুলনা নহৈছিল। যি সময়ত পৃথিৱীৰ অন্য ঠাইৰ মানুহে নাঙঠ হৈ জংঘলে জংঘলে ঘূৰি ফুৰিছিল আৰু জ্ঞানৰ ন্যূনতম পোহৰো তেওঁলোকৰ ওপৰত পৰা নাছিল, সেই সময়তে ভাৰতবৰ্ষ তক্ষশীলা, নালন্দাৰ দৰে বিশ্ববিদ্যালয়েৰে সমৃদ্ধ আছিল। এই শিক্ষানুষ্ঠানসমূহত অধ্যয়নৰ বাবে পৃথিৱীৰ বিভিন্ন ঠাইৰ লোক সেই সময়ত ভাৰতবৰ্ষলৈ আহিছিল। বিজ্ঞান, সাহিত্য সকলো ক্ষেত্ৰতে প্ৰাচীন ভাৰতীয় লোকসকল যথেষ্ট আগবঢ়া আছিল। বিশ্ব বিখ্যাত বৈজ্ঞানিক এলবাৰ্ট আইনষ্টাইনৰ ভাষাত— "প্ৰাচীন ভাৰতীয়সকলে আমাৰ বাবে বহুত এৰি থৈ গৈছে। গণনা কেনেকৈ কৰিব লাগে, সেয়া আমাক শিকাইছিল; যাৰ অবিহনে বহু গুৰুত্বপূৰ্ণ বৈজ্ঞানিক আৱিষ্কাৰ সম্ভৱ নহ'লহেঁতেন।" আৰ্যভট্টৰ শূন্যৰ আৱিষ্কাৰ, জ্যোতিৰ্বিজ্ঞান, কৌটিল্যৰ অৰ্থশাস্ত্ৰ, বেদ-উপনিষদত নিহিত হৈ থকা বিজ্ঞান, চিকিৎসাৰ পদ্ধতি— এই সকলোবোৰে সমগ্ৰ বিশ্বক জ্ঞানৰ জ্যোতিষ্কৰে আগুৱাই যোৱাৰ বাট দেখুৱাইছিল। পৰৱৰ্তী সময়ত এই সকলোবোৰ বিভিন্ন গুৰুত্বপূৰ্ণ বৈজ্ঞানিক আৱিষ্কাৰ, চিকিৎসা পদ্ধতিৰ সমল হিচাপে পৰিগণিত হৈছিল। বেদব্যাসৰ মহাভাৰত, ৰামায়ণ এইসমূহ গ্ৰন্থই বিশ্ব সাহিত্য সমৃদ্ধ কৰি থৈ গৈছে। ভাৰতবৰ্ষৰ প্ৰাচীন সমাজ ব্যৱস্থাও আছিল অত্যন্ত চহকী। অভাৱ বুলিবলৈ একো বস্তুৰে নাটনি নাছিল আৰু হিংসা-বিদ্বেষ, চোৰ-ডকাইত একোৰে সমাজত স্থান নাছিল। কোৱা হয় যে, প্ৰাচীন ভাৰতৰ মানুহৰ মাজত ঘৰত তলা মৰাৰ ব্যৱস্থাই নাছিল। প্ৰত্যেক মানুহ চহকী আৰু সৰল আছিল।

একবিংশ শতিকাৰ সমসাময়িক ভাৰতবৰ্ষৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক শৈক্ষিক সকলো অৱস্থা পৰ্যৱেক্ষণ কৰি বিশ্বৰ বুকুত ভাৰতৰ স্থান যে বৰ সুবিধাজনক নহয়, সেয়া নিঃসন্দেহে ক'ব পাৰি। বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ ভাৰতবৰ্ষ, মাটিকালিৰ ফালৰপৰা বিশ্বৰ সপ্তম সৰ্ববৃহৎ দেশ, জনসংখ্যাৰ ফালৰপৰা বিশ্বৰ দ্বিতীয় বৃহৎ দেশ ভাৰতবৰ্ষৰ জনমূৰি আয় মাত্ৰ ১৬৭০ ডলাৰ প্ৰতি বছৰ। যাৰ ফালৰপৰা ভাৰতৰ স্থান পৃথিৱীৰ ১৬৪ খন দেশৰ ভিতৰত ১১২ নম্বৰ স্থানতে সীমাবদ্ধ (২০১৬ চনৰ তথ্য অনুসৰি)। বিভিন্ন প্ৰাকৃতিক সম্পদেৰে চহকী ভাৰতবৰ্ষ বিশ্বৰ অন্য দেশসমূহৰ বিপৰীতে যুৱশক্তিৰ ক্ষেত্ৰতো এক বৃহৎ ভাণ্ডাৰ ৰূপে পৰিগণিত হৈছে। ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৬৫ শতাংশ লোক হৈছে যুৱ। এইসকল হৈছে ১৫ বছৰ বয়সৰপৰা ৬০ বছৰ বয়সৰ লোক; যিসকলে নিজৰ কৰ্মশক্তিৰে দেশৰ, পৃথিৱীৰ নক্সা সলনি কৰি দিব পাৰে।

দ্ৰুত গতিত বৃদ্ধি হৈ অহা দৰিদ্ৰতা, নিবনুৱা সমস্যা, শিক্ষা, স্বাস্থ্যৰ অৱনতি, সামাজিক-ৰাজনৈতিক অসমতাই ভাৰতবৰ্ষক পুনৰ বিশ্বগুৰু হোৱাত বাধাৰ সৃষ্টি কৰিছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষৰ প্ৰায় ২১.৯ শতাংশ লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰে। ভাৰতবৰ্ষৰ অধিকাংশ লোক প্ৰতিদিনে নিজৰ মৌলিক প্ৰয়োজন খাদ্য, বাসস্থানৰ অভাৱত মৃত্যুবৰণ কৰে। ৰাস্তা-ঘাট, দলং, শিক্ষা, স্বাস্থ্য, যোগাযোগ ব্যৱস্থা আদি নিম্নতম আন্তঃগাঁথনিৰ অভাৱত ভাৰতবৰ্ষৰ সামগ্ৰিক উন্নতি বাধাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত ভাৰতবৰ্ষ পুনৰ বিশ্বগুৰুৰ আসনত অধিষ্ঠিত হোৱা অথবা চুপাৰ পাৱাৰ ৰূপে পৰিগণিত কৰাটো সমগ্ৰ ভাৰতবাসীৰ বাবে বৃহৎ প্ৰত্যাহ্বান। ■

*(উৎস ঃ Wikipedia)*

# বৰ্তমান শিক্ষা ব্যৱস্থাক আমি কেনেদৰে গ্ৰহণ কৰিছোঁ

◆ মানৱজ্যোতি দাস
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (বিজ্ঞান)

ব্যক্তিৰ মন, চৰিত্ৰ বা শাৰীৰিক ক্ষমতালৈ গঠনমূলক অৱদান আগবঢ়োৱা যি কোনো ধৰণৰ কাৰ্য বা অভিজ্ঞতাই হৈছে বহল অৰ্থত শিক্ষা। শিক্ষাই হৈছে জাতীয় জীৱনৰ আধাৰ। যাৰ বলত এজন মানুহে উন্নতিৰ জখলাত উঠি নিজৰ ব্যক্তিত্ব অৰ্থাৎ আত্মনিৰ্ভৰশীলতাৰ পৰিচয় দিয়ে।

শিক্ষা আহৰণৰ বিভিন্ন উপায় বা আহিলা আছে। এই উপায়সমূহকেই বিভিন্ন ব্যৱস্থাত ভাগ কৰি বৰ্তমান শিক্ষা ব্যৱস্থা আগুৱাই গৈছে। প্ৰাথমিক স্তৰৰপৰা বিশ্ববিদ্যালয় পৰ্যন্ত বিভিন্ন স্তৰৰ মাজেৰে আজিৰ শিক্ষা ব্যৱস্থা প্ৰচলিত হৈছে; কিন্তু এই শিক্ষা ব্যৱস্থাৰ সৈতে বৰ্তমান শিক্ষাৰ্থীসকল কিমান দূৰ শিখৰলৈ গৈছে? আজিকালি শৈক্ষিক গুণাগুণ নিৰূপণ হয় শিক্ষাৰ্থীৰ মাৰ্কৰ ওপৰত। শৈক্ষিক প্ৰতিযোগিতা হয় শতাংশৰ ওপৰত। আধুনিক সমাজ ব্যৱস্থাৰ লগত আজিৰ শিক্ষা ব্যৱস্থা বা শিক্ষাৰ লগত জড়িত সকলো পৰিচালিত হৈছে যন্ত্ৰৰ নিচিনাকৈ। যাৰ ফলস্বৰূপে আজিৰ সমাজত অভাৱ হৈছে প্ৰকৃত মানুহৰ।

যিহেতু মই এজন অধ্যয়নৰত ছাত্ৰ, গতিকে মই বৰ্তমান শিক্ষা ব্যৱস্থাৰ লগত প্ৰত্যক্ষভাৱে জড়িত। সেয়ে মই বৰ্তমান শিক্ষা ব্যৱস্থাৰ লগত মোৰ নিজস্ব অনুভূতিয়ে ইয়াত দোহাৰিব বিচাৰিছোঁ।

আমি আচলতে জ্ঞানৰ কাৰণে পঢ়োঁ নে নম্বৰৰ কাৰণে? — এই প্ৰশ্নটোৱে মোক বহু সময়ত মনত খুদুৰাই থাকে। আনকি মই এই প্ৰশ্নটো সুধি মোৰ সহপাঠীকো আমনি দিওঁ। তেতিয়া বহুতে কয়— "মানুহ পৰিস্থিতিৰ দাস। গতিকে আমি সকলোৱে পৰিস্থিতিৰ লগত নিজকে অভ্যস্ত কৰি আগুৱাই যাব লাগিব।" কিন্তু আমাৰ এই মানসিকতা আমি পৰিৱৰ্তন কৰাব নোৱাৰোঁনে?

মোক এইবোৰ প্ৰশ্নই বিশেষকৈ তেতিয়া আমনি কৰে, যেতিয়া কোনো এটা বিষয়ৰ ওপৰত পঢ়ি পঢ়ি দিন-ৰাতি একাকাৰ কৰি বিষয়টোৰ ওপৰত পৰীক্ষাত সম্পূৰ্ণ নম্বৰ লাভ কৰোঁ; কিন্তু কেইদিনমানৰ মূৰত যেতিয়া সেই একেখন প্ৰশ্নৰ ওপৰতে থিতাতে পৰীক্ষা লোৱা হয়, তেতিয়া আমি বৰ বেছি একো লিখিব নোৱাৰোঁ। তেতিয়া ভাব হয়— আমি বাৰু ভাটৌ চৰাই হৈ গৈছোঁ নেকি?

আমাৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মাক-দেউতাকে আনৰ লগত তুলনা কৰি আমাৰপৰা ভাল মাৰ্কশ্বিটহে বিচাৰে। আমাৰ প্ৰকৃত জ্ঞান কিমান, তাক সেই মাৰ্কশ্বিটখনৰ লগত নোজোখে। এইটো যে কেৱল আমাৰ মা-দেউতাৰ ওপৰতে সীমাবদ্ধ এনে নহয়; আমাৰ বহুতো শিক্ষাগুৰু তথা স্থানীয় লোকেও আমাৰপৰা ভাল মাৰ্কশ্বিটহে বিচাৰে। তেতিয়া অনুভৱ হয়— তেওঁলোকে যেন জানে, আমাৰ জ্ঞান আৰু মাৰ্কশ্বিটৰ মাজত যথেষ্ট পাৰ্থক্য আছে। কিন্তু যিহেতু বহুতো ক্ষেত্ৰত কৰ্মসংস্থাপন বা সংগঠনবিলাকেও ছাত্ৰ-ছাত্ৰীৰ মাৰ্কৰ ওপৰত নিৰ্ভৰ কৰি দিয়ে, প্ৰকৃত জ্ঞানৰ ওপৰত নিদিয়ে। সেই কাৰণে চাগে' তেওঁলোকেও আমাৰপৰা ভাল মাৰ্কহে বিচাৰে।

এইটো অনস্বীকাৰ্য যে, আন্ধাৰ নাশ কৰি পোহৰ বিলোৱাৰ ক্ষেত্ৰত অধ্যয়নশীলতাই হৈছে একমাত্ৰ নিৰ্ভৰযোগ্য অস্ত্ৰ। গতিকে বৰ্তমান শিক্ষা ব্যৱস্থাৰ মানসিকতাক আমাৰ আত্মনিৰ্ভৰশীলতালৈ পৰিৱৰ্তন কৰি আমাৰ অধ্যয়ন আকাশৰ দৰে উদাৰ হ'লে আমিও আমাৰ জীৱন মহান কৰিব পাৰিম। সেয়েহে আমি সকলোৱে মিলি ভৱিষ্যতে এখন সুস্থ সমাজ গঢ়িবলৈ প্ৰকৃত মানৱ সম্পদৰ সৃষ্টিত ব্ৰতী হোৱা উচিত আৰু সুস্থ, শাৰীৰিক তথা মানসিক পৰিৱেশ সৃষ্টিত গুৰুত্ব দিয়া উচিত। ■





# নিঃসংগতা আৰু তাৰ অনুভৱ

◆ চয়নিকা কলিতা
উচ্চতৰ মাধ্যমিক ১ম বৰ্ষ (কলা)

**নিঃ**সংগতাক লৈ বহু কবিয়ে বহুতো কবিতা ৰচনা কৰি আহিছে। ড° ভূপেন হাজৰিকায়ো অনেক গীত ৰচনা কৰিছে। পুলক বেনাৰ্জীয়ে নিঃসংগতাক লৈ গোৱা এটি গীত হ'ল—

"মই আজি সংগীবিহীন
উদাসীন ক্লান্ত পথিক
এই বিশাল পৃথিৱীত।...."

আজিৰ এই পৃথিৱীত মানুহ বৰ নিঃসংগ হৈ পৰিছে। সকলো পায়ো যেন বহু কিবাকিবি হেৰুৱাই পেলাইছে। সহজলভ্য ধনৰ পয়োভৰত মানুহে আত্মীয়-স্বজন সকলোকে পাহৰি নিজক লৈয়ে ব্যস্ত হৈ পৰিছে। মানুহৰ মৰম-ভালপোৱা সকলোতে যেন কৃত্ৰিমতাই আগুৰি ধৰিছে। যাৰ ধন আছে, সি ধনক লৈয়ে ব্যস্ত। ককা-আইতা, জেঠা-জেঠী, মামা-মামী, পেহা-পেহী আদি সম্বন্ধবোৰ যেন থাকিও নথকাৰ নিচিনা হৈছে। এই 'মই' শব্দটোৰ বাবে মানুহবোৰৰপৰা মনুষ্যত্ব হেৰাই গৈছে আৰু মানুহবোৰ হৈ পৰিছে একোটা স্বাৰ্থপৰ প্ৰাণী; কিন্তু যেতিয়া মানুহক বাৰ্ধক্যই লগ দিয়ে, তেতিয়া ক্ষমতাৰ লোভত অথবা ধনৰ লোভত থকা সংগীখিনিও আঁতৰি যায়। তেতিয়াহে নিঃসংগতাৰ অনুভৱ হয়। যান্ত্ৰিকতাৰ পৃথিৱীত আগতে সংগীৰ অনুভৱ নহ'লেও পিচলৈ আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ অভাৱ অনুভৱ হয়।

সেয়ে সময় থাকোঁতে আমি আমাৰ সম্বন্ধবোৰ জীপাল কৰি ৰাখিবলৈ চেষ্টা কৰোঁ আহক। নহ'লে নিঃসংগতাই আমাকো এদিন গ্ৰাস কৰি পেলাব। ■

◆ অপৰ্ণা ঠাকুৰীয়া
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (কলা)



# মুকলি চিঠিৰ ছলেৰে

মৰমৰ.......,

মৰম আৰু শুভেচ্ছা ল'বা। আশাকৰোঁ তোমাৰ ভালেই; নেদেখাজনৰ কৃপাত যেনিবা মোৰো ভালেই। আজি কিছুদিন মোৰ মনত খোকোজা লাগি থকা কথা তোমালৈ বুলি চিঠিৰে লিখিছোঁ। বেয়া নাপাবা দেই।

সময়ৰ বোৱঁতী সোঁতত উৰি যায় আমাৰ জীৱনৰ প্ৰতিটো পল, অনুপল। কৰ্মব্যস্ততাই জোকাৰি যায় আমাৰ জীৱন বীণৰ তাঁৰ। প্ৰতিটো মুহূৰ্ত, প্ৰতিটো ক্ষণে আমাক সন্মুখীন কৰায় এনে কিছু কঠোৰ মৰ্মান্তিক বাস্তৱৰ; যাৰ কঠোৰতাত আমাৰ হৃদয়ৰ আৱেগ-অনুভূতি, আশা-প্ৰত্যয় আকাশৰ খহি পৰা তৰাৰ দৰে জীৱনৰপৰা বিচ্ছুৰিত হয়। আকৌ সময়ে আমাক আনি দিয়ে নানা উৎসৱ-আনন্দৰ বৰ্ণাঢ্য মেলা; যাৰ আলোকেৰে আলোকিত হৈ আমাৰ জীৱন হৈ পৰে চিৰসেউজ আৰু উৎসৱমুখৰ। জীৱনৰ এই হাঁহিভৰা ক্ষণ আৰু মৰ্মান্তিক মুহূৰ্তবোৰ যেতিয়াই বিশ্লেষণ কৰোঁ, তেতিয়া তোমাৰ উজ্জ্বল নয়নযুৰি আৰু আশাভৰা মুখখনি মোৰ নেত্ৰৰ দাপোণত ভাহি উঠে।

আধুনিকতাৰ উত্তাল ঢৌত উটি-বুৰি বৰ্তমান সময়ত বহুসংখ্যক মানুহে চিনিছে কেৱল খ্যাতি আৰু ঐশ্বৰ্য। ভোগ-বিলাসৰ মায়াময় জগতত প্ৰৱেশ কৰি জীৱশ্ৰেষ্ঠ মানৱে কিনো কৰা নাই! ছয় বছৰীয়া শিশুৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলাইছে; যিটো সময় প্ৰকৃততে শিশুসকলৰ পখিলা খেদি ফুৰাৰ বতৰ। সৃষ্টিৰ মোহময়ী অধিকাৰী নাৰীৰ ওপৰত শাৰীৰিকভাৱে অত্যাচাৰ চলাইছে, সীমা ভাগ-বিতৰণক লৈ ভাতৃৰ হাত তেজেৰে ৰাঙলী কৰি দিছে এচাম শিক্ষিত সমাজৰ শিক্ষিত পুৰুষে। যিডাল ভাতৃত্ববোধৰ এনাজৰী একাংশ মহান ব্যক্তিয়ে ভাষা-ধৰ্ম, জাত-পাত নিৰ্বিশেষে একতাৰ ডোলেৰে বান্ধি থৈ গৈছিল।

5. Number of customers will be increased for banks because of the increased convenience of banking.
6. Digitalization reduces human error.
7. Need for handling large amount of cash will be reduced.
8. Opening and Maintaining banks accounts are never been this easier.
9. Repetitive tasks will be eliminated by automation
10. Rural and urban gap will be eliminated.
11. With the increasing cashless transactions, face currency threat will be reduced.
12. Productivity will be increased.

## 4. DISADVANTAGES OF DIGITISATION OF BANKING SYSTEM :

1. Digitalization reduces the effort of employees and hence results in loss of jobs.
2. Some bank branches may cease to exist with the increasing use of online banking.
3. Banks will be more vulnerable to cyber attacks.
4. Privacy may have to be compromised. No one can hide crores of rupees in banks and just act middle class.
5. These disadvantages are just temporary. Loss of jobs will be compensated through creation of new jobs such as cyber security, research team for innovation in technology etc.
6. It's not that banks are going to have less work, but it's just that the role of retail banking sector changes.

## 5. CHALLENGES :

**(a) Security Risks :** External threats such as hacking, sniffing and spoofing expose banks to security risks. Banks are also exposed to internal risks especially frauds by employees/employees in collusion with customers.

**(b) Financial Literacy/Customer Awareness :** Lack of knowledge amongst people to use e-banking facilities is the major constraint in India.

**(c) Fear Factor :** One of the biggest hurdles in online banking is preference to conventional banking method by older generation and mostly people from the rural areas. The fear of losing money in the online transaction is a barrier to usage of e-banking.

**(d) Training :** Lack of adequate knowledge and skills is a major deterrent for employees to deal with the innovative and changing technologies in banks. Training at all levels on the changing trends in IT is the requirement of the day for the banks.

## 6. CONCLUSIONS :

Digitization is not an option for banking industry, rather it is inevitable because every industry is being digitized and banking sector is no exception. Business Analytics and Artificial Intelligence (AI) has a potential to bring a major change. Robotics, enabled by AI, is expected to be the future game changer in banks. Many private banks are planning to deploy robots for customer service, investment advisory and credit approval process to improve the services and be cost effective in the long run. Digital banking will be the most preferred form of banking in the coming years. As Yann Ranchre, Director at Anthems and Finance put it, "It's making banking more human." And that definitely is going to make the ordinary banking customer a lot happier and satisfied. Today banks aim to provide fast, accurate and quality banking experience to their customers. Today, the topmost priority and agenda for all the banks in India is to make digitization in banking services. ■

**Referance :** (1) www.rbi.org.in (2) www.ibef.org (3) Dun & Bradsteet, India's Top Banks 2016 (4) Media reports; press release, RBI, Press information, Bureau (5) www.pmjdy.gov.in (6) union Budget 2017-18 (7) http://www.businesstoday.in

# Debating and Its Related Concepts

◆ Rimli Risha Pathak
H.S. 2nd Year (Arts)

Debating is a rigorous exercise in critical thinking that enables young minds to build effective communication skills that are necessary in an increasingly competitive world. It is a process that involves formal discussion on a particular topic by putting arguments opposing viewpoints.

Logical consistency, factual accuracy and some degree of emotional appeal to the audience are elements in debating where one side often prevails over the other party by presenting a superior 'content' or framework of the issue. In a formal debating contest, there are rules for participants to discuss and decide on differences within a framework defining how they will do it.

**History :** Although debating in various forms has a long history and can be traced back to the philosophical and political debates of Ancient Greece such as Antheniar Democracy, shastratha in Ancient India, yet the modern forms of debating and the establishment of debating societies occurred during the Age of Enlightenment in the 18th century.

**Emergence of Debating Societies :** Debating societies emerged in London in the early 18th century and soon became a prominent future of national life. The origins of these societies are not certain in many cases, although by the mid 18th century London fostered an active debating society culture. Debating topics covered a broad spectrum of topics while the debating societies allowed participation from both genders and all social backgrounds, making them an excellent example of the enlarged public sphere of the Age of Enlightment.

Even, students debating societies were also formed. Princeton University in the United States was home to a number of short lived debating societies throughout the mid 1700s. The first students debating society, formed in 1794 as the 'Literary Society'. However, the Cambridge Union Society was founded in 1815, and claims to be the oldest continually operating debating society in the world.

Over the years, similar societies emerged at several other prominent universities examples include Oxford Union, the Yale Political Union and the conference Olivaint, Presently, India too has a debating society for school students- "Indian Schools Debating Society" was formed in the year 2008, in Chennai. It trains young Indians for debates and represents India in several international debating competitions.

Hence, these debating societies have great contribution to the world of debate. With the formation of these debating societies different styles of debating emerged. For example- Australasia Debating, European style Debating, Impromptu debating, Jess Debating and many more.

Therefore, debating, through a part of literary competitions, has great relevance in modern world. So, the increasing popularity of debating will lead us to a better and smarter world and make us responsible and logical towards bringing a positive change in our outlook towards various topics. ■




# Remote Sensing and GIS

## A tool for Restoration of Ecology

◆ **Bharati Das**
Assistant Professor
Dept. of Environmental Studies

Man's greatest technological breakthrough has resulted from the curiosity about a phenomenon that he could not experience directly through his senses. There in lies the essence of remote sensing of environment. Basically it is a nondestructive physical technique for the identification and characterization of material objects or phenomena at a distance. Remote sensing means acquiring information about an object by a recording device (Sensor) that is not in physical contact with the object but by measuring portion of reflected or emitted electromagnetic radiation from the earth's surface. We live in a world full of radiation, some of it we can perceive, much of it we cannot. The job of remote sensing is to utilize this radiation to present an image which can be experienced by man's more limited sensing capability.

Now Geographic Information System (GIS) is defined as a system of computer hardware and software and retrieve large volumes of spatially referenced data and associated attributes collected from a variety of sources (Aron off 1991)… GIS is rapidly becoming a useful tool for management of resources and at present it is difficult to think of a resource planning or mapping without GIS.

**Remote Sensing Applications :**

Remote sensing data are being used to map/monitor/survey/manage various resources of the country under National Natural Resource Management System (NNRMS) programmes.

**Land use/Land cover Mapping :**

Information on the spatial spread and monitoring the dynamics of the Land use/Land cover is a basic prerequisite for planning and implementing various developmental activities. The main objective of the study is to provide information on agriculture cropland areas, wastelands; forest, water bodies and non agricultural

land use for the whole country and maintain a systematic database on Land use/Land cover. Geographers can analyze land use patterns and can study the effect of climate, topography, plant and animal life and human activity in a particular area.

Remote sensing technology has proved its immense potential for inventory of agriculture resources. Various projects were carried out in the field of agriculture including Crop Acreage and Production Estimation (CAPE), crop condition assessment and horticulture, crop inventory etc. Crop production forecasting of major crops in the country are being done through the programmed called FASAL, Forecasting Agricultural output using space. Agro meteorology and Land based observations.

**Soil :**

Soil Scientists can prepare inventory of the important characteristics of soil by intelligently relating them to geological and geomorphologies features and type of vegetation found on images obtained by the remote sensing. For planning large construction projects such as constructing dams, highways, airports etc. necessary data & information regarding land forms, soil, types of vegetation, rock material and drainage condition in the project area can be obtained through remote sensing techniques.

**Forest and Environment :**

Remote sensing technique particularly infra-red sensing in very useful in detecting and mapping forest fires. Foresters can determine the kind of trees and plants which grow in an area, can assess their health and estimate their field. The population explosion in the country has placed great strain on the environment. This along with various anthropogenic activities of human beings like deforestation, soil erosion, water pollution, land degradation are hindering economic development in rural area. Remote sensing and GIS technologies have been extensively used for environmental Impact Assessment of thermal power plants/mining industries/dams etc environmental management plans, atmospheric studies, climate change studies etc.

**Geological Applications :**

Geologists use remote sensing tools to find deposits of minerals. With the availability of GIS technology geological studies have shown good results in exploration of Diamond based metals, coal, petroleum and hydrocarbons temporal coverage of the satellite data provides an opportunity for assessment of disasters like earthquakes, landslides etc.

**Flood Monitoring and Management :**

The area inundated by floods can be mapped and monitored affectively with an integrated approach of remote sensing and GIS technologies.

Wildlife managers can use aerial photographs for locating habitats of various kinds of animals. Illegal mining in remote areas, pollution of water bodies by chemicals & effluents from industry, air pollution due to release of poisonous gases can also be traced from the remote sensing images.

The oldest application of remote sensing technique is in military information. Infrared sensing is very useful in military activities as infrared image can be passively made at night.

Hence, for effective management of diminishing sources of natural resources and monitoring the quality of our environment, remote sensing and GIS data can be processed and interpreted automatically through fast digital computers and thus large volume of information can be dealt with rapidly. ■

---

**Reference:**


- Joseph, George; Satich Dhawan Distinguished Professor ISRO Centre; Ahmedabad, "Fundamentals of Remote sensing". University Press, Page- 13, 19, 342-368
- Textbook on Remote Sensing in Natural Resource Monitoring and Management. Agarwal, Sc; Senior hydrologists, Ground Water Dept. UP, Lucknow and Garg; P.K., Asst. Proffesor, Remote Sensing & Photogrammetric section, University of Roorkee, available of http:/www.researchersworld.com/vol3. Paper-16. Paf browsed on 20.8.2019 at about 9 pm.

# Chetan Bhagat
## an Indian author

**Ankita Nath**
B.A. 3rd Semester



Chetan Bhagat is an Indian author, columnist, screenwriter and motivation speaker and he is known for his Indian-English novels about young middle class Indians. He was born in New Delhi, India on 22 April, 1974. He completed his schooling at The Army Public School, Dhaula Kuan in Delhi. He received a degree in mechanical engineering from the Indian Institute of Technology, Delhi in 1995. After that he went to do MBA from the Indian Institute of Management Ahmedabad and graduation in 1997. Bhagat worked for Goldman Sachs at the Hong Kong office as an investment banker for nearly a decade and wrote "Five Point Someone" while in Hong Kong. He then moved to Mumbai to focus full-time in his writing career while working at Deutsche Bank.

Chetan Bhagat is a famous author of a number of record breaking best sellers. The most interesting fact about his writing is that he portrays truth than fiction. His writing style is simple, easy flowing and he has a knack for making his stories engaging and relatable plotline, masses found a voice which the reader could easily comprehend and get entertained. He writes columns on youth, career development and current

*The author has massive fan following- The young audience admires him for relatable storylines and characters. It is said that all of his novels are best sellers which no other Indian writer can claim till now.*

affairs for “The Times of India” which is in English and “Daikik Bhaskar” which is in Hindi. He is figuratively regarded as the author who has made India read.

Bhagat’s first novel is “Five Point Someone”, a story of three young IITians. Bhagat’s popularity as an author grew massively. His other significant novels are “One Night @ the Call Centre”, “The 3 Mistakes of My Life”, “Revolution 2020”, “Half Girlfriend”, “One Indian Girl”, “The Girl in Room No. 105”, ctc. His “2 States”, which is published in 2009, is inspired by the story of his own marriage; this book is written in a humorous tone and takes a dig at North Indians and South Indians alike. All his books have remained bestsellers since their release and five have inspired Bollywood films- “Kai Po Che!”, “2 States”, “3 Idiot”, “Half Girlfriend” and “Hello”. Chetan Bhagat debuted as a screenplay writer with the film “Kick” in 2014. And in 2008, “The New York Times” cited Bhagat as “the biggest selling English language novelist in India’s history”; his novels have sold over seven million copies.

Chetan Bhagat has been a part of television shows like My Endeavor, telecasted on National Geohraphic channel. He hosted 7 RCB in ABP news, which began airing in 11 January, 2014. He was also a popular motivational speaker and has spoken at more than 100 organizations in cities around the world; and shares his thoughts and experiences on topics such as passion, values, motivation, achieving goals, etc. He won the Film fare Award for Best Screen Play for the movie “Kai Po Che!”

The author has massive fan following- The young audience admires him for relatable storylines and characters. It is said that all of his novels are best sellers which no other Indian writer can claim till now. ■




All his books have remained bestsellers since their release and five have inspired Bollywood films- “Kai Po Che!”, “2 States”, “3 Idiot”, “Half Girlfriend” and “Hello”. Chetan Bhagat debuted as a screenplay writer with the film “Kick” in 2014. And in 2008, “The New York Times” cited Bhagat as “the biggest selling English language novelist in India’s history”; his novels have sold over seven million copies.

# Never Quit

◆ ***Daisy Sarma***
*M.Sc. 1st Semester*
*Zoology Department*



Rest you may but don't you dare to quit,
Quitting is never an option.
Struggles are many, few are laughs
Cherish those little moments.
Love the people who love you-
And love more those who hates you
because it is love that conquers all.

Fall you may but don't you dare to quit,
Just remember that you took your very first steps
After a number of falls,
Respect the fact that you are still alive
Accept the challenges and live the life.
Finish the unfinished deeds.

Fail you may but don't you dare to quit,
Never forget that no one is born with pocket full of success.
Work persistently, Grab the opportunities
There you go, you will stand strong again.
Even hard work beats talent, when talent does not work hard.
Things might not fall as you have wished for but
Never quit, just keep going with positivity in head.
Imagine the word 'FAIL' to be 'First Attempt in Learning'
Nothing can stop you unless you make a pause.
So, think thrice before you QUIT. ■

# দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা
# ২০১৮-২০১৯ ইং বৰ্ষ

সভাপতি ঃ

**অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা** (৩১/১২/২০১৮ লৈ)

**ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া** (০১/০১/২০১৯ ৰপৰা)

| | | |
|---|---|---|
| ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক | ঃ | ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| কোষাধ্যক্ষ | ঃ | দেৱেন্দ্ৰ শৰ্মা |
| সভাপতি | ঃ | চিৰঞ্জীৱ ঠাকুৰীয়া |
| উপ-সভাপতি | ঃ | মানস প্ৰতিম বড়া |
| সাধাৰণ সম্পাদক | ঃ | জ্যোতিষ্মান কলিতা |
| সহঃ সাধাৰণ সম্পাদিকা | ঃ | চিণ্টীমণি দাস |
| সম্পাদক, সাহিত্য আৰু আলোচনী বিভাগ | ঃ | সমৰ জ্যোতি কলিতা |
| তত্ত্বাৱধায়ক | ঃ | এড্ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| সম্পাদিকা, সাংস্কৃতিক বিভাগ | ঃ | মৃদুস্মিতা দাস |
| তত্ত্বাৱধায়ক | ঃ | অনুজ কলিতা |
| সম্পাদক, ক্ৰীড়া বিভাগ | ঃ | ভাস্কৰ দাস |
| তত্ত্বাৱধায়ক | ঃ | প্ৰশান্ত কলিতা |
| সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ | ঃ | পলাশজ্যোতি দাস |
| তত্ত্বাৱধায়ক | ঃ | মানস প্ৰতিম বৰুৱা |
| সম্পাদক, ছাত্ৰ জিৰণি কোঠা | ঃ | অংকুৰ নাথ |
| তত্ত্বাৱধায়ক | ঃ | ড° জ্ঞানেন্দ্ৰ উপাধ্যায় |
| সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা | ঃ | ফুলমণি মহন্ত |
| তত্ত্বাৱধায়িকা | ঃ | ড° গাৰ্গী চক্ৰৱৰ্তী (উদ্ভিদ বিজ্ঞান বিভাগ) |
| সম্পাদক, শৰীৰ চৰ্চা বিভাগ | ঃ | জ্যোতিষ্মান ভাগৱতী |
| তত্ত্বাৱধায়ক | ঃ | ধীৰাজ চন্দ্ৰ দাস |
| সম্পাদক, সমাজ সেৱা বিভাগ | ঃ | কৃষ্ণাংগিনী দাস |
| তত্ত্বাৱধায়ক | ঃ | অসীম ৰঞ্জন শৰ্মা |

* * * * *

# মহাবিদ্যালয়ৰ প্ৰতীক

প্ৰতীকটোৰ কেন্দ্ৰত প্ৰস্ফুটিত পদুম ফুলটিয়ে শিক্ষাৰ গুণ আৰু উৎকৃষ্টতাৰ প্ৰসাৰতাক সূচাইছে। ফুলটিৰ চৌপাশে থকা ধানৰ শীহ দুটাই এই অঞ্চলৰ অৰ্থনৈতিক বুনিয়াদে কঢ়িয়াই অনা সুখ আৰু সমৃদ্ধিৰ অৰ্থ বহন কৰিছে। দুয়োটাৰে মাজত খোদিত কৰা হৈছে মহাবিদ্যালয়ৰ নাম আৰু মূলমন্ত্ৰ— 'তমসো মা জ্যোতিৰ্গময়', অৰ্থাৎ 'অজ্ঞান আন্ধাৰৰপৰা পোহৰলৈ আমাক বাট দেখুৱাই নিয়া'— এই বাণীয়ে সকীয়াই দিয়ে যে, জ্ঞানৰ পোহৰেৰে সুন্দৰ আৰু সফল জীৱন গঢ়িব পাৰি।

# The Emblem of the College

The blooming lotus in the centre of the emblem stands for spreading of quality and excellence in education. The strands of paddy encircling the lotus stands for prosperity and happiness– indicating what the economic base of the region should be. In between the two is engraved the name and motto of the college. The motto– "Tamaso Ma Jyotirgamaya" means– 'lead us from darkness to light'. It reminds all of the enlightenment to be achieved to lead a successful life.

# নৱাগত আদৰণী সভা

# অধ্যক্ষৰ আদৰণী ভাষণ

## দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা

### দিনাংক ঃ ইং ৩১ আগষ্ট, ২০১৯ (শনিবাৰ)

শ্ৰদ্ধাভাজন আজিৰ নৱাগত আদৰণী সভাৰ সভাপতি শ্ৰীযুত ৰবীন গোস্বামীদেৱ, মুখ্য অতিথি মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্যদেৱ, সন্মানিত অতিথি সন্মানীয় বিধায়ক শ্ৰীযুত প্ৰণৱ কলিতাদেৱ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক শ্ৰদ্ধেয় ড° ননীগোপাল মহন্তদেৱ, বিশিষ্ট অতিথি সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত নিৰোদ কুমাৰ দাস ডাঙৰীয়া, কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰ গোহাঁই ডাঙৰীয়া, সন্মানীয় অধ্যাপক-অধ্যাপিকাবৃন্দ, কৰ্মচাৰীবৃন্দ, পৰিচালনা সমিতিৰ সন্মানীয় সদস্যসকল, দাতা পৰিয়ালৰ সদস্যবৃন্দ, আমন্ত্ৰিত অতিথিবৃন্দ, সংবাদপত্ৰৰ লগত জড়িত সংবাদসেৱী বন্ধুসকল আৰু মৰমৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকল। আপোনালোক সদৌটিকে মহাবিদ্যালয় পৰিয়ালৰ তৰফৰপৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

২০১৯-২০ ইং বৰ্ষত যিসকল ছাত্ৰ-ছাত্ৰীয়ে আমাৰ এই মহান অনুষ্ঠানটিত নামভৰ্তি কৰিছে, সেইসকল ছাত্ৰ-ছাত্ৰীক ইতিমধ্যে শ্ৰেণীকোঠাত আদৰণি জনোৱা হৈছে। তথাপি পৰম্পৰা ৰক্ষা কৰি আজি আনুষ্ঠানিকভাৱে 'নৱাগত'সকলক মহাবিদ্যালয় পৰিয়ালৰ তৰফৰপৰা এই শুভ মুহূৰ্তত স্বাগত সম্ভাষণ জনাইছোঁ। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী আমাৰ ফুলনিখনৰ একোপাহ সুগন্ধি খৰিকাজাঁই। তেওঁলোকৰ জীৱন ৰং-বিৰঙৰ পখিলাৰ দৰে। তেওঁলোকৰ প্ৰতিভা জেতুকা পাতৰ দৰে। পৰিৱেশ আৰু সুযোগ পালেই বিকশিত হয় তেওঁলোকৰ সুপ্ত প্ৰতিভা। নিজৰ সুপ্ত প্ৰতিভা বিকাশৰ অন্যতম আহিলা হ'ল শিক্ষা। চেষ্টা, নিষ্ঠা আৰু সৎভাৱে শিক্ষা গ্ৰহণ কৰিলে নিজৰ ৰুচি-অভিৰুচি অনুসৰি জীৱনটো গঢ়িব [illegible] সেয়ে ছাত্ৰ-ছাত্ৰীসকলক ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়ি যাবলৈ আহ্বান জনালো। ১৯৬১ ইং চনতে স্থাপিত মহাবিদ্যালয়খনৰ কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত বৰ্তমানে ৫২৯৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। শ্ৰদ্ধাৰ অতিথিবৃন্দ, সুধীসমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে ইং ৩১/০৮/২০১৯ তাৰিখ পৰ্যন্ত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ দিশটো অৱগত কৰিব বিচাৰিছোঁ—

| শ্ৰেণী | শাখা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ | কলা | ৪৩১ |
| উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ | বিজ্ঞান | ২২৭ |
| উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ | কলা | ৪৭৮ |
| উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ | বিজ্ঞান | ৩১২ |
| স্নাতক প্ৰথম ষাণ্মাসিক | কলা | ৭৯১ |
| স্নাতক প্ৰথম ষাণ্মাসিক | বিজ্ঞান | ৩০০ |
| স্নাতক তৃতীয় ষাণ্মাসিক | কলা | ৬৯২ |
| স্নাতক তৃতীয় ষাণ্মাসিক | বিজ্ঞান | ২২৮ |
| স্নাতক পঞ্চম ষাণ্মাসিক | কলা | ৬২৩ |
| স্নাতক পঞ্চম ষাণ্মাসিক | বিজ্ঞান | ২৩৮ |
| স্নাতক প্ৰথম ষাণ্মাসিক | বাণিজ্য | ৭৪ |
| স্নাতক তৃতীয় ষাণ্মাসিক | বাণিজ্য | ৪৬ |
| পি.জি.ডি.চি.এ. প্ৰথম ষাণ্মাসিক | — | ২৫ |
| পি.জি.ডি.চি.এ. দ্বিতীয় ষাণ্মাসিক | — | ৪৩ |
| বি. ভ'ক প্ৰথম ষাণ্মাসিক | — | ৩২ |

| শ্ৰেণী | শাখা | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা |
|---|---|---|
| বি. ভ'ক তৃতীয় ষাণ্মাসিক | — | ২২ |
| বি. ভ'ক পঞ্চম ষাণ্মাসিক | — | ২৭ |
| স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ | — | ২৮ |
| স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ | — | ৩৩ |
| স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ | — | ১০ |
| স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ | — | ১০ |
| বি. এম. চি. প্ৰথম ষাণ্মাসিক | — | ১১ |
| বি. এম. চি. তৃতীয় ষাণ্মাসিক | — | ০৬ |
| বি. এম. চি. পঞ্চম ষাণ্মাসিক | — | ১১ |
| **সৰ্বমুঠ** | | **৪৬৯৮+৬০০=৫২৯৮** |

আমাৰ মহাবিদ্যালয়ত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এটি অধ্যয়ন কেন্দ্ৰ আছে। এই কেন্দ্ৰটিত B.A., B.Com., B.B.A., B.C.A., B.M.C., M.A., M.S.W., M.B.A., D.E.L.Ed. আদি বিষয় অধ্যয়নৰ সুবিধা আছে। ইয়াত সম্প্ৰতি ৬০০ গৰাকী ছাত্ৰ-ছাত্ৰী আছে। এই বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীৰে ভৰপূৰ মহাবিদ্যালয়খনি ছাত্ৰ-ছাত্ৰী আৰু শুভাকাংক্ষী ৰাইজৰ সহযোগ অবিহনে অকল অধ্যক্ষ, শিক্ষক আৰু কৰ্মচাৰীয়ে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। এই মহান অনুষ্ঠানটি নিজৰ বুলি জ্ঞান কৰি সকলো গঠনমূলক কাম-কাজতে সহায়ৰ হাত আগবঢ়াব বুলি আশাবাদী।

এইখিনিতে ২০১৯ ইং বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰীৰ জ্ঞাতাৰ্থে দাঙি ধৰিব বিচাৰিছোঁ—

| শ্ৰেণী | অৱতীৰ্ণ পৰীক্ষাৰ্থীৰ সংখ্যা | উত্তীৰ্ণৰ সংখ্যা | উত্তীৰ্ণৰ হাৰ | ১ম বিভাগ/১ম শ্ৰেণী |
|---|---|---|---|---|
| উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা) | ৬১৫ | ৫৮০ | ৯৪.৩% | ১৩৮ |
| উঃ মাঃ দ্বিতীয় বৰ্ষ (বিজ্ঞান) | ৩০৮ | ২৯৩ | ৯৫.১৩% | ১৪৩ |
| স্নাতক চূড়ান্ত পৰীক্ষা (কলা) | ৬১২ | ৩৫৫ | ৫৮% | ১২৫ |
| স্নাতক চূড়ান্ত বৰ্ষ (বিজ্ঞান) | ২৩০ | ১২৪ | ৫৩.৯১% | ৮১ |

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত আমাৰ মহাবিদ্যালয়ৰ পৰা প্ৰথম শ্ৰেণী লাভ কৰিছে অসমীয়া বিভাগৰ ২৭ জন, ইংৰাজী বিভাগৰ ৬ জন, ৰাজনীতি বিজ্ঞান বিভাগৰ ৩১ জন, অৰ্থনীতি বিভাগৰ ২৫ জন, শিক্ষা বিভাগৰ ১৭ জন, দৰ্শন বিভাগৰ ১৪ জন, বুৰঞ্জী বিভাগৰ ৩ জন, পদাৰ্থ বিজ্ঞান বিভাগৰ ১৭ জন, ভূগোল বিজ্ঞান বিভাগৰ ৩ জন, ৰসায়ন বিজ্ঞান বিভাগৰ ১৪ জন, প্ৰাণী বিজ্ঞান বিভাগৰ ২৫ জন, উদ্ভিদ বিজ্ঞান বিভাগৰ ১৩ জন আৰু গণিত বিভাগৰ ১২ জন।

চলিত বৰ্ষৰ আৰম্ভণিতে বিশেষ সংকটপূৰ্ণ মুহূৰ্তত মই কাৰ্যভাৰ ল'বলগা হৈছিল। চৰকাৰৰ নতুন শিক্ষানীতি আৰু ছাত্ৰ-ছাত্ৰীৰ চাহিদা পূৰণ কৰিবলৈ যাওঁতে কিছুমান কঠোৰ সিদ্ধান্ত ল'বলগা হোৱাত দুই-চাৰিজনে মনত দুখ পোৱাটো স্বাভাৱিক; কিন্তু এই ক্ষেত্ৰত মহাবিদ্যালয় পৰিচালনা সমিতি, শিক্ষক গোট আৰু কৰ্মচাৰী গোটৰ সহযোগিতাৰ বাবে আটাইৰে ওচৰত কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ। আমাৰ কাৰ্যকালৰ সময়ছোৱাত অসম চৰকাৰে Integrated B.Ed. Courseৰ বাবে বাছনি কৰা ৬৬ খন কলেজৰ অন্যতম হ'ল দক্ষিণ কামৰূপ মহাবিদ্যালয়। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটি দলে এই প্ৰসংগতে আমাৰ মহাবিদ্যালয় পৰিদৰ্শন কৰি প্ৰতিবেদন দাখিল কৰিছে। অহা বছৰৰপৰা আমাৰ মহাবিদ্যালয়ত Integrated B.Ed. Course আৰম্ভ কৰিব পৰা যাব। তাৰ বাবে অসম চৰকাৰক পৰিয়ালৰ তৰফৰপৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। সীমিত সময়ৰ ভিতৰতে নতুন বিজ্ঞান ভৱনৰ প্ৰথম মহলাৰ সন্মুখৰ দিশৰ শ্ৰেণীকোঠাসমূহ সম্পূৰ্ণ কৰি তোলাৰ লগতে পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, প্ৰাণী বিজ্ঞান আৰু উদ্ভিদ বিজ্ঞানৰ নিৰ্মাণৰত বিজ্ঞানাগাৰকেইটা সম্পূৰ্ণ কৰি তোলা হৈছে। ছাত্ৰীসকলৰ সুবিধাৰ বাবে ছাত্ৰী নিৱাস চৌহদত মঞ্চ নিৰ্মাণ কৰা হৈছে। স্নাতকোত্তৰ মহলাৰ শ্ৰেণীকোঠাৰ নাটনি দূৰীকৰণৰ বাবে পৰিচালনা সমিতিৰ অনুমোদন সাপেক্ষে

দুটা কোঠা নিৰ্মাণ কৰি থকা হৈছে। নিৰ্মাণৰত কোঠা দুটি অহা মাহত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাৱাসৰ চৌহদত থকা ২৬ বিঘা মাটিৰ তিনিটা দিশ উন্মুক্ত হৈ থকা বাবে খেলপথাৰখন গৰু-ছাগলীৰ চৰণীয়া পথাৰত পৰিণত হৈছে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ পৰামৰ্শ অনুসৰি চৌহদত নিৰ্মাণকাৰ্য আৰম্ভ কৰা হৈছে। ইতিমধ্যে উত্তৰ দিশত সম্পূৰ্ণ পকীবেৰ নিৰ্মাণ কৰি উলিওৱা হৈছে। ৰুছাই (Rusa) আগবঢ়োৱা অনুদানেৰে বিজ্ঞান ভৱনৰ দ্বিতীয় মহলাৰ সন্মুখভাগত শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে চৰকাৰী নিয়ম অনুসৰি নিবিদা আহ্বানৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰা হৈছে। প্ৰেক্ষাগৃহৰ বাবে Rusaৰ তৰফৰপৰা আগবঢ়োৱা ৪০ (চল্লিশ) লাখ টকাৰে মঞ্চ আৰু দুইপিনৰ পকীবেৰ নিৰ্মাণৰ DPR প্ৰস্তুত কৰা হৈছে। আমাৰ সময়ছোৱাতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহ পূৰণৰ অনুমোদন লাভ কৰা হৈছে। ইতিমধ্যে অসমীয়া বিভাগৰ খালী হোৱা পদত ড° লক্ষী কলিতাই চৰকাৰৰ তৰফৰপৰা নিযুক্তিপত্ৰ পাবলৈ সক্ষম হৈছে। খালী পদৰ ৮টা পদৰ বাবে বাতৰি কাকতত বিজ্ঞাপন দিয়া হৈছে। সময়মতে সাক্ষাৎকাৰ অনুষ্ঠিত কৰি বিভাগীয় অনুমোদনৰ বাবে প্ৰেৰণ কৰা হ'ব। বহু কৰণীয় আছে যদিও সীমিত সময় আৰু শক্তিৰ বাবে সকলো দিশতে সমানে চকু দিব পৰা নগ'ল। এই ছেগতে উল্লেখ কৰিব বিচাৰিছোঁ যে, কৃতী ছাত্ৰ-ছাত্ৰীসকলক নৱাগত আদৰণী সভাতে সম্বৰ্ধনা জনোৱা হ'ব। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ন্যাসৰ বঁটা লাভ কৰিছে, তেওঁলোকক ন্যাসৰ বঁটা প্ৰদান কৰা হ'ব।

হে সুধীবৃন্দ, আপোনালোকৰ উপস্থিতিৰ বাবে আমি কৃতজ্ঞ। আপোনাসৱৰ উপস্থিতিয়ে ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যোগোৱাৰ লগতে আমাকো উৎসাহিত কৰিব। শেষত নৱাগতসকলক পুনৰ আদৰণি জনাই সভাত উপস্থিত থকা সকলো অতিথি, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, দাতা পৰিয়াল, সাংবাদিক আৰু ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি ভাষণৰ সামৰণি মাৰিলোঁ।

*ধন্যবাদ সহকাৰে—*

**ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া**

ভাৰপ্ৰাপ্ত অধ্যক্ষ

দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জা

৩১/০৮/২০১৯ ইং

# Annual Activity Report of N.S.S. Unit For the Year : 2018-2019

## D. K. College, Mirza, Kamrup (Assam)

## IN CAMPUS ACTIVITIES

| Sl. No. | Date | Occasion | Venue | Total Volunteer |
|---|---|---|---|---|
| 1 | 14-06-2018 | B.Sc. Admission | D. K. College | 14 |
| 2 | 19-06-2018 | B.A. 1st Semester Admission | D. K. College | 23 |
| 3 | 21-06-2018 | H.S. 1st Year (Science) Admission | D. K. College | 30 |
| 4 | 25-06-2018 | H.S. 1st Year (Arts) Admission | D. K. College | 27 |
| 5 | 24-07-2018 to 28-07-2018 | Special Camp at Adopted Village | D. K. College | 60 |
| 6 | 20-08-2018 | General Meeting | D. K. College | 119 |
| 7 | 20-08-2018 | NYP Special Meeting | D. K. College | 20 |
| 8 | 25-08-2018 | Fresher's Social | D. K. College | 106 |
| 9 | 15-09-2018 | NYP Special Meeting | D. K. College | 52 |
| 10 | 24-09-2018 | $49^{th}$ N.S.S. Foundation Day | D. K. College | 52 |
| 11 | 29-09-2018 | Swacchata Abhiyan | D. K. College | 45 |
| 12 | 29-09-2018 | Surgical Strike Day | D. K. College | 45 |
| 13 | 07-10-2018 | One Day Camp | D. K. College | 34 |
| 14 | 13-10-2018 to 17-10-2018 | National Integration Camp | D. K. College | 60 |
| 15 | 14-11-2018 | Foundation Day of College | D. K. College | 25 |
| 16 | 25-12-2018 | Health Camp | D. K. College | 29 |
| 17 | 30-12-2018 | Foundation Day of Palasbari Sahitya Sabha | D. K. College | 25 |
| 18 | 26-01-2019 | Republic Day | D. K. College | 24 |
| 19 | 30-01-2019 | One Day Camp | D. K. College | 27 |
| 20 | 04-02-2019 to 08-02-2019 | College Week | D. K. College | 55 |
| 21 | 09-02-2019 | Saraswati Puja | D. K. College | 23 |
| 22 | 09-03-2019 | Personality Development Programme | D. K. College | 18 |
| 23 | 04-06-2019 | B.Sc. 1st Semester Admission | D. K. College | 18 |
| 24 | 05-06-2019 | World Environmental Day | D. K. College | 20 |
| 25 | 11-06-2019 | B.A. 1st Semester Admission | D. K. College | 19 |
| 26 | 13-06-2019 | H.S. 1st Year (Science) Admission | D. K. College | 20 |
| 27 | 14-06-2019 | B.Com. 1st Semester Admission | D. K. College | 10 |
| 28 | 17-06-2019 | H.S. 1st Year (Arts) Admission | D. K. College | 32 |
| 29 | 21-06-2019 | International Day of Yoga | D. K. College | 10 |
| 30 | 22-06-2019 | "Anti Tobacco" Awareness Programme | D. K. College | 29 |
| 31 | 30-07-2019 | One Day Camp | D. K. College | 15 |
| 32 | 29-08-2019 | General Meeting | D. K. College | 117 |

| | | | | |
|---|---|---|---|---|
| 33 | 30-08-2019 | One Day Camp | D. K. College | 87 |
| 34 | 31-08-2019 | General Meeting | D. K. College | 83 |
| 35 | 04-09-2019 | Dakshin Kamrup Media Organisation's 7th Foundation Day | D. K. College | 40 |
| 36 | 05-09-2019 | Teacher's Day | D. K. College | 55 |
| 37 | 24-09-2019 | 50th N.S.S. Foundation Day | D. K. College | 68 |
| 38 | 27-10-2019 | K.K.H.S.O.U. Students Induction Programme | D. K. College | 10 |
| 39 | 01-11-2019 | General Meeting | D. K. College | 76 |

## ACTIVITIES OUTSIDE THE CAMPUS

| Sl. No. | Date | Occasion | Venue | Total Volunteer |
|---|---|---|---|---|
| 1 | 20-06-2018 | Rabha Divash | Mirza | 12 |
| 2 | 19-09-2018 | Tithi of Srimanta Sankardeva | Rampur | 30 |
| 3 | 22-09-2018 | Blood Donation Camp | D.K. Girls' College | 10 |
| 4 | 28-09-2018 to 30-09-2018 | N.S.S. Mega Camp | Gauhati University | 03 |
| 5 | 03-12-2018 to 10-12-2018 | National Integration Camp | Punjab | 15 |
| 6 | 03-01-2019 | Chandubi Festival | Chandubi | 35 |
| 7 | 09-02-2019 to 11-02-2019 | Brahmaputra Literary Festival | Srimanta Sankardev Kalakshetra | 30 |
| 8 | 16-03-2019 | Cycle Rally | Circle Office, Palasbari | 15 |
| 9 | 08-04-2019 | Tobacco Control Workshop | Gauhati University | 03 |
| 10 | 01-05-2019 | Workers Day | Guwahati | 18 |
| * | 26-05-2019 to 30-05-2019 | National Integration Camp | Uttarakhand | 07 |
| 11 | 21-06-2019 | International Day of Yoga | Gauhati University | 14 |
| 12 | 23-06-2019 | Blood Donation Camp | Nemcare Hospital | 10 |
| 13 | 22-08-2019 | "Anti Tobacco" Awareness Programme | Sontola Primary School | 23 |
| 14 | 07-09-2019 | "Anti Tobacco" Awareness Programme | Bartari School | 10 |
| 15 | 11-09-2019 to 17-09-2019 | National Integration Camp | H.S.S., New Delhi | 05 |
| 16 | 25-09-2019 to 27-09-2019 | Capacity Building Programme on Entrepreneurship Development | Gauhati University | 05 |
| 17 | 03-10-2019 | Swacchata Abhiyan | Guwahati Khanapara | 15 |
| 18 | 04-10-2019 to 09-10-2019 | National Integration Camp | Odisha (Cattak) | 15 |
| 19 | 19-10-2019 to 24-10-2019 | National Integration Camp | Uttarpradesh (Kushinagar) | 09 |
| 20 | 05-11-2019 to 11-11-2019 | Children Festival | Madhya Pradesh (Vidisha) | 24 |



*The Report is prepared by–*
***Tinkumoni Sarma***
*Organiser, NSS Unit*

# বিভাগীয় প্ৰতিবেদন



**চিৰঞ্জীৱ ঠাকুৰীয়া**
**সভাপতি**

হে শ্বহীদ প্ৰণামো তোমাক ! প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেইসকল স্বনামধন্য চিৰনমস্য দূৰদৰ্শী ব্যক্তিক, যাৰ উমৈহতীয়া চিন্তাধাৰা, অক্লান্ত পৰিশ্ৰম, অবিৰত প্ৰচেষ্টা, সাধনা আৰু ত্যাগৰ ফলত দক্ষিণ কামৰূপ বৃহত্তৰ অঞ্চলত এখন আগশাৰীৰ শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল।

**আশাৰ ৰেঙণি ঃ** হেঁপাহ আছিল, অপাৰ উদ্যম সাহসো আছিল, এগালমান ভয়ো বুকুত বান্ধি লৈ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি সাধন কৰাৰ লক্ষ্যৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৮-১৯ ইং বৰ্ষৰ সাধাৰণ নিৰ্বাচনত সভাপতি পদত প্ৰতিদ্বন্দ্বিতা কৰিছিলোঁ।

বিগত নিৰ্বাচনত আমাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰবন্ধু, দাদা-বাইদেউ, ভাইটি-ভণ্টি আটাইৰে মৰম-আশীৰ্বাদ, দিহা-পৰামৰ্শ, সহায়-সহযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিৰ আসনত মোক অধিষ্ঠিত কৰি ছাত্ৰ একতা সভাৰ মজিয়াত স্থান দিয়াৰ লগতে মহাবিদ্যালয়খনৰ কাৰণে কিছু সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই মোৰ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

## মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল ৫৮তম প্ৰতিষ্ঠা দিৱস। ২০১৮ চনৰ ১৪ নৱেম্বৰ তাৰিখে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হৈছিল। সেইদিনা পুৱাৰেপৰা এটা আনন্দময় পৰিৱেশে বিৰাজ কৰিছিল। সেইদিনাই আছিল দক্ষিণ কামৰূপ বৃহত্তৰ অঞ্চলৰ জ্ঞান মন্দিৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ জন্মজয়ন্তী। ফুলৰ মালা, নানা ৰঙৰ ফাকুৰে উৎসৱমুখৰ কৰি তোলা হৈছিল মহাবিদ্যালয়ৰ পদূলি। আৰু সেইদিনা সন্ধিয়া মূল প্ৰতিষ্ঠাপক অধ্যক্ষৰ আবক্ষ মূৰ্তিত চাকি-ধূপ জ্বলাই নানা ধৰণৰ ফটকা-আতচবাজী ফুটাই মহাবিদ্যালয়ৰ ৰাতিৰ আকাশ চৌদিশ পোহৰাই তোলা হৈছিল।

**সৰস্বতী পূজা ঃ** আমাৰ জ্ঞান মন্দিৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰস্বতী পূজা বুলি ক'লে আগশাৰীৰ মহাবিদ্যালয়ৰ তুলনাত যথেষ্টসংখ্যক ছাত্ৰ-ছাত্ৰীৰ আগমন ঘটে। ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ মহাবিদ্যালয়খনৰ লগত এৰাব নোৱাৰা সম্পৰ্ক এটা আছে। সেয়েহে সেইদিনাৰ দিনটোত এপাক মহাবিদ্যালয়ৰ মজিয়াখনত একাঁজলি আশীৰ্বাদ ল'বলৈ আহি এক আনন্দময় পৰিৱেশৰ সৃষ্টি কৰে। ইয়াৰ লগতে মহাবিদ্যালয়ৰ গেটৰপৰা পূজাস্থলীলৈ চালে চকু ৰোৱাকৈ সজাই তুলিছিলোঁ। আমি আটায়ে মহাবিদ্যালয়ৰ শৃংখলাবদ্ধতা বজাই ৰাখি সৰস্বতী পূজাৰ দিনটো উলহ-মালহেৰে পালন কৰিছিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ** মোৰ কাৰ্যকালৰ অন্যতম আকৰ্ষণীয় কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহ ০৪/০২/২০১৯ তাৰিখৰপৰা ০৯/০২/২০১৯ তাৰিখলৈ অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় সপ্তাহৰ প্ৰথমদিনাৰ ৰাতিপুৱাৰ কাৰ্যসূচী আছিল সাংস্কৃতিক শোভাযাত্ৰা। সিদিনাখন ৰাতিপুৱা মহাবিদ্যালয় চৌহদৰপৰা এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাত মহাবিদ্যালয়ৰ গোটেই শৈক্ষিক বিভাগসমূহে বিভিন্ন ধৰণৰ থলুৱা সাংস্কৃতিক, পৰিৱেশিক ধ্যান-ধাৰণাৰে শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছিল। এনেকৈয়ে সাংস্কৃতিক শোভাযাত্ৰাৰে মহাবিদ্যালয় সপ্তাহৰ আৰম্ভণি কৰা হৈছিল। তাৰ পিছৰেপৰা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মোৰ সহৃদয় সম্পাদক-সম্পাদিকাসকলে বিভিন্ন ধৰণৰ খেল-ধেমালি, নাচ-গান ইত্যাদি অতি সুন্দৰভাৱে চলাই লৈ যোৱাৰ উপৰিও মোৰ কৰ্মসমূহতো সহায়-সহযোগিতা আগবঢ়াইছিল। এই ক্ষেত্ৰত ময়ো সভাপতি হিচাপে প্ৰত্যেক কাৰ্যসূচীসমূহ অতি সূক্ষ্মভাৱে চোৱা-চিতা কৰাৰ উপৰিও নিজাববীয়াকৈও কিছুমান অনুষ্ঠান চলাই লৈ গৈছিলোঁ।

**নৱাগত আদৰণী সভা ঃ** মোৰ কাৰ্যকালৰ বিশেষ অন্যতম কাৰ্যসূচী আছিল নৱাগত আদৰণী সভা। ৩১/০৮/২০১৯ তাৰিখে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰা হৈছিল। নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ আদৰণী সভাখন অতি উলহ-মালহেৰে আয়োজন কৰিছিলোঁ। ৰাতিপুৱাৰ ভাগত অধ্যক্ষ মহোদয়ে পতাকা উত্তোলন কৰি শুভাৰম্ভণি কৰাৰ পিচত এন.এছ.এছ. ফলকত বন্তি প্ৰজ্বলন, ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, শ্বহীদ তৰ্পণ, ড° মামণি ৰয়ছম গোস্বামীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰনাথ ঠাকুৰীয়া ছাৰৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰা হয়। ইয়াৰ পিচতে ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰদ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নৱাগত আদৰণী সভাত সভাপতি আছিল মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰদেৱ, মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত ৰবীন গোস্বামী ছাৰদেৱ। নৱাগত আদৰণী সভাৰ মুখ্য অতিথি আছিল অসম চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ছাৰ। তেখেতৰ লগতে সন্মানীয় অতিথি পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীযুত প্ৰণৱ কলিতাদেৱো উপস্থিত আছিল এই সভাত। নৱাগত আদৰণী সভাৰ নিমন্ত্ৰিত শিল্পী আছিল আচুৰ্য্য পৰপাত্ৰ গোহাঁই। তেখেতৰ সংগীতানুষ্ঠানেৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক আনন্দৰ বন্যা বৈ উঠিছিল। ন-পুৰণি আটাইবিলাক ছাত্ৰবন্ধুৱে নাচি উঠিছিল তেখেতৰ সংগীতৰ লহৰত। এনেকৈয়ে নৱাগত আদৰণী সভাখনত গীত পৰিৱেশন কৰি সিদিনাৰ কাৰ্যসূচী সিমানতেই অন্ত পেলোৱা হৈছিল।

**সামৰণিৰ দু-আষাৰ ঃ** এনেকৈয়ে সময়ৰ দ্ৰুত গতিত মোৰ এবছৰীয়া কাৰ্যকালৰ সমাপ্তি ঘটিবলৈ ধৰে। মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় তত্বাৱধায়ক ছাৰ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱলৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে এন.এছ.এছ. গোটৰ উপৰিও ছাত্ৰবন্ধুসকললৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ছেগতে মোক ছাত্ৰ একতা সভাৰ মজিয়াত অধিষ্ঠিত কৰাত অতি বিশেষভাৱে সহায়-সহযোগিতা কৰা দাদা-বাইদেউ, লগতে মোৰ বন্ধু তথা ভাতৃস্বৰূপ সমূহ বন্ধু-বান্ধৱী আদিকে ধৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত সভাপতিৰ দায়িত্বভাৰ লৈ অনিচ্ছাকৃতভাৱে হোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু বিজয়ৰ জখলাৰে আগবাঢ়ি যোৱাৰ কামনাৰে মই মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

*'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'*
*'জয়তু ছাত্ৰ একতা সভা'*

# বিভাগীয় প্ৰতিবেদন



**মানসপ্ৰতিম বড়া**
**উপ-সভাপতি**

প্ৰতিবেদনৰ পাতনি মেলাৰ প্ৰাক্‌মুহূৰ্তত মই সেইসকল নমস্য ব্যক্তিক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ, যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত মালিয়াটাত অশেষ পৰিশ্ৰম, মহানুভৱতা, লোকহিতৈষী চিন্তাধাৰা, অবিৰত প্ৰচেষ্টাৰ ফলত মানৰ সম্পদ গঢ়াৰ এক মহান শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'ৰ জন্ম দিছিল।

মহাবিদ্যালয়লৈ এক নতুনত্ব অনাৰ প্ৰয়াসেৰে দক্ষিণ কামৰূপ মহাবিদ্যালয় ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। কেতিয়াও ভবা নাছিলোঁ যে সেই পদটোত মই সফল হ'ম আৰু যেতিয়া সক্ষম হ'লোঁ, বহুত আনন্দ পাইছিলোঁ। এই গুৰুত্বপূৰ্ণ পদটিৰ বাবে মোক অধিষ্ঠিত কৰাই সেৱা আগবঢ়াবলৈ সুবিধা দিয়াত সমূহ ভাইটি-ভণ্টি, দাদা-বাইদেউ, বন্ধু-বান্ধৱীলৈ মোৰ প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

## মোৰ কাৰ্যকালৰ চমু বিৱৰণ ঃ

**প্ৰতিষ্ঠা দিৱস ঃ** মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল ৫৮তম প্ৰতিষ্ঠা দিৱস। বিগত বছৰবোৰৰ দৰে এইবেলিও ১৪ নৱেম্বৰৰ দিনটোত এই দিৱস পালন কৰা হয়। এই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহ আছিল— পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, এন.এছ.এছ.ৰ ফলকত মাল্যাৰ্পণ, ড° মামণি ৰয়ছম গোস্বামীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰনাথ ঠাকুৰীয়াদেৱৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ। ইয়াৰ পিচত সন্ধিয়া পতাকা অৱনমিত কৰাৰ লগতে বন্তি প্ৰজ্বলন, ফটকা আদি কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসৰ সামৰণি মৰা হয়।

**বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও ২০১৮-১৯ ইং বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' ৪ ফেব্ৰুৱাৰী, ২০১৯ৰপৰা ৮ ফেব্ৰুৱাৰী, ২০১৯ লৈ পাঁচদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ কৰাৰ মঞ্চ স্বৰূপ মহাবিদ্যালয় সপ্তাহ হৈছে আমাৰ দ্বিতীয় কাৰ্যসূচী। প্ৰথম কাৰ্যসূচী হিচাপে ৪ তাৰিখে ৰাতিপুৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱে পতাকা উত্তোলনেৰে মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ কৰে। তাৰ পিচতেই মহাবিদ্যালয়ৰ এক বিশেষ উৎসৱ আছিল সাংস্কৃতিক শোভাযাত্ৰা। তাৰ পিচত বিভিন্ন প্ৰতিযোগিতাৰে ৮ ফেব্ৰুৱাৰী তাৰিখে মহাবিদ্যালয় সপ্তাহৰ অন্ত পৰে।

**সৰস্বতী পূজা ঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও ২০১৮-১৯ ইং বৰ্ষৰ ১০ ফেব্ৰুৱাৰী তাৰিখে সৰস্বতী পূজাখন উলহ-মালহেৰে পালন কৰা হয়। উক্ত দিনটোত আমাৰ মহাবিদ্যালয়ৰ লগতে অইন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আহি শ্ৰীশ্ৰীমা সৰস্বতী দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰে।

**নৱাগত আৰদণী সভা ঃ** মোৰ কাৰ্যকালৰ অন্তিম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ 'নৱাগত আদৰণী সভা'। আনবাৰৰ দৰে এইবেলিও নৱাগত আদৰণী সভাখন ৩১/৮/২০১৯ তাৰিখে অনুষ্ঠিত কৰা হয়। নতুন ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱা আৰু নতুন আৰু পুৰণিৰ মাজত সদ্ভাৱ-সম্প্ৰীতি বজাই ৰখাই এই নৱাগত আদৰণী সভাখনৰ মূল উদ্দেশ্য। দিনজোৱা কাৰ্যসূচীৰে এই সভাখন পালন কৰা হয়। নৱাগত আদৰণী সভাখনত সভাপতিত্ব কৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত ৰবীন গোস্বামীদেৱে। বিভিন্ন ধৰণৰ কাৰ্যসূচীৰে সভাখন আগবঢ়াই লৈ যোৱা হয়।

সদৌ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'*
*'জয়তু ছাত্ৰ একতা সভা'*

# বিভাগীয় প্ৰতিবেদন



**জ্যোতিষ্মান কলিতা**
**সাধাৰণ সম্পাদক**

পোন প্ৰথমে মই আমাৰ মাতৃভূমিৰ হকে প্ৰাণ আহুতি দিয়া প্ৰত্যেকগৰাকী বীৰ শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। লগতে বিগত দিনবোৰত আমাক এৰি যোৱা মহান মনীষী, যিসকলে আমাৰ ভাষা-সাহিত্য-সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিল, সেই মহান ব্যক্তিসকললৈও মোৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

মোৰ ভুল হ'ব যদিহে মই তেখেতসকলৰ কষ্ট, ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ কথা স্মৰণ নকৰোঁ। যাৰ ত্যাগ আৰু কষ্টৰ ফচল আজিৰ এই 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'। যাক লৈ সমগ্ৰ দক্ষিণ কামৰূপবাসীয়ে গৌৰৱ অনুভৱ কৰে। এইখিনিতে মই দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰনাথ ঠাকুৰীয়াদেৱলৈ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

অসমৰ আগশাৰীৰ মহাবিদ্যালয়সমূহৰ সৈতে ফেৰ মাৰিব পৰা আমাৰ এই দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দৰে সন্মানীয় পদত অধিষ্ঠিত হ'বলৈ পাই মই অতিশয় গৌৰৱ অনুভৱ কৰিছিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক এই গধুৰ আৰু সন্মানীয় পদত বহুৱাই মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুযোগ দিলে, সেইসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

## মোৰ কাৰ্যকালৰ চমু বিৱৰণী ঃ

**প্ৰতিষ্ঠা দিৱস ঃ** মোৰ কাৰ্যকালৰ প্ৰথম কাৰ্যসূচী আছিল ৫৮তম প্ৰতিষ্ঠা দিৱস। বিগত বছৰবোৰৰ দৰে এইবেলিও ১৪ নৱেম্বৰৰ দিনটোত এই দিৱস পালন কৰা হয়। এই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীসমূহ আছিল— পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, এন.এছ.এছ.ৰ ফলকত মাল্যাৰ্পণ, ড° মামণি ৰয়ছম গোস্বামীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰনাথ ঠাকুৰীয়াদেৱৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ। ইয়াৰ পিচত সন্ধিয়া পতাকা অৱনমিত কৰি লগতে বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসৰ সামৰণি মৰা হয়।

**মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বৰ্ষবোৰৰ দৰে এইবেলিও ২০১৮-১৯ ইং বৰ্ষৰ 'মহাবিদ্যালয় সপ্তাহ' ৪ ফেব্ৰুৱাৰীৰপৰা ৮ ফেব্ৰুৱাৰী, ২০১৯লৈ পাঁচদিনীয়া কাৰ্যসূচীৰে পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ প্ৰথম কাৰ্যসূচী হিচাপে ৪ তাৰিখে ৰাতিপুৱা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱে পতাকা উত্তোলন কৰে। পতাকা উত্তোলন কৰাৰ পিচতেই মহাবিদ্যালয়ৰ এক বিশেষ আকৰ্ষণৰ উৎস আছিল সাংস্কৃতিক শোভাযাত্ৰা। এই শোভাযাত্ৰাৰ উদ্দেশ্য আছিল অসমৰ সকলো কৃষ্টি-সংস্কৃতিসমূহৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচয় কৰাই দিয়া। ইয়াৰ পিচত বিভাগীয় সম্পাদকসকলক বিভিন্ন প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে অনুষ্ঠিত কৰাত যৎপৰোনাস্তি সহায়ৰ হাত আগবঢ়াওঁ। মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকলক ০৮/০২/২০১৯ ইং তাৰিখে বঁটা বিতৰণী সভাত বঁটা প্ৰদান কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি মুকলি সভা অনুষ্ঠিত কৰা হয়। এই সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱে। মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰি অনা হৈছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° ধ্ৰুৱজ্যোতি চৌধুৰীদেৱক। সন্মানীয় অতিথি হিচাপে থাকে পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক শ্ৰীযুত প্ৰণৱ কলিতাদেৱ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত ৰবীন গোস্বামীদেৱ। নিৰ্দিষ্ট বক্তা হিচাপে থাকে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতাদেৱ আৰু বিশিষ্ট অতিথি হিচাপে থাকে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত নিৰোদ কুমাৰ দাসদেৱ। এইসকল বিশিষ্ট তথা বৰণ্য ব্যক্তিৰ উপস্থিতিয়ে সকলোকে উৎসাহিত কৰে তথা সভাখনিৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰে।

**সৰস্বতী পূজা ঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও ২০১৮-১৯ ইং বৰ্ষৰ ১০ ফেব্ৰুৱাৰী তাৰিখে সৰস্বতী পূজাখন উলহ-মালহেৰে পালন কৰা হয়। সেইদিনাখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ আনন্দ-স্ফূৰ্তিত মহাবিদ্যালয়ৰ পৰিৱেশ ৰঙীণ হৈ উঠে। ৰাতিপুৱা ব্ৰাহ্মণে বেদীত প্ৰতিমা স্থাপন কৰি মন্ত্ৰোচ্চাৰণেৰে পূজা আৰম্ভ কৰে। পূজাত ব্ৰাহ্মণৰ সৈতে মই নিজে বৰণ লৈ নিজকে বহুতো সৌভাগ্যশালী যেন অনুভৱ কৰিছিলোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা সকলোৱে বাগ্‌দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰি 'মা'ৰ আশীৰ্বাদ গ্ৰহণ কৰে। এনেদৰে সকলোৰে সহায়-সহযোগিতাৰে সৰস্বতী পূজাখন সুন্দৰভাৱে আৰু সুকলমে হৈ যায়।

**নৱাগত আদৰণী সভা ঃ** আনবাৰৰ দৰে এইবেলিও নৱাগত আদৰণী সভাখন ৩১/০৮/২০১৯ ইং তাৰিখে অনুষ্ঠিত কৰা হয়। নতুন ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱা, নতুন আৰু পুৰণিৰ মাজত সদ্ভাৱ আৰু সম্প্ৰীতি বৰ্তাই ৰখাই এই নৱাগত আদৰণী সভাখনৰ মূল উদ্দেশ্য। দিনজোৰা কাৰ্যসূচীৰে পালন কৰা নৱাগত আদৰণী সভাখনত সভাপতিত্ব কৰে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি শ্ৰীযুত ৰবীন গোস্বামীদেৱে। মুখ্য অতিথি হিচাপে নিমন্ত্ৰণ কৰি অনা হয় অসমৰ শিক্ষামন্ত্ৰী মাননীয় শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য্যদেৱক। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক মাননীয় শ্ৰীযুত প্ৰণৱ কলিতাদেৱ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক মাননীয় ড° ননীগোপাল মহন্তদেৱ। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত নিৰোদ কুমাৰ দাসদেৱ। সভাৰ শেষত অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰে বিশিষ্ট আৰু জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য্য বৰপাত্ৰ গোহাঞিয়ে। বিশিষ্ট ব্যক্তিসকলৰ বহুমূলীয়া বক্তব্যই সভাখনৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰে। এই ক্ষেত্ৰত বিভাগীয় সম্পাদকসকল তথা ছাৰ-বাইদেউসকলৰ সহায়-সহযোগিতা প্ৰশংসনীয় আছিল।

**কৃতজ্ঞতা স্বীকাৰ ঃ** প্ৰথমে মই সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ; যিসকলে মোক জয়যুক্ত কৰি মহাবিদ্যালয়ৰ হৈ কাম কৰাৰ সুযোগ দিলে। লগতে মোক প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ লগতে বিভিন্ন ধৰণে উৎসাহিত কৰি সহায়-সহযোগিতা আৰু সাহস দিয়া মোৰ অগ্ৰজ সৰ্বশ্ৰী নিৰোদ কুমাৰ দাস, পৃথিৱী দাস, ৰিতুমণি চৌধুৰী, অঞ্জনজ্যোতি দাস, হিৰকজ্যোতি দাস, বন্ধুবৰ মানসপ্ৰতিম দাস, মানসপ্ৰতিম বড়া, মলয় তালুকদাৰ, হিমাংশু, বিকি, ৰমেন, দিব্যজ্যোতি, দেৱজিৎ— সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। এইখিনিতে ভুলবশতঃ যদিহে কাৰোবাৰ নাম উল্লেখ কৰিবলৈ থাকি গ'ল, তেন্তে তেওঁলোকৰ ওচৰত মই ক্ষমা বিচাৰিছোঁ।

এইখিনিতে মোৰ সমস্ত কাৰ্যকালৰ সময়ছোৱাত মোক উৎসাহ, সাহস আৰু তেওঁলোকৰ অভিজ্ঞতাপুষ্ট বহুমূলীয়া পৰামৰ্শেৰে আগবঢ়াই নিয়া মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ; লগতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সংগঠক ডাঙৰীয়াৰ লগতে সকলো স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকালৈ, লগতে বিভাগীয় সম্পাদক-সম্পাদিকালৈ মোৰ শলাগৰ শৰাই আগবঢ়ালোঁ।

**সামৰণি ঃ** সদৌ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ লগতে এই মহাবিদ্যালয়ে যেন যুগে যুগে একো একোজন গুণী-জ্ঞানী সু-নাগৰিকৰ জন্ম দি দেশৰ ভৱিষ্যৎ উজ্জ্বল কৰি তোলে। এইখিনিতে মোৰ কাৰ্যকালত হোৱা অনাকাংক্ষিত ভুল-ত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত দক্ষিণ কামৰূপৰ হিয়াৰ আমঠু 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'

# বিভাগীয় প্ৰতিবেদন



**চিণ্ঠীমণি দাস**
**সহঃ সাধাৰণ সম্পাদিকা**

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতীয় স্বাৰ্থৰ বাবে প্ৰাণাহুতি দিয়া প্ৰতিজন মহান ব্যক্তিক মই সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। বহুজন নমস্য ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমেৰে দক্ষিণ কামৰূপ মহাবিদ্যালয় শিক্ষাৰ জ্ঞান-মন্দিৰৰূপে গঢ়ি উঠিল, য'ত আজি হেজাৰ শিক্ষাৰ্থীয়ে জ্ঞান পূজাৰীৰ আভৰণ পৰিধান কৰি প্ৰজ্ঞাৰ সেৰাত আত্মোৎসৰ্গ কৰি আছে।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদিকাৰ দৰে এক গুৰুত্বপূৰ্ণ পদত জয়ী কৰাই ছাত্ৰ-ছাত্ৰীৰ বাবে সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ ডিকেচিয়ানলৈ তথা বন্ধু-বান্ধৱীলৈ মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

## কাৰ্যকালৰ চমু আভাস ঃ

কাৰ্যভাৰ গ্ৰহণৰ পিচতে ১৪ নৱেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ৰ ৫৭তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। দিনজোৰা বিভিন্ন কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱসটি পালন কৰি মজিয়া আলোকসজ্জা আৰু আতচবাজীৰ ৰঙীণতাৰে মহাবিদ্যালয়ৰ বিশাল কেম্পাচ ৰঙাই তোলা হয়। পৰৱৰ্তী পৰ্যায়ত ক্ৰমে সৰস্বতী পূজা, নৱাগত আদৰণী সভা, মহাবিদ্যালয় সপ্তাহ আদি বিভিন্ন অনুষ্ঠান ভিন্ন সময়ত অনুষ্ঠিত কৰা হয়।

এনেদৰে সকলো দায়িত্ব সুচাৰুৰূপে পালন কৰাত যিখিনি বন্ধু-বান্ধৱীয়ে মোক সহায়-সহযোগিতা আগবঢ়াইছিল, এই ছেগতে সকলোকে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত দক্ষিণ কামৰূপ মহাবিদ্যালয়, মিৰ্জাৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ আৰু অনিচ্ছাকৃত কাৰণত হ'ব পৰা ভুলৰ বাবে, কাৰ্যকালত হোৱা অপৰাধৰ মাৰ্জনা বিচাৰি সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

*'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'*
*'জয়তু ছাত্ৰ একতা সভা'*

# বিভাগীয় প্ৰতিবেদন



**সমৰ জ্যোতি কলিতা**
**সাহিত্য আৰু**
**আলোচনী সম্পাদক**

২০১৭ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাত একেখন মহাবিদ্যালয়ৰপৰা উত্তীৰ্ণ হৈ যেতিয়া উদ্ভিদ বিজ্ঞান বিভাগত নামভৰ্তি কৰিছিলোঁ, এইটো কেতিয়াও ভবা নাছিলোঁ যে মই এদিন এইখন মহাবিদ্যালয়ৰে ছাত্ৰ একতা সভাৰ সদস্য হ'ম। আগৰেপৰা মনৰ হেঁপাহ আছিল যদিও মই সেই হেঁপাহ বাস্তৱত পৰিণত হ'ব বুলি ভবা নাছিলোঁ। আগৰেপৰা মই যি কোনো ক্ষেত্ৰতে আগভাগ লৈছিলোঁ; উদাহৰণস্বৰূপে— নিকেতনত থাকোঁতে (অৰ্থাৎ স্কুল) বাৰ্ষিক ছাত্ৰ-অধ্যক্ষৰূপে নিৰ্বাচিত হৈছিলোঁ আৰু দুবাৰকৈ বাৰ্ষিক উৎসৱ পৰিচালনা কৰিবলৈ সক্ষম হৈছিলোঁ; কিন্তু তাৰ আগতে মই সাধাৰণ সৰু-সুৰা অনুষ্ঠানতো মঞ্চত উঠিবলৈ সাহস কৰা নাছিলোঁ। মোক ইমানখিনি সাহস দিয়াৰ মূলতে মই কেইজনমান মানুহৰ ওচৰত চিৰকৃতজ্ঞ; তেওঁলোক হ'ল মোৰ মা-দেউতা। ২০১৫ বৰ্ষত দক্ষিণ কামৰূপ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰাৰ লগে লগে আৰম্ভ হৈ পৰে কলেজীয়া জীৱন আৰু কলেজত আহিয়ে মই কলেজৰ সৰু-বৰ অনুষ্ঠান আগভাগ লৈছিলোঁ। কলেজৰ বাৰ্ষিক খেল-ধেমালিত অংশগ্ৰহণ কৰি পুৰস্কাৰ পাবলৈও সক্ষম হৈছিলোঁ। লাহে লাহে কলেজৰ দাদা-বাইদেউসকলে মোক যি মৰম-চেনেহৰ লগতে বহু ক্ষেত্ৰত উৎসাহ যোগাব ধৰিলে, সেয়াই পাচলৈ মোৰ মূল শক্তি হৈ পৰিল। আৰু শেষত বন্ধু-বান্ধৱ, দাদা-বাইদেউসকলৰ উৎসাহ পাই মই আলোচনী বিভাগত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাজু হৈছিলোঁ। দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সাহসৰ প্ৰয়োজন আৰু সেই সময়ত মোক সাহস যোগোৱাৰ মূলতে হ'ল মোৰ বন্ধুবৰ্গ— মহেশ দাস, পাৰ্থপ্ৰতিম দাস, হীৰকজ্যোতি নাথ, ভাস্কৰ দাসৰ উপৰিও মোৰ দাদা ৰিতু শইকীয়া, তাপস মালী, পৃথিৱী দাস দাদা বুলি ক'লেও বৰ বিশেষ বঢ়াই কোৱা নহ'ব। তেওঁলোকলৈ মোৰ হৃদয়ৰপৰা অশেষ ধন্যবাদ।

**সম্পাদক হিচাপে দায়বদ্ধতাৰ এটা বছৰ ঃ** মোৰ কাৰ্যকালৰ আৰম্ভণি হয় বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী, অসম প্ৰান্তৰদ্বাৰা আয়োজিত 'Poster Making' প্ৰতিযোগিতাত তিনিটা টীম প্ৰাগজ্যোতিষ কলেজত হোৱা নিৰ্বাচনী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। আৰু ২২ ছেপ্তেম্বৰ তাৰিখে বি. বৰুৱা কলেজত শিক্ষামন্ত্ৰীৰ উপস্থিতিত পুৰস্কাৰসমূহ দিয়া হয় আৰু তাত আমি অংশগ্ৰহণ কৰা সকলো কলেজক চেৰ পেলাই আমাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ দীপাংকৰ দাস সহিতে তেওঁৰ টীমটোৱে প্ৰথম স্থান পাবলৈ সক্ষম হয়। ইয়াৰ উপৰিও ৪ ফেব্ৰুৱাৰী তাৰিখে 'বিশ্ব কেন্সাৰ দিৱস' উপলক্ষে 'Assam Cancer Care Foundation'ৰ উদ্যোগত NSSৰ আৰু উত্তৰ-পূব মণ্ডলৰ সহযোগত আয়োজিত Poster Making প্ৰতিযোগিতা এখন কলেজত আয়োজন কৰা হৈছিল। তাত ছাত্ৰ-ছাত্ৰীসকলৰপৰা বাৰুকৈয়ে সঁহাৰি পাইছিলোঁ। ইয়াৰ পিচত বি. বৰুৱা কেন্সাৰ হাস্পতালৰ তৰফৰপৰা Tobacco Awarnessৰ ওপৰত Poster Making প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। তাত আমাৰ ছাত্ৰ-ছাত্ৰীসকলেও অংশগ্ৰহণ কৰিছিল।

**মহাবিদ্যালয় সপ্তাহ ঃ** বিভাগীয় সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতাৰে আৰম্ভ হোৱা এইবাৰৰ মহাবিদ্যালয় সপ্তাহ আছিল বিশেষ আকৰ্ষণীয়। প্ৰতিটো বিভাগৰপৰা আয়োজন কৰা অন্যান্য প্ৰতিযোগিতাসমূহৰ লগতে আলোচনী বিভাগৰপৰাও সাহিত্য আৰু শিল্পকলাৰ বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰা হৈছে; যেনে— থিতাতে লিখা গল্প, কবিতা, লিমাৰিক, সংবাদ, প্ৰবন্ধ, চিঠি, শ্লোগান, স্বৰচিত অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা, নিৰ্বাচিত ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতা, পাণ্ডুলিপি প্ৰতিযোগিতা (কবিতা, গল্প, প্ৰবন্ধ)। তদুপৰি পোষ্টাৰ মেকিং, ক'লাজ, কাৰ্টুন, বেটুপাত, ক্লে-মডেলিং প্ৰতিযোগিতা ইত্যাদি। আটাইকেইখন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ সঁহাৰি আছিল উৎসাহজনক। ইয়াৰদ্বাৰাই মই মহাবিদ্যালয়ৰ সকলো সম্ভাৱনাপূৰ্ণ ছাত্ৰ-ছাত্ৰীলৈ শুভেচ্ছা আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

**মই আপোনালোকৰ চিৰদিন ঋণী ঃ** মোৰ এবছৰীয়া কাৰ্যকালত কৰা সকলোবোৰ কামৰ সৈতে একেলগে থকা, সৰু-বৰ সকলো কাৰ্যতে দিহা-পৰামৰ্শৰে মোক উৎসাহিত কৰি থকা মোৰ শ্ৰদ্ধাৰ ছাৰ তথা মোৰ তত্ত্বাৱধায়ক এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা ছাৰৰ কথা ক'বই লাগিব। ছাৰক মই যেতিয়াই বিচাৰিছিলোঁ সকলো সময়তে সহায় কৰাৰ চেষ্টা কৰিছিল। একেদৰে মোক সকলো সময়তে সকলো কামতে সহায় কৰা শ্ৰদ্ধাৰ দুৰ্লভ নাৰায়ণ সিংহ ছাৰ, মানস প্ৰতিম বৰুৱা ছাৰ, শ্ৰৱণ কুমাৰ দিহিদাৰ ছাৰ, ড° গাৰ্গী চক্ৰৱৰ্তী (উদ্ভিদ বিজ্ঞান বিভাগ), ড° গাৰ্গী চক্ৰৱৰ্তী (ইংৰাজী বিভাগ), মানৱেন্দ্ৰ কলিতা ছাৰ, প্ৰশান্ত কলিতা ছাৰ, অসীম ৰঞ্জন শৰ্মা ছাৰ, সুনীল তালুকদাৰ ছাৰ, অনুজ কলিতা ছাৰ, জয়ন্ত বৈশ্য ছাৰ— আপোনালোকে মোক প্ৰতিটো ক্ষেত্ৰতে সহায় কৰি আহিছে। এই সকলোবোৰৰ মূল শ্ৰদ্ধাৰ অধ্যক্ষ ছাৰসকলৰ কথা ক'বই লাগিব। ছাৰৰ সহযোগিতা অবিহনে সকলো মিছা হ'লহেঁতেন। মোৰ কামৰ দায়িত্বভাৰ যদিও ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰৰ হাতত, তথাপিও আচৰিত ধৰণে মই তিনিওজন অধ্যক্ষৰ উপস্থিতিতে কামবোৰ কৰিব পাৰিলোঁ। প্ৰথমে পালোঁ ৰমেশ কলিতা ছাৰক আৰু আমি শপত গ্ৰহণ কৰাৰ কিছুদিন পিচতে তেওঁ অৱসৰ ল'লে আৰু দায়িত্বভাৰ গ্ৰহণ কৰিলে ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰে আৰু মোৰ গোটেই দায়িত্ব চোৱা-চিতা তেওঁৰ ওপৰতে থাকিল। তাৰ পিচত ছাৰেও অৱসৰ ল'লে আৰু ডিচেম্বৰৰ ১ তাৰিখৰপৰা ড° নৱজ্যোতি দাস ছাৰক লগ পালোঁ। গতিকে বৰ আচৰতি ধৰণে তিনিওজন অধ্যক্ষৰ ছত্ৰছায়াত কাম কৰিব পাই মই বৰ সুখী অনুভৱ কৰিছোঁ।

শ্ৰদ্ধাৰ মেধী ছাৰ, নয়ন দা, জিতু দাস, আনন্দ দা, ৰমেন দা, ফণী দা, অৰূপ খুড়া (ভাইটি দা), চম্পক কুমাৰ, হীৰেণ ঠাকুৰীয়া, দীপ দাসৰ লগতে সমূহ অনাশিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে মোৰ হৃদয়ৰপৰা অযুত ধন্যবাদ জনালোঁ।

এই সুযোগতে মোৰ কাৰ্যকালত মোক উৎসাহ, সহযোগিতা, পৰামৰ্শৰে ভৰাই তোলা মোৰ অতিকে আপোন বন্ধু-বান্ধৱীসকলৰ কথা নক'লে সকলো আধৰুৱা হ'ব। তোমালোক মোৰ জীৱনৰ অংশ, মোৰ প্ৰেৰণা। সঞ্জয়, হীৰক, ভাস্কৰ, মহেশ, পাৰ্থ, নয়ন, মৃগাংক, প্ৰাঞ্জল, পৱন, হীৰক, ছাজ্জাদ, নিতুৰাজ, ৰাকেশ, জিতুল, পূৰৱী, অনামিকা, চন্দ্ৰমা, ডিম্পী, সাগৰিকা, নিকিতা, বৃষ্টি, পলাশ, পিংকী, অনন্যা, দীক্ষিতা, নৱনীতা, বিশ্ব, ভাস্কৰ, মনোজ, অমৰদ্বীপ, অৰুণাভ— আপোনালোককে আদি কৰি মোৰ সমূহ বন্ধু-বান্ধৱীক বহুত বহুত ধন্যবাদ জনালোঁ। আপোনালোকৰ ওচৰত মই চিৰদিন ঋণী।

সদৌ শেষত সম্পাদকৰ দায়িত্বভাৰ লৈ হোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু বিজয়ৰ জখলাৰে আগবাঢ়ি যোৱাটো কামনা কৰিলোঁ।

*'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'*

*'জয়তু ছাত্ৰ একতা সভা'*

# বিভাগীয় প্ৰতিবেদন



**মৃদুস্মিতা দাস**
**সাংস্কৃতিক সম্পাদিকা**

শিক্ষাই জীৱনৰ মেৰুদণ্ড
জ্ঞানেই মানুহৰ মূল
শিক্ষা অবিহনে নাই কোনো কাম
শিক্ষাৰ অভাৱত মানুহে হেৰুৱায়
নিজৰ সন্মান।
শ্ৰদ্ধাৰে গুৰুক কৰিবা নমস্কাৰ
জীৱনত লভিবা শান্তিৰ পুৰস্কাৰ।।

আৰম্ভণিতে মই সেইসকল ব্যক্তিক সোঁৱৰণী জনাইছোঁ, যিসকল মহান ব্যক্তিৰ ত্যাগৰ সাধনা আৰু অশেষ চেষ্টাৰ ফলত বৃহত্তৰ দক্ষিণ কামৰূপৰ শিক্ষাকেন্দ্ৰ তথা জ্ঞান লাভৰ প্ৰাণকেন্দ্ৰস্বৰূপ দক্ষিণ কামৰূপ মহাবিদ্যালয়খন গঢ় লৈ উঠিছিল।

দক্ষিণ কামৰূপ মহাবিদ্যালয়খনে আজি সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰি বৰ্তমান ৫৮টা বৰ্ষত ভৰি দিলেহি। মনত নতুন ৰূপ, নতুন চিন্তা, দুচকুত উৎসাহৰ দীপ্তি ঢালি মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশত নতুন ৰূপ দিয়াৰ পৰিকল্পনা হাতত লৈ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ মজিয়ালৈ সাংস্কৃতিক সম্পাদিকাৰ ভাৰ হাতত তুলি লৈছিলোঁ।

## মোৰ কাৰ্যকালৰ চমু আভাস ঃ

মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ দিনাৰপৰাই মোৰ কাৰ্যকাল আৰম্ভ হৈছিল। মহাবিদ্যালয়ৰ ৫৭তম প্ৰতিষ্ঠা দিৱসৰ দিনটোত ৰাতিপুৱা পতাকা উত্তোলনৰ লগতে মাল্যাৰ্পণ কাৰ্যসূচীৰে আৰম্ভ কৰা হয়।

**সৰস্বতী পূজা ঃ** সৰস্বতী পূজা মোৰ কাৰ্যকালৰ আন এক অন্যতম কাৰ্যসূচী। বিগত বৰ্ষৰ দৰে এইবেলিও ওচৰৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে সৰস্বতী দেৱীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণৰ বাবে আমাৰ সৈতে অতি উলহ-মালহেৰে পূজাখন পালন কৰাত সহায় কৰে। আকৌ ছাৰ-বাইদেউসকলৰ উপস্থিতিয়ে পূজাখন সাফল্যমণ্ডিত তথা সৌন্দৰ্যপূৰ্ণ কৰি তোলে।

**মহাবিদ্যালয় সপ্তাহ ঃ** মোৰ কাৰ্যকালৰ অন্যতম কাৰ্যসূচী আছিল ০৪/০২/২০১৯ ইং তাৰিখৰপৰা ০৮/০২/২০১৯ ইং তাৰিখলৈ আয়োজন কৰা বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ তৰফৰপৰা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰা বাবে যিসকল ছাত্ৰ-ছাত্ৰী উৎসাহিত আছিল, তেওঁলোকৰ উৎসাহ দেখি মই নথৈ আনন্দিত হৈছিলোঁ। আশাকৰোঁ যে অনাগত দিনবোৰত মহাবিদ্যালয়ৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত উৎসাহ-উদ্দীপনা, সহায়-সহযোগিতা আগবঢ়াব; লগতে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি শ্ৰেষ্ঠতা অৰ্জন কৰা ছাত্ৰ-ছাত্ৰী আৰু প্ৰতিযোগিতাসমূহ চলাই নিয়া বিচাৰকমণ্ডলীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**নৱাগত আদৰণী সভা ঃ** নৱাগত আদৰণী সভা মোৰ কাৰ্যকালৰ এক অন্যতম আৰু অন্তিম কাৰ্যসূচী। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ হেঁপাহৰ অনুষ্ঠান লগতে ৰঙীণ সপোন বাস্তৱত ৰূপায়িত কৰাৰ আশাৰে মহাবিদ্যালয়খনত খোজ পেলোৱা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে নৱাগত আদৰণী সভাখন পাতিবলৈ সক্ষম হৈছিলোঁ।

৩১ আগষ্ট, ২০১৯ ইং তাৰিখে নৱাগত আদৰণী সভাখন পতা হৈছিল। সেইদিনা ৰাতিপুৱা ৮ বজাত

পতাকা উত্তোলন, তাৰ পিচত এন.এছ.এছ. ফলকত বন্তি প্ৰজ্বলন, আম্বেদকাৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ, প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত গজেন্দ্ৰনাথ ঠাকুৰীয়াদেৱৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰা হয়। লগতে মামণি ৰয়ছম গোস্বামীদেৱৰ আবক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰা হয়।

২০১৮-১৯ ইং বৰ্ষৰ দ্বিতীয়খন প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' উন্মোচন কৰা হয়। ইয়াৰ পিচত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সন্মিলন আৰু তেওঁলোকৰ গীত-মাত-নৃত্য আদি পৰিৱেশন কৰা হয়। অতি আনন্দ-উল্লাস, উখল-মাখল পৰিৱেশৰ মাজেৰে এই ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সন্মিলনখন অনুষ্ঠিত কৰা হয়। ইয়াৰ পিচতে মুকলি সভা আৰম্ভ হয়। সভাত উপস্থিত আছিল মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱ। বিশিষ্ট অতিথি হিচাপে সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীযুত নিৰোদ কুমাৰ দাসদেৱ, মুখ্য অতিথি হিচাপে অসমৰ শিক্ষামন্ত্ৰী শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্য্যদেৱ, সন্মানিত অতিথি হিচাপে পলাশবাৰী বিধানসভা সমষ্টিৰ বিধায়ক শ্ৰীযুত প্ৰণৱ কলিতাদেৱ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° ননীগোপাল মহন্তদেৱ আৰু নিমন্ত্ৰিত শিল্পী জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য্য বৰপাত্ৰ গোহাঁই উপস্থিত থাকে।

প্ৰতিবেদন সামৰাৰ প্ৰাক্‌মুহূৰ্তত মোৰ সকলো বন্ধু-বান্ধৱীকে সুঁৱৰি অজানিতে কৰা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি আৰু বিজয়ৰ জখলাৰে আগবাঢ়ি যোৱাৰ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'

# বিভাগীয় প্ৰতিবেদন



**ভাস্কৰ দাস**
**খেল বিভাগ**

সেইদিনা আছিল ৩০ অক্টোবৰ, ২০১৮ ইং বৰ্ষ; সিদিনাখনেই মই সম্পূৰ্ণ এটা বছৰ মহাবিদ্যালয়খনৰ উন্নতিৰ হকে সেৱা আগবঢ়োৱাৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন (২০১৮-১৯)ত মনোনয়ন পত্ৰ দাখিল কৰিছিলোঁ। যোৱা ২০১৭ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ যেতিয়া অৰ্থনীতি বিভাগত নামভৰ্তি কৰিছিলোঁ, এইটো চিন্তা মনত কেতিয়াও উদয় হোৱা নাছিল যে ময়ো এদিন অসমৰ আগশাৰীৰ এখন মহান শিক্ষানুষ্ঠান 'দক্ষিণ কামৰূপ মহাবিদ্যালয়'ৰ ছাত্ৰ একতা সভাৰ সদস্য হ'ম। শৈশৱৰপৰাই খেলৰ প্ৰতি মোৰ অলপ দুৰ্বলতা আছিল। তথাপিও মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰি প্ৰৱেশ কৰাৰ দিনৰেপৰাই শিক্ষাৰ ক্ষেত্ৰখনক প্ৰথমে প্ৰাধান্য দি আহিছিলোঁ। মোৰ খেলৰ প্ৰতি থকা তেনে মানসিকতাক সম্পূৰ্ণৰূপে ৰূপান্তৰিত কৰাত সহায় কৰা মহাবিদ্যালয়খনৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকাক মোৰ ফালৰপৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ। কিন্তু খেলৰ প্ৰতি থকা প্ৰবল ধাউতিৰ বাবে আৰু মহাবিদ্যালয়খনৰ খেল বিভাগত এক নতুনত্ব অনাৰ প্ৰয়াসেৰে মহাবিদ্যালয়ৰ ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। ইয়াৰ বাবে মোৰ শুভাকাংক্ষী, সহপাঠী, বন্ধু-বান্ধৱী তথা অগ্ৰজ-অনুজসকলৰদ্বাৰা বহুতো উৎসাহ লাভ কৰিছিলোঁ। নিৰ্বাচনত খেল বিভাগৰ দৰে গধুৰ দায়িত্বশীল পদত যোগ্য বুলি ভাবি বিজয়ী হোৱাৰ গৌৰৱকণো অনুভৱ কৰিছিলোঁ। মহাবিদ্যালয়ৰ খেল বিভাগটো পূৰ্বতকৈ আকৌ এখোজ আগবঢ়াই নিয়াৰ বাবে মোৰ মূল উৎস এই বিভাগৰেই পূৰ্বৰ সম্পাদক বন্ধু দাদা শ্ৰীভাস্কৰ চৌধুৰী, শ্ৰীৰঞ্জন হাজৰিকা, শ্ৰীতাপস মালী দাদা, মোৰ ভাতৃপ্ৰতিম হীৰকজ্যোতি নাথ বুলি ক'লে বৰ বেছি বিশেষ বঢ়াই কোৱা নহ'ব। তেখেতসকলক মোৰ হৃদয়ৰপৰাই অশেষ ধন্যবাদ। আপোনালোক আটাইৰে ওচৰত মই সদায় ঋণী হৈ ৰ'ম।

## মোৰ সম্পাদকীয় কাৰ্যকালৰ চমু বিৱৰণ ঃ

**মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বৰ্ষৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ ৪ ফেব্ৰুৱাৰীৰপৰা ৮ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ পাঁচদিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আমাৰ মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱে পতাকা উত্তোলনৰ জৰিয়তে। ইয়াৰ পিচতেই সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰি প্ৰতিটো বিভাগৰ বিভাগীয় প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। বিগত বৰ্ষৰ দৰে এইবছৰো মোৰ বিভাগ (Games & Sports)ৰপৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত দলীয় প্ৰতিযোগিতাসমূহ ক্ৰমে— ক্ৰিকেট, কাবাদী, ফুটবল, ভলীবল আদি। ইয়াৰ লগতে অন্যান্য খেলসমূহ; যেনে— ল'ৰা-ছোৱালী উভয়ৰে দৌৰ, গধুৰ বস্তু নিক্ষেপ, লংজাম্প ইত্যাদি। ২০১৮-১৯ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে শ্ৰীগৌতম ঠাকুৰীয়াই। এই প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰি সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত মোৰ শ্ৰদ্ধাৰ তত্বাৱধায়ক শ্ৰীযুত প্ৰশান্ত কলিতা ছাৰৰ লগতে শ্ৰীযুত জয়ন্ত কুমাৰ বৈশ্য ছাৰ, শ্ৰীযুত মানৱেন্দ্ৰ কলিতা ছাৰদেৱে সদায় সহায়ৰ হাত আগবঢ়াইছিল। লগতে মোৰ দাদা-বন্ধু হিতেন্দ্ৰ, কুলদীপ, ভাস্কৰ, গৌতম, কৌশিক আৰু বিশেষকৈ মোৰ কাৰ্যকালৰ মহাবিদ্যালয় সপ্তাহৰ সকলো কামতে সহায় কৰা মোৰ ভাতৃ-ভগ্নীস্বৰূপ ছাত্ৰ একতা সভাৰ সদস্য পলাশজ্যোতি, ফুলমণি, কৃষ্ণাংগিনী, জ্যোতিষ্মান ভাগৰতীৰ কথাকেই ক'ব পাৰি। তাৰ বাবে তেওঁলোক সকলোকে মোৰ হৃদয়ৰপৰাই কৃতজ্ঞতা স্বীকাৰ কৰিলোঁ। তদুপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অইন বছৰতকৈ এই বছৰ বেছিসংখ্যক খেলৰ প্ৰতি থকা আগ্ৰহ আৰু প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি মোক যেনেদৰে সহায়ৰ হাত আগবঢ়ালে, তাৰ বাবে মই তেওঁলোকক ধন্যবাদ জনাইছোঁ।

**মহাবিদ্যালয় সপ্তাহত ক্ৰীড়া বিভাগৰ তৰফৰপৰা অনুষ্ঠিত কৰা বিশেষ আকৰ্ষণ ঃ** মই মহাবিদ্যালয়ত নামভৰ্তি কৰাৰপৰাই প্ৰতি বছৰে ছাত্ৰ একতা সভা বনাম শিক্ষক গোটৰ মাজত প্ৰীতি খেল অনুষ্ঠিত কৰি অহা দেখিছোঁ। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ল। বিগত বৰ্ষৰ দৰে মোৰ কাৰ্যকালৰ সময়ছোৱাতো

এই খেলখন অতি সুন্দৰ আৰু আনন্দপূৰ্ণভাৱে অনুষ্ঠিত কৰা হয়। এইখিনিতে এষাৰ কথা ক'বই লাগিব যে, উক্ত খেলখন উপভোগ কৰাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অধ্যাপক-অধ্যাপিকাসকলৰ উপস্থিতিয়ে মোৰ মনটোক আনন্দৰে উৎফুল্লিত কৰি তুলিছিল। খেলখন আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰে শুভাৰম্ভ কৰে। দিনটোৰ ব্যস্ততাৰ মাজতো ছাৰ-বাইদেউসকলে খেলপথাৰত উপস্থিত হৈ খেলখন অতি সুন্দৰভাৱে উপভোগ কৰাৰ বাবে ধন্যবাদ জনাইছোঁ।

এইবেলি মহাবিদ্যালয় সপ্তাহত এক নতুন ধাৰণা সন্নিৱিষ্ট কৰাৰ মনোভাবেৰে মোৰ শ্ৰদ্ধাৰ তত্ত্বাৱধায়ক শ্ৰীযুত প্ৰশান্ত কলিতা ছাৰদেৰৰ লগত আলোচনাত মিলিত হওঁ। সেই আলোচনামৰ্মে মহাবিদ্যালয়ত মই জনাত কেতিয়াও অনুষ্ঠিত নোহোৱা এখন খেল শিক্ষয়িত্ৰী গোট আৰু ছাত্ৰী গোটৰ মাজত ৰছী টনা খেলৰ আয়োজন কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ ৬/২/২০১৯ ইং তাৰিখে অনুষ্ঠিত কৰা এই খেলখনৰ বাবে বহুতো প্ৰচাৰ হৈছিল, যাৰবাবে খেল অনুষ্ঠিত হৈ থকা সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আনন্দমুখৰ পৰিৱেশ এটাৰ সৃষ্টি হৈছিল। উক্ত খেলখনত অংশগ্ৰহণ কৰে ছাত্ৰ একতা সভাৰ সদস্যাসকলৰ লগতে শিক্ষয়িত্ৰী গোটক প্ৰতিনিধিত্ব কৰি অধ্যাপিকা ড° জোনালী নাথ বাইদেউ, অধ্যাপিকা গাৰ্গী চক্ৰৱৰ্তী বাইদেউ, অধ্যাপিকা ভিমাক্ষী দাস বাইদেউ, অধ্যাপিকা ভৱানী বৈশ্য বাইদেউ, অধ্যাপিকা মাইনু পাঠক বাইদেউ, অধ্যাপিকা পাৰুল বাইদেউ আৰু অধ্যাপিকা শিৱানী বাইদেৱে। দিনটোৰ ইমানখিনি ব্যস্ততাৰ মাজতো তেখেতসকলে অলপ সময় উলিয়াই খেলখনত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ বাবে তেখেতসকললৈ মোৰ তৰফৰপৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

**আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাত অংশগ্ৰহণ ঃ** খেল সম্পাদক হিচাপে মই মোৰ বিভাগটোক এখোজ আগুৱাই লৈ যাবৰ বাবে মহাবিদ্যালয়ৰ বাহিৰত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহতো অংশগ্ৰহণ কৰাৰ বাবে লৈ গৈছিলোঁ। মোৰ সম্পাদকীয় কাৰ্যকালত আন্তঃ মহাবিদ্যালয় প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰাৰ বাবে বাধাৰ সন্মুখীন হৈছিলোঁ যদিও পিচলৈ অনুমতি প্ৰদান কৰা হয়। কিন্তু সৌভাগ্যৰ কথা যে, যোৱা বছৰ আমাৰ মহাবিদ্যালয়ৰ ক্ৰিকেট দলটিয়ে National Institute of Pharmaceutical Education and Research, Guwahatiত অংশগ্ৰহণ কৰি চেম্পিয়ন বঁটা লাভ কৰিছিল। সেইমৰ্মে এইবেলিও মহাবিদ্যালয়ৰ ক্ৰিকেট দলটিক উক্ত প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিবলৈ অনুমতি প্ৰদান কৰা হয় যদিও আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে ছেমি ফাইনেলত মংগলদৈ মহাবিদ্যালয়ৰ হাতত পৰাস্ত হয়।

ইয়াৰ পিচতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হোৱা 'গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় খো-খো খেল প্ৰতিযোগিতা, জাগীৰোড মহাবিদ্যালয়'ত আমাৰ মহাবিদ্যালয়ৰ খো-খো দলটিয়ে ২৮/১২/২০১৮ ইং তাৰিখে অংশগ্ৰহণ কৰে। অতি গৌৰৱৰ কথা যে, আমাৰ মহাবিদ্যালয়ৰ খো-খো দলটিৰ মাজত সুদক্ষ, প্ৰতিভাৱান, সু-খেলুৱৈকেইজনৰ বাবে বহুতো খেলৰ দিশত আগবঢ়া মহাবিদ্যালয়ে আমাৰ দলটিক পৰাভূত কৰিব নোৱাৰিলে। অৱশেষত দলটিয়ে চূড়ান্ত খেলত অৱতীৰ্ণ হয় যদিও এক পইণ্টৰ বাবে সোণাপুৰ মহাবিদ্যালয়ৰ খো-খো দলটিৰ হাতত পৰাজিত হয়। সেয়া যি কি নহওক, মহাবিদ্যালয়ৰ খো-খো দলটিয়ে বহু কষ্ট কৰাৰ ফলত জাগীৰোড মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা খো-খো খেল প্ৰতিযোগিতাৰপৰা ৰাণাৰ্চ আপ ট্ৰফী লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

**মই আপোনালোকৰ ওচৰত চিৰদিন ঋণী ঃ** মোৰ সম্পাদকীয় কাৰ্যকালত সৰু-বৰ সকলো কামতে দিহা-পৰামৰ্শৰে মোক উৎসাহিত কৰি থকা মোৰ শ্ৰদ্ধাৰ ছাৰ তথা তত্ত্বাৱধায়ক শ্ৰীযুত প্ৰশান্ত কলিতা ছাৰৰ নাম ল'বই লাগিব। কিয়নো ছাৰে মোক প্ৰতিটো কাৰ্যসূচীতেই মোৰ নিমন্ত্ৰণক নস্যাৎ নকৰি প্ৰতিখন প্ৰতিযোগিতাতেই উপস্থিত থাকি খেলসমূহ সুন্দৰভাৱে পৰিচালনা কৰাত সহায় কৰি আহিছিল। এইখিনিতে মোৰ প্ৰতিটো কাৰ্যসূচীতে উপস্থিত থকা শ্ৰদ্ধাৰ অধ্যাপক জয়ন্ত কুমাৰ বৈশ্য ছাৰ, অধ্যাপক মানৱেন্দ্ৰ কলিতা ছাৰ, অধ্যাপক, উৎপল দাস ছাৰ— আপোনালোক সকলোকে এই ছেগতে ধন্যবাদ জনাইছোঁ। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিখন চূড়ান্ত খেলত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া ছাৰক নিমন্ত্ৰণ জনাইছিলোঁ। তেখেতেও দিনটোৰ ইমানখিনি ব্যস্ততাৰ মাজত আমাক খেলপথাৰত এখন্তেক দেখা দি চূড়ান্ত খেলসমূহৰ শুভাৰম্ভ কৰিছিল। তাৰ বাবে আপোনাকো এই ছেগতে ধন্যবাদ জনাইছোঁ।

শ্ৰদ্ধাৰ যতীন মেধী ছাৰ, নয়ন দা, আনন্দ দা, ফণী দা, জিতু দাৰ লগতে সমূহ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ একতা সভাৰ সমূহ সদস্যকে হৃদয়ৰপৰা অযুত ধন্যবাদ।

এই সুযোগতে মোৰ কাৰ্যকালত মোক উৎসাহ, সহযোগিতা, সহায়, পৰামৰ্শৰে ভৰাই তোলা মোৰ অতিকে আপোন বন্ধু-বান্ধৱীসকলৰ কথা নক'লে আধৰুৱা যেন অনুভৱ হৈ থাকিব। ভাতৃপ্ৰতিম হীৰকজ্যোতি নাথ, সমৰ দাস, শুভম কলিতা, ৰাণা দাস, নিখিল দাস, ৰঞ্জন হাজৰিকা, হিতেন্দ্ৰ, কৌশিক, বৰষা, ভাস্কৰ, গৌতম, জ্যোতিষ্মান, কুলদীপ দা— এই সকলোকে আদি কৰি মোৰ সমূহ বন্ধু-বান্ধৱীক বহুত বহুত ধন্যবাদ। আপোনালোক আটাইৰে ওচৰত মই চিৰদিন কৃতজ্ঞ হৈ ৰ'ম।

মোৰ এবছৰীয়া সম্পাদকীয় কাৰ্যকালত একো ভুল নোহোৱা বুলি কৈ নিজে মূৰ্খতাৰ পৰিচয় দিব নিবিচাৰোঁ। মই মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কিমানখিনি কষ্ট কৰিব পাৰিছোঁ, কিমানখিনি সফল হৈছোঁ— সেয়া বিচাৰৰ ভাৰ আপোনালোকৰ হাতত এৰি দিলোঁ। কাৰ্যকালত অজানিতে কৰা ভুলৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী। সদৌ শেষত মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ লগতে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদন সমাপন কৰিলোঁ।

*'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'*

*'জয়তু ছাত্ৰ একতা সভা'*

# বিভাগীয় প্ৰতিবেদন



**পলাশজ্যোতি দাস**
**তৰ্ক আৰু আলোচনা চক্ৰ বিভাগ**

নতুন পুৰুষ তুমি
নতুন নাৰী
অনাগত শতিকাৰ
জাগ্ৰত প্ৰহৰী। —ড° ভূপেন হাজৰিকা

হয়, নতুন প্ৰজন্মৰ হাততেই আছে সমাজ পৰিৱৰ্তনৰ চাবিকাঠি। নৱ প্ৰজন্মই পোহৰায় সমাজ অজ্ঞান তমসা নাশি। হয়, জ্ঞান তথা বৌদ্ধিক বিকাশেহে এখন সমাজক মহান কৰি তুলিব পাৰে। সেইবাবেই হয়তো মহাবিদ্যালয়ৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগটোৰ নেতৃত্ব লোৱাৰ হেঁপাহ জন্মিছিল। বিশেষকৈ তাপস মালী দাদা, বন্ধু হীৰকজ্যোতি নাথ, মনোজ দাসৰ উৎসাহৰ বাবে হয়তো মোৰ উৎসাহো চৰম সীমাত উপনীত হৈছিল। সেই অনুযায়ী সকলোৰে সহায়-সহযোগত নিৰ্বাচিত হৈ এই বিভাগটোৰ দায়িত্বভাৰ গ্ৰহণ কৰিলোঁ। হেঁপাহ এটাই আছিল, সেয়া হ'ল— বিভাগটোৰ হকে কিছু নতুন কাম কৰা। কাম কৰিবলৈ সুযোগ দিয়া বাবে প্ৰত্যেকজন ডিকেচিয়ানক এই সুযোগতে আকৌ এবাৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালৰ চমু বিৱৰণ তলত দিয়া হ'ল—

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত স্বামী বিবেকানন্দই চিকাগোত দিয়া সেই বিখ্যাত ভাষণটোৰ ওপৰত এক বক্তৃতা প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰ হাৰ অতি বেছি আছিল। ই আছিল সমগ্ৰ বিভাগটোৰ বাবে তথা মোৰ বাবে অন্যতম উৎসাহৰ উৎস। কেৱল সংখ্যাগতভাৱেই নহয়, গুণগত দিশতো উক্ত প্ৰতিযোগিতাখন অতি উচ্চমানৰ হৈছিল। প্ৰথম কাৰ্যসূচীতে এনে অভূতপূৰ্ব সঁহাৰি লাভ কৰি মোৰ উৎসাহ দুগুণে চৰিছিল।

কলেজত এনেদৰে প্ৰথম প্ৰতিযোগিতাখন পতাৰ পিচত বিভিন্ন ঠাইলৈ মোৰ নেতৃত্বত কুইজ, তৰ্ক আদিৰ বাবে বহুতো দল লৈ যোৱা হৈছিল। উক্ত প্ৰতিযোগিতাসমূহতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পাৰদৰ্শিতা পৰিলক্ষিত হৈছিল। জিলা প্ৰশাসনৰপৰা অনুষ্ঠিত কৰা কুইজ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰপৰা পঠোৱা দুটা দলে ক্ৰমে প্ৰথম আৰু দ্বিতীয় স্থান পাবলৈ সক্ষম হৈছিল। ই আমাৰ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। ইয়াৰ উপৰি অসমৰ বিভিন্ন বিখ্যাত তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আমাৰ ছাত্ৰ-ছাত্ৰীসকল বহু পৰিমাণে লাভৱান হৈছে।

মোৰ কাৰ্যকালৰ সকলোবোৰ কামতেই সফলতাৰ অন্যতম কাৰণ হ'ল মোৰ তত্ত্বাৱধায়ক মহোদয়ৰ সু-পৰামৰ্শ তথা নিঃস্বাৰ্থ সহযোগিতা। শ্ৰদ্ধাৰ মানস প্ৰতিম বৰুৱা ছাৰক এই সুযোগতে আকৌ এবাৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ** অইনবাৰৰ দৰে এইবেলিও ছাত্ৰ একতা সভাৰ উদ্যোগত মহা আয়োজনেৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু আলোচনা চক্ৰ বিভাগে দক্ষিণ কামৰূপ মহাবিদ্যালয়ত এক অভূতপূৰ্ব ইতিহাসৰ সূচনা কৰা বুলি ক'লেও বঢ়াই কোৱা নহ'ব। এক অনন্য সময়ৰ সাক্ষী হৈ ৰৈছিল দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ লগতে সমূহ মহাবিদ্যালয় পৰিয়াল। ছাৰৰ নিঃস্বাৰ্থ সহায় তথা সৎভাৱৰ বাবে এইবাৰ মহাবিদ্যালয়ৰ কুইজক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছিলোঁ। কুইজ পৰিচালক হিচাপে আমন্ত্ৰণ কৰিছিলোঁ অসমৰ অন্যতম জনপ্ৰিয় কুইজ পৰিচালক দীপাংকৰ কৌশিকক। এখন অতি উচ্চমানৰ কুইজ পতাত আমি সক্ষম হৈছিলোঁ। উক্ত প্ৰতিযোগিতাত প্ৰতিযোগী দলৰ সংখ্যাও অতি ব্যাপক আছিল। ছাৰ-বাইদেউসকলৰ

সহায়-সহযোগ অবিহনে মোৰ বাবে এয়া মুঠেও সম্ভৱপৰ নাছিল। এই সুযোগতে উক্ত কাৰ্যসূচী পৰিচালনা কৰাত সহায় কৰা প্ৰত্যেকজন শিক্ষাগুৰুকে মই ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰিও মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো কাৰ্যসূচীত মোক ছাঁৰ দৰে থাকি সহায় কৰাৰ বাবে ফজল হক দাদাক বিশেষভাৱে ধন্যবাদ জ্ঞাপন নকৰিলে ভুল কৰা হ'ব। এনেদৰে বিভিন্ন বাধাকো নেওচি মোৰ কাৰ্যকালৰ মহাবিদ্যালয় সপ্তাহ হৈ পৰিছিল লেখত ল'বলগীয়া। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো কাৰ্যসূচীত সহায় কৰা প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা দাদা-বাইদেউসকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় সপ্তাহৰ উপৰিও পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত অনুষ্ঠিত কৰিলোঁ 'Brain Battle' শীৰ্ষক কুইজ প্ৰতিযোগিতা। আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ প্ৰণৱ দাসৰদ্বাৰা পৰিচালিত উক্ত প্ৰতিযোগিতাতো ছাত্ৰ-ছাত্ৰীৰ বিপুল অংশগ্ৰহণে ইয়াক জাকত জিলিকা কৰি তোলে। এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ বাবে বৰুৱা ছাৰে কৰা সহায়ৰ আগত ধন্যবাদ মাথোঁ এক সৰু শব্দ। এনেধৰণৰ নানা কাৰ্যসূচীৰে মোৰ কাৰ্যকালৰ সফল সমাপ্তি হোৱা বুলি ক'ব পাৰি। অৱশ্যে বিশ্ববিদ্যালয়ৰপৰা কোনো নিমন্ত্ৰণ নহাৰ বাবে এইবাৰ যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰপৰা অংশগ্ৰহণ কৰিব পৰা নগ'ল।

শেষত সফলতা-বিফলতাৰ বিচাৰ আপোনালোকৰ হাতত অৰ্পণ কৰিলোঁ। সাধ্য তথা প্ৰতিশ্ৰুতি অনুসৰি কৰিব পৰাখিনি কৰিলোঁ বুলি দৃঢ়তাৰে ক'ব পাৰি।

**যাৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ ৰ'ম ঃ** যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী তথা দাদা-বাইদেউৰ সহযোগত নিৰ্বাচিত হৈছিলোঁ তথা কাৰ্যকাল সমাপন কৰিলোঁ, তেওঁলোকৰ ওচৰত চিৰদিন কৃতজ্ঞ হৈ ৰ'ম। বিশেষকৈ তাপস মালী, হীৰকজ্যোতি নাথ, মনোজ দাস, হীৰকজ্যোতি চৌধুৰী দাস, ৰিংকী, ৰিম্‌লি, অনন্যা, দীক্ষিতা, ভাস্বতী, নৱনীতা, বৰষা, তৃষ্ণা অৰ্পণা, প্ৰকাশ, দীপাংকৰ, চিন্ময়, লক্ষ্য, ৰুবুল, দেৱলীনা, চয়নিকা, ভাস্কৰ, নিহাৰিকা, হিমাদ্ৰী, কৰবী, ৰঞ্জন, অৰুণাভ, অৰুণিমা, বিউটি, চন্দ্ৰপ্ৰভা, হিমাশ্ৰী, দীপজ্যোতি, জয়শ্ৰী, যুগস্মিতা, সুন্দৰ, খনীন্দ্ৰ, হীৰক, মহেশ, পাৰ্থ, পাপু, অংকিতাকে আদি কৰি প্ৰত্যক্ষ তথা পৰোক্ষভাৱে সহায় কৰা সকলোলৈকে হৃদয়ৰপৰা ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিলোঁ। ভৱিষ্যতে এই বিভাগটোৰ উত্তৰোত্তৰ কামনা কৰি এই প্ৰতিবেদনৰ ইমানতেই ইতিৰেখা অংকন কৰিলোঁ।

'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'

# বিভাগীয় প্ৰতিবেদন



**অংকুৰ নাথ**
**ছাত্ৰ জিৰণি কোঠা**

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ বাবে শ্বহীদ হোৱা মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ; লগতে দক্ষিণ কামৰূপ মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাকালত যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন জাকত জিলিকা হৈ উঠিছে, তেওঁলোকক পৰম শ্ৰদ্ধাৰে শলাগ লৈছোঁ।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দৰে এক দায়িত্বশীল পদৰ যোগ্য বুলি মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে সমূহ ডিকেচিয়ানক মই আন্তৰিক কৃতজ্ঞতা যাচিছোঁ। মোৰ কাৰ্যকালত আপোনালোকৰ বাবে কি কৰিলোঁ, সেয়া আপোনালোকৰ বিচাৰ্য বিষয়। ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰূপে দায়িত্ব লোৱাৰ পিচত মোৰ কাৰ্যকালৰ কথা থূল-মূলৰূপে উপস্থাপন কৰিব বিচাৰিছোঁ।

**প্ৰথম কাৰ্যসূচী ঃ** মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস। এদিনীয়া কাৰ্যসূচীৰ আছিল যদিও এই দিনটোৰ কথা পাহৰিব নোৱাৰোঁ। পতাকা উত্তোলন কৰিছিল আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা ছাৰদেৱে।

**দ্বিতীয় কাৰ্যসূচী ঃ** মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ ফালৰপৰা আয়োজন কৰা প্ৰতিযোগিতা কিছু পতা হৈছিল। প্ৰতিযোগিতাসমূহ হ'ল— ল'ৰা-ছোৱালী উভয়ৰে কেৰম, দবা, বেডমিণ্টন। এই প্ৰতিযোগিতাসমূহ সুকলমে পৰিচালিত কৰিছিল আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগিতাসমূহৰ বিচাৰকৰ দায়িত্বত থকা ছাৰ-বাইদেউসকলে। এই ছেগতে সেইসকল ছাৰ-বাইদেউক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বিগত বছৰকেইটিৰ দৰে এইবেলিও আমাৰ মহাবিদ্যালয়ৰ শ্ৰীশ্ৰীসৰস্বতী পূজাখন অতি উলহ-মালহেৰে পৰিচালিত কৰিছিলোঁ। সেইদিনা ৰাতিপুৱাৰেপৰা বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক তথা ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ আগমন ঘটিছিল। আমি সকলোৱে ছাৰ-বাইদেউসকলৰ লগত মা সৰস্বতীৰ আশিস বিচাৰি পুষ্পাঞ্জলি অৰ্পণ কৰিছিলোঁ।

মোৰ কাৰ্যকালৰ শেষৰ কাৰ্যসূচী আছিল 'নৱাগত আদৰণী সভা'। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সন্মিলন কাৰ্যসূচীৰে সভাৰ সৌষ্ঠৱ বঢ়াই তোলা হয়। নৱাগত আদৰণী সভাৰ মুখ্য অতিথি আছিল অসমৰ শিক্ষামন্ত্ৰী মাননীয় সিদ্ধাৰ্থ ভট্টাচাৰ্য্যদেৱ। মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে সমূহ বিষয়ববীয়ালৈও মোৰ ফালৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্বভাৰ লৈ অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

*'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'*
*'জয়তু ছাত্ৰ একতা সভা'*

# বিভাগীয় প্ৰতিবেদন



**ফুলমণি মহন্ত**
**ছাত্ৰী জিৰণি কোঠা**

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই মহান ব্যক্তিসকলক সোঁৰৰণ কৰিছোঁ, যিসকল ব্যক্তিয়ে দক্ষিণ কামৰূপৰ ঐতিহ্যমণ্ডিত মালিয়াটাত অশেষ পৰিশ্ৰম, মহানুভৱতা, অবিৰত প্ৰচেষ্টাৰ ফলত মানৱ সম্পদ গঢ়াৰ এক মহান শিক্ষানুষ্ঠান দক্ষিণ কামৰূপ মহাবিদ্যালয়খন গঢ়ি তুলিছিল। সেয়ে আজি মই তেখেতসকললৈ আন্তৰিক শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকা পদত মই প্ৰতিদ্বন্দ্বিতা কৰি যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ অশেষ কষ্ট আৰু সহায়ৰ ফলত মই জয়ী হ'ব পাৰিছোঁ, সেইসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা মৰম তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**শলাগৰ শৰাই ঃ** পোন প্ৰথমে মই মোৰ মা-দেউতাক ধন্যবাদ জনাওঁ যে, মা-দেউতাৰ অনুমতি অবিহনে মই মহাবিদ্যালয়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰিলোঁহেঁতেন। লগতে মোৰ বান্ধৱী পংকজা দাস, ভাস্বতী কলিতা, দীপ্তি ঠাকুৰীয়া আৰু মোৰ ভাতৃস্বৰূপ কুলদীপ দালৈ মই শলাগৰ শৰাই যাচিছোঁ। এইখিনিতে মোক সকলো ক্ষেত্ৰতে সহায় আগবঢ়োৱা তত্ত্বাৱধায়ক অধ্যাপিকা শ্ৰীগাৰ্গী চক্ৰৱৰ্তী (জীৱ বিজ্ঞান) বাইদেউ আৰু মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু বন্ধু-বান্ধৱী সকলোৰে ওচৰত মই কৃতজ্ঞতা জনাইছোঁ।

## মোৰ কাৰ্যকালৰ চমু আভাস ঃ

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত নিৰ্বাচিত হৈয়ে পোন প্ৰথমে মোৰ কাৰ্যভাৰ আৰম্ভ হৈছিল মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস পালনেৰে। ১৪ নৱেম্বৰত ৫৮তম প্ৰতিষ্ঠা দিৱস অতি উলহ-মালহেৰে পালন কৰা হৈছিল। পতাকা উত্তোলনেৰে আৰম্ভ কৰি দিনটোৰ সকলো কাৰ্যসূচী অতি সুকলমে পালন কৰা হৈছিল।

দ্বিতীয় কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ জৰিয়তে মোৰ তৰফৰপৰা আয়োজিত কৰা প্ৰতিযোগিতাসমূহ হ'ল— থলুৱা সাজ-পাৰ পৰিধান প্ৰতিযোগিতা, পুষ্পসজ্জা, চালাড পৰিৱেশন, মেহেন্দি, ৰংগোলী, আল্পনা ইত্যাদি। মই সেইসকল ছাৰ-বাইদেউক ধন্যবাদ জ্ঞাপন কৰিছোঁ, যিসকলে প্ৰতিযোগিতাসমূহত বিচাৰকৰ আসন গ্ৰহণ কৰি খেলসমূহ চলাই নিয়াত সহায় কৰিছে।

প্ৰতিবছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ত সৰস্বতী পূজাখন উদ্‌যাপন কৰা হয়। সিদিনাখন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী সাজি-কাচি আহি মা সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰিছিল।

মোৰ কাৰ্যকালৰ শেষ কাৰ্যসূচী আছিল 'নৱাগত আৰদণী সভা'। এই নৱাগত আদৰণী সভাখন হাইস্কুল পাৰ হৈ অহা, নতুনকৈ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ত নামভৰ্তি কৰে, তেওঁলোকৰ বাবে উদ্‌যাপন কৰা হয়। অতি উলহ-মালহেৰে এই দিনটো বন্ধু-বান্ধৱীসকলৰ লগত কটাইছিলোঁ। তাৰ লগতে নিজৰ দায়িত্বসমূহো সুচাৰুৰূপে পালন কৰিছিলোঁ।

**সামৰণি ঃ** শেষত মই মহাবিদ্যালয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীসকলক অনুৰোধ জনাওঁ যে, মহাবিদ্যালয়খন নিজৰ বুলি ভাবি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখে যেন। মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ ভাৰ লৈ অজানিতে কৰা ভুল-ক্ৰটিৰ বাবে ক্ষমা কৰি দিয়ে যেন। এইখিনি কৈয়ে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'
'জয়তু ছাত্ৰ একতা সভা'

# বিভাগীয় প্ৰতিবেদন



**জ্যোতিষ্মান ভাগৱতী**
**শৰীৰ চৰ্চা বিভাগ**

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম, অহোপুৰুষাৰ্থ চেষ্টা আৰু গভীৰ সাধনাৰ ফলশ্ৰুতিত দক্ষিণ কামৰূপ মহাবিদ্যালয়ে জন্মলাভ কৰি বৰ্তমানৰ জাকত জিলিকা অৱস্থালৈ পৰ্যৱসিত হৈছে, সেই মহান আৰু চিৰনমস্য ব্যক্তিসকললৈ মোৰ আন্তৰিক সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। স্মৃতিৰ পৰশত সেইসকল ব্যক্তি যদিও আজি অতীত, তথাপি তেওঁলোক আমাৰ অন্তৰৰ নিভৃত কোণত সদায় সজীৱ হৈ আছে আৰু থাকিব।

এই আপাহতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ ভিতৰত সৰ্বাধিক ভোট পাই শৰীৰ চৰ্চা বিভাগত মোক সেৱা আগবঢ়াবলৈ সুযোগ দিয়া অগ্ৰজ আৰু অনুজ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা ওলগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'শৰীৰমাদ্যং খলু ধৰ্মসাধনম্'— শৰীৰটোৱেই সকলোৰে মূল। সুস্থ-সবল শৰীৰ অবিহনে কোনো কামতেই সাফল্য লাভ কৰিব নোৱাৰি। সেয়ে শৰীৰটো কুশলে ৰাখিবলৈ আমি আটায়ে যত্নপৰ হোৱা উচিত।

এইখিনিতেই মোৰ কাৰ্যকালৰ চমু খতিয়ান দাঙি ধৰিবলৈ প্ৰয়াস কৰিছোঁ—

**(১) শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা ঃ** আৰম্ভণিতেই ২০১৮ ইং বৰ্ষৰ শিল্পাধিপতি শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা বিভিন্ন মাংগলিক কাৰ্য সহিতে অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। গৰিষ্ঠসংখ্যক শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ সমাৱেশেৰে এই পূজাভাগ অতি আনন্দ-উৎসৱৰ মাজেৰে সমাপন কৰা হয়।

**(২)** ৰঙাপাৰা মহাবিদ্যালয়ত অনুষ্ঠিত শৰীৰ চৰ্চা, ভাৰোত্তোলন আৰু শক্তি উত্তোলন প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীপ্ৰণৱ দাসে (দেহশ্ৰী প্ৰতিযোগিতা ৫৫ কেজি শিতানত) দ্বিতীয় স্থান লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। আকৌ শক্তি উত্তোলন প্ৰতিযোগিতাত মই শ্ৰীজ্যোতিষ্মান ভাগৱতীয়ে প্ৰথম আৰু শ্ৰীকৌশিক কলিতাই দ্বিতীয় স্থান লাভ কৰি মহাবিদালয়লৈ প্ৰভূত গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। সেয়েহে এওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

**(৩) মহাবিদ্যালয় সপ্তাহ ঃ** গতানুগতিকতাক ৰক্ষা কৰি চিৰাচৰিত পদ্ধতিৰে ২০১৯ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ ৪/২/২০১৯ ইং তাৰিখৰপৰা ৮/২/২০১৯ ইং তাৰিখলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত মোৰ শিতানত থকা কেইবাটাও প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

(ক) দেহশ্ৰী প্ৰতিযোগিতা ঃ এই প্ৰতিযোগিতাত মিঃ ইণ্ডিয়া শ্ৰীযুত অভিজিৎ দাস আৰু মিছ্ অসম শ্ৰীযুতা জুৰি মহন্ত মহোদয়াক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰি জাকজমকতাৰে অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জনাইছোঁ। এই প্ৰতিযোগিতাত মিঃ ডি.কে.চি. হিচাপে শ্ৰীপ্ৰণৱ দাসে খ্যাতি লাভ কৰিবলৈ সক্ষম হয়। তেওঁলৈ মোৰ হিয়াভৰা শুভেচ্ছা যাচিছোঁ।

(খ) শক্তি উত্তোলন প্ৰতিযোগিতা ঃ বহুসংখ্যক শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত শক্তি উত্তোলন প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত শ্ৰীকৌশিক কলিতা Strong Man হিচাপে পৰিগণিত হয়। কলিতালৈ মোৰ ফালৰপৰা উজ্জ্বল ভৱিষ্যৎ কামনা কৰাৰ লগতে শুভেচ্ছা জনাইছোঁ।

(গ) ৰছী টনা আৰু পাঞ্জা খেল প্ৰতিযোগিতা ঃ এই খেল দুবিধ ল'ৰা আৰু ছোৱালী উভয় শাখাতে অনুষ্ঠিত কৰা হয়। গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে খেল দুবিধত অংশগ্ৰহণ কৰে। আটাইলৈ মোৰ হিয়াভৰা ওলগ যাচিছোঁ।

**(৪) ব্যায়ামাগাৰ ঃ** ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে মহাবিদ্যালয়সমূহত একো একোটা উন্নতমানৰ ব্যায়ামাগাৰৰ অতিকৈ আৱশ্যক। আমাৰ মহাবিদ্যালয়ৰ ব্যায়ামাগাৰটোৰ অৱস্থা অতি দুখলগা। ইয়াৰ উন্নীতকৰণৰ বাবে কৰ্তৃপক্ষক বাৰে বাৰে অনুৰোধ কৰা সত্বেও কোনো কাৰ্যপন্থা হাতত লোৱা দেখা নগ'ল। যাৰ ফলত ব্যায়ামাগাৰটোৰ অৱস্থা অতি পয়ালগা। এইটো অতি পৰিতাপৰ বিষয়। ভৱিষ্যতে এই প্ৰতিবেদনৰ জৰিয়তে ব্যায়ামাগাৰটোৰ উন্নতি সাধন কৰিবলৈ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

**(৫) ২০১৯ ইং বৰ্ষৰ বিশ্বকৰ্মা পূজা ঃ** বিগত বছৰৰ দৰে এইবছৰো বিশ্বকৰ্মা পূজাভাগ অনুষ্ঠিত কৰাৰ দায়িত্বভাৰ মোৰ ওপৰতেই অৰ্পিত হয়। এইটো মোৰ বাবে অতি সৌভাগ্যৰ বিষয়। প্ৰায়সংখ্যক শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ উপস্থিতিত অতি উলহ-মালহেৰে পূজাভাগ উদ্‌যাপন কৰা হয়।

**(৬) বিদায় সভা ঃ** ২০২০ ইং বৰ্ষত আমাৰ ছাত্ৰ একতা সভাৰ বিদায় সভা অনুষ্ঠিত হয়। এই সভাত নতুনকৈ নিৰ্বাচিত হোৱা সম্পাদক শ্ৰীসুমন দাসৰ হাতত কাৰ্যভাৰ গটাই দিওঁ। আশাকৰোঁ তেওঁ এই বিভাগৰ কাৰ্যসমূহ সুচাৰুৰূপে সম্পন্ন কৰিব।

**(৭) সামৰণি ঃ** প্ৰতিবেদনৰ পৰিশেষত মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শৰে সহায়-সহযোগিতা আগবঢ়োৱা বিভাগীয় তত্বাৱধায়ক ছাৰৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্য-সদস্যা আৰু ছাত্ৰ-ছাত্ৰীকো মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। শেষত মোৰ কাৰ্যকালৰ সময়ত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়'

'জয়তু ছাত্ৰ একতা সভা'

# বিভাগীয় প্ৰতিবেদন



**কৃষ্ণাংগিনী দাস**
**সমাজ সেৱা বিভাগ**

প্ৰতিবেদনৰ আৰম্ভণিতে দেশৰ বাবে শ্বহীদ হোৱা মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ, লগতে দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালত যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত মহাবিদ্যালয়খন জাকত জিলিকা হৈ উঠিছে, তেখেতসকলক অন্তৰভৰা শ্ৰদ্ধাৰে শলাগ লৈছোঁ।

হে মহান, হে মান্যবৰ! আপোনালোকৰ বলিষ্ঠ প্ৰচেষ্টাত আজি আমাৰ মৰমৰ মহাবিদ্যালখনে সোণালী ইতিহাসেৰে উজ্জীৱিত হৈ আছে। অম্লান স্মৃতিৰ পৰশত আজিও আপোনালোক আমাৰ মানসপটত জীপাল হৈ আছে। অসমৰ ভিতৰতে গৌৰৱময় এই দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ‘সমাজ সেৱা বিভাগ’ৰ সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ সেৱা কৰাৰ সুযোগ পাইছোঁ। সেই হেতু দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ মোৰ অগ্ৰজ আৰু অনুজ সদৌ সতীৰ্থলৈ ধন্যবাদৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ২০১৮-১৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ ‘সমাজ সেৱা’ বিভাগৰ সম্পাদিকাৰ দৰে গুৰু দায়িত্বভাৰ গ্ৰহণ কৰি ইয়াৰ লগত জড়িত কৰ্ম সমুদায় নিয়াৰিকৈ সম্পাদনা কৰিবলৈ অক্লান্ত চেষ্টা কৰিছিলোঁ।

সমাজ এখন গঠন কৰিবলৈ হ’লে আমাক প্ৰয়োজন নিভাঁজ কৰ্মীৰ। সমাজ এখন গ্ৰাম্যয়েই হওক বা চহৰেই হওক, সকলোতে সমস্যা থাকিবই। এই সমস্যাসমূহ সমাধান কৰা আৰু নিঃস্বাৰ্থভাৱে দেশৰ হকে কাম কৰা বা লোকহিতকৰ কৰ্ম কৰিব পৰা বিষয়টোৱে হ’ল সমাজ সেৱা। প্ৰকৃততে সমাজ সেৱা হৈছে সমাজৰ প্ৰকৃত মৰ্যাদা ৰক্ষা কৰা। এই আপ্তবাক্য সাৰোগত কৰি আৰু মহাবিদ্যালয়খনৰ সংবিধান অনুযায়ী ‘সদায় মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰিম’ বুলি শপত লৈ কাৰ্যভাৰ গ্ৰহণ কৰিছিলোঁ।

মোৰ কাৰ্যকালত মহাবিদ্যালয় সপ্তাহ, স্বচ্ছ ভাৰত অভিযান, সৰস্বতী পূজা, নৱাগত আৰদণী সভাৰ লগত সংগতি ৰাখি এদিনীয়া শিবিৰ আয়োজন কৰা হৈছিল আৰু এই অনুষ্ঠানসমূহ নিয়াৰিকৈ পালন কৰিবলৈ সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিলোঁ। মোৰ কাৰ্যকালত মোক বিশেষকৈ সু-পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহাশয়, শিক্ষাগুৰুসকল আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিশেষভাৱে কৃতজ্ঞতা জনাইছোঁ এন.এছ.এছ. গোটৰ সমূহ সদস্য-সদস্যা তথা মোৰ পথ প্ৰদৰ্শক তত্ত্বাৱধায়ক মাননীয় শ্ৰীযুত অসীম ৰঞ্জন শৰ্মা ছাৰলৈ। দাদা ক্ৰমে— তাপস মালী, ঘনিষ্ঠ ভাতৃ অমৰেন্দ্ৰ দাস (অপু) দাদা, জিতু দাদা, বিপ্লৱ কুমাৰ তালুকদাৰ দাদা, মনোজ দাদা, মনোজ দাদা, মনোজ মৰম ৰাভা দাদা, চন্দ্ৰিকা বা, নন্দিনী বা; বন্ধু-বান্ধৱী— আব্দুল, জ্যোতিৰাজ, তাপস, জিতুল, ফাজিৰুল, অলিভিয়া, সীমাশ্ৰী, ইলোৱা, ভাস্বতী, পংকজা, বিনয়, ৰবীন, আৰিফা, শিল্পা, হীৰা, ভাগ্যশ্ৰী, হীৰকজ্যোতি, মনোজ, বাদছাহ, ভনিতা, নৱনীতা, ধৃতিস্মিতা, আইনু, কৰিস্মিতা, কৃতিকা, যুৱৰাজ, হৰগোবিন্দ আদি সদৌটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে কৰা ভুলৰ ক্ষমা বিচাৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*‘জয়তু দক্ষিণ কামৰূপ মহাবিদ্যালয়’*
*‘জয়তু ছাত্ৰ একতা সভা’*

# PRINCIPAL AND TEACHING STAFF OF OUR COLLEGE

## SESSION : 2018-19

**PRINCIPAL**

**Dr. Ramesh Ch. Kalita,** M.Sc., M.Phil., Ph.D. (to 31-12-2018)

**PRINCIPAL i/c**

**Dr. Phanindra Ch. Thakuria,** M.A., M.Phil., Ph.D. (From 01-01-2019 to 30-11-2019)

## ARTS STREAM

**DEPARTMENT OF ASSAMESE :**

Dr. Phanindra Ch. Thakuria, M.A., M.Phil., Ph.D.
Jugal Ch. Baishya, M.A. (Double)
Sunil Talukdar, M.A. (NET), (HoD)
Dr. Niva Thakuria, M.A., M.Phil., Ph.D.
Adward Steady N. Sangma, M.A. (Double), (NET), Prabin
Dr. Lakshmi Kalita, M.A., Ph.D.
Manoj Kr. Das, M.A.
John Kr. Kalita, M.A. (NET), M.Phil., B.Ed.
Banashree Das, M.A. (NET), M.Phil., B.Ed.
Nabajit Mazumdar, M.A. (NET)

**DEPARTMENT OF ENGLISH :**

Dr. Jilmil Bora, M.A., Ph.D.
Dr. Gargee Chakraborty, M.A., Ph.D. (HoD)
Dr. Devajit Das, M.A. (NET), M.Ed., Ph.D.
Aparna Goswami, M.A. (NET)
Sailendra Kumar Das, M.A.
Himangshu Ranjan Barman, M.A.
Kakali Das, M.A.

**DEPARTMENT OF ECONOMICS :**

Dr. Debotpal Goswami, M.A., Ph.D.
Dr. Kumud Bhagawati, M.A., Ph.D., B.Ed.
Dr. Archana Mali, M.A., Ph.D. (HoD)
Dr. Jonali Nath, M.A. (SLET), M.Phil., Ph.D., B.Ed.
Chayanika Goswami, M.A. (NET), M.Phil., B.Ed.
Hiramani Goswami, M.A., B.Ed.

**DEPARTMENT OF EDUCATION :**

Dr. Indira Saikia, M.A., Ph.D.
Dipika Devi, M.A., B.Ed.
Ashim Ranjan Sarma, M.A., PGDGC (HoD)
Bhabani Baishya, M.A. (SLET), M.Phil.
Jagadish Sarma, M.A., B.Ed.
Bhimakshi Das, M.A. B.Ed.
Chandana Sarma, M.A., B.Ed.
Bhupali Kumari, M.A.

**DEPARTMENT OF PHILOSOPHY :**

Dr. Aditi Devi Choudhury, M.A., Ph.D., L.L.B. (HoD)
Anuj Kalita, M.A., M.Phil.
Jaba Kalita, M.A. (SET), M.Phil.
Shivanee Kumari, M.A., B.Ed.
Puspanjali Baruah, M.A., B.Ed.
Jumi Kalita, M.A., B.Ed.
Namita Choudhury, M.A. (NET)

**DEPARTMENT OF POLITICAL SCIENCE :**

Manash Pratim Baruah, M.A. (HoD)
Sourav Jyoti Sarma, M.A. (NET), M.Phil.
Sraban Kr. Dihidar, M.A. (NET), M.Phil.
Barnali Kalita, M.A. (SLET)
Parul Kalita, M.A., B.Ed., LLB
Hirak Jyoti Rajbongshi, M.A.

**DEPARTMENT OF HISTORY :**

Jogesh Kr. Kalita, M.A., B.Ed. (HoD)
Dr. Madhuri Saikia, M.A. (Double), Ph.D.
Dhrubajyoti Gogoi, M.A., M.Phil., MCJ.
Dulumoni Nath, M.A.

**DEPARTMENT OF GEOGRAPHY (Arts/Science) :**

Ashok Kr. Sarma, M.A., M.Phil. (HoD)
Isha Haque Ali, M.A. (SLET)
Homeswar Das, M.Sc., M.Phil.
Dipika Choudhury, M.A., B.Ed.
Azruddin Khan, M.Sc., M.Phil.

**DEPARTMENT OF PSYCHOLOGY :**

Mainee Pathak, M.A.

**DEPARTMENT OF SOCIOLOGY :**

Neetu Kalita, M.A.

## SCIENCE STREAM

**DEPARTMENT OF MATHEMATICS :**

Pranita Kakati, M.Sc.
Debendra Sarma, M.Sc. (HoD)
Prasanta Kalita, M.Sc., B.Ed.
Partha Pratim Kalita, M.Sc., M.Tech.
Rabindra Das, M.Sc.
Sudevi Roy, M.Sc.

**DEPARTMENT OF CHEMISTRY :**

Arabinda Nath Ray, M.Sc.
Dr. Nagendra Sharma, M.Sc., Ph.D. (HoD)
Jayanta Kr. Baishya, M.Sc., M.Phil.
Utpal Das, M.Sc., M.Phil.
Manashi Kalita, M.Sc., B.Ed.
Pinku Sarma, M.Sc. (NET)
Shikha Baruah, M.Sc.
Bhaskarjyoti Kalita, M.Sc.

**DEPARTMENT OF PHYSICS :**

Akhil Ch. Das, M.Sc. (HoD)
Dr. Prabin Ch. Kalita, M.Sc., Ph.D.
Dr. Anjan Buragohain, M.Sc., Ph.D.
Dr. Jnanendra Upadhyay, M.Sc. (SLET), Ph.D.
Pranjal Das, M.Sc.
Manoj Das, M.Sc.
Ujjwal Baruah, M.Sc.
Jamuna Mazumdar, M.Sc.

**DEPARTMENT OF ZOOLOGY :**

Dr. Deepalee Das Chakraborty, M.Sc., Ph.D.
Dr. Namita Sharma, M.Sc., Ph.D. (HoD)
Pabitra Jyoti Kalita, M.Sc., M.Phil.
Dr. Nripendra Kr. Choudhury, M.Sc., Ph.D.
Ellora Choudhury, M.Sc., M.Phil.
Rumi Kalita, M.Sc.
Priyanka Das, M.Sc.
Priyanka Talukdar, M.Sc.

**DEPARTMENT OF BOTANY :**

Karuna Kanta Das, M.Sc., M.Phil. (HoD)
Dr. Durlav Narayan Singha, M.Sc., B.Ed., Ph.D.
Dr. Gargi Chakravarty, M.Sc. (NET), Ph.D.
Sumi Das, M.Sc.
Swagata Nath, M.Sc.

**DEPARTMENT OF COMPUTER SCIENCE :**

Dhiraj Ch. Das, MCA (HoD)
Himadri Goswami, M.Sc.
Sadananda Das, PGDCA
Dhruba Jyoti Kalita, PGDCA

**DEPARTMENT OF ENVIRONMENTAL STUDIES :**

Bharati Das, M.Sc.
Sumita Kalita, M.Sc.

**DEPARTMENT OF INSTRUMENTATION :**

Nikhilesh Mishra, M.Sc.

**DEPARTMENT OF BIOTECHNOLOGY :**

Manabendra Kalita, M.Sc., DFPT
Dr. Nilakshi Gohain, M.Sc., Ph.D.

## COMMERCE STREAM

**DEPARTMENT OF MANAGEMENT :**

Bibhash Baran Kalita, M.Com. (SLET)

**DEPARTMENT OF FINANCE :**

Pompi Haloi, M.Com.

**DEPARTMENT OF ACCOUNTANCY :**

Tandralim Kashyap, M.Com. (SLET), M.Phil.

## CENTER FOR MEDIA STUDIES

Dr. Sailen Das, MAMC (HoD), Ph.D., PGDCA
Shabnam Shahin, MAMC, M.Phil.

## B.VOC. COURSE

Swarup Jyoti Sarma, M.A.
Prabal Pratim Kalita, MBA
Kalpajit Doloi, (Lab. Instructor), PGDCA

## NON-TEACHING STAFF OF THE COLLEGE

1. Jatindra Medhi (S.A.)
2. Mina Kumari Talukdar, B.A. (U.D.A.)
3. Arup Kr. Das, B.A. (L.D.A.)
4. Hiren Kalita, B.A., B.Ed. (L.D.A.)
5. Kushal Ch. Kalita, B.A. (L.D.A.)
6. Barnali Bora, B.A. (L.D.A.)
7. Ramen Kalita, B.Sc. I.T. (L.D.A.)
8. Debajit Kalita, B.A.
9. Basanta Kalita, B.A.
10. Nayanmoni Kalita, M.A., B.Ed.
11. Jitumoni Kalita, B.A., PGDCA
12. Parul Das, B.A.
13. Kumar Akash, B.A.

**LIBRARY STAFF :**

1. Himadri Mayee Bora, M.Lib.Sc., M.Phil. (Librarian)
2. Panchimita Kalita, M.Lib.Sc., PGDCA (Asst. Lib.)
3. Pinku Bora, B.A.
4. Jon Moni Das
5. Randeep Das, B.A.
6. Anjan Parasor Bora, BCA, PGDM

**HEALTH :**

1. Kalpana Kalita (Nurse)

## BEARER / LAB. BEARER / GRADE IV

1. Jagadish Saloi
2. Hiren Thakuria
3. Jatin Ch. Das
4. Krishna Ram Kaiborta
5. Kanchan Kumari
6. Reena Das
7. Harakanta Das
8. Kalpana Das
9. Dwijen Ch. Kalita
10. Nabajit Das
11. Rupdhar Rabha
12. Jiten Kumar
13. Bimal Kalita
14. Phanidhar Nath
15. Deben Ch. Das
16. Diganta Medhi
17. Chakradhar Nath
18. Apurba Kaiborta
19. Deepjyoti Das
20. Debo Mali
21. Jonali Kalita
22. Biswajit Baishya
23. Jyoti Partha Das
24. Sankar Das
25. Ananda Das
26. Dhaneswar Mazumdar
27. Nayan Das
28. Pallab Mahanta
29. Rubul Kalita
30. Champak Kumar
31. Saneswar Kaiborta
32. Pabitra Das
33. Dhrubajyoti Das
34. Gajen Das

**NIGHT CHOWKIDAR :**

1. Bipul Baishya
2. Bipul Das
3. Simanta Das

**HOSTEL EMPLOYEES :**

1. Dimbeswar Das
2. Daibaki Das
3. Lakhya Dhar Kumar

**SECURITY :**

1. Parameswar Das
2. Guneswar Das
3. Babul Das

# ACHIEVEMENTS OF D. K. COLLEGE, MIRZA

## RESULT OF M.A. (ASSAMESE) FINAL EXAMINATION SINCE 2015 UNDER GAUHATI UNIVERSITY AT D. K. COLLEGE, MIRZA

| Year | Total Appeared | 1st Class | 2nd Class | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|---|
| 2015 | 38 | 07 | 31 | 38 | 92.2 |
| 2016 | 38 | 04 | 34 | 38 | 100 |
| 2017 | 47 | 10 | 37 | 47 | 100 |
| 2018 | 35 | 01 | 33 | 34 | 97.14 |
| 2019 | 30 | – | 30 | 30 | 100 |

| M.Sc. (Zoology) | | | | | |
|---|---|---|---|---|---|
| Year | Total Appeared | 1st Class | 2nd Class | Total Successful Candidate | % of Successful Candidate |
| 2019 | 10 | 01 | 09 | 10 | 100 |

## RESULT T.D.C. FINAL EXAMINATION SINCE 2014 UNDER GAUHATI UNIVERSITY

| ARTS STREAM | | | | |
|---|---|---|---|---|
| Year | Total Appeared | 1st Class | Total Successful Candidate | % of Successful Candidate |
| 2014 | 417 | 56 | 360 | 86.33 |
| 2015 | 568 | 102 | 435 | 76.58 |
| 2016 | 689 | 130 | 485 | 70.39 |
| 2017 | 683 | 147 | 502 | 73.54 |
| 2018 | 622 | 166 | 405 | 65.11 |
| 2019 | 612 | 127 | 355 | 58 |

| SCIENCE STREAM | | | | |
|---|---|---|---|---|
| Year | Total Appeared | 1st Class | Total Successful Candidate | % of Successful Candidate |
| 2014 | 71 | 15 | 55 | 77.46 |
| 2015 | 133 | 47 | 96 | 72.18 |
| 2016 | 190 | 63 | 135 | 71.05 |
| 2017 | 188 | 65 | 144 | 76.60 |
| 2018 | 233 | 64 | 135 | 57.93 |
| 2019 | 230 | 83 | 126 | 54.78 |

## RESULT OF H. S. FINAL EXAMINATION (LAST 5 YEARS)

### SUCCESSFUL CANDIDATES IN ARTS STREAM

| Year | Total Appeared in Arts | 1st Division | 2nd Division | 3rd Division | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|---|---|
| 2015 | 681 | 183 | 226 | 180 | 589 | 86.50 |
| 2016 | 656 | 126 | 242 | 216 | 584 | 89.02 |
| 2017 | 591 | 150 | 202 | 196 | 548 | 92.72 |
| 2018 | 579 | 138 | 236 | 180 | 554 | 95.70 |
| 2019 | 615 | 138 | 201 | 241 | 580 | 94.30 |

### SUCCESSFUL CANDIDATES IN SCIENCE STREAM

| Year | Total Appeared in Arts | 1st Division | 2nd Division | 3rd Division | Total Successful Candidate | % of Successful Candidate |
|---|---|---|---|---|---|---|
| 2015 | 295 | 212 | 75 | 06 | 293 | 99.30 |
| 2016 | 312 | 226 | 60 | 01 | 287 | 92.00 |
| 2017 | 357 | 206 | 125 | 12 | 343 | 96.08 |
| 2018 | 335 | 185 | 124 | 06 | 315 | 94.00 |
| 2019 | 308 | 143 | 137 | 13 | 293 | 95.13 |

# STUDENTS SECURING POSITIONS AND HIGHEST MARKS IN 2018-19 IN OUR COLLEGE

| Sl. No. | Name | Year & Course | Class/Division |
|---|---|---|---|
| 1 | Bikash Das | 2019 (B.A.) | 1st Class in Assamese (1173 Marks) |
| 2 | Kalyani Barman | 2019 (B.Sc.) | 1st Class in Botany (1432 Marks) |
| 3 | Kasturi Das | 2019 (B.Sc.) | 1st Class in Chemistry (1272 Marks) |
| 4 | Jeemoni Choudhury | 2019 (B.A.) | 1st Class in Economics (1366 Marks) |
| 5 | Kalpana Kalita | 2019 (B.A.) | 1st Class in Education (1250 Marks) |
| 6 | Manash Jyoti Kalita | 2019 (B.A.) | 1st Class in English (1170 Marks) |
| 7 | Mahadev Rabha | 2019 (B.A.) | 1st Class in Geography (1098 Marks) |
| 8 | Rajadul Alom | 2019 (B.A.) | 1st Class in History (1321 Marks) |
| 9 | Bhargab Kalita | 2019 (B.Sc.) | 1st Class in Mathematics (1352 Marks) |
| 10 | Begam Sajinara Sarkar | 2019 (B.A.) | 1st Class in Philosophy (1155 Marks) |
| 11 | Hemanta Upadhyay | 2019 (B.Sc.) | 1st Class in Physics (1459 Marks) |
| 12 | Sagarika Talukdar | 2019 (B.A.) | 1st Class in Political Science (1325 Marks) |
| 13 | Lina Sharma | 2019 (B.Sc.) | 1st Class in Zoology (1423 Marks) |
| 14 | Samujjal Das | 2019 (B.Voc.) | 1st Class in Banking & Financial Service (1955 Marks) |
| 15 | Nisha Das | 2019 (B.Voc.) | 1st Class in Retail Management & IT (2104 Marks) |

# AWARD FOR ACADEMIC EXCELLENCE

## (Award from Different Trusts, D. K. College, Mirza)

### Session : 2018-2019

| Sl. No. | Name of Award Holder | Name of Trusts | Achievement |
|---|---|---|---|
| 1 |  **Maharshi Sharma** | Manoj Kalita and Manash Kalita Memorial Trust<br>Donor : Mahesh Kalita & Usha Kalita | Highest Mark in Science H.S. Final Exam. |
| 2 |  **Nayan Jyoti Kalita** | Niroda Bala Kalita Memorial Trust<br>Donor : Naren Ch. Kalita | Highest Mark in Arts H.S. Final Exam. |
| |  **Hemanta Upadhyay** | | Highest Mark in B.Sc. Final Exam. |
| 3 |  **Jeemani Choudhury** | Amrit Ch. Thakuria Memorial Trust<br>Donor : Abhaya Thakuria | Highest Mark in B.A. Final Exam. |
| 4 |  **Kalpana Kalita** | Bristi Priya Bora Memorial Trust<br>Donor : Dr. Indira Saikia | Highest Mark in Education in B.A. Final Exam. |
| 5 |  **Bikash Das** | Relish N. Sangma Memorial Trust<br>Donor : Prof. Adward Steady N. Sangma | Highest Mark in Assamese in B.A. Final Exam. |
| 6 |  **Kasturi Das** | Ramendra Barman Trust<br>Donor : Jaya Barman & Family | Highest Mark in Academically in the Science Stream From B.P.L. |
| **AWARD FOR BEST ACTING** | | | |
| 7 |  **Jitul Sarma** | Mahendra Adhikary Memorial Trust<br>Donor : Dr. Jahnabi Devi | Best Actor and Actress College Week, 2019 |
| 8 |  **Najbin Sultana** | | |

# আলোচনী সম্পাদক আৰু তত্ত্বাৱধায়কসকল

| ইং বৰ্ষ | সম্পাদকৰ নাম | তত্ত্বাৱধায়কৰ নাম |
|---|---|---|
| ১৯৬৯-১৯৭০ | ধীৰেণ কুমাৰ দাস | ভাৰত চন্দ্ৰ কলিতা |
| ১৯৭০-১৯৭১ | হাচমত আলী | ধনেশ্বৰ কলিতা |
| ১৯৭১-১৯৭২ | বলেন চন্দ্ৰ কলিতা | ধনেশ্বৰ কলিতা |
| ১৯৭২-১৯৭৩ | সৰ্বানন্দ কলিতা | ধনেশ্বৰ কলিতা |
| ১৯৭৩-১৯৭৪ | নৰ কুমাৰ কাকতি | ধৰ্মেশ্বৰ বড়া |
| ১৯৭৪-১৯৭৫ | ৰমেন মেধি | ধৰ্মেশ্বৰ বড়া |
| ১৯৭৫-১৯৭৬ | প্ৰদীপ কুমাৰ দাস | ধনেশ্বৰ কলিতা |
| ১৯৭৬-১৯৭৭ | জীৰেশ্বৰ দাস | ধনেশ্বৰ কলিতা |
| ১৯৭৭-১৯৭৮ | সুভাষ গোস্বামী | ধনেশ্বৰ কলিতা |
| ১৯৭৮-১৯৭৯ | মুছলিম আলী (ভাঃপ্ৰাঃ) | ধৰ্মেশ্বৰ বড়া |
| ১৯৮০-১৯৮১ | বৈকুণ্ঠ ৰাজবংশী | ধৰ্মেশ্বৰ বড়া |
| ১৯৮১-১৯৮২ | প্ৰদীপ কুমাৰ দাস | ধৰ্মেশ্বৰ বড়া |
| ১৯৮২-১৯৮৩ | হৰিচৰণ দাস | ধনেশ্বৰ কলিতা |
| ১৯৮৩-১৯৮৪ | হিতেশ ঠাকুৰীয়া | প্ৰদীপজ্যোতি মহন্ত |
| ১৯৮৪-১৯৮৫ | দুলাল কলিতা | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৫-১৯৮৬ | ধীৰেণ কুমাৰ | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৬-১৯৮৭ | পংকজলোচন গোস্বামী | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৮৭-১৯৮৮ | ভৰেন মহন্ত | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৮৮-১৯৮৯ | হিৰম্ব চৌধুৰী | ধৰ্মেশ্বৰ বড়া |
| ১৯৮৯-১৯৯০ | প্ৰবীণ কুমাৰ দত্ত | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৯০-১৯৯১ | দীনেশ দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯১-১৯৯২ | দেৱ কুমাৰ পাঠক | ধৰ্মেশ্বৰ বড়া |
| ১৯৯২-১৯৯৩<br>১৯৯৩-১৯৯৪ | দেৱজিৎ দাস | যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৪-১৯৯৫ | ৰাম কুমাৰ চৌধুৰী | যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৫-১৯৯৬ | বিনোদ কলিতা | ধৰ্মেশ্বৰ বড়া |
| ১৯৯৬-১৯৯৭ | নৃপেন কলিতা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৭-১৯৯৮ | কৈলাশ কুমাৰ দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ১৯৯৮-১৯৯৯ | শংকৰ মেধি | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া |
| ১৯৯৯-২০০০ | ভাস্কৰ ৰাভা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |

| ইং বৰ্ষ | সম্পাদকৰ নাম | তত্ত্বাৱধায়কৰ নাম |
|---|---|---|
| ২০০০-২০০১ | ৰাজকমল চৌধুৰী | যুগল চন্দ্ৰ বৈশ্য<br>ইছাহক আলী |
| ২০০১-২০০২ | ৰাজীৱ ভড়ালী | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>সুনীল তালুকদাৰ |
| ২০০২-২০০৩ | প্ৰশান্ত মেধি | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৩-২০০৪ | ৰুবুল গোস্বামী | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৪-২০০৫ | কুমুদ কলিতা | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>যুগল চন্দ্ৰ বৈশ্য |
| ২০০৫-২০০৬ | অক্ষয়জ্যোতি শৰ্মা | যুগল চন্দ্ৰ বৈশ্য<br>এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০০৬-২০০৭ | ভৰেন দাস | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>সুনীল তালুকদাৰ |
| ২০০৭-২০০৮ | চিন্ময় কলিতা | ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া<br>এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০০৮-২০০৯ | দেৱজিৎ মহন্ত | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>মানস প্ৰতিম বৰুৱা |
| ২০০৯-২০১০ | নয়নজ্যোতি শৰ্মা | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ইছাহক আলী |
| ২০১০-২০১১ | আশামণি দাস | মানস প্ৰতিম বৰুৱা<br>সুনীল তালুকদাৰ |
| ২০১১-২০১২ | নয়নমণি দাস | মানস প্ৰতিম বৰুৱা<br>সুনীল তালুকদাৰ |
| ২০১২-২০১৩ | ৰতন কলিতা | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ড° নৃপেন্দ্ৰ কুমাৰ চৌধুৰী |
| ২০১৩-২০১৪ | সুমনজ্যোতি কলিতা | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা<br>ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০১৪-২০১৫ | বিজিত গোস্বামী | সুনীল তালুকদাৰ<br>ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০১৫-২০১৬ | চিন্ময় যখৰীয়া | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা |
| ২০১৬-২০১৭ | দেৱজিৎ শৰ্মা | মানস প্ৰতিম বৰুৱা |
| ২০১৭-২০১৮ | ভবিতা দাস | ড° গাৰ্গী চক্ৰৱৰ্তী |
| ২০১৮-২০১৯ | সমৰ জ্যোতি কলিতা | এড্‌ৱাৰ্ড ষ্টেডী এন্ চাংমা |

# অসম সংগীত


অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন শুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত
পৃথিৱীৰ ক'তো বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ তোমাৰ মুখনি একেৰি
হেঁপাহ মোৰ পলোৱা নাই

(সাহিত্যৰথী বেজবৰুৱাৰ হাতৰ আখৰ)

ৰচনাকাল ঃ ১৯১০ খ্ৰীষ্টাব্দ, ২৩ মে' সোমবাৰ, হাওড়া



কৰ্মব্যস্ত মুহূৰ্তত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱ

## মহাবিদ্যালয় পৰিচালনা সমিতি (২০১৮-১৯ ইং বৰ্ষ)



নবীন গোস্বামী
সভাপতি



ড° ৰমেশ চন্দ্ৰ কলিতা
অধ্যক্ষ
(৩১-১২-২০১৮ লৈ)



ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া
ভাৰপ্ৰাপ্ত অধ্যক্ষ
(০১-০১-২০১৯ৰপৰা ৩০-১১-২০১৯ লৈ)



প্ৰণৱ কলিতা
বিশেষ নিমন্ত্ৰিত সদস্য



ড° ধৰণীধৰ মালী
বিশ্ববিদ্যালয় প্ৰতিনিধি আৰু প্ৰাক্তন সভাপতি



ড° ইন্দিৰা শইকীয়া
শিক্ষক প্ৰতিনিধি



ড° নগেন্দ্ৰ শৰ্মা
শিক্ষক প্ৰতিনিধি



ড° যতিন কলিতা
বিশ্ববিদ্যালয় প্ৰতিনিধি



অনিল দাস
দাতা সদস্য



সবিতা দাস
অভিভাৱক সদস্য



হীৰেন কলিতা
অনাশিক্ষক কৰ্মচাৰী সদস্য



শচীন কাকতি
অভিভাৱক সদস্য



বানেশ্বৰ দাস
অভিভাৱক সদস্য




ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু নৱ-নিযুক্ত অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু নৱ-নিযুক্ত অধ্যক্ষৰ সৈতে মহাবিদ্যালয়ৰ অনা-শিক্ষক কৰ্মচাৰীবৃন্দ



মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰালৰ কৰ্মচাৰীবৃন্দ



ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু তত্বাৱধায়কৰ সৈতে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

# মহাবিদ্যালয়ৰ গৌৰৱ

## (স্নাতক চূড়ান্ত পৰীক্ষাত বিভাগীয়ভাৱে প্ৰথম শ্ৰেণীৰ সৰ্বোচ্চ নম্বৰ প্ৰাপ্তসকল)



**বিকাশ দাস**
অসমীয়া বিভাগ
মুঠ নম্বৰ ঃ ১১৭৩



**কল্যাণী বৰ্মন**
উদ্ভিদ বিজ্ঞান বিভাগ
মুঠ নম্বৰ ঃ ১৪৩২



**কস্তুৰী দাস**
ৰসায়ন বিজ্ঞান বিভাগ
মুঠ নম্বৰ ঃ ১২৭২



**জীমণি চৌধুৰী**
অৰ্থনীতি বিজ্ঞান বিভাগ
মুঠ নম্বৰ ঃ ১৩৬৬



**কল্পনা কলিতা**
শিক্ষা বিভাগ
মুঠ নম্বৰ ঃ ১২৫০



**মানসজ্যোতি কলিতা**
ইংৰাজী বিভাগ
মুঠ নম্বৰ ঃ ১১৭০



**মহাদেৱ ৰাভা**
ভূগোল বিভাগ
মুঠ নম্বৰ ঃ ১০৯৮



**ৰাজাদুল আলম**
বুৰঞ্জী বিভাগ
মুঠ নম্বৰ ঃ ১৩২১



**ভাৰ্গৱ কলিতা**
গণিত বিভাগ
মুঠ নম্বৰ ঃ ১৩৫২



**বিকি শৰ্মা**
গণ সংযোগ আৰু সাংবাদিকতা
মুঠ নম্বৰ ঃ ১৫৯৫



**বেগম চাজিনাৰা সৰকাৰ**
দৰ্শন বিভাগ
মুঠ নম্বৰ ঃ ১১৫৫



**হেমন্ত উপাধ্যায়**
পদাৰ্থ বিজ্ঞান বিভাগ
মুঠ নম্বৰ ঃ ১৪৫৯



**সাগৰিকা তালুকদাৰ**
ৰাজনীতি বিজ্ঞান বিভাগ
মুঠ নম্বৰ ঃ ১৩২৫



**লীনা শৰ্মা**
জীৱ বিজ্ঞান বিভাগ
মুঠ নম্বৰ ঃ ১৪২৩



**সমুজ্জ্বল দাস**
বেংকিং এণ্ড ফাইনেন্সিয়েল চাৰ্ভিচ
মুঠ নম্বৰ ঃ ১৯৫৫



**নিশা দাস**
ৰিটেইল মেনেজমেন্ট এণ্ড আই.টি.
মুঠ নম্বৰ ঃ ২১০৪

### স্নাতকোত্তৰ শ্ৰেণী



**হিমাদ্ৰী কলিতা**
প্ৰাণীবিজ্ঞান বিভাগ
চি.জি.পি.এ.- ৬.৫১

### কৃতিত্ব



**মহৰ্ষি শৰ্মা**
উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত
আমাৰ মহাবিদ্যালয়ৰ ভিতৰত
সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ



**নয়নজ্যোতি কলিতা**
উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত
আমাৰ মহাবিদ্যালয়ৰ ভিতৰত
সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ

### কৃতিত্ব



**চিন্তামণি দাস**
19th WTSKF INTERNATIONAL
KARATE CHAMPIONSHIPত
মহিলাৰ ৬০ কেজি শাখাত প্ৰথম স্থান লাভ

# মহাবিদ্যালয় সপ্তাহ ঃ ইং ২০১৮-২০১৯ বৰ্ষ


মূৰ্চ্ছনা দাস
শ্ৰেষ্ঠা গায়িকা


জিতুল শৰ্মা
শ্ৰেষ্ঠ অভিনেতা


নাজনিন চুলতানা
শ্ৰেষ্ঠা অভিনেত্ৰী


দীপংকৰ দাস
শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী


ৰিমলি ৰিচা পাঠক
শ্ৰেষ্ঠা তাৰ্কিক


অবিনাশ দাস
শ্ৰেষ্ঠ স্বেচ্ছাসেৱক


পাপৰি দাস
শ্ৰেষ্ঠা স্বেচ্ছাসেৱিকা


গৌতম ঠাকুৰীয়া
শ্ৰেষ্ঠ খেলুৱৈ


ৰাকেশ নাথ
শ্ৰেষ্ঠ শিল্পকলা প্ৰতিযোগী


প্ৰণৱ দাস
মিষ্টাৰ ডি.কে.চি.


জ্যোতিস্মিতা তালুকদাৰ
পৰম্পৰাগত সাজ-সজ্জাৰ শ্ৰেষ্ঠ প্ৰতিযোগী

## বিশেষ কৃতিত্ব
### পি.এইচ.ডি. অৰ্জন


**Dr. Jilmil Bora**
Department of English

**TOPIC :** Dimensions of Bamboo among the Assamese Caste people of Kamrup (Rural) District, Assam.

Year : 2019


**ড° বনশ্ৰী দাস**
অসমীয়া বিভাগ

বিষয় ঃ অসমীয়া আৰু হিন্দী ভাষাৰ গঠন— এক তুলনামূলক অধ্যয়ন

২০১৯ ইং বৰ্ষ

## সময়ৰ ফুলপাহ যায় মৰহি, সমীৰত উৰে মাথোঁ স্মৃতিৰ পাপৰি....



'দক্ষিণ পট' সম্পাদনা সমিতিৰ প্ৰথম বৈঠক



মহাবিদ্যালয় সপ্তাহৰ নাট প্ৰতিযোগিতাৰ এটি দৃশ্য



ভাৰতীয় বিমান প্ৰাধিকৰণৰ উদ্যোগত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাৰ
বঁটা বিতৰণৰ মুহূৰ্তত



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত নিমন্ত্ৰিত অতিথি
(হাড়ফিলা বাইদেউ) ড° পূৰ্ণিমা দেৱী বৰ্মন



আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত
'ৰাষ্ট্ৰীয় যুৱ সংহতি শিবিৰ'ৰ বিশেষ আদৰণী অনুষ্ঠান



'National Integration Youth Camp'ৰ বিশেষ আদৰণী অনুষ্ঠানত ভাৰতবৰ্ষৰ ভিন্ন ৰাজ্যৰ
প্ৰতিনিধি সমন্বিতে মহাবিদ্যালয়ৰ শিক্ষক-অনাশিক্ষকৰ একাংশ



'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' আঁচনিৰ অধীনত
শিক্ষামূলক ভ্ৰমণত যোৱা মহাবিদ্যালয়ৰ দলটি (ইং ২০১৮ বৰ্ষ)



'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' আঁচনিৰ অধীনত
শিক্ষামূলক ভ্ৰমণত যোৱা মহাবিদ্যালয়ৰ দলটি (ইং ২০১৯ বৰ্ষ)

## সময়ৰ ফুলপাহ যায় মৰহি, সমীৰত উৰে মাথোঁ স্মৃতিৰ পাপৰি....



শিক্ষক আৰু ছাত্ৰৰ মাজত অনুষ্ঠিত প্ৰীতি ক্ৰিকেট খেল প্ৰতিযোগিতা উদ্বোধনৰ এটি মুহূৰ্ত




নৱাগত আদৰণী সভাত নিমন্ত্ৰিত কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰ



মহাবিদ্যালয় সপ্তাহ উপলক্ষে অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত
বিশিষ্ট 'কুইজ মাষ্টাৰ' দীপাংকৰ কৌশিক



'বিশ্ব যোগ দিৱস' উপলক্ষে মহাবিদ্যালয়ত আয়োজিত অনুষ্ঠানৰ এক দৃশ্যাংশ



পঞ্জাবত অনুষ্ঠিত হোৱা 'International Goodwill & Fraternity Camp'লৈ
যোৱা আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দলটি



ইং ২০১৯ বৰ্ষত অনুষ্ঠিত 'ব্ৰহ্মপুত্ৰ সাহিত্য উৎসব'লৈ যোৱা মহাবিদ্যালয়ৰ দলটি



মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাৰ একাংশ অংশগ্ৰহণকাৰী



মহাবিদ্যালয় সপ্তাহ উপলক্ষে সাংস্কৃতিক শোভাযাত্ৰাৰ এটি বিশেষ মুহূৰ্ত

## সময়ৰ ফুলপাহ যায় মৰহি, সমীৰত উৰে মাথোঁ স্মৃতিৰ পাপৰি....



মুখ্য প্ৰাচীৰ পত্ৰিকা 'অংকুৰ' প্ৰস্তুতিৰ এক মুহূৰ্ত



ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত ভোটদানৰ এটি মুহূৰ্ত



আমাৰ মহাবিদ্যালয়ত বিশ্ব পৰিবেশ দিৱস উপলক্ষে
শিশুসকলৰ মাজত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতা



নৱাগত আদৰণী সভাত মাননীয় শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ ভাষণ প্ৰদানৰ মুহূৰ্তত



আন্তঃ মহাবিদ্যালয় খো-খো প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ পুৰস্কাৰপ্ৰাপ্ত দলটি



শিশু দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ সেউজ গৃহ
পৰিদৰ্শন কৰি থকা এক দৃশ্যাংশ



আনুষ্ঠানিক কৰ্ম জীৱনৰ বিদায় পৰত মহাবিদ্যালয়কপৰা সম্বৰ্ধিত ব্যক্তিসকল ক্ৰমে– অধ্যাপক শ্ৰীযুত অৰবিন্দ নাথ বৰা, অধ্যাপক শ্ৰীযুত যুগল চন্দ্ৰ বৈশ্য, অধ্যাপক ড° দেৱোপল গোস্বামী, অধ্যাপিকা ড° ইন্দিৰা শইকীয়া, অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ কলিতা, ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ফণীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া আৰু বিজ্ঞানাগাৰৰ সহায়ক শ্ৰীযুত কৃষ্ণৰাম কৈৱৰ্ত।


আলোকচিত্ৰৰ ভাষাৰে....
দীক্ষিত প্ৰকৃতিৰ আকুলতাত প্ৰত্যয়, জীৱন আৰু সংগ্ৰাম....
ডিকেচিয়ানৰ অক্ষিপট

# DAKSHIN PAT

Vol.- 47 : 2018-19



Editor : Samar Jyoti Kalita